PGAS S4 04 (Lit) Part-1
Exam Code - 127N

অনুবাদ সাহিত্য

চতুর্থ ষাণ্মাসিক

অসমীয়া

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° **মালিনী গোস্বামী,** অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° **উপেন ৰাভা হাকাচাম,** অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
ড° **খগেশ সেন ডেকা,** (অৱসৰপ্রাপ্ত) সহযোগী অধ্যাপক, পূব কামৰূপ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১ আৰু ২	**ড° ৰুমী চৌধুৰী,** উত্তৰ-পূব ভাৰত অধ্যয়ন প্রতিষ্ঠান, গুৱাহাটী বিশ্ববিদ্যালয়
৩	**মণ্টু শইকীয়া,** পূব কামৰূপ মহাবিদ্যালয়
৪	**অজিৎ কলিতা,** পূব কামৰূপ মহাবিদ্যালয়
৫	**ড° প্রফুল্ল কুমাৰ নাথ,** গুৱাহাটী বিশ্ববিদ্যালয়
৬ আৰু ৭	**অর্ণৱ শর্মা,** এছ বি দেওৱা মহাবিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা	ঃ	**ড° মালিনী গোস্বামী,** গুৱাহাটী বিশ্ববিদ্যালয় (অধ্যায় ৩ আৰু ৪) **ড° প্রফুল্ল কুমাৰ নাথ,** গুৱাহাটী বিশ্ববিদ্যালয় (অধ্যায় ১ আৰু ২) **ড° নিভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ৫, ৬ আৰু ৭)
সম্পাদনা সহযোগী	ঃ	**ড° সঞ্জীৱ ৰৱা,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা	ঃ	**ড° নিভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ ডিচেম্বৰ, ২০১৮ , দ্বিতীয় প্রকাশ ঃ চেপ্তেম্বৰ, ২০২১

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/ For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in
মহানগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২

পাঠ্যবিষয়ৰ পৰিচয় ঃ অনুবাদ সাহিত্য

এইখন স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ চতুৰ্থ ষাণ্মাসিকৰ সংশোধিত আৰু পৰিবৰ্ধিত পাঠ্যবিষয়। 'অনুবাদ সাহিত্য' শিৰোনামৰ এই পাঠ্যবিষয় চতুৰ্থ ষাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা চতুৰ্থ পাঠ্যবিষয়। এই পাঠ্যবিষয় মূলতঃ দুটা খণ্ডত বিভক্ত। 'অনুবাদ সাহিত্য' আৰু 'নিৰ্বাচিত সাহিত্যিক'। ইয়াৰ অন্তৰ্গত প্ৰথম খণ্ড অৰ্থাৎ 'অনুবাদ সাহিত্য'ত অনুবাদ সম্পৰ্কীয় বিভিন্ন দিশৰ মনোগ্ৰাহী আলোচনা সন্নিৱিষ্ট হৈছে। সাম্প্ৰতিক সময়ত সাহিত্য প্ৰসঙ্গত অনুবাদ সাহিত্য এটা আকৰ্ষণীয় চৰ্চিত বিষয়। এই পাঠ্যবিষয়ত সাহিত্য শাখাৰ শিক্ষাৰ্থীক অনুবাদৰ লগত জড়িত তত্ত্ব, অনুবাদৰ প্ৰয়োজনীয়তা, অনুবাদৰ প্ৰকাৰভেদ, অনুবাদৰ বিভিন্ন অধ্যয়ন পদ্ধতি, অনুবাদৰ সমস্যা, অসমীয়া ভাষালৈ কিতাপৰ অনুবাদ ইত্যাদি বিষয়সমূহৰ লগত পৰিচিত কৰোৱা হ'ব।

পাঠ্যবিষয়ৰ প্ৰথম অধ্যায়টোৰ শিৰোনাম 'অনুবাদ সাহিত্যৰ পৰিচয়'। ইয়াত অনুবাদ সাহিত্যৰ উদ্ভৱ আৰু ক্ৰমবিকাশৰ লগতে ভাৰতীয় তথা অসমীয়া অনুবাদ সাহিত্যৰ পৰিচয় আগবঢ়োৱা হৈছে। দ্বিতীয় অধ্যায়ৰ শিৰোনাম 'অনুবাদৰ প্ৰকাৰভেদ'। এইটো এটা বৰ গুৰুত্বপূৰ্ণ অধ্যায় য'ত শিক্ষাৰ্থীৰ জ্ঞাতাৰ্থে অনুবাদৰ প্ৰকৃতি, অনুবাদৰ প্ৰক্ৰিয়া তথা ভাষিক মাধ্যম অনুসৰি অনুবাদৰ প্ৰকাৰ কেনে হ'ব পাৰে তাৰ লেখ আছে। তৃতীয় অধ্যায় 'অনুবাদৰ সমস্যাসমূহ'ত অনুবাদ আৰু অনুবাদ তত্ত্বৰ লগতে অনুবাদৰ সমস্যাসমূহ আলোচনা কৰা হৈছে। চতুৰ্থ অধ্যায়ত অসমীয়া অনুবাদ সাহিত্যৰ পৰম্পৰা সম্বন্ধে বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। পাঠ্যবিষয়ৰ পঞ্চম অধ্যায় 'অসমীয়া ভাষালৈ কবিতাৰ অনুবাদ'ত সাহিত্যৰ অন্যতম ভাগ কবিতাৰ অনুবাদৰ ক্ষেত্ৰত অনুবাদকে কেনে সমস্যাৰ সন্মুখীন হয় আৰু তাৰ নিৰাকৰণ কি দৰে কৰে তাৰ সৰস লেখ আগবঢ়োৱা হৈছে। ষষ্ঠ অধ্যায় 'অসমীয়া ভাষালৈ গল্পৰ অনুবাদ'ত অসমীয়া চুটিগল্প আৰু অনুবাদ পৰম্পৰাৰ বিষয়ে ধাৰণা লাভ কৰিব। তাৰ লগতে চুটিগল্পৰ লগত জড়িত অনুবাদকে সন্মুখীন হোৱা সমস্যাৰ বিষয়েও আলোচনা পঢ়িবলৈ পাব। সপ্তম আৰু শেষ অধ্যায় 'অসমীয়া ভাষালৈ উপন্যাসৰ অনুবাদ'ত অসমীয়া উপন্যাস আৰু অনুবাদ পৰম্পৰা আৰু অনুবাদৰ ক্ষেত্ৰত অনুবাদকে সন্মুখীন হোৱা সমস্যাসমূহৰ বিষয়ে আলোচনা আছে।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্ৰগতিৰ খতিয়ান'ত সন্নিৱিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্ৰশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **অনুবাদ সাহিত্যৰ পৰিচয়** ৫ - ৩৪

অনুবাদ ঃ এটা পৰিচয়; অনুবাদ সাহিত্য ঃ উদ্ভৱ আৰু ক্ৰমবিকাশ; ভাৰতীয় অনুবাদ সাহিত্য; অসমীয়া অনুবাদ সাহিত্য

অধ্যায় ২ ঃ **অনুবাদৰ প্ৰকাৰভেদ** ৩৫ - ৪৫

অনুবাদৰ প্ৰকাৰভেদ ঃ অনুবাদৰ প্ৰকৃতি অনুসৰি অনুবাদৰ প্ৰকাৰ, অনুবাদৰ প্ৰক্ৰিয়া অনুসৰি অনুবাদৰ প্ৰকাৰ, ভাষিক মাধ্যম অনুসৰি অনুবাদৰ প্ৰকাৰ

অধ্যায় ৩ ঃ **অনুবাদৰ সমস্যাসমূহ** ৪৬ - ৬৫

অনুবাদ আৰু অনুবাদ-তত্ত্ব, অনুবাদৰ সমস্যা

অধ্যায় ৪ ঃ **অসমীয়া অনুবাদ সাহিত্যৰ পৰম্পৰা** ৬৬ - ৯৭

অসমীয়া অনুবাদ সাহিত্য ঃ প্ৰাচীন যুগ, আধুনিক যুগ

অধ্যায় ৫ ঃ **অসমীয়া ভাষালৈ কবিতাৰ অনুবাদ** ৯৮ - ১১০

অসমীয়া কবিতা আৰু অনুবাদ পৰম্পৰা; কবিতাৰ উৎস পাঠ আৰু লক্ষ্য পাঠ; সৃষ্টিশীল সাহিত্য ৰূপে কবিতাৰ অনুবাদ; কবিতাৰ অনুবাদ আৰু অনুবাদকে সন্মুখীন হোৱা সমস্যা; অনুবাদৰ সৌন্দৰ্য আৰু গ্ৰহণযোগ্যতা

অধ্যায় ৬ ঃ **অসমীয়া ভাষালৈ গল্পৰ অনুবাদ** ১১১ - ১১৯

সমীয়া চুটিগল্প আৰু অনুবাদ পৰম্পৰা; চুটিগল্পৰ উৎস পাঠ আৰু লক্ষ্য পাঠ; গল্পৰ অনুবাদকে সন্মুখীন হোৱা সমস্যা

অধ্যায় ৭ ঃ **অসমীয়া ভাষালৈ উপন্যাসৰ অনুবাদ** ১২০ - ১২৯

অসমীয়া উপন্যাস আৰু অনুবাদ পৰম্পৰা; উপন্যাসৰ উৎস পাঠ আৰু লক্ষ্য পাঠ; উপন্যাসৰ অনুবাদত অনুবাদকে সন্মুখীন হোৱা সমস্যা

প্ৰসঙ্গ পুথি ১৩০-১৩১

অধ্যায় ১ ঃ অনুবাদ সাহিত্যৰ পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ অনুবাদ ঃ এটি পৰিচয়
১.৪ অনুবাদ সাহিত্য ঃ উদ্ভৱ আৰু ক্রমবিকাশ
১.৫ ভাৰতীয় অনুবাদ সাহিত্য
১.৬ অসমীয়া অনুবাদ সাহিত্য
১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৮ অধিক জানিবলৈ
১.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১.১০ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অনুবাদ সম্পর্কে এটি ধাৰণা লাভ কৰিব
- অনুবাদ সাহিত্যৰ উদ্ভৱ আৰু ক্রমবিকাশ সম্পর্কে বিস্তৃতভাৱে জানিব পাৰিব
- বিশ্বৰ, ভাৰতবর্ষৰ তথা অসমৰ বিশিষ্ট অনুবাদকসকলৰ অনুবাদ কৃতিৰ বিষয়ে আলোচনা দাঙি ধৰিব পাৰিব
- প্রাচীন আৰু আধুনিক যুগৰ অনুবাদৰ স্রোত পাঠৰ সৈতে পৰিচিত হ'ব পাৰিব।

১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ যাণ্মাষিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা চতুর্থ পাঠ্যবিষয় 'অনুবাদ সাহিত্য আৰু বিশেষ সাহিত্য' অন্তর্গতৰ প্রথম খণ্ড 'অনুবাদ সাহিত্য'ৰ এইটো প্রথম অধ্যায়। ইয়াৰ শিৰোনাম 'অনুবাদ সাহিত্যৰ পৰিচয়'। এজন ব্যক্তিয়ে নিজৰ জীৱন কালত বহুকেইটা ভাষাত পার্গত হ'ব নোৱাৰে যদিও তেওঁ পৃথিৱীৰ বিভিন্ন ভাষাৰ বাংময় ৰূপ অধ্যয়ন কৰিব বিচাৰে আৰু এনে কাৰণতেই অনুবাদৰ প্রয়োজন হয়। অনুবাদৰ লক্ষ্য হ'ল কোনো বিষয়বস্তু তথা সাহিত্যৰ পাঠৰ ভিন্ন ভাষী মানুহৰ মাজত গ্রহণযোগ্য, বোধগম্য আৰু উপলব্ধ কৰি তোলা। অনুবাদৰ লক্ষ্য হ'ল কোনো তথ্য, বিষয়বস্তু তথা পাঠ ভিন্ন ভাষী মানুহৰ মাজত গ্রহণযোগ্য, বোধগম্য আৰু উপলব্ধ কৰি তোলা। অনুবাদৰ যোগেদি দুখন পাঠক সমাজৰ মাজত দুটা ভাষা-দুটা সংস্কৃতিৰ ভাৱৰ বিনিময় হয়। দেশী-বিদেশী সাহিত্যৰ অনুবাদৰ দ্বাৰা স্বকীয়

সাহিত্যৰ ভড়াল সমৃদ্ধিশালী হোৱাৰ লগতে জ্ঞানৰ ভাণ্ডাৰো চহকী হয়।

আজিৰ গোলকীয়কৰণৰ যুগত বিশ্বৰ সংস্কৃতি, ন ন ধ্যান-ধাৰণাৰ বিষয়ে জ্ঞাত হ'বলৈ তথা বিশ্ব সাহিত্যৰ ৰসাস্বাদন কৰিবলৈ অনুবাদ যোগাযোগকাৰী তথা অত্যাৱশ্যকীয় মাধ্যম হৈ পৰিছে।

১.৩ অনুবাদ ঃ এটি পৰিচয়

সাধাৰণ অর্থত অনুবাদ হ'ল এটা ভাষাৰ পৰা অইন এটা ভাষালৈ ভাৱ সম্প্রেষণ কৰাৰ প্রক্রিয়া। সংস্কৃতৰ 'ৱদ' ধাতুৰ পিছত 'ঘঞ' প্রত্যয় যোগ হৈ ৱাদ শব্দৰ সৃষ্টি হৈছে আৰু 'অনু' উপসর্গ যুক্ত হৈ (অনু-√ৱদ+ঘঞ) অনুবাদ শব্দটি গঠিত হৈছে। ৱদ ধাতুৰ অর্থ হ'ল 'কোৱা' আৰু অনু শব্দৰ অর্থ হ'ল 'পিছত'। অনুবাদ শব্দটিৰ অর্থ হ'ল 'এজনে কোৱাৰ পিছত কোৱা অথবা পুনঃকথন।' ভাৰতীয় সাহিত্যত বেদ, পুৰাণ, ব্রাহ্মণ গ্রন্থত অনুবাদ শব্দটি এই অর্থতেই ব্যৱহাৰ কৰা হৈছিল। প্রাচীন কালত ভাষ্য, টীকা, ছায়া, ভাষান্তৰণ, ব্যাখ্যা, ৰূপান্তৰণ আদি শব্দৰ দ্বাৰাও অনুবাদ কার্য বুজোৱা হৈছিল। প্রাচীন যুগত মৌখিকভাৱে শিক্ষা প্রদান কৰা হৈছিল। গুৰুৱে কোৱা বচনবোৰ শিষ্যই দোহাৰিছিল। এই প্রক্রিয়াক অনুবাদ বা অনুবচন হিচাপে অভিহিত কৰা হয়। মধ্য যুগত আৰৰী আৰু পার্ছী ভাষাৰ প্রভাৱত ভাৰতবর্ষত অনুবাদৰ বাবে কোনো কোনো ক্ষেত্রত তৰজুমা (তর্জমা) শব্দৰ প্রয়োগ হ'বলৈ ধৰে। আধুনিক যুগত বাংলা, হিন্দী, মাৰাঠী, গুজৰাটী, অসমীয়া, তেলেগু, কানাড়ী, পাঞ্জাৰী আৰু ওড়িআ ভাষাত অনুবাদ শব্দটিৰ প্রয়োগ কৰা হয়। অসমীয়া ভাষাত অনুবাদৰ বাবে 'ভাঙনি' শব্দটিও প্রয়োগ হোৱা দেখা যায়।

পাশ্চাত্যত ইংৰাজী ভাষাৰ 'ট্রান্সলেচন' শব্দটি লেটিন ভাষাৰ 'ট্রান্সলেটাম' শব্দৰ পৰা উদ্ভৱ হৈছে। ট্রান্স শব্দৰ অর্থ হ'ল 'সিপাৰ' আৰু 'লেটাম' শব্দৰ অর্থ হ'ল লৈ যোৱা অর্থাৎ এটা তথ্য, বিষয়বস্তু বা পাঠ অইন এটা ভাষালৈ লৈ যোৱা। অনুবাদত মূল পাঠৰ ভাষা বুজাবলৈ স্রোত ভাষা বা উৎস ভাষা (Source Language) আৰু যি ভাষালৈ অনুবাদ কৰা হয় সেয়া বুজাবলৈ লক্ষ্য ভাষা (Target Language) শব্দ দুটা ব্যৱহাৰ কৰা হয়।

স্রোত ভাষাৰ পাঠ সামগ্রীৰ ভাৱ আৰু অর্থক সমতুল্য ৰূপত সম্প্রসাৰণ কৰাৰ প্রক্রিয়াই হ'ল অনুবাদ। হ'লওে অনুবাদ অর্থ পৰিৱর্তনৰ সৰল প্রক্রিয়া নহয়। ই এক জটিল কার্য। সাহিত্য সমাজৰ দাপোণ। ভাষা-সাহিত্যৰ সম্পর্কও নিবিড়। ভাষা এটাৰ শব্দৰ অন্তৰালত সমাজ-সংস্কৃতিৰ কেতবোৰ দিশ অন্তর্নিহিত হৈ থাকে। প্রত্যেক ভাষাৰে নিজস্ব প্রণালী থকাৰ লগতে ফকৰা-যোজনা, খণ্ড বাক্যৰ আদিৰে সমৃদ্ধ। অনুবাদকজন দুটা ভাষাৰ মাজত সেঁতু স্বৰূপ হৈ পৰে। এজন অনুবাদকৰ স্রোত ভাষা আৰু লক্ষ্য ভাষাৰ সম্যক জ্ঞান নাথাকিলে অনুবাদ কার্যত সফল হ'ব নোৱাৰে। যদি এগৰাকী কল্পনাশীল সাহিত্যিকক বিজ্ঞানৰ পাঠ এটি অনুবাদ কৰিবলৈ দিয়া হয় তেন্তে তেওঁৰ সেই অনুবাদ কার্য সার্থক নহ'ব। সেয়ে অনুবাদকজনৰ ভাষা জ্ঞানৰ লগতে বিষয় জ্ঞানো অত্যাৱশ্যক।

অনুবাদে এটা ভাষাত প্রকাশিত চিন্তা-ধাৰণা, সংস্কৃতি অন্য এটা ভাষাত পুনৰ প্রতিষ্ঠা কৰে।

মূল পাঠত থকা অর্থ, ভাৱ আৰু শৈলীক অক্ষুণ্ণ ৰাখি অনুবাদকজনে নিজ ইচ্ছা, দক্ষতা আৰু অভিজ্ঞতাৰে লক্ষ্য ভাষাত উপস্থাপন কৰিব পাৰিলেই অনুবাদ কার্য সার্থক তথা পাঠকৰ গ্রহণযোগ্য হৈ পৰে।

১.৪ অনুবাদ সাহিত্য ঃ উদ্ভৱ আৰু ক্রমবিকাশ

মানৱ-মনৰ জিজ্ঞাসাই অনুবাদৰ জন্ম দিছে। মানৱে পৃথিৱীৰ বিভিন্ন ভাষাৰ ধর্ম, সাহিত্য-সংস্কৃতিৰ সৈতে পৰিচিত হ'বলৈ বিচাৰে। কিন্তু ভাষাই বাধক হিচাপে ঠিয় দিয়ে। এই বাধা আঁতৰোৱাৰ আঁৱতেই অনুবাদৰ উদ্ভৱ হয়। দেখা যায় যে অনুবাদৰ পৰম্পৰা বহুভাষী অচিৰিয়াৰ ৰজা চেৰগনে নিজৰ বীৰত্বপূর্ণ কার্য বিভিন্ন ভাষাত অনুবাদ কৰাই প্রচাৰ কৰিছিল। তেনেদৰে খ্রীঃপূঃ দুহেজাৰ এশ বছৰ আগতে বহুভাষী নগৰ বেবিলনৰ শাসক হম্মুৰবিয়ে শাসন সম্পর্কীয় আদেশবোৰ বিভিন্ন ভাষলৈ অনুবাদ কৰোৱাইছিল। তথাপি অনুবাদৰ প্রাচীনতম নিদর্শন হ'ল ৰোজেটা প্রস্তৰ য'ত মিছৰৰ হীৰো গ্লাফিক আৰু ডেমোটিক লিপিত ইতিহাস আৰু সংস্কৃতিৰ বিষয়ে সংবাদ খোদিত আছিল আৰু য়ুনানী ভাষালৈ অনুবাদ কৰা হৈছিল। তলত যুগ অনুসৰি অনুবাদ সাহিত্যৰ ক্রমবিকাশৰ বিষয়ে আলোচনা কৰা হ'ল।

প্রাচীন যুগ ঃ পাশ্চাত্যত বাইবেলৰ অনুবাদৰ যোগেদিয়েই অনুবাদৰ ইতিহাস আৰম্ভ হয়। খ্রীঃপূ তৃতীয় শতিকাত হিব্রু ভাষাৰ বাইবেলখন গ্রীক ভাষালৈ অনূদিত হয়। ই পাশ্চাত্যত প্রথম বৃহৎ অনুবাদ বুলি চিহ্নিত হয়। এই অনুবাদ কার্যক চেপ্তুএজিণ্ট (Septuagint) হিচাপে জনা যায়। ইজিপ্তত এই অনুবাদ কার্য বাসত্তৰ (৭২) জন অনুবাদকে লগ লাগি কৰিছিল। চেপ্তুএজিণ্টক স্রোত পাঠ হিচাপে লৈ পিছলৈ লেটিন, আমেৰিকান আদি বিভিন্ন ভাষালৈ অনুবাদ কৰা হয়। অন্যহাতে খ্রীঃপূঃ প্রথম শতিকাত প্রখ্যাত দার্শনিক আৰু লেখক চিচৰোৱে প্লেটোৰ প্রটাগোৰাজ আৰু অন্যান্য গ্রীক কৃতি লেটিন ভাষালৈ অনুবাদ কৰিছিল।

খ্রীঃপূঃ চতুর্থ শতিকাত বৌদ্ধ ভিক্ষু কুমাৰ জিৱাই (Kunar Jiva) বৌদ্ধ সাহিত্য চীন ভাষালৈ অনুবাদ কৰাৰ ক্ষেত্রত পথ প্রদর্শক আছিল। তেওঁ হীৰক সূত্রখন চীনালৈ অনুবাদ কৰিছিল।



জানি থোৱা ভাল

প্রাচীন কালত ৰোম অনুবাদৰ কেন্দ্রস্থল আছিল।

মধ্য যুগ ঃ মধ্য যুগৰ অষ্টম শতিকাৰ পৰা দশম শতিকালৈ ভালে সংখ্যক ভাৰতীয় গ্রন্থ বিশেষকৈ জ্যোতিষ, জ্যামিতি, ৰসায়ন বিদ্যা, চিকিৎসা বিদ্যা, নীতিকথা আদি বিষয় গ্রন্থ আৰবী ভাষালৈ অনূদিত হৈছিল। এইবোৰৰ ভিতৰত পঞ্চতন্ত্র, সুশ্রুত সংহিতা, অর্থশাস্ত্র, মহাভাৰত আদি উল্লেখযোগ্য। তদুপৰি গ্রীচদেশৰ প্লেটো, এৰিষ্টটলৰ ৰচনাৱলীও অনূদিত হৈছিল। মধ্যযুগত

পাশ্চাত্যত লেটিন ভাষাৰ বহুল প্ৰচলন আছিল। দ্বাদশ আৰু এয়োদশ শতিকাত য়ুৰোপীয় বিদ্বানসকলে দাৰ্শনিক, ধৰ্মীয়, বৈজ্ঞানিক আৰু চিকিৎসা বিষয়ক পাঠ আৰবী, গ্ৰীক আৰু হিব্ৰু ভাষাৰ পৰা লেটিন ভাষালৈ অনুবাদ কৰিছিল।

ইংলেণ্ডত অনুবাদৰ পৰম্পৰা নৱম শতিকাৰ পৰা আৰম্ভ হয়। নৱম শতিকাত ইংলেণ্ডৰ ৰজা আলফ্ৰেডে অনুবাদ কাৰ্যত অধিক গুৰুত্ব দিছিল। তেওঁ নিজে বীডৰ ইতিহাস তথা অন্য বহু কেইখন গ্ৰন্থৰ অনুবাদ কৰিছিল। তেওঁৰ ৰাজত্ব কালত ধৰ্ম যাজকৰ বুৰঞ্জী (Ecelesiastical History) আৰু দৰ্শনৰ শান্তনা (Consolation of Philosophy) লেটিনৰ পৰা ইংৰাজীলৈ অনুবাদ হৈছিল।

চতুৰ্দশ শতিকাত চচ্চাৰে ফৰাচী ভাষাৰ ৰোমান দি লা ৰোজ আৰু লেটিন ভাষাৰ *Boethinss* খন ইংৰাজী ভাষালৈ অনুবাদ কৰে। এই শতিকাৰ এক উৎকৃষ্ঠ ধৰ্মীয় পাঠৰ নিদৰ্শন হ'ল *বাইবেল*। জন উইক্লিফে (John wycliffe) *বাইবেলখন* লেটিন ভাষাৰ পৰা ইংৰাজী ভাষালৈ অনুবাদ কৰিছিল।

পঞ্চদশ শতিকা ঃ

ইটালীৰ বিদ্বান আৰু অনুবাদক মাৰ-ছিলো (Marsilio) ফিচিনো (Ficino)ৰ তত্ত্বাবধানত প্লেটোৰ কৰ্মৰাজিৰ লেটিন ভাষালৈ অনুবাদ কৰা হৈছিল। তদুপৰি প্লুটিনাছৰ এনেইডচ (Enneads) আৰু Neoplatonist গ্ৰন্থৰো অনুবাদ কৰা হৈছিল।

ইংৰাজী গদ্য সাহিত্যৰ অনুবাদ কাৰ্য আৰম্ভ হয় পঞ্চদশ শতিকাৰ শেষৰ ফালে। থমাছ মালোৰীয়ে (Malory) *Le orte d' Arthup* (1485) মুক্ত অনুবাদ কৰে। তেওঁ কিং আৰ্থাৰ, মাৰলিন, লেন্সলোট আৰু নাইটসকলৰ ৰোমাঞ্চধৰ্মী কাহিনীৰ মুক্ত তথা অভিযোজনা কৰে। এই শতিকাৰ শেষৰ পিনে ইংলেণ্ডৰ ধৰ্ম ভিন্ন গ্ৰন্থৰ অনুবাদে প্ৰাধান্য লাভ কৰে।

ষষ্ঠদশ শতিকা ঃ

ষষ্ঠদশ শতিকাত টিনডেল *নিউ টেষ্টামেণ্ট* (১৫২৫) খন হ'ল প্ৰথম (Tudor) টুডৰ যুগৰ অনুবাদ, যাক উইলিয়াম টিনদেলৰ নামেৰে জনা যায়। তেওঁ নিউ *টেষ্টামেণ্টখন* সম্পূৰ্ণৰূপে অনুবাদ কৰে আৰু *ওল্ড টেষ্টামেণ্টখনৰ* আধা অনুবাদ কৰে। বাকীখিনি তেওঁৰ সহযোগীয়ে অনুবাদ কৰে। মাৰ্টিন লুথাৰে বাইবেলখন জাৰ্মান ভাষালৈ অনুবাদ কৰে। এই শতিকাতে *বাইবেলখন* ডাচ্ছ (১৫২৬), ফৰাচী (১৫২৮) স্পেনিছ (১৫৬৯) আদি ভাষালৈ অনূদিত হৈ প্ৰকাশ পাইছিল।

অষ্টাদশ শতিকা ঃ

পলিছ (Polish) ভাষাৰ অনুবাদক, কবি, ঔপন্যাসিক ইগনেচি ক্ৰাছিকিয়ে (Ignacy krasicki)য়ে ফৰাচী আৰু গ্ৰীক ভাষাৰ পৰা বহুখিনি পাঠ পলিছ ভাষালৈ অনুবাদ কৰিছিল। এই শতিকাত আলেকজেণ্ডাৰ পোপে *ইলিয়াড* আৰু *ওডিচি* মহাকাব্য দুখন ইংৰাজীলৈ অনুবাদ কৰিছিল।

ঊনবিংশ শতিকা ঃ

এডৱার্ড কিটজেৰাডে পার্ছী ভাষাৰ *ৰুবায়তখন* অনুবাদ কৰে। অন্যহাতে ইংৰাজ কবি মেথিউ আর্নল্ডৰ হোমাৰ অনুবাদ শতিকাৰ এক উল্লেখযোগ্য নিদর্শন।

বিংশ শতিকা ঃ

বিংশ শতিকাক অনুবাদৰ যুগ বুলি অভিহিত কৰা হয়। জর্জ লুইচ বর্গাছ (Borges) আছিল আর্জেণ্টিনাৰ বিখ্যাত চুটি গল্পৰ লেখক, কবি আৰু অনুবাদক। তেওঁ ইংৰাজী, ফৰাচী, জার্মান আদি ভাষাৰ পৰা স্পেনিছ ভাষালৈ অনুবাদ কৰিছিল। তেওঁ উইলিয়াম ফাল্কনাৰ, ৰুডিয়ার্ড কিপলিং, এডগাৰ এলেন-পো, ৱাল্ট হুইটমেন, ভার্জিনিয়া উল্‌ফ আদি বিখ্যাত ব্যক্তিসকলৰ সাহিত্যৰাজিৰ অনুবাদ কৰিছিল। বিংশ শতিকাৰ দ্বিতীয়ার্ধত (Halmes) হলমেছ দাচ্চা আৰু বেলজিয়ান ভাষাৰ বহুতো কবিতা ইংৰাজীলৈ অনুবাদ কৰে।


একবিংশ শতিকা ঃ

একবিংশ শতিকাত অনুবাদ কার্যই এক ভিন্ন দিশলৈ গতি কৰিলে। ইণ্টাৰনেটৰ জৰিয়তে অনুবাদ কার্যই এক বহুল ক্ষেত্র লাভ কৰিলে। এই শতিকাত অনুবাদ কার্যই যন্ত্রৰ সহায় ল'বলৈ ল'লে। পৃথিৱীৰ উন্নত তথা বিকাশশীল দেশবোৰত যন্ত্র অনুবাদে মানৰ অনুবাদৰ ঠাই ল'লে। অৱশ্যে সম্পূর্ণভাৱে যন্ত্র অনুবাদ এতিয়ালৈকে সম্ভৱ হৈ উঠা নাই যদিও, বহুলাংশ অনুবাদ কার্য মানৰ সহযোগী যন্ত্রই অনুবাদ কৰিব পৰা হৈছে। বর্তমান সময়ত যন্ত্র অনুবাদ অনুবাদৰ বিভিন্ন ক্ষেত্রলৈ বিস্তাৰিত হৈছে। তৎস্বত্ত্বেও মানৰ অনুবাদ বিশেষকৈ সৃজনীশীল সাহিত্যৰ পাঠৰ ক্ষেত্রত ক্রিয়াশীল হৈ আছে।

পাশ্চাত্যৰ অনুবাদ সাহিত্যৰ বৈশিষ্ট্য ঃ

- অনুবাদৰ প্রাচীনতম নিদর্শন প্রস্তৰ লিপিত খোদিত আছিল।
- বাইবেলৰ অনুবাদৰ যোগেদি অনুবাদৰ ইতিহাস আৰম্ভ হৈছিল।
- বিশ্বৰ প্রসিদ্ধ গ্রন্থাৱলীৰ অনুবাদ পৃথিৱীৰ বিভিন্ন ভাষালৈ অনূদিত হৈছিল।
- বিশ্বৰ প্রসিদ্ধ গ্রন্থাৱলীৰ অনুবাদ পৃথিৱীৰ বিভিন্ন ভাষালৈ অনূদিত হৈছিল।
- প্রাচীন যুগত ধর্মীয় পাঠৰ অনুবাদ হৈছিল। এই অনুবাদ কার্য্য আক্ষৰিক আৰু মুক্ত অনুবাদ আছিল।
- মধ্য যুগত ধর্মীয় পাঠৰ লগতে বৈজ্ঞানিক, দার্শনিক পাঠৰ অনুবাদ হৈছিল।
- ষষ্ঠদশ শতিকাত অনুবাদ সম্পর্কীয় বৈজ্ঞানিক তত্ত্ব প্রতিষ্ঠিত হৈছিল। ভাষানুবাদৰ প্রতি গুৰুত্ব আৰোপ করা হয়।
- ঊনবিংশ শতিকাত সাহিত্যৰ লগতে সাহিত্যৰ ভিন্ন পাঠৰ অনুবাদ হৈছিল।
- বিংশ শতিকাত সাহিত্যৰ লগতে সাহিত্য ভিন্ন পাঠৰ অনুবাদ হৈছিল।
- বিংশ শতিকাত বিভিন্ন দেশৰ বিভিন্ন ভাষাৰ প্রসিদ্ধ গ্রন্থৰাজিৰ অনুবাদ হৈছিল।
- একবিংশ শতিকাত যন্ত্র অনুবাদ হ'বলৈ ধৰে।
- যন্ত্র অনুবাদৰ লগতে একবিংশ লগতে একবিংশ শতিকাত সৃজনীশীল সাহিত্যৰ

অনুবাদৰ ক্ষেত্ৰত মানৱ অনুবাদ কাৰ্যৰত অৱস্থাত আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ পাশ্চাত্যত হোৱা ধৰ্মীয় অনুবাদ সম্পৰ্কে এটি টোকা লিখক। (১০০টা শব্দৰ ভিতৰত)

.....

১.৫ ভাৰতীয় অনুবাদ সাহিত্য

প্ৰাচীন ভাৰতৰ ভাষা-সাহিত্য উচ্চস্তৰীয় হোৱা বাবে প্ৰাৰম্ভিক অৱস্থাত ভাৰতবৰ্ষত অনুবাদ কাৰ্য হোৱা নাছিল বুলিব পাৰি। অৱশ্যে বিদেশী ভাষাৰ পৰা অনুবাদ কাৰ্য সংস্কৃত ভাষালৈ নহ'লেও প্ৰাচীন কালত ভাৰতত আন্তঃভাষিক অনুবাদ পৰিলক্ষিত হয়। *ব্ৰাহ্মণ, উপনিষদ, পুৰাণাদিৰ* আন্তঃভাষিক অনুবাদ কৰা হৈছিল। তদুপৰি সংস্কৃত ভাষাৰ পৰা বহু গ্ৰন্থ পালি, প্ৰাকৃত আৰু অপভ্ৰংশ ভাষালৈ অনুবাদ কৰা হৈছিল। অন্যহাতে প্ৰাকৃতৰ *বৃহৎ কথা, শ্লোক সংগ্ৰহ, বৃহৎ কথা মঞ্জৰী, কথা সৰিৎ সাগৰ* আদি ভালেসংখ্যক গ্ৰন্থ সংস্কৃতলৈ অনূদিত হৈছিল।

মধ্য যুগত পাৰ্ছী ভাষা ভাৰতৰ মোগল ৰাজদৰবাৰৰ ভাষা আছিল। এই যুগত কিছু সংখ্যক গ্ৰন্থ পাৰ্ছী ভাষালৈ অনূদিত হৈছিল। মোগল ৰাজ দৰবাৰৰ বিজ্ঞ ব্যক্তি বইৰাম খাঁই *বাবৰ নামা* (বাবৰৰ আত্মজীৱনী) খন পাৰ্ছীলৈ অনুবাদ কৰিছিল। আকবৰৰ দিনত মহাভাৰত পাৰ্ছীলৈ অনুবাদ হৈছিল। তেনেদৰে আকবৰৰ আজো নাতি দাৰা চিকোই *উপনিষদ* আৰু *ভগৱত গীতাখন* পাৰ্ছী ভাষালৈ অনুবাদ কৰিছিল। আধুনিক ভাৰতীয় ভাষাসমূহৰ উদ্ভৱৰ লগে লগে ভাৰতবৰ্ষত সাহিত্যৰ অনুবাদে এক বিশেষ মাত্ৰা লাভ কৰে। ভাৰতীয় ভাষাসমূহে সংস্কৃত, প্ৰাকৃত আৰু অপভ্ৰংশ সাহিত্যৰ অনুবাদেৰে নিজ সাহিত্যৰ ভেটি সুদৃঢ় কৰি তুলিলে। ভক্তি যুগত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰে অনুবাদ কাৰ্য ক্ষীপ্ৰতৰ কৰি তোলে। এই যুগত ধৰ্মীয় আৰু পৌৰাণিক পাঠৰ বহুল মাত্ৰাত অনুবাদ হৈছিল। *ৰামায়ণ, মহাভাৰত, বেদ, গীতা, পুৰাণ, উপনিষদ,* জয়দেৱৰ গীতগোবিন্দ আদি অমূল্য গ্ৰন্থসমূহ ভাৰতৰ প্ৰান্তীয় ভাষাসমূহলৈ অনূদিত হৈছিল। এঘাৰ শতিকাত (১০২০ খ্ৰীষ্টাব্দত) আদি কবি নন্নয়াই *মহাভাৰতখন* আংশিকভাৱে তেলেগু ভাষালৈ অনুবাদ কৰিছিল। তেওঁৰ পিছৰ অংশ টিক্কানাই ত্ৰয়োদশ শতিকাত আৰু ইৰা প্ৰগদাই চতুৰ্থ শতিকাত *মহাভাৰতখনৰ* শেষ অংশ অনুবাদ কৰি *মহাভাৰতখন* সম্পূৰ্ণ কৰে। ওডিআ সাহিত্যত অনুবাদ কাৰ্য আৰম্ভ হয় পঞ্চদশ শতিকাৰ সৰলা যুগত। সৰলা দাসে মহাভাৰতখন ওডিআ ভাষাত, ৰামানুজন এঝুথাচ্চানে মালায়ালম ভাষাত পঞ্চদশ শতিকাত, কবি সঞ্জয়ে পঞ্চদশ শতিকাত বাংলা ভাষাত অনুবাদ কৰিছিল। তেনেদৰে ভক্তি যুগত ৰামায়ণখন কবি পম্পাই কানাড়া ভাষাত, তুলসী দাসে অৱধী ভাষাত, কৃত্তিবাশে বাংলা ভাষাত, মাধৱ কন্দলীয়ে অসমীয়া ভাষাত, কম্বৰে তামিল ভাষাত, আটুকুৰি মল্লাই তেলেগু ভাষাত, প্ৰেমানন্দ ভট্টই গুজৰাটী ভাষাত, একনাথ

ভাগৱতে মাৰাঠী ভাষাত আৰু বলৰাম দাসে ওড়িআ ভাষাত অনুবাদ কৰিছিল।

ভক্তি যুগৰ শেষৰপিনে বিভিন্ন *পুৰাণ, জ্যোতিষ শাস্ত্ৰ, পঞ্চতন্ত্ৰ, হিতোপদেশ* আদি গ্ৰন্থসমূহ ভাৰতবৰ্ষৰ বিভিন্ন ভাষালৈ অনূদিত হৈছিল।

বৃটিছসকলৰ আগমন লগে লগে ভাৰতীয় সাহিত্যত আধুনিকতাৰ পৰশ পৰিল আৰু ভাৰতীয় অনুবাদ সাহিত্যও অন্য দিশত ঢাল খালে। ঊনবিংশ শতিকাৰ ভাৰতীয় অনুবাদ সাহিত্যলৈ লক্ষ্য কৰিলে দেখা যায় যে এই শতিকাৰ প্ৰাৰম্ভিক কালছোৱাত ভাৰতবৰ্ষৰ প্ৰায়বোৰ প্ৰান্তীয় ভাষালৈ *বাইবেলৰ* অনুবাদ হ'বলৈ ধৰিছিল। ১৮১২ চনত তেলেগু ভাষাত, ১৮১৩ চনত অসমীয়া ভাষাত, ১৮১৪ চনত ওড়িআ ভাষাত *বাইবেলৰ* অনুবাদ হৈছিল। সংস্কৃত ভাষাৰ ধৰ্মমূলক গ্ৰন্থৰ অনুবাদ কমি আহিল। এই শতিকাত অনুবাদৰ স্ৰোত পাঠ মুখ্যতঃ ইংৰাজী ভাষাৰ পাঠ হৈ পৰিল। অৱশ্যে ঊনবিংশ শতিকাত হিন্দী সাহিত্যত চুফী আৰু ইছলামিক ধৰ্মীয় গ্ৰন্থৰ কিছু সংখ্যক অনুবাদ হৈছিল।

ঊনবিংশ শতিকাৰ শেষ তথা বিংশ শতিকাৰ প্ৰাৰম্ভণিত কালিদাসৰ *ৰঘুবংশম, অভিজ্ঞান শকুন্তলম, মেঘদূত, ঋতুসংহাৰৰ লগতে শূদ্ৰকৰ মৃচ্ছকটিকম* নাটকৰ ভাৰতৰ প্ৰায়বোৰ প্ৰান্তীয় ভাষালৈ অনূদিত হৈছিল। এই শতিকা দুটাত বাইৰণ, শ্যেলী, গোল্ডস্মিথ, ৱৰ্ডছ্ৱৰ্থ আদিৰ ভালেসংখ্যক কবিতাৰ অনুবাদ হৈছিল। ঊনবিংশ শকিতাত বিদেশী ভাষাৰ লগতে ভাৰতৰ এটা প্ৰান্তীয় ভাষাৰ পৰা অইন এটা প্ৰান্তীয় ভাষালৈ (আন্তঃদেশীয়) ভালেখনি অনুবাদ কাৰ্য হৈছিল।

বিংশ শতিকাত শ্বেইক্সপীয়েৰৰ নাটকবোৰ ভাৰতৰ প্ৰান্তীয় ভাষাবোৰলৈ অনূদিত হৈছিল। এই শতিকাত অন্যান্য সাহিত্যৰ লগতে ৰোম, তুৰ্কী, গ্ৰীক, ৰাছিয়া, ইজিপ্তৰ বুৰঞ্জী মাৰাঠী ভাষালৈ অনূদিত হৈছিল। এই শতিকাতেই ইংৰাজী ভাষাৰ উপৰিও ৰাছিয়ান আৰু ফৰাচী ভাষাৰ পৰা ভালেসংখ্যক গ্ৰন্থ মালায়ালম ভাষালৈ অনূদিত হৈছিল। এই সময়ছোৱাত বালজাক, মোপাঁছা, টলষ্টয়, গৰ্কীৰ ৰচনাৰাজি মালায়ালম ভাষালৈ অনূদিত হৈছিল। বিংশ শতিকাৰ ওড়িআ সাহিত্যৰ যুগটোক সত্যবাদী যুগ বুলি কোৱা হয়। এই যুগত কালিদাস আৰু শ্বেইক্সপীয়েৰৰ নাটকবোৰ ওড়িআ ভাষালৈ অনুবাদ কৰা হৈছিল।

স্বৰাজোত্তৰ যুগত সাহিত্য অকাডেমি, নেচনেল বুক ট্ৰাষ্ট আদি অনুষ্ঠান অনুবাদৰ বাবে গঢ় লৈ উঠে। এই সংস্থাবোৰৰ অধীনত দেশী-বিদেশী ভালেসংখ্যক প্ৰসিদ্ধ গ্ৰন্থ ভাৰতীয় ভাষাবোৰলৈ অনুবাদ হ'বলৈ ধৰে। বিংশ শতিকাৰ শেষৰপিনে ইংৰাজী ভাষাৰ উপৰিও ভাৰতীয় প্ৰান্তীয় ভাষাবোৰত ৰাছিয়ান, ফৰাচী, জার্মান, স্পেনিছ ভাষাৰ পৰাও অনুবাদ কার্য কৰিবলৈ লয়। অন্যহাতে য়ুৰোপীয় মহাদেশৰ চেক্লোশ্লাভিয়া, যুগোশ্লভিয়া, হাংগেৰী, পোলেণ্ড আদি ভাষাৰ পৰাও ভালেসংখ্যক পাঠ অনুবাদ হ'বলৈ ধৰে।

একবিংশ শতিকাত অর্থাৎ সাম্প্ৰতিক সময়ত দেশী-বিদেশী বিভিন্ন উপন্যাস, নাটক, চুটিগল্পৰ লগতে দার্শনিক, বৈজ্ঞানিক, বুৰঞ্জী, অর্থনীতি, ৰাজনীতি, ৰাজনীতি আদি ন ন বিষয়ক গ্ৰন্থৰ অনুবাদ এক নির্দিষ্ট মাত্ৰাত হৈ আছে। অন্যহাতে যন্ত্ৰ অনুবাদে সাম্প্ৰতিক যুগত অনুবাদক এক ভিন্ন মাত্ৰা প্ৰদান কৰিছে। ভাৰতীয় অনুবাদ সাহিত্যৰ বৈশিষ্ট্য—

- প্ৰাচীন যুগত ভাৰতীয় অনুবাদ সাহিত্য সীমিত আছিল।
- আধুনিক ভাৰতীয় সাহিত্যৰ ভেটি নিৰ্মাণ হৈছে বিভিন্ন সংস্কৃত গ্ৰন্থৰ অনুবাদৰ জৰিয়তে।
- ভক্তি যুগত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে অনুবাদ কাৰ্য দ্ৰুততৰ হৈ পৰে।
- ভক্তি যুগত ধৰ্মীয় আৰু পৌৰাণিক পাঠৰ অনুবাদ হৈছিল।
- ভক্তি যুগৰ শেষৰ পিনে কালিদাসৰ নাটকসমূহৰ অনুবাদ হৈছিল।
- আধুনিক যুগত সংস্কৃতৰ সলনি ইংৰাজী ভাষাই অনুবাদৰ ক্ষেত্ৰত প্ৰাধান্য বিস্তাৰ কৰিলে।
- স্বৰাজোত্তৰ যুগত ইংৰাজী কবিতা, শ্বেইক্সপীয়েৰৰ নাটকসমূহ অনূদিত হৈছিল।
- বিংশ শতিকাত ইংৰাজীৰ লগতে বিভিন্ন বিদেশী ভাষাৰ পৰা অনুবাদ হ'বলৈ ধৰে।
- একবিংশ শতিকাত যন্ত্ৰ অনুবাদ হ'বলৈ ধৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ ঊনবিংশ শতিকাত ভাৰতীয় অনুবাদ সাহিত্যৰ স্ৰোত ভাষা তথা অনুবাদ কৃতি সম্পৰ্কে এটি চমু লেখা প্ৰস্তুত কৰক। (১০০টা শব্দৰ ভিতৰত)

.....

১.৬ অসমীয়া অনুবাদ সাহিত্য

খ্ৰীষ্টাব্দ দশম শতিকাত অসমীয়া লিখিত সাহিত্যৰ নিদৰ্শন পোৱা যায় যদিও অসমীয়া লিখিত সাহিত্য প্ৰকৃততে আৰম্ভ হৈছে চতুৰ্দশ শতিকাৰ আদি ভাগতহে। ভাৰতৰ অন্যান্য প্ৰান্তীয় ভাষাৰ দৰে অসমীয়া সাহিত্যৰ ভেটিও অনুবাদ সাহিত্যৰ যোগেদি প্ৰতিষ্ঠিত হৈছিল। চতুৰ্দশ শতিকাৰ পৰাই অসমীয়া কবিসকল অনুবাদত প্ৰতিষ্ঠিত হৈছিল। চতুৰ্দশ শতিকাৰ পৰাই অসমীয়া কবিসকলে অনুবাদৰ জৰিয়তে অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰি আহিছে। সমসাময়িক ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ পৃষ্ঠপোষকতাত ৰজা তথা প্ৰজাৰ শিক্ষা আৰু চিত্ত বিনোদনৰ বাবে যথেষ্ট সংখ্যক সাহিত্য অনূদিত হয়।

প্ৰাক্ শংকৰী যুগ (খ্ৰীষ্টাব্দ ১৩০০-১৪৯০)

প্ৰাক্ শংকৰী যুগ বুলিলে চতুৰ্দশ শতিকাৰ প্ৰাৰম্ভৰ পৰা পঞ্চদশ শতিকাৰ শেষ ভাগলৈ বুজায়। এই যুগৰ সাহিত্যৰ পূৰ্বেই অসমত সাহিত্য চৰ্চাৰ ইতিহাস বৌদ্ধগান বা দোহাসমূহৰ পৰা আৰম্ভ হৈছে। তাৰ পিছৰ কালৰ ৰাজ শাসনাৱলী, তন্ত্ৰ সাহিত্য, বৌদ্ধ সাহিত্য আৰু স্মৃতি শাস্ত্ৰ আদিয়ে অসমীয়া সাহিত্য চহকী কৰি তুলিছিল।

প্ৰাক্ শংকৰী যুগৰ সাহিত্য বুলিলে শংকৰদেৱৰ আগলৈকে ৰচিত ৰচনাৰাজিক ধৰা

হয়। এই যুগত লিখিত সাহিত্যৰ সমান্তৰালকৈ মৌখিক সাহিত্যৰ সৃষ্টি হৈছিল। ফকৰা-যোজনা, সাঁথৰ, সাধুকথা, লোকগীত আদি ৰচনাৰ কোনো নির্দিষ্ট সময় নাছিল। প্ৰাক্ শংকৰী যুগৰ সাহিত্যৰ মুখ্য উদ্দেশ্য আছিল ৰজা তথা প্ৰজাৰ চিত্ত বিনোদন আৰু লোক শিক্ষা প্ৰদান কৰা।

প্ৰাক্ শংকৰী যুগত সাহিত্য চৰ্চাৰ কেন্দ্ৰ বিন্দু আছিল কামৰূপ কমতা আৰু কছাৰী ৰাজ্য। এই যুগত দুর্লভ নাৰায়ণ, মহামাণিক্য, ধর্ম নাৰায়ণ, ইন্দ্ৰ নাৰায়ণ, তাম্ৰধ্বজ আদি ৰজাসকলে শাসন কৰিছিল। এই ৰজাসকলৰ কিছু সংখ্যক ৰজাৰ পৃষ্ঠপোষকতাত ৰামায়ণ, মহাভাৰতৰ আৰু পুৰাণৰ বিভিন্ন আখ্যান বিভিন্ন কবিয়ে অনুবাদ কৰিছে। চতুর্দশ শতিকাৰ কবিসকলৰ সংস্কৃত ভাষা আৰু শাস্ত্ৰ সন্দর্ভত অগাধ ব্যুৎপত্তি আছিল। দৰাচলতে ষোড়শ শতিকাৰ বৈষ্ণৱ-আন্দোলনৰ প্ৰভাৱত অসমীয়া ভাষাত যি সাহিত্য চৰ্চা হৈছিল তাৰ অন্তৰালত চতুর্দশ শতিকাৰ কবিসকলৰ পদানুসৰণ আছিল।

প্ৰাক্ শংকৰী যুগৰ অনূদিত সাহিত্যৰ ক্ষেত্ৰত হেম সৰস্বতীৰ নাম সর্বপ্রথমে উল্লেখ কৰিব পাৰি। কমতা ৰজা দুর্লভ নাৰায়ণৰ পৃষ্ঠপোষকতাত তেওঁ *প্ৰহ্লাদ চৰিত* আৰু *হৰগৌৰী সংবাদ* নামে দুখন কাব্য ৰচনা কৰিছিল। *প্ৰহ্লাদ চৰিত* কাব্যখন মূল সংস্কৃতৰ আংশিক অনুবাদ। কাব্যখনত বর্ণনা কৰা অলংকাৰ আৰু ঘৰুৱা পটন্তৰবোৰত কবিৰ দক্ষতা প্ৰকাশ পাইছে। জানি থোৱা ভাল— *প্ৰহ্লাদ চৰিত* গ্ৰন্থখন প্ৰথম অসমীয়া বৈষ্ণৱ আদর্শপুষ্ট গ্ৰন্থ। হেম সৰস্বতীৰ আনখন কাব্য *হৰগৌৰী সংবাদখন* ৮৯২টা পদত ৰচিত। কাব্যখন বর্ণনাত্মক হ'লেও মূলৰ পৰা আঁতৰি যোৱা নাই। কবিৰ দুয়োখন কাব্যই অভিযোজনামূলক।

দুর্লভ-নাৰায়ণ ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰা আন এগৰাকী কবি হ'ল হৰিবৰ বিপ্ৰ। তেওঁ জৈমিনীয় মহাভাৰতৰ অশ্বমেধ পর্বৰ অন্তর্গত তিনিটা আখ্যান অনুবাদ কৰে। তেওঁৰ দ্বাৰা ৰচিত কাব্য কেইখন হ'ল— *ৱভ্ৰুবাহনৰ যুদ্ধ, লৱ-কুশৰ যুদ্ধ* আৰু *তাম্ৰধ্বজৰ যুদ্ধ*। কবিয়ে মূলৰ পৰা বৰ বেছি আঁতৰি যোৱা নাই।

প্ৰাক্ শংকৰী যুগৰ আন এগৰাকী কবি হ'ল কবিৰত্ন সৰস্বতী। দুর্লভ নাৰায়ণৰ পুত্ৰ ইন্দ্ৰ নাৰায়ণৰ পৃষ্ঠপোষকতাত কবিগৰাকীয়ে মহাভাৰতৰ দ্রোণ পর্বৰ অন্তর্গত *"জয়দ্রথ বধ"* কাহিনীভাগ অসমীয়ালৈ অনুবাদ কৰে। তেনেদৰে তাম্ৰধ্বজ ৰজাৰ পৃষ্ঠপোষকতাত ৰুদ্র কন্দলীয়ে মহাভাৰতৰ দ্রোণ পর্বৰ অন্তর্গত *"জয়দ্রথ বধ"* নামৰ উপপর্বত থকা শিনি পুত্ৰ সাত্যকিৰ যুদ্ধ কাহিনী লৈ সাত্যকি প্ৰৱেশ নামেৰে কাব্য এখনি অনুবাদ কৰে।

প্ৰাক্ শংকৰী যুগৰ শ্ৰেষ্ঠ কবি মাধৱ কন্দলীয়ে বৰাহী ৰজা মহামাণিক্য ৰজাৰ পৃষ্ঠপোষকতাত বাল্মীকিৰ *ৰামায়ণখন* অসমীয়ালৈ অনুবাদ কৰে। কন্দলীৰ ৰামায়ণখনে ভাৰতবর্ষৰ প্ৰাদেশিক ভাষাত ৰচিত *ৰামায়ণবোৰৰ* ভিতৰত প্ৰথম অনূদিত *ৰামায়ণ* হিচাপে স্বীকৃতি লাভ কৰে। তেওঁৰ *ৰামায়ণৰ* অনুবাদ ৰীতি আছিল "লম্ভা পৰিহৰি সাৰোদ্ধৃতে"। কবিয়ে সপ্তকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো বুলি নিজে উল্লেখ কৰি গৈছে যদিও ইয়াৰ আদি আৰু উত্তৰা কাণ্ড পাবলৈ নাই। পৰৱর্তী সময়ত মাধৱদেৱে আদিকাণ্ড আৰু শংকৰদেৱে উত্তৰাকাণ্ড ৰচনা কৰে।

চতুর্দশ শতিকাৰ আগে পিচে উক্ত কবি কেইগৰাকীয়ে কৰা অনূদিত কাব্যৰাজিয়ে অসমীয়া ভাষাৰ বিকাশৰ ক্ষেত্রত গুৰুত্বপূর্ণ অৰিহণা আগবঢ়াইছে।

প্রাক্ শংকৰী যুগৰ অসমীয়া অণূদিত সাহিত্যৰ বৈশিষ্ট্য—

- এই যুগত অসমীয়া অনুবাদ সাহিত্যৰ আৰম্ভণি হয়।
- ৰামায়ণ, মহাভাৰতৰ আৰু পুৰাণৰ সম্পূর্ণ বা আংশিক অনুবাদ হয়।
- এই সময়ছোৱাৰ অনুবাদ মুখ্যতঃ ভাবানুবাদ বা সাৰানুবাদ আছিল যদিও ঠাইভেদে আক্ষৰিক অনুবাদো দেখা যায়। কিছু সংখ্যক অনুবাদ অভিযোজনামূলক আছিল।
- এই যুগৰ অনূদিত সাহিত্যৰ মুখ্য উদ্দেশ্য আছিল ৰজা আৰু প্রজাৰ চিত্ত বিনোদন, লগতে অনাখৰী লোকক শিক্ষা প্রদান।
- এই যুগৰ কবিসকলৰ অনুবাদ ৰীতি পৰৱর্তী কবি, অনুবাদকসকলৰ বাবে নিদর্শন হৈ পৰিছিল।
- কবিসকলৰ অনুবাদ কার্য পুনঃ-সৃজনৰ পর্যায় পাই মৌলিক ৰচনা সদৃশ হৈ পৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ প্রাক্ শংকৰী যুগৰ কবিসকলৰ অনুবাদ কৃতি সম্পর্কে এটি টোকা লিখক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৪ ঃ প্রাক্ শংকৰী যুগৰ অসমীয়া অনূদিত সাহিত্যৰ বৈশিষ্ট্যবোৰ উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

শংকৰী যুগ

বৈষ্ণৱ যুগ বা শংকৰী যুগ অসমীয়া সাহিত্যৰ স্বর্ণময় যুগ। মহাপুৰুষ শংকৰদেৱৰ নেতৃত্বত এদল কবি, লেখকে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। এই সময়ছোৱাত সমগ্র ভাৰতৰ লগতে অসমতো নৱবৈষ্ণৱ ধর্মৰ প্রচাৰ হ'বলৈ ধৰে। নৱবৈষ্ণৱ ধর্ম প্রচাৰৰ গুৰি বঠা ধৰে শংকৰদেৱ আৰু তেওঁক মাধৱদেৱৰ লগতে অন্যান্য শিষ্যসকলে সহযোগ কৰে।

শংকৰী যুগত ৰাজনৈতিক, ধর্মীয় অস্থিৰতা আছিল যদিও কোচৰজা, আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত সাহিত্য চর্চা চলি আছিল। তদুপৰি ব্যক্তিগতভাৱেও সাহিত্য চর্চা কৰিছিল। বৈষ্ণৱ যুগত ৰচিত অসমীয়া সাহিত্যৰ বেছিভাগ গ্রন্থই অনুবাদমূলক বা অভিযোজনামূলক। শংকৰী যুগত অনুবাদ কৰা গ্রন্থসমূহৰ স্রোত পাঠ হ'ল— *শ্রীমদ্ভগৱত পুৰাণ, বিষ্ণু পুৰাণ, পদ্ম পুৰাণ, ব্রহ্মবৈবর্ত পুৰাণ, মার্কণ্ডেয় পুৰাণ, বৃহৎ নাৰদীয় পুৰাণ, কল্কি পুৰাণ, ৰামায়ণ, মহাভাৰত, হৰিবংশ, শ্রীমদ্ভগৱত গীতা, হিতোপদেশ* আদি।

অসমৰ জাতীয় জীৱনৰ যুগস্রষ্টা শ্রীমন্ত শংকৰদেৱে নাট, কাব্য, গীত, ভক্তিমূলক গ্রন্থ

ৰচনা কৰাৰ উপৰিও অনুবাদ কর্ম কৰি গৈছে। তেওঁ ভাগৱতৰ প্ৰথম, দ্বিতীয়, ষষ্ঠ *(অজামিল-উপাখ্যান)*, অষ্টম *(বলিচলন, অমৃত মথন)* দশম স্কন্ধৰ ৯০টা অধ্যায়ৰ ভিতৰত ৪৯টা অধ্যায়হে অনুবাদ কৰিছিল। এই খণ্ডক *আদি দশম* বোলা হয়।

শংকৰদেৱে ভাগৱতৰ দশম স্কন্ধ আৰু অন্যান্য গ্ৰন্থৰ আধাৰত *কীর্তন-ঘোষা* ৰচনা কৰিছে। শ্ৰৱণ-কীর্তনৰ বাবে অনূদিত *কীর্তন-ঘোষাখন* মৌলিক গ্ৰন্থ সদৃশ হৈ পৰিছে। ইয়াৰ উপৰিও শংকৰদেৱে *ৰামায়ণৰ* উত্তৰাকাণ্ড অনুবাদ কৰিছে। তেওঁ মূলৰ অপ্ৰয়োজনীয় আখ্যান বাদ দিছে আৰু অতি নিপুণভাৱে *ৰামায়ণৰ* খণ্ডটোত কৰুণ ৰসৰ সমাহাৰ ঘটাইছে। শংকৰদেৱে মূল সংস্কৃতৰ পৰা বিষয়বস্তু লৈ বহু কেইখন কাব্য, নাট ৰচনা কৰিছে।

মহাপুৰুষ শংকৰদেৱৰ প্ৰিয় শিষ্য মাধৱদেৱে অসমীয়া সাহিত্যলৈ ভালেখিনি অৱদান আগবঢ়াই গৈছে। তেওঁ গুৰুৰ আজ্ঞা অনুসৰি বাল্মীকি *ৰামায়ণৰ* আদি কাণ্ড অনুবাদ কৰে। গুৰুজনাৰ মহাপ্ৰয়াণৰ পিছত মাধৱদেৱে বিষ্ণুপুৰী সন্ন্যাসীৰ সংস্কৃতত ৰচিত *ভক্তি-ৰত্নাৱলীখন* অনুবাদ কৰে। *নামঘোষা* হ'ল মহাপুৰুষ মাধৱদেৱৰ শেষ বয়সৰ ৰচনা। *নামঘোষাত* মুঠ এহেজাৰ ঘোষা আছে। ইয়াৰ প্ৰায় দুশমান ঘোষা বিভিন্ন সংস্কৃত শ্লোকৰ ভাঙনি, বাকী চাৰিশমান তেওঁৰ নিজা সৃষ্টি। মাধৱদেৱৰ কাব্যিক প্ৰতিভাৰে *নামঘোষাখন* পুনঃসৃজনৰ যোগেদি মৌলিক গ্ৰন্থৰ সমপর্যায়ৰ হৈ পৰিছে।

মাধৱদেৱৰ শেষ ৰচনা হ'ল *নাম মালিকা*। তেওঁ বিৰূপাক্ষ কাজীৰ অনুৰোধত এইখন অনুবাদ কৰিছিল। তদুপৰি তেওঁ *জন্মৰহস্য* নামে সৰু পুথি এখন সংক্ষিপ্তভাৱে অনুবাদ কৰে।

শংকৰী যুগৰ শংকৰদেৱৰ সমসাময়িক অন্য এগৰাকী কবি হ'ল অনন্ত কন্দলী। তেওঁ শংকৰদেৱৰ উচ্চিষ্ট ভক্ষণ হিচাপে *ভাগৱতৰ* দশম স্কন্ধৰ ৫০ তম অধ্যায়ৰ পৰা ৯০ তম অধ্যায়লৈ ভাঙনি কৰিছে। অনুবাদ কৰোঁতে কবিজনাই ঠায়ে ঠায়ে তত্ত্বগধুৰ কথাবোৰ ব্যাখ্যা কৰিছে আৰু ঠায়ে ঠায়ে বাদ দিছে।

কন্দলীৰ আন এখন অনূদিত গ্ৰন্থ হ'ল— *"ৱৃত্রাসুৰ বধ"*। ভাগৱতৰ ষষ্ঠ-স্কন্ধৰ সাতৰ পৰা সোতৰশ (১৭০০) অধ্যায়ৰ ভিতৰত থকা *ৱৃত্রাসুৰ বধৰ* অধ্যায়লৈকে কন্দলীয়ে অনুবাদ কৰিছে। কন্দলীয়ে বাল্মীকিৰ *ৰামায়ণখন* অনুবাদ কৰে। তেওঁ মাধৱ কন্দলীৰ দৰে ৰামায়ণৰ পাঁচটা কাণ্ডহে অনুবাদ কৰিছিল। মাধৱ কন্দলীৰ ৰামায়ণত ভক্তিধর্মৰ কথা প্ৰকাশ নোপোৱা বাবে তেওঁ ৰামায়ণখন অনুবাদ কৰিছে বুলি কৈ গৈছে।

অসমীয়া ব্যাস তথা বধকাব্যৰ জনক ৰাম সৰস্বতী শংকৰদেৱৰ সমসাময়িক কবি যদিও বয়সত কনিষ্ঠ আছিল। তেওঁ মহাৰাজা নৰনাৰায়ণৰ পৃষ্ঠপোষকতাত মহাভাৰতৰ প্ৰায়ভাগ শ্লোক অসমীয়া পদলৈ অনুবাদ কৰে। এই অনুবাদ কার্যত তেওঁ এদল কবিৰ সহায় লৈছিল। তেওঁ অনুবাদ কৰা মহাভাৰতৰ পর্বকেইটা হ'ল— আদি পর্ব, বন পর্ব, সভাপর্ব, বিৰাট পর্ব, উদ্যোগ পর্ব, ভীষ্ম পর্ব, দ্রোণ পর্ব আৰু কর্ণ পর্ব। ৰাম সৰস্বতীয়ে অনুবাদ কার্যত মাজে মাজে বঢ়া-টুটা কৰিছে। সৰস্বতীয়ে জয়দেৱৰ দ্বাৰা ৰচিত *"গীত গোবিন্দ"* গ্ৰন্থখনৰ পদানুবাদ কৰিছে। শৃংগাৰ

ৰসাত্মক বৰ্ণনাক কবিয়ে বৈষ্ণৱ ধৰ্মৰ খাপ খোৱাকৈ অনুবাদ কৰিছে যাৰ ফলত কাব্যৰস কিছু পৰিমাণে লাঘৱ হৈছে।

নৱবৈষ্ণৱ যুগত কেইগৰাকীমান অসমীয়া কবিৰ সাহিত্যত বৈষ্ণৱ আদৰ্শ দেখিবলৈ পোৱা নাযায়। বৈষ্ণৱ ধৰ্মৰ পৰা মুক্ত পাঁচালী কবিসকল হ'ল— পীতাম্বৰ দ্বিজ, মনকৰ, দুর্গাবৰ আৰু নাৰায়ণদেৱ। পাঁচালী কবি পীতাম্বৰ দ্বিজে *ভাগৱতৰ দশম স্কন্ধ, ঊষা পৰিণয়* আৰু *মার্কণ্ডেয় চণ্ডীৰ* অনুবাদ কৰে। সৰ্বসাধাৰণৰ ৰুচি অভিৰুচিৰ প্ৰতি লক্ষ্য ৰাখি কবিয়ে মূলৰ বঢ়া-টুটা কৰি অনুবাদ কৰিছে।

শংকৰী যুগৰ পাঁচালী কবি দুর্গাবৰ কায়স্থই *গীতি ৰামায়ণখন* "ওজাপালি তাঙৰণ" হিচাপে অভিযোজনা কৰে। কবিয়ে বাল্মীকি ৰামায়ণখনৰ কিছুমান শ্লোকক গীতলৈ ৰূপান্তৰণ কৰে। মূলত নথকা লোক সমাজত প্ৰচলিত কিছুমান কাহিনী-কাব্যখনত সন্নিবিষ্ট কৰিছে য'ত কবিৰ মৌলিকত্ব প্ৰকাশ পাইছে।

শংকৰী যুগৰ অন্য এজন লেখক হ'ল ভট্টদেৱ। তেওঁৰ প্ৰকৃত নাম আছিল বৈকুণ্ঠ নাথ। তেওঁ কথা গীত, কথা ভাগৱত আৰু কথা-ভক্তি ৰত্নাৱলী গদ্যত ৰচনা কৰে। তেওঁ এই গ্ৰন্থকেইখন অনুবাদ কৰোঁতে সময়াময়িক কথিত ভাষাৰ ওচৰ চপা গদ্যৰ প্ৰয়োগ কৰিছিল। গ্ৰন্থকেইখনৰ যোগেদি ভট্টদেৱৰ হাতত অসমীয়া সাহিত্যত ষষ্ঠদশ শতিকাত গদ্য সাহিত্যৰ শুভাৰম্ভ হয়। আহোম ৰজাৰ জয়ধ্বজ সিংহৰ পৃষ্ঠপোষকতাত ৰামমিশ্ৰই *হিতোপদেশ* আৰু পুতলা চৰিত্ৰ অনুবাদ কৰে।

শংকৰী যুগৰ অনূদিত সাহিত্যৰ বৈশিষ্ট্য ঃ

- নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত অনুবাদৰ ভূমিকা অপৰিসীম।
- অনূদিত সাহিত্যই জনপ্ৰিয়তা লাভ কৰে।
- অভিযোজনামূলক গ্ৰন্থ ৰচনা হয়।
- সৃষ্টিশীল কবিয়ে অনুবাদকৰ ভূমিকা পালন কৰে।
- এই যুগত ব্যক্তিগতভাৱে তথা দলবদ্ধভাৱে অনুবাদ কাৰ্য হয়।
- অনুবাদ সাহিত্যৰ স্ৰোতা পাঠ আছিল— *ৰামায়ণ, মহাভাৰত,* বিভিন্ন *পুৰাণ*।
- বৃহত্তৰ অসমৰ জনগোষ্ঠীক অনুবাদ সাহিত্যই একতাৰ ডোলেৰে বান্ধিবলৈ সক্ষম হৈছিল।
- অনুবাদৰ যোগেদি অসমীয়া গদ্য সাহিত্যৰ শুভাৰম্ভ হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ শ্ৰীমন্ত্ৰ শংকৰদেৱৰ অনুবাদ কৃতি-সম্পৰ্কে এটি চমুটোকা লিখক। (১৫০টা শব্দৰ ভিতৰত)

.....

শংকৰোত্তৰ যুগ

শংকৰোত্তৰ যুগত আহোম ৰজাৰ পৃষ্ঠপোষকতাত সাহিত্যৰ এটি নতুন ধাৰা গঢ় লৈ উঠে। গুৰুজনাৰ তিৰোধানৰ এশবছৰমান পিছত অর্থাৎ সপ্তদশ শতিকাৰ দ্বিতীয় দশকৰ পৰা শাক্ত আৰু শৈৱ সাহিত্যৰ আগমন ঘটিল। সপ্তদশ শতিকাৰ আগলৈকে অসমীয়া সাহিত্য চর্চাৰ কেন্দ্রস্থল আছিল কোচবেহাৰ, কিন্তু এই শতিকাৰ দ্বিতীয় দশকৰ পৰা অসমীয়া সাহিত্য চর্চাৰ কেন্দ্রস্থল হৈ পৰে উজনি অসম। আহোম ৰজাসকলৰ অনুপ্রেৰণা তথা পৃষ্ঠপোষকতাত এচাম কবি, লেখকৰ হাতত নতুন সাহিত্যৰ সৃষ্টি হ'ল। সেয়া হ'ল বুৰঞ্জী সাহিত্য, শৃংগাৰ ৰসাত্মক সাহিত্য, শৈৱ আৰু শাক্ত সাহিত্য। এই সময়ছোৱাত ৰজা ৰাণীসকলৰ চিত্ত বিনোদনৰ বাবে প্রেমমূলক আখ্যানসমূহ অসমীয়ালৈ অনূদিত হ'বলৈ ধৰে। আহোম যুগৰ শ্রেষ্ঠ কবি কবিৰাজ চক্রৱর্তীয়ে অন্যান্য গ্রন্থৰ লগতে ৰজা ৰুদ্রসিংহৰ আজ্ঞা অনুসৰি *গীত-গোবিন্দ* অনুবাদ কৰে। পুথিখন ৰাধা-কৃষ্ণৰ প্রেম বিষয়ক। ধর্মদেৱ ভট্টাচার্যয়ো এই গ্রন্থখন অনুবাদ কৰিছিল। শিৱসিংহ ৰজাৰ পৃষ্ঠপোষকতাত অনন্ত আচার্যই শংকৰাচার্যৰ *সৌন্দর্য লহৰী* গ্রন্থখন অনুবাদ কৰে। কবিজনাই গ্রন্থখন অনুবাদ কৰি *'আনন্দ লহৰী'* নাম দিয়ে। এইখন দেৱী-স্তুতি বিষয়ক গ্রন্থ।

ৰাজেশ্বৰ সিংহৰ ৰাজত্বকালৰ কবি ৰুচিনাথ কন্দলীয়ে *কল্কি পুৰাণৰ* উপৰিও মার্কণ্ডেয় চণ্ডীৰ অনুবাদ কৰিছিল। দুয়োখন শাক্তধর্মী পুথি। তদুপৰি শিৱনাথ দ্বিজে শ্রী শ্রী চণ্ডী, ৰঙ্গনাথ চক্রৱর্তীয়ে মার্কণ্ডেয় চণ্ডী আৰু ৰামচন্দ্র বৰপাত্রই যোগিনী তন্ত্র অনুবাদ কৰিছিল।

তলত ৰাজ পৃষ্ঠপোষকতাত আৰু সত্রীয়া পৰিবেশত অনূদিত সাহিত্যৰ এখন তালিকা দিয়া হ'ল —

মহাভাৰতৰ অনুবাদকসকল ঃ

দৰঙী ৰজাৰ পৃষ্ঠপোষকতাত — *গোপীনাথ পাঠক (দ্রোণ পর্ব, সভাপর্ব, স্বর্গাৰোহণ পর্ব, পৃষ্ঠপোষক ৰজা ধর্ম নাৰায়ণ),* বিদ্যাপঞ্চানন *(ভীষ্মপর্ব, কর্ণপর্ব পৃষ্ঠপোষক ৰজা ধর্মনাৰায়ণ),* দ্বিজ কবিৰাজ *(দ্রোণপর্ব, ভীষ্মপর্ব, পৃষ্ঠপোষক ৰজা ক্ষোদ নাৰায়ণ)*

কোচ ৰজাৰ পৃষ্ঠপোষকতাত ঃ

কবীন্দ্র পাত্র *(অষ্টাদশ পর্ব,* পৃষ্ঠপোষক কোচৰজা লক্ষ্মী নাৰায়ণ), কবিশেখৰ (কিৰাত পূর্ব, পৃষ্ঠপোষক বীৰ নাৰায়ণ), দামোদৰ দ্বিজ *(শল্য পর্ব, দ্রোণ পর্বৰ শেষ অংশৰ অনুবাদ, পৃষ্ঠপোষক কমৰধ্বজ),* শ্রীনাথ দ্বিজ *(আদি পূর্ব, দ্রৌপদীৰ সয়ম্বৰ, দ্রোণ পূর্ব, পৃষ্ঠপোষক ৰজা প্রাণ-নাৰায়ণ),* ৰাম দ্বিজ *(ভীষ্মপর্ব, পৃষ্ঠপোষক মহীন্দ্র নাৰায়ণ),* দ্বিজ বৈদ্য-নাথ *(মুষল পর্ব, পৃষ্ঠপোষক হৰেন্দ্র নাৰায়ণ),* দ্বিজ মহীনাথ *(প্রস্থানিক পর্ব, পৃষ্ঠপোষক হৰেন্দ্র নাৰায়ণ)*

আহোম ৰজাৰ পৃষ্ঠপোষকতাত ঃ

ৰামমিশ্র *(ভীষ্ম পর্ব),* লক্ষ্মীনাথ দ্বিজ *(শান্তি পর্বৰ ৰাজধর্ম আৰু আপধর্ম খণ্ড),* শ্রীনাথ দ্বিজ *(অশ্বমেধ পর্বৰ আংশিক অনুবাদ),* পৃথুৰাম দ্বিজ *(মুষল পর্ব, মহাপ্রস্থানিক পর্ব আৰু স্বর্গাৰোহন পর্ব, বিষ্ণুৰাম দ্বিজ দাতাকর্ণ)*।

সত্রীয়া পৰিবেশ ঃ

গৌবিন্দ মিশ্র *(পদ গীতা)*

অন্যান্য- (পৃষ্ঠপোষক জনা নাযায়)

মাধৱ চন্দ্র *(স্বর্গৰোহন পর্ব)*, জয়দেৱ দ্বিজ আৰু ব্রজসুন্দৰ *(সভাপর্ব)*, দ্বিজ লক্ষ্মীৰাম *(কর্ণপর্ব)*, ৰুদ্রদেৱ আৰু ৰঘুৰাম দ্বিজ *(আদিপাঠ, ভীষ্মপূর্ব)*, দামোদৰ দাস *(শল্য পর্ব আৰু দ্রোণ পর্ব)*, মনোহৰ দাস *(কর্ণ পর্ব)*, ৰামনন্দন *(শল্য পর্ব, গদাপর্ব আৰু দ্রোণ পর্ব)*, হৰেন্দ্র নাৰায়ণ *(ঐষিক পর্ব)*, দ্বিজ ৰঘুনাথ, শ্রী নাথ দ্বিজ, দেবীনন্দন আৰু দ্বিজ বৈদ্যনাথ *(শান্তিপর্ব)*, কীর্তি চন্দ্র দ্বিজ *(আশ্রমিক পর্ব)*

ৰামায়ণৰ অনুবাদকসকল ঃ

আহোম ৰজাৰ পৃষ্ঠপোষকতাত — শ্রীসূর্যকান্ত বিপ্র *(ৰামচৰিত মানসৰ অনুবাদ)*

কোচ ৰজাৰ পৃষ্ঠপোষকতাত

ৰঘুনাথ দ্বিজ আৰু লক্ষ্মীৰাম দ্বিজ *(অযোধ্যাকাণ্ড)*, শ্রীনাথ দ্বিজ *(অৰণ্যকাণ্ড)*, দেৱী নন্দন *(কিষ্কিন্ধ্যা কাণ্ড)*, ৰুদ্রৰাম শর্মা *(অৰণ্যকাণ্ড)*, সাৰদানন্দ, সতানন্দ আৰু ৰঘুৰাম *(উত্তৰাকাণ্ড)*।

সত্রীয় পৰিবেশত ঃ

ৰঘুনাথ মহন্ত *(কথা -ৰামায়ণ, অদ্ভুত ৰামায়ণ, শত্রুঞ্জয়)*, অনন্ত ঠাকুৰ *(শ্রীৰাম কীর্তন)*।

পুৰাণৰ অনুবাদকসকল ঃ

কোচ ৰজাৰ পৃষ্ঠপোষকতাত — কলাপ-চন্দ্র দ্বিজ *(ভাগৱতৰ চতুর্থ-স্কন্ধৰ আংশিক ভাঙনি)*, অনিৰুদ্ধ কায়স্থ *(ভাগৱতৰ দ্বিতীয় আৰু পঞ্চম স্কন্ধ)*, দ্বিজ বৈদ্যনাথ *(শিৱপুৰাণ)*, *দ্বিজ নাৰায়ণ (নাৰদীয় পুৰাণ)* ভুৱনেশ্বৰ বাচস্পতি *(বৃহন্নাৰদীয় পুৰাণ)*

আহোম ৰজাৰ পৃষ্ঠপোষকতাত ঃ

বিদ্যাচন্দ্র কবিশেখৰ *(হৰিবংশ)*, কবিৰাজ চক্রৱর্তী *(ব্রহ্মবৈৱর্ত পুৰাণ)*, দুর্গেশ্বৰ দ্বিজ *(ব্রহ্ম বৈৱর্ত পুৰাণৰ প্রকৃতি খণ্ড)*, কবিচন্দ্র দ্বিজ *(ধর্ম পুৰাণ)*, ৰুচিনাথ কন্দলী *(কল্কি পুৰাণ)*, ৰজা ৰুদ্র সিংহ *(শিৱ পুৰাণ)*, ৰাম গোবিন্দ *(ব্রহ্মাণ্ড পুৰাণ)*, পৰশুৰাম দ্বিজ *(ধর্মপুৰাণ আৰু বিষ্ণু পুৰাণ)*, ঘনশ্যাম খাৰঘৰীয়া *(কল্কি পুৰাণ)*, মাধৱ শর্মা *(বিষ্ণু পুৰাণ)*

দৰঙী ৰজাৰ পৃষ্ঠপোষকতাত ঃ

ৰতিকান্ত দ্বিজ, নন্দেশ্বৰ দ্বিজ, নৰোত্তম দ্বিজ আৰু খর্গেশ্বৰ দ্বিজ (ব্রহ্মবৈৱর্ত পুৰাণ, পৃষ্ঠপোষক — হয় নাৰায়ণ ৰজা)

সত্রীয়া পৰিবেশ ঃ

অনিৰুদ্ধদেৱ *(ভাগৱতৰ চতুর্থ, পঞ্চম স্কন্ধ)*, বিষ্ণুভাৰতী *(ভাগৱতৰ চতুর্থ স্কন্ধৰ অন্তর্গত ধ্রুৱ-উপাখ্যান)* গোপাল চৰণ দ্বিজ *(ভাগৱতৰ তৃতীয়, সপ্তম আৰু অষ্টম স্কন্ধ হৰিবংশৰ আংশিক অনুবাদ)*, হৰিদাস পাঠক *(ভাগৱতৰ তৃতীয় আৰু পঞ্চম স্কন্ধ)*, বিষ্ণুদেৱ গোস্বামী *(ভাগৱতৰ*

চতুর্থ স্কন্ধৰ পৃথুৰ বংশ বর্ণনা আৰু পদ্মপুৰাণৰ অন্তর্গত ক্রিয়া-যোগসাৰ), বলোৰাম দ্বিজ *(ব্রহ্ম বৈৱর্তপুৰাণৰ কৃষ্ণ জন্মখণ্ডৰ আংশিক অনুবাদ কৰে)*।

অন্যান্য (পৃষ্ঠাপোষক জনা নাযায়)

চন্দ্রচূড় আদিত্য *(উৎকল খণ্ড),* ধর্মদেৱ ভট্টাচার্য্য *(গীত-গোবিন্দ),* ৰত্নাকৰ মিশ্র *(স্কন্ধ পুৰাণৰ অন্তর্গত ব্রহ্ম গীতা),* মধু নাৰায়ণ কোঁৰৰ *(অগ্নি পুৰাণ)*

ব্যৱহাৰিক সাহিত্যৰ অনুবাদকসকল ঃ

আহোম ৰজাৰ পৃষ্ঠপোষকতাত—

সুকুমাৰ বৰকাথা *(হস্তি বিদ্যার্ণৱ),* কবিৰাজ চক্রৱর্তী *(ভাস্বতী),* বাগীশ দ্বিজ *(নীতি লতাংকুৰ),* মচুন্দৰাই ওজা *(শ্রীহস্ত মুক্তৱলী),* ৰুদ্রৰাম দ্বিজ *(নীতিৰত্ন)*। কোচৰজাৰ পৃষ্ঠপোষকতাত বকুল কায়স্থ *(লীলাৱতীৰ কিতাবৎ মঞ্জৰী)* পৃষ্ঠপোষক জনা নাযায়। কবিৰত্ন দ্বিজ *(লীলাৱতী, চূড়ামনি)*।



জানি থোৱা ভাল

ভাস্বতী গ্রন্থখন জ্যোতিষ বিষয়ক *শ্রী হস্ত মুক্তাৱলী* সংগীত শাস্ত্র আৰু *লীলাৱতী* গণিত বিষয়ক পুথি।

শংকৰোত্তৰ যুগত চুফী কবি কুতুবনৰ *মৃগাৱতীৰ* আধাৰত কবি দ্বিজ-ৰামে *মৃগাৱতী চৰিত* ৰচনা কৰে। তেনেদৰে মঞ্জনৰ *মধুমালতীখন* অজ্ঞাত কবিয়ে অনুবাদ কৰে। দুয়োখন প্রেমমূলক গ্রন্থ।

মহাপুৰুষ দুজনাৰ পদাংক অনুসৰণ কৰি শংকৰোত্তৰ যুগতো নাট ৰচনাৰ ধাৰা অব্যাহত ৰাখে। এই যুগৰ নাটৰ বিষয়বস্তু পূর্বৱর্তী কবিসকলৰ দৰে *ৰামায়ণ, মহাভাৰত, ভাগৱত পুৰাণ* আদিৰ পৰা আহৰণ কৰিচিল। শংকৰোত্তৰ যুগৰ উল্লেখযোগ্য নাটসমূহ হ'ল— লক্ষ্মীদেৱৰ *ৰাৱণবধ,* ৰামচন্দ্র আতাৰ *কংসবধ,* লক্ষ্মীনাথ দাসৰ *কুমাৰ হৰণ,* ৰমাকান্তৰ *প্রলয়-বধ,* শ্রীৰামৰ *সুভদ্রা হৰণ,* লক্ষ্মীনাথৰ *নৃসিংহ যাত্রা,* লক্ষ্মীকান্ত দাসৰ *হৰমোহন,* কৃষ্ণদাসৰ বভ্রুৰাহনৰ যুদ্ধ, হৰেন্দ্রদাসৰ *দুর্ৱাসা ভোজন* আৰু *পুতনা বধ* আদি।

শংকৰোত্তৰ যুগৰ অসমীয়া অনুবাদ সাহিত্যৰ বৈশিষ্ট্য ঃ

- ৰাজ পৃষ্ঠপোষক আৰু সাহিত্য চর্চাৰ কেন্দ্রবিন্দু কোচবেহাৰৰ সলনি উজনি অসম হৈ পৰে।
- আহোম ৰজাদৰবাৰত বৈষ্ণৱ ধর্মৰ লগতে শাক্ত-শৈৱ সাহিত্যৰ অনুবাদ হ'বলৈ লয়।
- শৃগাৰ ৰসপ্রধান সাহিত্যই গুৰুত্ব লাভ কৰে।
- ব্যৱহাৰিক সাহিত্যৰ অনুবাদ হ'বলৈ ধৰে।
- সংস্কৃতৰ উপৰিও চুফী আৰু হিন্দী কাব্যৰো অনুবাদ হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ শংকৰোত্তৰ যুগৰ আহোম ৰজাৰ পৃষ্ঠপোষকতাত অনূদিত শাক্ত-কাব্যৰ বিষয়ে এটি টোকা লিখক।

(১৫০টা শব্দৰ ভিতৰত)

.....

আধুনিক যুগৰ অসমীয়া অনুবাদ সাহিত্য

(ক) অৰুণোদয় যুগৰ অনুবাদ সাহিত্য ঃ

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পিচত অসমখন ইংৰাজৰ হাতলৈ যায়। ইয়াৰ আগতে মায়ামৰীয়া বিদ্রোহ, মানৰ আক্রমণত অসমীয়া সাহিত্য চর্চাৰ পৰিবেশ ব্যাহত হৈ পৰিছিল। অষ্টাদশ শতিকাৰ শেষৰ পৰা ঊনবিংশ শতিকাৰ তৃতীয় দশকলৈ অসমীয়া সাহিত্য সৃষ্টিৰ বাবে প্রতিকূল সময় আছিল। তেনে বিপন্ন সময়তে ১৮৩৬ চনত ইংৰাজসকলে অসমৰ পঢ়াশালি, আদালতৰ পৰা মাতৃভাষা উঠাই দি বাংলা ভাষা প্রৱর্তন কৰিলে। বৃটিছসকলে অসমত শাসন কৰিবলৈ লোৱাৰ পিছতেই খ্রীষ্টধর্ম প্রচাৰৰ উদ্দেশ্যে ব্যাপ্তিষ্ট মিছনেৰীসকল অসমলৈ আহে। অৱশ্যে আমেৰিকাৰ ব্যাপ্তিষ্ট মিছনেৰীসকল অসমলৈ অহাৰ আগতে এই মিছনেৰীসকলৰ হোতা উইলিয়াম কেৰীয়ে অসমীয়া পণ্ডিত আত্মাৰাম শর্মাৰ হতুৱাই ১৮১৩ চনত বাইবেলৰ *নিউ টেষ্টামেণ্টখন ধর্মপুস্তক অন্তভাগ* নামে অনুবাদ কৰোৱায়। আত্মাৰাম শর্মাই পিছত *ওল্ড টেষ্টামেণ্টৰো ধর্মপুস্তক* আদি ভাগ নামে অনুবাদ কৰে। ইয়াৰ পিচত বাংলা ভাষাৰ প্রৱর্তনে অসমীয়া সাহিত্যৰ প্রবাহৰ গতি স্তিমিত কৰি তোলে। আমেৰিকান মিছনেৰীৰ লগতে স্থানীয় কিছুসংখ্যক শিক্ষিত যুৱকৰ প্রচেষ্টাতে ১৮৭৩ চনত অসমত অসমীয়া ভাষাৰ পুনৰ প্রচলন হয়। মিছনেৰীসকলে অসমত খ্রীষ্টান ধর্ম প্রচাৰৰ বাবে বাইবেল, স্তুতি গীত, কাহিনী আদি অনুবাদ কৰিছিল। এই ব্যাপ্তিষ্ট মিছনেৰীসকলে ১৮৪৬ চনত শিৱসাগৰৰ পৰা মাহেকীয়া কাকত অৰুণোদয় উলিয়ায়। এই আলোচনীখনৰ পৰাই অসমীয়া সাহিত্যত অৰুণোদয় যুগ আৰম্ভ হয়। এই আলোচনীখনত দেশ-বিদেশৰ বাতৰিৰ লগতে বিভিন্ন প্রবন্ধৰ উপৰিও বাইবেলৰ অনুবাদমূলক কাহিনী প্রকাশ হৈছিল। নাথান ব্রাউনে ১৮৪৮ চনত *নিউ টেষ্টামেণ্টৰ* অসমীয়া অনুবাদ কৰি নাম দিয়ে *আমাৰ ত্রাণকর্তা যীশুখৃষ্টৰ নতুন নিয়ম*। ১৮৫৪ চনত তেওঁ বাইবেলৰ চাৰিটা খণ্ড অনুবাদ কৰি *'খৃষ্টৰ বিৱৰণ আৰু শুভবাত্রা'* হিচাপে প্রকাশ কৰাৰ উপৰিও ব্রহ্মনে বাইবেলৰ ৬০ টা স্তুতি গীত অনুবাদ কৰে। ব্রহ্মনে জন বুনিয়ানৰ *পিলগ্রিমচ প্রোগেছ* উপন্যাসখন অনুবাদ কৰি *জাত্রিকৰ জাত্রা* নামেৰে প্রকাশ কৰে। আন এগৰাকী ব্যাপ্তিষ্ট মিছনেৰী এ কে গার্ণীয়ে হিব্রু ভাষাৰ পৰা ওল্ড টেষ্টামেণ্টখন য়িহুছুৱাৰ আৰু বিচাৰকর্তাৰ পুথি আৰু ৰূথৰ বিৱৰণ নামেৰে অনুবাদ কৰে। গার্ণীয়ে ১৮৭৭ চনত কুমাৰী এম ই লেছলিৰ বাংলা উপন্যাস *এলোকেশী বেশ্যাৰ* বিষয় অনুবাদ কৰে। আনহাতে শ্রীমতী গার্ণীয়ে মুলেনৰ *'ফুলমণি ও কৰুণা'* বাংলাৰ পৰা অনুবাদ কৰে। চি হেচেলমেয়াৰে ডক্টৰ বার্থৰ বাইবেলৰ কাহিনী অনুবাদ কৰে। নিধি ৰাম ফাৰৱেলে *ভাৰতীয় দণ্ডবিধি আইন* নামে আইন বিষয়ক গ্রন্থ এখন অনুবাদ কৰে। ঊনবিংশ শতিকাৰ অখ্রীষ্টীয়ান লেখকসকলে মৌলিক সাহিত্য ৰচনাৰ ক্ষেত্রতহে গুৰুত্ব দিছিল। তেওঁলোকে অনুবাদ সাহিত্যলৈ বিশেষ বৰঙণি আগবঢ়োৱা দেখা নাযায়। হেমচন্দ্র বৰুৱাই *'ৱে টু হেলথ্'ৰ স্বাস্থ্য ৰক্ষা বা গা ভালে ৰাখিবৰ উপায়* নামেৰে অনুবাদ কৰে। তেনেদৰে লম্বোদৰ বৰাই কালিদাসৰ *শকুন্তলা* নাটখন অনুবাদ কৰে।

ঊনবিংশ শতিকা বা অৰুণোদয় যুগৰ অনুবাদ সাহিত্যৰ বৈশিষ্ট্য ঃ

- অসমীয়া ভাষাক পুনৰোদ্ধাৰৰ লগতে সবল ৰূপ দিয়াত অনুবাদে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।
- বৈষ্ণৱ ধৰ্মীয় গ্ৰন্থৰ ঠাইত খ্ৰীষ্ট ধৰ্মীয় গ্ৰন্থৰ অনুবাদ হ'বলৈ ধৰে।
- অনুবাদৰ যোগেদি পাশ্চাত্য সাহিত্যৰ সৈতে অসমীয়াৰ পৰিচয় ঘটে।
- সাহিত্য ভিন্ন গ্ৰন্থৰ অনুবাদ হোৱা দেখিবলৈ পোৱা যায়।
- সংস্কৃতৰ সলনি বাংলা আৰু বিদেশী ভাষাৰ পৰা গ্ৰন্থ অনূদিত হ'বলৈ ধৰে।

(খ) জোনাকী যুগ বা ৰোমাণ্টিক যুগৰ অসমীয়া অনুবাদ সাহিত্য ঃ

ঊনবিংশ শতিকাৰ শেষ দশকত অসমৰ কেইজনমান শিক্ষিত যুৱকে কলিকতালৈ পঢ়িবলৈ যায়। পাশ্চাত্য শিক্ষাৰে শিক্ষিত যুৱক কেইজনমানৰ নেতৃত্বত অসমীয়া ভাষা উন্নতি সাধিনী সভা (অঃভাঃউঃসাঃ) নামেৰে এটি অনুষ্ঠান গঢ় লৈ উঠে। ১৮৮৯ চনত তেওঁলোকে *'জোনাকী'* নামৰ কাকতখন প্ৰকাশ কৰে। *জোনাকী* কাকতে অসমীয়া সাহিত্যলৈ ৰোমাণ্টিক ভাৱধাৰা কঢ়িয়াই আনিলে। ঊনবিংশ শতিকাৰ শেষৰ ফালৰ লেখকসকল ইংৰাজী আৰু বাংলা সাহিত্যৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। অসমীয়া লেখকসকল এই সাহিত্যৰ অনুকৰণেৰে সাহিত্য ৰচনা কৰাৰ উপৰিও এই সময়ছোৱাত অনুবাদ কাৰ্যও কৰিছিল।

ৰোমাণ্টিক যুগত মৌলিক সাহিত্যৰ লগতে অনুবাদ সাহিত্যও বহুল মাত্ৰাত হৈছিল। এই সময়ছোৱাত কবিতা, উপন্যাস, নাটক আদিৰ অনুবাদ হোৱা দেখিবলৈ পোৱা যায়। তাৰ ভিতৰত উল্লেখযোগ্য কবিতা হ'ল—

অনুবাদক	স্ৰোতপাঠ	মূল কবি	অনূদিত কবিতা
লক্ষ্মীনাথ বেজবৰুৱা	Love's Philosophy There is a Garden in her Face, Loveliness of love	শ্ৱেলী টমাচ চেম্পিয়ন জৰ্জ ডাৰ্লি	প্ৰেমৰ দৰ্শন। প্ৰিয়তমা (ছায়ানুবাদ) প্ৰিয়তমাৰ সৌন্দৰ্য্য (ছায়ানুবাদ)
হিতেশ্বৰ বৰবৰুৱা	Vicar of Wakefield	গল্ডস্মিথ	অংগিলা
আনন্দ চন্দ্ৰ আগৰৱালা	Psalm of life Hermit the Better Land The Shepherd and the Philosopher	লংফেলো থমাচ পাৰ্ণেল হৱাচিয়াচ ব'নাৰ টমাছ গ্ৰে	জীৱন সংগীত যোগী সুখৰ ঠাই চহা আৰু পণ্ডিত।

যতীন্দ্র নাথ দুৱৰা	ৰুবায়ত The Star Mutability Crossing the Bar Tears Idle Tears	ওমৰ খায়াম জেন টেইলৰ শ্ৱেলী টেনিচন টেনিচন	ওমৰ তীর্থ চিকিমিকি চিকিমিকি সৰু তৰাটি সপোনৰ সুৰ নাওঁৰীয়া চকুলো
দুর্গেশ্বৰ শর্মা	Lucy Gry Farewell Love's Philosophy	ৱর্ডছ্ৱর্থ টেনিচন শ্ৱেলী	সাদৰী বিদায় প্রকৃতিলৈ
পদ্মধৰ চলিহা	Patriotism	উইলিয়াম স্কট	স্বদেশ প্রেম
ডিম্বেশ্বৰ নেওগ	The Brook May Queen Stanzas for music To Celia	টেনিচন টেনিচন বায়ৰণ জনচন	তটিনী উৰুকা সৌন্দর্য্য মাধুৰী প্রিয়াৰ প্রেম
বিনন্দ চন্দ বৰুৱা	The Incident of the French Camp	ৰবার্ট ব্রাউনিং	আগিয়াঠুৰীৰ বীৰ (ছায়ানুবাদ)
আনন্দ চন্দ্র বৰুৱা	হাফেজ The Passionate Shepherd to his Love.	হাফেজ মার্লো	হাফিজৰ সুৰ গৰখীয়াৰ প্রেম।
উমেশ চন্দ্র চৌধাৰী	A Dream of Fair Woman	টেনিচন	তন্দ্রাবিহাৰ (ছায়ানুবাদ)

জোনাকী যুগত অনূদিত উপন্যাসসমূহৰ তালিকা তলত উল্লেখ কৰা হ'ল—

অনুবাদক	স্রোত পাঠ	মূল ঔপন্যাসিক	অনূদিত উপন্যাস
লক্ষ্যেশ্বৰ শর্মা	Last days of Pompeii Mother	লিটন গ্রেজিয়া ডালেজ	পম্পিয়াইৰ প্রলয় মাতৃ
শান্তিৰাম দাস	East Lynne Cloister and the Hearth	হেন্ৰী উড চার্লচ ৰিড	ছদ্মবেশী মিলন মন্দিৰ
ৰোহিণীকান্ত বৰুৱা	Great Hunger	জন বোয়েৰ	পৰম ক্ষুধা

হৰেন্দ্র কলিতা	A tale of two Cities	চার্লচ ডিকেন্স	নগৰ দুখনৰ কথা
	All quite in the Western Front	মেৰিয়া ৰিমার্ক	পশ্চিম সীমান্তৰ শান্তি স্থাপন

জোনাকী যুগৰ অনূদিত নাটক ঃ

অনুবাদক	স্রোত পাঠ	মূল নাট্যকাৰ	অনূদিত নাটক
দুর্গেশ্বৰ শর্মা	As you like it	শ্বেইক্সপীয়েৰ	চন্দ্রাৱলী
	Cymbeline	,,	পদ্মাৱতী
দেৱানন্দ ভৰালী	Macbeth	,,	ভীমদর্প
পদ্মধৰ চলিহা	Romeo and Juliet	,,	অমৰ লীলা
অম্বিকা প্রসাদ গোস্বামী	Cymbeline	,,	তাৰা
শৈলধৰ ৰাজখোৱা	Othelo		ৰুণজিৎ সিংহ
,,	Twelvth Night	,,	মনৰ মানুহ
নবীন চন্দ্র বৰদলৈ	Troilus and Cressida	,,	তৰুণ কাঞ্চন
	King Lear	,,	বিষাদ কাহিনী
	The Taming of the Shrew	,,	দন্দুৰী দমন

ৰোমাণ্টিক যুগৰ শেষৰ ফালে জীৱনী সাহিত্যৰ অনুবাদৰ পৰম্পৰা গঢ় লৈ উঠে। অমিয় কুমাৰ দাসে মহাত্মা গান্ধীৰ My Experiment with Truth খন *মোৰ সত্য অন্বেষণৰ কাহিনী* নামেৰে অনুবাদ কৰে।

ৰোমাণ্টিক যুগৰ অসমীয়া অনুবাদ সাহিত্যৰ বৈশিষ্ট্য ঃ

- অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ উদ্যোক্তাই অনুবাদৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল।
- আধুনিক 'সাহিত্যৰ সৌধ সৃষ্টিৰ ক্ষেত্রত জোনাকী বা ৰোমাণ্টিক যুগৰ অনুবাদে উল্লেখযোগ্য ভূমিকা গ্রহণ কৰিছিল।
- অনূদিত সাহিত্যৰ স্রোত পাঠ সংস্কৃতৰ সলনি বাংলা আৰু ইংৰাজী ভাষাই প্রাধান্য লাভ কৰিছিল।
- মৌলিক লেখকসকলে অনুবাদকৰো ভূমিকা পালন কৰিছিল।
- জীৱন-সাহিত্যৰ অনুবাদৰ পৰম্পৰা গঢ় লৈ উঠে।

স্বৰাজোত্তৰ যুগ আধুনিক যুগৰ অসমীয়া অনুবাদ সাহিত্য ঃ

অসমীয়া সাহিত্যৰ আধুনিক যুগৰ বিকাশত আলোচনীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আধুনিক অসমীয়া ভাষা সাহিত্যৰ সূত্রপাত হৈছিল অৰুনোদই যুগৰ সাহিত্যত। তাৰ পিছত বাঁহী, জোনাকী, ঊষা, আৱাহন, মিলন, জয়ন্তী, পছোৱা আদি আলোচনীয়ে অসমীয়া ভাষা সাহিত্যৰ বিকাশৰ পৰম্পৰা অব্যাহতভাৱে ৰাখে।

স্বৰাজোত্তৰ যুগৰ আলোচনী *ৰামধেনুৱে* অসমীয়া সাহিত্যলৈ অনুবাদৰ জৰিয়তে নতুন ধ্যান-ধাৰণা কঢ়িয়াই আনে। *ৰামধেনুত* প্রকাশিত ৰচনাবোৰে আধুনিকতাৰ নতুন চিন্তা-ধাৰণা তথা সাহিত্যৰ ভিন্ন ধাৰা উন্মোচিত কৰিছিল। এই যুগত অসমীয়া সাহিত্য বিশ্বমুখী হৈ পৰিছিল সাহিত্যৰ বিষয়বস্তু, আংগিক, ভাষা, প্রকাশভংগী আদি সকলোতে বিশ্ব সাহিত্যৰ প্রভাৱ প্রতিফলিত হ'বলৈ ধৰিলে।

স্বৰাজোত্তৰ কালৰ মৌলিক সাহিত্যৰ দৰে অনূদিত সাহিত্যৰ ক্ষেত্রতো বিশ্বৰ বিভিন্ন প্রান্তৰ প্রভাৱ পৰিছিল। অনূদিত পাঠৰ ক্ষেত্রত স্রোত পাঠ কেৱল ইংৰাজী বা বাংলা ভাষাতেই সীমাবদ্ধ হৈ নাথাকিল। বিশ্বৰ বিভিন্ন ভাষাৰ পৰা গল্প, কবিতা, উপন্যাস আদি অনূদিত হ'বলৈ ধৰিলে।

স্বৰাজোত্তৰ কালত অনূদিত কবিতাৰ তালিকা তলত উল্লেখ কৰা হ'ল—

অনুবাদক	অনূদিত কবিতা
নীলমণি ফুকন	জাপানী, চীনা আৰু স্পেনিছ কবিতা
হোমেন বৰগোহাঞিঁ	ফৰাচী কবিতা
পল্লৱ বৰুৱা	চীনা কবিতা
নৱকান্ত বৰুৱা	হুইট মেনৰ এশটা কবিতা আৰু ভাস্কো পোপাৰ কবিতা, ডাণ্টেৰ ইনফার্নো জোহান উল্ফগেং ভন গ্যেটৰ ফাউষ্ট

স্বৰাজোত্তৰ যুগত কিছু সংখ্যক একাংকিকা নাটক অসমীয়ালৈ অনূদিত হয়। সেই কেইখন হ'ল—

অনুবাদক	স্রোত পাঠ	মূল নাট্যকাৰ	অনূদিত পাঠ
প্রফুল্ল বৰুৱা	Dear Departed	ষ্টেনলি হটন	পিতৃ বিয়োগ চেনেহৰ সোঁতা, প্রেতাত্মাৰ পৰিদর্শন (একেখন নাটকত তিনিটা ভিন্ন নামেৰে অনুবাদ কৰে)
প্রফুল্ল দত্ত গোস্বামী	The Monkey's Paw	ডব্লিউ ডব্লিউ জেকব্চ্	বান্দৰৰ হাতোৰা মাথোন

স্বৰাজোত্তৰ যুগৰ অনূদিত নাটৰ তালিকা তলত উল্লেখ কৰা হ'ল—

অনুবাদক	স্রোত পাঠ	মূল নাট্যকাৰ	অনূদিত গ্রন্থ
দীননাথ শর্মা	The Growth of the Soil	ন্যুট হেমচুন	মাটি আৰু মানুহ
অতুল চন্দ্র হাজৰিকা	Merchant of Venice	শ্বেইক্সপীয়েৰ	বনিজ কোঁৱৰ
	বিসর্জন	ৰবীন্দ্রনাথ ঠাকুৰ	বিসর্জন
	অভিজ্ঞান শকুন্তলম্	কালিদাস	শকুন্তলা
	King Lear	শ্বেইক্সপীয়েৰ	অশ্রুতীর্থ
পদ্ম বৰকটকী	A Doll's House	ইবচেন	পুতলা ঘৰ
সত্যপ্রসাদ বৰুৱা	Oedi Tyrannus	Saphocles	ৰজা ইডপাছ
	Wild Duck	ইবচেন	বনহংসী
মহেন্দ্র বৰা	Ghost	ইবচেন	ভূত
বীৰেন্দ্র কুমাৰ ভট্টাচার্য	Tartuffe	মলিয়েৰ	ব্রহ্মচাৰী
বিৰিঞ্চি কুমাৰ বৰুৱা	চিত্রংগদা	ৰবীন্দ্রনাথ ঠাকুৰ	চিত্রংগদা
চৈয়দ আব্দুল মালিক	চিৰকুমাৰ সভা	ৰবীন্দ্রনাথ ঠাকুৰ	চিৰকুমাৰ সভা


স্বৰাজোত্তৰ যুগত কিছু সংখ্যক উপন্যাসৰো অনুবাদ হৈছিল। তলত সেইবোৰ উল্লেখ কৰা হ'ল—

অনুবাদক	স্রোত পাঠ	মূল লেখা	অনূদিত উপন্যাস
বীৰেন্দ্র কুমাৰ ভট্টাচার্য	For whom the bell tolls	হেমিংৱে	দেৱ দুন্দুভি বাজে কাৰ বাবে
বীৰেন বৰকটকী	The Virgin of the Soil	টুর্গেনিভ	কুমাৰী পৃথিৱী
দয়ানন্দ বৰুৱা	The mother	মেক্সিম গৰ্কী	মাতৃ
নলিনীধৰ ভট্টাচার্য	Doctor Zhivago শ্যামা	বৰিছ পেষ্টাৰনেক ৰবীন্দ্র নাথ ঠাকুৰ	ড° ঝিভাগো শ্যামা
যতীন গোস্বামী	The Oldman and the Sea	হেমিংৱে	বুঢ়া আৰু সাগৰ
অনু বৰুৱা	Animal farm	জর্জ অৰৱেল	জীৱৰ পাম

মুন সেন	অৰণ্যেৰ অধিকাৰ	মহাশ্বেতা দেৱী	অৰণ্যৰ অধিকাৰ
নির্মল প্রভা বৰদলৈ	বুন্দ ঔৰ সমুন্দৰ	অমৃতলাল নাগ	বিন্দু আৰু সিন্ধু
প্রণীতা দেৱী	Lust for Life	আৰভিং ষ্টন	জীৱনৰ লালসা
খগেন্দ্র নাৰায়ণ দত্ত বৰুৱা	অভিশপ্ত চম্বল	তৰুণ কুমাৰ ভাদুৰী	অভিশপ্ত চম্বল

স্বৰাজোত্তৰ যুগৰ অসমীয়া অনূদিত সাহিত্যৰ বৈশিষ্ট্য ঃ

- অনূদিত সাহিত্যৰ সংখ্যা তাকৰ।
- অনুবাদক গৌণ কার্য হিচাপে গণ্য কৰিছিল।
- অনূদিত সাহিত্যই আগৰ যুগৰ নিচিনাকৈ জনসাধাৰণক প্রভাৱান্বিত কৰিব পৰা নাছিল।
- ইংৰাজীৰ বাহিৰেও অন্যান্য বিদেশী ভাষাৰ সাহিত্যক এই যুগত স্রোত পাঠ হিচাপে কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ স্বৰাজোত্তৰ যুগত কি কি ভাষাৰ পৰা নাটকৰ অনুবাদ হৈছিল? (১৫০টা শব্দৰ ভিতৰত)

.....

সাম্প্রতিক যুগৰ অসমীয়া অনুবাদ সাহিত্য (১৯৭০ খ্রীষ্টাব্দৰ পৰা বর্তমানলৈ)

অসমীয়া সাহিত্যৰ ইতিহাসবিদসকলে বিংশ শতিকাৰ সত্তৰৰ দশকৰ পৰৱর্তী কালত ৰচিত সাহিত্যৰাজিক সাম্প্রতিক যুগৰ সাহিত্য হিচাপে অভিহিত কৰিছে। বিগত শতিকাৰ শেষ ভাগৰ পৰা বর্তমানলেকৈ ৰচিত সমগ্র সাহিত্যৰাজি এই যুগৰ অন্তর্গত সাহিত্য। পাশ্চাত্য সাহিত্যৰ বিভিন্ন ধাৰা যেনে আধুনিকতাবাদ, উত্তৰ আধুনিকতাবাদ, নাৰীবাদ, নির্গঠনবাদ, আদিৰ প্রভাৱ অসমীয়া সাহিত্যতো প্রতিফলিত হোৱা দেখা যায়। তেনেদৰে অনুবাদৰ ক্ষেত্রতো সাহিত্যিক পাঠৰ লগতে সাহিত্য ভিন্ন পাঠৰ অনুবাদৰ ক্ষেত্রতো সাহিত্যিক পাঠৰ লগতে সাহিত্য ভিন্ন পাঠৰ অনুবাদ হ'বলৈ ধৰে।

পৃথিৱীৰ বিভিন্ন দেশ—ফ্রান্স, জার্মান, জাপান, স্পেইন, ৰাছিয়া, ইটালী, চীন, তুৰস্ক, নেপাল আদি বিভিন্ন ঠাইৰ কবি, লেখকসকলৰ কর্মৰাজি অসমীয়া সাহিত্যলৈ অনুবাদ হ'বলৈ লয়।

সাম্প্রতিক যুগত পাৱলো নেৰুদা, চার্গেই এচেনিন, আন্ত্রমিতা, মাও ট্রে আং, ভাস্কো পোপা, হান্স মেগনাচ, দিনো কম্পানা, বাথমেন, আলেকজেণ্ডাৰ পুস্কিন আদি বিদেশী কবিসকলৰ কবিতাৰ অসমীয়া অনুবাদ বিভিন্ন আলোচনী, বাতৰি কাকত আদিত সিঁচৰতি হৈ আছে।

সাম্প্রতিক যুগত ভালেসংখ্যক দেশী-বিদেশী নাটক অসমীয়া সাহিত্যলৈ অনূদিত হৈছে। তলত সেইবোৰ উল্লেখ কৰা হ'ল—

সাম্প্রতিক যুগত অনূদিত উপন্যাসসমূহ হ'ল—

অনুবাদ	স্রোত পাঠ	মূল ঔপন্যাসিক	অনূদিত উপন্যাস
আবুল লেইচ	How Green was my valley	ৰিচার্ড লেৱেৰিন	হাও গ্রীণ ৰাজ মাই ভেলী
	Good-by Mr Chips	জেমছ হিল্টন	গুড বাই মিঃ চিপচ্
	Adventures of Tom Sawyer	মার্ক টুৱেইন	টম ছায়াৰ
তপন দাস	Up at the Villa	ছমাৰ ছেট মম	পাহাৰী ছন্দ
ৰোহিণী কান্ত বৰুৱা	Great Hunger	জন বোয়েৰ	পৰম ক্ষুধা
খগেন্দ্র নাৰায়ণ দত্তবৰুৱা	সন্ধ্যা দীপেৰ শিখা	তৰুণ কুমাৰ ভাদুৰী	সন্ধ্যা বস্তিৰ শিখা
	আবাৰ অভিশপ্ত চম্বল	তৰুণ কুমাৰ ভাদুৰী	আকৌ অভিশপ্ত চম্বল
নগেন চৌধুৰী	Beyond Desire	পিয়াৰ লা মূৰ	বাসনাৰ অতীত
	Outsider	এলবার্ট ক্যেমু	অচিনাকী
কৃপানাথ বৈশ্য	Candida	ভলটেয়াৰ	বিনন্দ বিলাস
বাণেশ্বৰ হাজৰিকা	Goodbye Mr. Chips	জেমছ হিল্টন	চিপ শিৰাৰ প্রেয়সী
প্রফুল্ল কটকী	The return of the Native	টমাছ হার্ডি	ওপজা মাটিৰ টান
	Wuthering Heights	এমিলি ব্রণ্টে	ৱুদাৰিং হাইটছ
অৱনী কুমাৰ দাস	নীলাশৈল	সুৰেন্দ্র মহান্তি	নীলশৈল
নৱদ্বীপ ৰঞ্জন পাটগিৰি আৰু চক্রেশ্বৰ ভট্টাচার্য	বাণভট্ট কী আত্মকথা	হাজাৰি প্রসাদ দ্বিবেদী	বাণভট্টৰ আত্মকথা
প্রভাত চন্দ্র শর্মা	কাদম্বৰী	বাণভট্ট	কাদম্বৰী
বিমল নাথ	Crime and Punishment	ডষ্টভয়েস্কি	পাপ আৰু প্রায়চিত্ত
সুৰেন্দ্র হাজৰিকা	War and Peace	লিও টলষ্টয়	যুদ্ধ আৰু শান্তি
কৃত্তিনাথ হাজৰিকা	Rainbow	বন্দা	ৰামধেনু

নলিনীধৰ ভট্টাচার্য	Father and Sons	টুর্গেনেভ	দুই পুৰুষ
পদ্মধৰ কটকী	First love	টুর্গেনেভ	প্রথম প্রেম
লক্ষ্মীকান্ত মহন্ত	The Queen of Spades	আলেকজেণ্ডাৰ পুস্কিন	ইস্কাপানৰ ৰাণী
সতেন্দ্র নাৰায়ণ গোস্বামী	Farewell to Arms	হেমিংৱে	বিদায় যুদ্ধ বিদায়
চক্রেশ্বৰ তালুকদাৰ	Rudin	টুর্গেনেভ	ৰুদিন
নগেন ঠাকুৰ	And Quiet Flows the Don	মিখাইল চোলোকভ	ধীৰে বৈ যায় ডন
উৎপল দত্ত	Kidnapped	ৰবার্ট লুইচ	অপহৃত
নৱেন্দ্র নাথ শর্মা	অবিনাশী	বিশ্বনাৰায়ণ শাস্ত্রী	অবিনাশী
সুৱেন্দ্র তালুকদাৰ	Train to Pakistan	খুচৱন্ত সিং	ট্রেইন টু পাকিস্তান।

উপৰোক্ত উপন্যাসসমূহৰ উপৰিও মহম্মদ পিয়াৰৰ *হাইফেন*, বীৰেশ্বৰ বৰুৱা অন্যপূর্বা, নৱদ্বীৰঞ্জন পাটগিৰিৰ এটি কলি দুটি পাত, থানেশ্বৰ হাজৰিকাৰ *দীনদুখী, বিমল নাথৰ, প্রিয় বন্ধু, পগলা-ফাটেক, প্রেম আৰু ভয়*, মনু সেনৰ *ন হন্যতে, প্রথম প্রতিশ্রুতি*, দিলীপ তালুকদাৰৰ ফুটপাথৰ দেবদূত, মুক্তানন্দ শর্মাৰ জৰাসন্ধৰ তিনি কন্যা, আৰতি দাসৰ ঘূনপোক, অৰুণ শর্মাৰ নীলকণ্ঠী পকীৰ সন্ধানত, সুৱেণ তালুকদাৰৰ *সম্পর্ক* আদি সাম্প্রতিক যুগত অনূদিত উল্লেখযোগ্য উপন্যাস।

সাম্প্রতিক যুগৰ অনূদিত চুটিগল্পৰ সংখ্যাও তাকৰ নহয়। পৃথিৰীৰ বিভিন্ন ভাষাৰ পৰা এই যুগত ভালে সংখ্যক চুটি গল্প অনুবাদ কৰা হৈছিল। সাহিত্য একাডেমি আৰু নেচনেল বুক ট্রাষ্টেও ভালেসংখ্যক অনূদিত গল্পপুথি প্রকাশ কৰি উলিয়াইছে। তলত সাম্প্রতিক যুগৰ অনূদিত চুটিগল্পৰ বিষয়ে উল্লেখ কৰা হ'ল—

অনুবাদক	অনূদিত চুটি গল্প
অনুপমা দেৰী —	*এনুৰা জোনালী নিশা, প্রত্যাৱর্তন*
সুৱেন্দ্র মোহন দাস —	*টলষ্টয়ৰ সাধু*
সুৱেন্দ্র নাথ বৰকটকী —	*গীদ্য মোঁপাছাৰ শ্রেষ্ঠ গল্প, ফৰাচী গল্প।*
অনিল কুমাৰ শর্মা —	*চেখভৰ গল্প*
প্রণৱজ্যোতি ডেকা —	*ৰুচ গল্প*
অমূল্য হাজৰিকা —	*ও হেনৰিৰ শ্রেষ্ঠ গল্প*
ৰাজেন বৰুৱা —	*নাৰী তুমি অপৰূপা, এক ডজন বিদেশী গল্প*
ৰত্নেশ্বৰ মেধি —	*মেক্সিম গকীৰ শ্রেষ্ঠ গল্প, গাইড, ধূর্তালি।*
সৌৰভ কুমাৰ চলিহা —	*আজি শুক্রবাৰ।*
নীনা দেৰী —	*আইৰ এটুকুৰা ফানেক।*

বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য —	*একুৰি এটা চুটি গল্প*
তিলক হাজৰিকা —	*মহাশ্বেতা দেৱীৰ স্বনির্বাচিত গল্প।*
মামণি ৰয়চম গোস্বামী —	*প্ৰেমচন্দৰ চুটি গল্প।*
সত্য প্ৰসাদ বৰুৱা —	*বিশ্ববিখ্যাত চুটি গল্প নটা*
অনু বৰুৱা —	*প্ৰথম প্ৰেম*
মুস্তাফিজুৰ ৰহমান —	*বিদেশীনী*
হেম শর্মা —	*বাছকবনীয়া চুটি গল্প*
অমিয়া দেৱী —	*একুঁকি বিদেশী গল্প*
লক্ষ্যহীৰা দাস —	*অস্কাৰ ৱাইল্ডৰ গল্প*
নিৰুপমা ফুকন —	*বিশ্ব গল্প চয়নিকা*
কনক মহন্ত —	*অক্টোবৰৰ এৰাতি*
প্ৰসন্ন গোস্বামী —	*বিদেশী গল্পৰ সম্ভাৰ*
বিনন্দ চন্দ্ৰ বৰুৱা —	*ৰাজস্থানৰ গল্প*
জয়কান্ত শর্মা —	*ভাৰতীয় গল্প ইত্যাদি।*

সাম্প্ৰতিক যুগত জীৱনবোধ সম্পৰ্কীয় ভালেসংখ্যক গ্ৰন্থ অনূদিত হৈছে। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল—

অনুবাদক	অনূদিত গ্ৰন্থ
প্ৰফুল্ল কটকী	*জীৱনবোধ, কর্তব্যবোধ, জীৱনৰ মহত্ব, অনাড়ম্বৰ জীৱন যাপন আৰু উচ্চ চিন্তন।*
আমিনুৰ ৰহমান	*সুখী জীৱন গঢ়াৰ সাধনা, আত্মবিশ্বাস, মানুহৰ মন জয় কৰাৰ উপায়, সাফল্যৰ গোপন ৰহস্য, জীৱনৰ প্ৰত্যাহ্বান ইত্যাদি।*
প্ৰফুল্ল কুমাৰ নাথ	*আপুনি আৰু আপোনাৰ ব্যক্তিত্ব।*

অসমীয়া বৈজ্ঞানিক পাঠৰ পিনে দৃষ্টি দিলে দেখা যায় যে পঞ্চদশ শতিকাৰ পৰাই বৈজ্ঞানিক পাঠৰ অনুবাদ হ'বলৈ ধৰিছিল। এই শতিকাৰ বকুল কায়স্থৰ দ্বাৰা অনূদিত *কিতাবৎ মঞ্জৰী* গ্ৰন্থখনৰ দ্বাৰাই বৈজ্ঞানিক পাঠৰ অনুবাদৰ আৰম্ভণি হয়।

স্বৰাজোত্তৰ কালৰ পৰা সংঢালনিকৈ বিজ্ঞান বিষয়ক পাঠ অনূদিত হ'বলৈ ধৰে। ইয়াৰ ভিতৰত আইনষ্টাইনৰ ইনফেল্ড, জেকব ব্ৰনৌস্কিৰ দ্য আইদেণ্টিটি অৱ মেন, নিউটনৰ প্ৰিঞ্চিপিআ, জুল ভার্নৰ ফ্ৰম দ্য আর্থ টু দ্য মুন, জর্জ গেমোৰ এপ্লেনেট কল্ড আর্থ ইত্যাদি উল্লেখযোগ্য।

সাম্প্ৰতিক যুগত শান্তনু তামুলীয়ে *ৰবার্ট ফুলটন আৰু তেওঁৰ ভাপ নাওঁ,* আৰতি ঠাকুৰ *ৱাইট ভাতৃদ্বয়,* দীনেশ চন্দ্ৰ গোস্বামীয়ে *সাগৰৰ তলিয়েদি কুৰি হাজাৰ লীগ* আদি গ্ৰন্থ অনুবাদ কৰে।

অসমীয়া অনূদিত শিশু সাহিত্যৰ পৰম্পৰা প্ৰাচীন। শংকৰোত্তৰ যুগত শিশু উপযোগীকৈ হিতোপদেশৰ সাধুকথা অনুবাদ কৰা হৈছিল। ইয়াৰ পিছত অৰুণোদয়ইৰ পাততে কিছু সংখ্যক শিশুৰ বাবে অনূদিত পাঠ প্ৰকাশ কৰা হৈছিল। আধুনিক যুগৰ শিশু সাহিত্যৰ অনুবাদ তলত উল্লেখ কৰা হ'ল—

অনুবাদক	অনূদিত গ্ৰন্থ
অতুলচন্দ্ৰ হাজৰিকা —	অজান দেশত এলিচ, ৰাণী হিমানী, নীলা চৰাই, পিঙ্কীৰ সাধু।
হাৰুণাৰ ৰচিদ —	ৰত্নদীপ, টম খুড়াৰ জুপুৰী, অলিভাৰ টুইষ্ট
ৰোহিনী বৰুৱা —	পমিলিৰ পৰিয়াল।
হেমবালা দাস —	অদৃশ্য মানৱ
ৰায়হান শ্বাহ —	বটলৰ ভূত, শব্দময় দ্বীপ, বিলুপ্ত জগত।
যোগেশ দাস —	ৰবীন হুদ
প্ৰবীণা শইকীয়া —	অজান দেশত এলিচ, স্মাৰ্ক চিকাৰ, অমূল্য ৰত্নৰ দ্বীপ, লামনি।
জয়শ্ৰী গোস্বামী মহন্ত —	মাইকেল ষ্টগ্‌ফ, আতংক দ্বীপ, টম খুড়াৰ পজাঁ, ৰিপ ভান উইংকল, ডন কুইকচোট।
ৰমা বৰঠাকুৰ —	টম ছায়াৰ, অলিভাৰ টুইষ্ট, অপহৰণ, আশী দিনত পৃথিৱী ভ্ৰমণ।
লক্ষ্যহীৰা দাস —	দেশ বিদেশৰ শিশু গল্প সংগ্ৰহ।
দ্বিজেন শৰ্মা —	হাইদ্ৰি।
কৰবী ডেকা হাজৰিকা —	এমুঠি সোণালী তৰা।

আধুনিক যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্য ঃ

- অনুবাদৰ ক্ষেত্ৰখন সাহিত্যৰ লগতে সাহিত্য ভিন্ন পাঠলৈ সম্প্ৰসাৰিত হয়।
- অনূদিত সাহিত্যৰ সংখ্যা যথেষ্ট তাকৰ।
- অনূদিত সাহিত্যই পাঠকৰ মনত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই।
- অনুবাদ কাৰ্যক দ্বিতীয় শ্ৰেণীৰ সাহিত্য কৰ্ম হিচাপে গণ্য কৰা হয়।
- গ্ৰন্থ অধ্যয়নৰ প্ৰতি নতুন চামৰ অনিহাইয়ো অনুবাদ কৰ্মত প্ৰভাৱ পেলাইছে।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন ৬ ঃ সাম্প্ৰতিক যুগৰ উপন্যাসৰ অনুবাদ সম্পৰ্কে এটি চমুটোকা লিখক। (১৫০টা শব্দৰ ভিতৰত)

.....



১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অনুবাদ সাহিত্যৰ উদ্ভৱ আৰু বিকাশ সম্পর্কে অৱগত হ'লো।
- ভাৰতীয় সাহিত্যত অনুবাদৰ ভূমিকাই গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল।
- প্রাচীন কালত পাশ্চাত্য, ভাৰতীয় আৰু অসমীয়া অনুবাদ সাহিত্যৰ মূল উদ্দেশ্য আছিল ধর্ম প্রচাৰ আৰু প্রসাৰ।
- প্রাচীন কালত অনুবাদ সাহিত্য মৌলিক সাহিত্যৰ দৰে আছিল।
- অনুবাদ সাহিত্যই প্রাচীন কালত সমাজক একতাৰ ডোলেৰে বান্ধি ৰখাত উল্লেখযোগ্য ভূমিকা পালন কৰিছিল।
- পাশ্চাত্যত বাইবেলৰ অনুবাদৰ যোগেদি অনুবাদৰ পৰম্পৰা গঢ় লৈ উঠিছিল।
- ভাৰতীয় সমাজত ৰামায়ণ, মহাভাৰত আৰু পুৰাণৰ অনুবাদৰ যোগেদি অনুবাদৰ পৰম্পৰা গঢ় লৈ উঠে।
- ভাৰতত প্রাচীন কালত অনুবাদ মুখ্যভাৱে স্রোত পাঠ আছিল সংস্কৃত ভাষাৰ গ্রন্থ।
- আধুনিক যুগত পাশ্চাত্যত দেশ-বিদেশৰ সাহিত্যৰ বিভিন্ন পাঠ, সাহিত্য ভিন্ন পাঠৰ বহুল মাত্রাত অনুবাদ হয়।
- ভাৰতবর্ষত আধুনিক যুগৰ প্রাৰম্ভিক কালছোৱাত ইংৰাজী ভাষাৰ পৰা ভালে সংখ্যক নাটক আৰু উপন্যাসৰ অনুবাদ হয়। সাম্প্রতিক যুগত ভাৰতৰ প্রাদেশিক ভাষাৰ লগতে বিদেশৰ বাছকৰনীয়া গ্রন্থ সম্ভাৰৰ পৰা সাহিত্যৰ পাঠৰ লগতে সাহিত্য ভিন্ন পাঠৰ অনুবাদ হ'বলৈ ধৰে আৰু হৈ আছে।
- অসমীয়া অনুবাদ সাহিত্যই প্রসাৰ লাভ কৰে ধর্মীয় পাঠৰ অনুবাদৰ যোগেদি।
- ভট্টদেৰে অনুবাদৰ দ্বাৰা বিশুদ্ধ অসমীয়া গদ্য সাহিত্যৰ সৃষ্টি কৰে।
- ৰাজ-পৃষ্ঠপোষকতাত অনুবাদ কার্য হ'বলৈ ধৰে।
- অসমীয়া সাহিত্যৰ প্রাৰম্ভিক কালছোৱাৰ লগতে শংকৰীযুগৰ অনুবাদলেকৈ বৈষ্ণৱ, ভাৱধাৰাৰ গ্রন্থ অনুবাদ কৰা হৈছিল।
- শংকৰোত্তৰ যুগত ধর্মৰ ধাৰা সলনি হৈ শাক্ত আৰু শৈৱ ধর্ম প্রধান হোৱাৰ ফলত শাক্ত-শৈৱ সাহিত্যৰ অনুবাদ হ'বলৈ ধৰে।
- অৰুণোদই যুগত অনুবাদৰ জৰিয়তে অসমীয়া সাহিত্যত পাশ্চাত্যৰ প্রভাৱ পৰিলক্ষিত হয়।
- ৰোমাণ্টিক যুগত ইংৰাজী আৰু বাংলা ভাষাৰ পাঠ অসমীয়া অনুবাদৰ স্রোত পাঠ হৈ পৰিল।
- অনুবাদৰ জৰিয়তে পাশ্চাত্যৰ বিভিন্ন আংগিক, দৃষ্টিভংগী অসমীয়া সাহিত্যত প্রৱেশ ঘটিল।

- স্বৰাজোত্তৰ যুগত অনুবাদৰ সংখ্যা তাকৰীয়া হ'ল।
- এই যুগত অনুবাদৰ দ্বাৰা পাশ্চাত্যৰ বিভিন্ন ধাৰাৰ প্ৰতিফলন ঘটিল অসমীয়া সাহিত্যত।
- অনুবাদ বিশ্বমুখী হৈ পৰিল।
- দেশ-বিদেশৰ সাহিত্যৰ লগতে সাহিত্য ভিন্ন বিভিন্ন পাঠৰ অনুবাদ হ'বলৈ ধৰে।
- সাম্প্ৰতিক যুগত পটুৱৈৰ সংখ্যা তাকৰীয়া হোৱা বাবে অসমীয়া অনূদিত সাহিত্যৰ সংখ্যাও কম।
- সাম্প্ৰতিক যুগত শিশুসাহিত্যৰ অনুবাদৰ ওপৰত বিশেষ গুৰুত্ব দিয়া দেখা যায়।
- বিশ্বৰ বিভিন্ন দেশৰ লগতে ভাৰতৰ প্ৰান্তীয় ভাষাৰ পৰা সাহিত্যৰ লগতে সাহিত্য ভিন্ন পাঠৰ অনুবাদ হৈ আছে।



১.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কটকী, প্ৰফুল্ল (২০০০) ঃ অনুবাদ পৰিক্ৰমা।

২) ডেকা হাজৰিকা, কৰবী (২০০৩) ঃ তুলনামূলক সাহিত্য আৰু অনুবাদ কলা, ডিব্ৰুগড় ঃ বনলতা।

৩) নেওগ, মহেশ্বৰ (২০০০) ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ

৪) মহন্ত, বেজবৰা, নীৰাঞ্জনা (২০০৯) ঃ অনুবাদ আৰু প্ৰয়োগ, ডিব্ৰুগড় ঃ বনলতা

৫) শৰ্মা, সতেন্দ্ৰনাথ (২০০৪) ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, গুৱাহাটী

৬) শৰ্মা দলৈ, হৰিনাথ (২০০০) ঃ অসমীয়া সাহিত্যৰ পূৰ্ণ ইতিহাস, পদ্মপ্ৰিয়া লাইব্ৰেৰী

৭) নাথ, প্ৰফুল্ল কুমাৰ (২০১৫) ঃ তুলনামূলক সাহিত্য, তত্ত্ব আৰু প্ৰয়োগ, গুৱাহাটী ঃ অসম বুক ডিপো, পাণবজাৰ

ইংৰাজী গ্ৰন্থ ঃ

৮) Bassnett, Susan : Translation Studies, London and NewYork, 1980

৯) Catford J.C. : A Lingustic Theory of Translation, Oxford University Press, 1965

১০) Lawrence Venuti (ed) : The Translation Studies Reader, London and NewYork, Routledge, 2000

১১) Mukherjee, Sujit : Translation as Discovery, Orient Longman, Hyderabad, 1994

১২) New mark, P : Approaches of Translation, Oxford : Pergamon,

Press, 1981

১৩) Nide E.A. : Towards A Science of Translating : Leiden : E. J. Bill, 1964

১৪) Trivedi H.C. : Cultural and Linguistic Problems of Translations The new Order Book Co. Ahmedabad, 1971

১.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ পাশ্চাত্যত বাইবেলৰ অনুবাদৰ যোগেদি অনুবাদৰ ইতিহাস আৰম্ভ হয়, বাইবেলৰ বিভিন্ন অনুবাদ, অন্যান্য সাহিত্যৰ অনুবাদ।

২নং প্রশ্নৰ উত্তৰ ঃ ঊনবিংশ শতিকাত ভাৰতীয় অনুবাদৰ স্রোত ভাষা সংস্কৃতৰ সলনি ইংৰাজী ভাষা হৈ পৰে ইংৰাজী ভাষাৰ পৰা অনূদিত সাহিত্যৰ উল্লেখ কৰি বিশেষণ কৰক।

৩নং প্রশ্নৰ উত্তৰ ঃ শংকৰদেৱৰ অনূদিত সাহিত্যৰ বিষয়ে চমুকৈ লিখিব লাগিব।

৪নং প্রশ্নৰ উত্তৰ ঃ আহোম ৰজাৰ পৃষ্ঠপোষকতাত ৰচিত হোৱা শাক্তকাব্য সম্পর্কে চমু আগবঢ়োৱা। কোন কেইগৰাকী অসমীয়া লেখক। কোন কেইখন বিদেশী ভাষাৰ নাটক অনুবাদ কৰিছিল তাৰ লেখ।

৫নং প্রশ্নৰ উত্তৰ ঃ স্বৰাজোত্তৰ যুগত অসমীয়া ভাষালৈ বিভিন্ন বিদেশী ভাষাৰ পৰা নাটকৰ অনুবাদ হৈছিল।

৬নং প্রশ্নৰ উত্তৰ ঃ সাম্প্রতিক যুগত দেশী-বিদেশী বিভিন্ন ভাষাৰ পৰা অসমীয়া ভাষালৈ উপন্যাসৰ অনুবাদ হৈছে। সেই অনূদিত উপন্যাসসমূহৰ বিষয়বস্তুৰ চমু পৰিচয়।

১.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ পাশ্চাত্যত মধ্যযুগৰ সাহিত্যৰ অনুবাদ সম্পর্কে এটি আলচ যুগত কৰক।

প্রশ্ন ২ ঃ ভাৰতীয় ৰামায়ণী সাহিত্য সম্পর্কে এটি টোকা প্রস্তুত কৰক।

প্রশ্ন ৩ ঃ বিংশ শতিকাৰ ভাৰতীয় সাহিত্যত কি কি ভাষাৰ পৰা অনুবাদ কার্য সম্পন্ন কৰা হৈছিল ফঁহিয়াই দেখুৱাওক।

প্রশ্ন ৪ ঃ অসমীয়া অনুবাদ সাহিত্যত শ্রীমন্ত শংকৰদেৱৰ অৱদান সম্পর্কে এটি সমীক্ষা আগবঢ়াওক।

প্রশ্ন ৫ ঃ শংকৰোত্তৰ যুগত অনূদিত শাক্ত আৰু শৈৱ সাহিত্যৰ সম্পর্কে এটি আলোচনা দাঙি ধৰক।

প্রশ্ন ৬ ঃ অৰুণোদই যুগৰ খ্রীষ্টিয়ান অনুবাদকসকলৰ অনুবাদ কৃতি সম্পর্কে এটি প্রৱন্ধ প্রস্তুত কৰক।

প্রশ্ন ৭ ঃ সাম্প্রতিক যুগৰ অনুবাদৰ স্রোত ভাষা সম্পর্কে এটি আলচ যুগুত কৰক।

প্রশ্ন ৮ ঃ সাম্প্রতিক যুগৰ শিশু সাহিত্যৰ অনুবাদ সম্পর্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ অনুবাদৰ প্ৰকাৰভেদ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ অনুবাদৰ প্ৰকাৰ ভেদ
২.৩.১ অনুবাদৰ প্ৰকৃতি অনুসৰি অনুবাদৰ প্ৰকাৰ
২.৩.২ অনুবাদৰ প্ৰক্ৰিয়া অনুসৰি অনুবাদৰ প্ৰকাৰ
২.৩.৩ ভাষিক মাধ্যম অনুসৰি অনুবাদৰ প্ৰকাৰ
২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৫ অধিক জানিবলৈ
২.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
২.৭ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অনুবাদৰ প্ৰকাৰ ভেদ সম্পৰ্কে জানিব পাৰিব
- কিহৰ আধাৰত অনুবাদৰ প্ৰকাৰ ভেদ কৰা হৈছে সেই সম্পৰ্কে আলোচনা কৰিব পাৰিব
- যন্ত্ৰ অনুবাদ সম্পৰ্কে এটি ধাৰণা লাভ কৰিব।

২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুৰ্থ ষাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা চতুৰ্থ পাঠ্যবিষয় 'অনুবাদ সাহিত্য আৰু বিশেষ সাহিত্যিক'ৰ প্ৰথম খণ্ড 'অনুবাদ সাহিত্য'ৰ অন্তৰ্গত এইটো দ্বিতীয় অধ্যায়। ইয়াৰ শিৰোনাম 'অনুবাদৰ প্ৰকাৰ ভেদ'। অনুবাদ কেৱল এক সাহিত্যিক কৰ্মই নহয়, ই জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে প্ৰযোজ্য। প্ৰশাসন, বিধি, চিকিৎসা, বেংক, ব্যৱসায়, গণসংযোগ আদি সকলো ক্ষেত্ৰতে অনুবাদ অপৰিহাৰ্য বিষয় হৈ পৰিছে। এই ক্ষেত্ৰবোৰত মানৱ অনুবাদৰ উপৰিও যন্ত্ৰ অনুবাদেও বহুখিনি কাম কৰি আহিছে। সাহিত্যৰ পাঠৰ ক্ষেত্ৰত আমি যিবোৰ অনুবাদ কৰো, সাহিত্য ভিন্ন পাঠৰ ক্ষেত্ৰত তেনেদৰে নোৱাৰি। পাঠৰ ভিন্নতাৰ আধাৰত, ভাষাৰ আধাৰত, প্ৰভৃতি, প্ৰক্ৰিয়া আদিৰ আধাৰত অনুবাদক বিভিন্ন ভাগত ভাগ কৰা হৈছে।

২.৩ অনুবাদৰ প্ৰকাৰ ভেদ

অনুবাদৰ প্ৰকাৰ ভেদ বিভিন্ন আধাৰৰ ভিত্তিত কৰা হৈছে। ভাগ, প্ৰকৃতি আৰু প্ৰক্ৰিয়াৰ আধাৰত অনুবাদৰ প্ৰকাৰ ভেদ কৰা হয় যদিও, অনুবাদৰ সৰ্বজন গৃহীত বৰ্গীকৰণ কৰা এক জটিল কাম। অনুবাদ বিষয়ৰ আলোচক-গৱেষকসকলে দিয়া মতবাদৰ ওপৰত ভিত্তি কৰি অনুবাদক প্ৰধানকৈ তিনি প্ৰকাৰে ভাগ কৰা হৈছে। সেয়া তলত উল্লেখ কৰা হ'ল—

২.৩.১ অনুবাদৰ প্ৰকৃতি অনুসৰি অনুবাদৰ প্ৰকাৰ

শব্দানুবাদ ঃ এনে অনুবাদত মূলৰ প্ৰায় প্ৰতিটো শব্দৰে অনুবাদ কৰা হয়। অনুবাদকে মূলৰ প্ৰতিটো শব্দ অনুবাদ কৰে। কিন্তু অতিৰিক্তভাৱে শব্দ সংযোজন নকৰে। এনে অনুবাদত লক্ষ্য ভাষাৰ শব্দক্ৰমৰ প্ৰতি গুৰুত্ব দিয়া হয়। আইন, বিজ্ঞান, গণিত, প্ৰযুক্তিবিদ্যা আদি বিষয়ৰ পাঠৰ শব্দানুবাদ কৰা হয়। এনে ধৰণৰ অনুবাদত স্ৰোত ভাষাৰ চাপ লক্ষ্য ভাষাত দেখা যায়। উদাহৰণ স্বৰূপে— The file No. 426 which was received on 10.10.2017 has been sent to the PWD Deptt. ফাইল নং ৪২৬, যিটো ১০.১০.২০১৭ তাৰিখে প্ৰাপ্ত হৈছিল সেইটো গড়কাপ্টানি বিভাগলৈ প্ৰেৰণ কৰা হৈছে। সৃজনীশীল সাহিত্যৰ ক্ষেত্ৰত শব্দানুবাদ কৰিলে সঠিক অৰ্থ প্ৰকাশ নোপোৱাটো স্বাভাৱিক। আনহাতে খণ্ডবাক্য আৰু ফকৰা যোজনাৰ ক্ষেত্ৰত শব্দানুবাদ কৰিলে অনৰ্থ হৈ পৰে।

ভাৱানুবাদ ঃ এনে ধৰণৰ অনুবাদত মূলৰ শব্দ, পদ, বাক্যৰ অৰ্থ সলনি আৰু ভাৱৰ অনুবাদ কৰা হয়। সৃজনীশীল সাহিত্যৰ ক্ষেত্ৰত ভাৱানুবাদ কৰা হয়। এনে অনুবাদত শব্দ প্ৰতি শব্দ অনুবাদ কৰা নহয় অৰ্থাৎ স্ৰোত ভাষাৰ শব্দ ক্ৰম অনুসৰণ কৰা নহয়। ভাৱানুবাদত অনুবাদকৰ বহুখিনি স্বাধীনতা থাকে। তেওঁ প্ৰয়োজনবোধে মূল পাঠৰ সংযোজন বিয়োজন কৰি পুনঃ সৃজন কৰিব পাৰে। এনে কৰোঁতে অৱশ্যে মূল পাঠৰ শৈলী যাতে উপেক্ষিত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

ছায়ানুবাদ ঃ ভাৱানুবাদত ভাৱক প্ৰাধান্য দিয়া হয়, ছায়ানুবাদত মূল পাঠৰ 'সমগ্ৰ প্ৰভাৱ'ৰ অনুবাদ কৰা হয়। সাধাৰণতে ই এক প্ৰকাৰ পুনঃ-সৃজন। মূল পাঠ পঢ়াৰ পিছত অনুবাদকৰ মনত যি প্ৰভাৱ পৰে তাৰ আধাৰত নিজস্বভাৱে লক্ষ্য ভাষাত কৰা ৰচনাই ছায়ানুবাদ। এনে অনুবাদত অনুবাদকৰ সম্পূৰ্ণ স্বাধীনতা থাকে। তেওঁ লক্ষ্য পাঠৰ অনুকূলে সামাজিক তথা সাংস্কৃতিক পৰিবেশ বৰ্ণনা কৰিব পাৰে।

সাৰানুবাদ ঃ চৰকাৰী কাগজ পত্ৰ, লোকসভাৰ বাদ-বিবাদ, ভাষণ আদিৰ সাৰানুবাদ কৰা হয়। সাৰানুবাদত মূল সামগ্ৰীৰ সাৰ অংশৰ অনুবাদ কৰা হয়। এনে অনুবাদ প্ৰয়োজনবোধে সংক্ষিপ্ত, অতি সংক্ষিপ্তভাৱে কৰা হয়।

ব্যাখ্যানুবাদ ঃ অনুবাদৰ এই ৰূপ ভাৰতবৰ্ষত অতি প্ৰাচীন কালৰ পৰা ব্যৱহৃত হৈ আহিছে। সংস্কৃতৰ অনেক গ্ৰন্থৰ ভাষ্য আৰু টীকা ইয়াৰ উদাহৰণ। এনে

অনুবাদত মূল অর্থৰ স্পষ্টীকৰণৰ বাবে উদাহৰণ, উদ্ধৃতি, বিশ্লেষণ আদিৰ সহায়ত ব্যাখ্যা কৰা হয়। ব্যাখ্যানুবাদ এক জটিল কার্য কিয়নো মূলৰ কঠিন সূত্র তথা অস্পষ্ট কথা স্পষ্ট ৰূপত বিশ্লেষণ কৰিব লাগে। গীতা আৰু বাইবেলৰ আটাইতকৈ বেছি ব্যাখ্যা অনুবাদ কৰা হৈছে।

ৰূপান্তৰণ ঃ ৰূপৰ পৰিৱর্তন হোৱা অনুবাদক ৰূপান্তৰণ বুলি কোৱা হয়। এই ৰূপ পৰিৱর্তন চৰিত্রৰ নাম, সংখ্যা, দেশ, কাল, সামাজিক পৰিৱেশ আদি দিশত হ'ব পাৰে। সাহিত্যৰ ক্ষেত্রত ৰূপান্তৰণৰ অনেক উদাহৰণ পোৱা যায়। ৰেডিঅ' আৰু দূৰদর্শনত বিভিন্ন ধৰণৰ ৰূপান্তৰণ দেখিবলৈ শুনিবলৈ পোৱা যায়। তাৰ ভিতৰত কথা ৰূপান্তৰণ, নাট্য ৰূপান্তৰণ আদি।

মৌখিক অনুবাদ ঃ দুটা ভিন্ন ভাষা-ভাষীৰ মাজত কথোপকথন তথা ভাষণৰ ক্ষেত্রত তাৎক্ষণিকভাৱে মৌখিক অনুবাদ কৰিব লগীয়া হয়। এনে ক্ষেত্রত দুয়োটা ভাষাত সম্যক জ্ঞান থকা ব্যক্তিয়ে প্রতিশাৰী কথা শ্রোতাৰ অনুকূলে মুখে মুখে অনুবাদ কৰে। মৌখিক অনুবাদ কৰা ব্যক্তিজনক দোভাষী বুলি কোৱা হয়। মৌখিক অনুবাদ এক কঠিন কার্য, কিয়নো অনুবাদৰ সময়ত দোভাষীজনৰ হাতত সময় আৰু সাধন নাথাকে। অন্য অনুবাদত অনুবাদকে গুণা-গথা কৰি অনুবাদ কৰে কিন্তু মৌখিক অনুবাদত তেনে কৰিবৰ সময় নাপায়, অভিধান চাবৰো সুযোগ নাপায়। সেয়েহে দোভাষীসকল প্রত্যুৎপন্ন সম্পন্ন, ভাষাৰ সম্যক জ্ঞানৰ উপৰিও সংশ্লিষ্ট বিষয়ৰ জ্ঞান থকা উচিত। দোভাষীসকল অনুবাদৰ সময়ত সচেতন হোৱাৰ প্রয়োজন যাতে ভুল অনুবাদে দুটা পক্ষৰ মাজত ভুল বুজাবুজিৰ সৃষ্টি কৰি বিষম পৰিস্থিতিৰ সৃষ্টি কৰিব নোৱাৰে। ৰাজনৈতিক বার্তা, ভাষণ আদিৰ উপৰিও আন্তঃৰাষ্ট্রীয় সৌন্দর্য প্রতিযোগিতা, খেল আদিৰ ক্ষেত্রতো মৌখিক অনুবাদ কৰা হয়।

লিপ্যন্ধন ঃ এনে অনুবাদত উচ্চাৰণক আধাৰ হিচাপে লোৱা হয়। যদি স্রোত ভাষাৰ ধ্বনি, চিহ্ন লক্ষ্য ভাষাত নাথাকে বা কিছুমান স্থানত প্রয়োগ নহয় তেনেহ'লে অন্য আখৰ বা চিহ্নৰ দ্বাৰা লিপ্যন্ধন কৰা হয়। উদাহৰণ স্বৰূপে— যুৱৰাজ য়ুৱৰাজ (হিন্দীৰ 'য়' ধ্বনিটো অসমীয়া ভাষাত শব্দৰ আৰম্ভণিতে প্রয়োগ নহয়)। তেনেদৰে গুৱাহাটী-গুয়াহাটী (বাংলা ভাষাত 'ৱ' ধ্বনি নাই)।

লিপ্যন্তৰণ ঃ ই হ'ল লিখিত ৰূপৰ লিপিৰ পৰিৱর্তন। স্রোত ভাষাৰ শব্দত প্রয়োগ কৰা লিপি চিহ্নৰ ঠাইত লক্ষ্য ভাষাত থকা লিপি চিহ্ন ব্যৱহাৰ কৰা হয়। উদাহৰণ স্বৰূপে—

Lotus — লটাছ

Moon — মুন

Hill — হিল।

লিপ্যন্তৰণ সাধাৰণতে বিশেষ্যবাচক শব্দৰ ক্ষেত্রত কৰা হয়। ব্যক্তি বা

স্থানৰ নাম, ব্যৱসায়িক প্ৰতিষ্ঠানৰ নাম, পত্ৰ প্ৰেৰকৰ ঠিকনা, বাতৰি কাকতৰ নাম, চলচ্চিত্ৰ, আঞ্চলিক শব্দ আদিৰ ক্ষেত্ৰত লিপ্যন্তৰণ কৰা হয়।

আদৰ্শ অনুবাদ ঃ এনে অনুবাদত স্ৰোত ভাষাৰ পাঠৰ মূল ভাৱ আৰু শৈলীক অক্ষুণ্ণ ৰাখি শব্দানুবাদ আৰু ভাবানুবাদৰ সহায়ত লক্ষ্য ভাষাত পুনঃ-সৃজন কৰা হয়। এইটো স্বীকাৰ্য যে যিকোনো পাঠৰে এশ শতাংশই অনুবাদ কৰিব নোৱাৰি। ক'ৰবাত নহয় ক'ৰবাত এৰা-ধৰা কৰিব লগীয়া হয়। মূল পাঠৰ ভাৱ শৈলীক অক্ষুণ্ণ ৰাখি অনুবাদ কাৰ্য মূলৰ সমকক্ষ তথা সমতুল্য কৰি তুলিব পাৰিলেই তেনে অনুবাদ আদৰ্শ অনুবাদ হৈ পৰে।

২.৩.২ অনুবাদৰ প্ৰক্ৰিয়া অনুসৰি অনুবাদৰ প্ৰকাৰ

অনুবাদৰ প্ৰক্ৰিয়া অনুসৰি অনুবাদক দুটা ভাগত ভগাব পাৰি—

পাঠধৰ্মী অনুবাদ

প্ৰভাৱধৰ্মী অনুবাদ

পাঠধৰ্মী অনুবাদ ঃ পাঠধৰ্মী অনুবাদত কথন আৰু কথনশৈলীক গুৰুত্ব দিয়া হয়। এনে অনুবাদত মূল পাঠৰ ভাষাৰ বিভিন্ন স্তৰ বিচাৰ বিশ্লেষণ কৰি তাৰ অন্তৰ্নিহিত অৰ্থ অনুবাদ কৰা হয়, অনুবাদকজন পাঠৰ মাজতে সীমাবদ্ধ হৈ থাকিব লাগে। বিধি, বিজ্ঞান আদি বিষয়ৰ অনুবাদ পাঠধৰ্মী।

প্ৰভাৱধৰ্মী অনুবাদ ঃ এনে অনুবাদত মূল পাঠ-পঠন কৰাৰ পিছত পৰা প্ৰভাৱক আধাৰ হিচাপে লোৱা হয়। এনে অনুবাদত অনুবাদকে বঢ়া-টুটা কৰিব পাৰে। মূল পাঠৰ প্ৰভাৱ পাঠকৰ ওপৰত যিদৰে পৰিছে, তেনেদৰে লক্ষ্য পাঠৰ প্ৰভাৱো পাঠকৰ ওপৰত পৰা উচিত। সেয়ে লক্ষ্য ভাষাত সমতুল্য প্ৰভাৱ সৃজন কৰা হয়।

২.৩.৩ ভাষিক মাধ্যম অনুসৰি অনুবাদৰ প্ৰকাৰ

আন্তঃভাষিক অনুবাদ ঃ এটা ভাষাৰ পৰা সেই একেটা ভাষাতেই ভিন্ন শব্দ, ভিন্ন শৈলীত কৰা অনুবাদেই হ'ল আন্তঃভাষিক অনুবাদ। সংস্কৃত গ্ৰন্থৰ ব্যাখ্যা, টীকা, ভাষা আদিয়েই হ'ল আন্তঃভাষিক অনুবাদ। তেনেদৰে আন্তঃভাষিক অনুবাদৰ সহায়েৰে এটা ভাষাৰ পদ্যক সেই একেটা ভাষাৰ গদ্যলৈ অন্ত্যৰণ কৰা হয়। উদাহৰণ স্বৰূপে শ্বেইক্সপীয়েৰৰ পদ্যবদ্ধ নাটকসমূহ চাৰ্লচ লেম্বে একেটা ভাষাতেই গদ্যলৈ অনুবাদ কৰে।

অন্তৰ ভাষিক অনুবাদ ঃ এটা ভাষাৰ প্ৰতীক ব্যৱস্থাৰ দ্বাৰা ব্যক্ত অৰ্থক অন্য এটা ভাষাৰ প্ৰতীক ব্যৱস্থাৰে ব্যক্ত কৰাই হ'ল অন্তৰ-ভাষিক অনুবাদ বা ভাষান্তৰণ।

সাধাৰণ অর্থত ইয়াকে অনুবাদ বুলি ধৰা হয়।

প্ৰতীকান্তৰ অথবা অন্তৰ প্ৰতীকাত্মক অনুবাদ ঃ কোনো এক ভাৰক এটা প্ৰতীকৰ মাধ্যমৰ ঠাইত অন্য এক প্ৰতীকৰ মাধ্যমেৰে অভিব্যক্ত কৰাই হ'ল প্ৰতীকান্তৰ। উদাহৰণ স্বৰূপে— *তিচ্‌ৰী কছম, হাজাৰ চৌৰাশী কী মা, অন্তৰীপ, ফাইভ পইণ্ট চামৰান* আদি উপন্যাসৰ চলচ্চিত্ৰ ৰূপায়ণ আদি। তেনেদৰে *ভীম, গণেশৰ কাহিনীলৈ চোটা ভীম, বাল গণেশ* আদি কার্টুন চিনেমাও নির্মাণ হৈ আছে।

পাশ্চাত্যৰ প্ৰখ্যাত অনুবাদ তত্ত্ববিদ কেটফোর্ডে অনুবাদক তিনিটা আধাৰত ভাগ কৰিছে। সেয়া হ'ল—

১। পাঠ বিস্তাৰৰ আধাৰত

২। ভাষিক স্তৰৰ আধাৰত

৩। শ্ৰেণীৰ আধাৰত।

১। পাঠ বিস্তাৰৰ আধাৰত ঃ

ক) পূর্ণ অনুবাদ

খ) আংশিক অনুবাদ

ক) পূর্ণ অনুবাদত পাঠৰ কোনো অংশ বাদ দিয়া নহয়। পাঠৰ প্ৰত্যেক অংশক অনুবাদ কৰা হয়। শব্দ, পদ, উপবাক্য, বাক্য, অনুচ্ছেদ আদি সকলোখিনি পূর্ণ ৰূপত অনুবাদ কৰিলে তাক পূর্ণ অনুবাদ বোলা হয়।

খ) আংশিক অনুবাদত স্ৰোত ভাষাৰ পাঠৰ কোনো অংশ বাদ দিয়া হয়। সৃজনীশীল সাহিত্যত স্ৰোত ভাষাৰ কিছুমান শব্দ বা সাংস্কৃতিক উপাদানৰ অনুবাদ কৰিব নোৱাৰি। সেয়েহে আংশিক অনুবাদত কঠিনতাৰ বাবে মূলৰ কোনো কোনো অংশ বাদ দিয়া হয়।

২) ভাষিক স্তৰৰ আধাৰত।

ক) সমস্ত অনুবাদ আৰু খ) সীমিত অনুবাদ

ক) সমস্ত অনুবাদত স্ৰোত ভাষাৰ পাঠৰ আটাইবোৰ স্তৰ (ধ্বনি, শব্দ, ব্যাকৰণ লিপি)ৰ অনুবাদ কৰা হয়। কিন্তু কেটফোর্ডে নিজেই স্বীকাৰ কৰিছে যে সমতুল্য ৰূপত সমস্ত অনুবাদ কৰা সম্ভৱ নহয়।

খ) সীমিত অনুবাদত স্ৰোত ভাষাৰ পাঠৰ ভাষাৰ কোনো এটা স্তৰৰ সমতুল্য ৰূপত অনুবাদ কৰা হয়। ইয়াত স্ৰোত ভাষাৰ সমস্ত ভাষাস্তৰৰ অনুবাদ কৰা নহয়। এনে অনুবাদ কেৱল ধ্বনি বা লিপিৰ স্তৰ অথবা ব্যাকৰণিক আৰু শব্দগত স্তৰৰ ভিতৰত এটা স্তৰৰহে অনুবাদ কৰা হয়।

৩) শ্ৰেণীৰ আধাৰত

ক) মুক্ত অনুবাদ

খ) শাব্দিক অনুবাদ

গ) মধ্যমবৰ্গী অনুবাদ

মুক্ত অনুবাদত মূল পাঠৰ বাক্য, অনুচ্ছেদৰ সম্পূৰ্ণ অৰ্থ গ্ৰহণ কৰি অনুবাদ কৰা হয়। শাব্দিক অনুবাদত মূলৰ সমস্ত শব্দক লক্ষ্য ভাষালৈ অনুবাদ কৰা হয়। মধ্যমবৰ্গী অনুবাদত মুক্ত আৰু শাব্দিক অনুবাদৰ মাত্ৰাধিক্যৰ পৰা হাত সাৰিবলৈ দুয়োবিধৰ সমিলমিলত এক মধ্যমবৰ্গী মাৰ্গ গ্ৰহণ কৰা হয়।

বিশিষ্ট জাৰ্মান ভাষা বিজ্ঞানী তথা অনুবাদচিন্তক জুলিয়ানা হাউচে অনুবাদক দুটা ভাগত বিভক্ত কৰিছে (ক) প্ৰত্যক্ষ অনুবাদ আৰু (খ) পৰোক্ষ অনুবাদ।

প্ৰত্যক্ষ অনুবাদ হ'ল এনে অনুবাদ যি অনুবাদ পঢ়িলে অনূদিত পাঠ যেন লাগে। আনহাতে পৰোক্ষ অনুবাদ হ'ল সেই পাঠ যি পাঠ পঢ়িলে মৌলিক পাঠ পঢ়া যেন অনুভৱ হয়, অনূদিত পাঠ যেন নালাগে।

কচাগ্ৰান্দেই অনুবাদক চাৰি প্ৰকাৰে বিভাজিত কৰিছে—

ভাষামূলক অনুবাদ ঃ এনে অনুবাদত মূল ভাষাৰ সকলো দিশকে তথা শব্দসমূহৰ প্ৰতি বিশেষ দৃষ্টি দিয়া হয়।

তথ্যমূলক অনুবাদ ঃ এনে অনুবাদত মূলৰ অভিব্যক্ত তথ্যসমূহৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হয়। বৈজ্ঞানিক তথা প্ৰযুক্তিবিদ্যা বিষয়ৰ পাঠৰ এনে অনুবাদ কৰা হয়।

সাংস্কৃতিমূলক অনুবাদ ঃ এই ধৰণৰ অনুবাদত মূল পাঠত প্ৰকাশিত সাংস্কৃতিক দিশসমূহ লক্ষ্য ভাষালৈ অনুবাদ কৰা হয়। সাংস্কৃতিমূলক আৰু ধৰ্মীয় পাঠৰ এনে অনুবাদ কৰা হয়।

সৌন্দৰ্য্যমূলক অনুবাদ ঃ সৃজনীমূলক সাহিত্যৰ অনুবাদৰ বাবে এনে অনুবাদ উপযোগী। এনে অনুবাদত মূল পাঠৰ নন্দনতাত্ত্বিক দিশ বা সৌন্দৰ্য্যক যথাযথভাৱে লক্ষ্য পাঠলৈ ভাষান্তৰ কৰাত বিশেষ গুৰুত্ব দিয়া হয়।

অনুবাদকৰ আধাৰত অনুবাদক দুই প্ৰকাৰে বিভাজিত কৰা হৈছে। ক) মানৱ কৃত অনুবাদ আৰু খ) যন্ত্ৰ অনুবাদ।

মানৱ কৃত অনুবাদ ঃ মানৱ কৃত অনুবাদ সাধাৰণতে সাহিত্যৰ পাঠৰ ক্ষেত্ৰত বেছি প্ৰযোজ্য, কিয়নো সাহিত্যৰ পাঠত শব্দৰ অভিধা অৰ্থৰ উপৰিও লক্ষণা, ব্যঞ্জনা অৰ্থ নিহিত হৈ থাকে। অৱশ্যে কুৰি শতিকাৰ মাজভাগলৈ সাহিত্যৰ পাঠৰ লগতে সাহিত্য ভিন্ন পাঠৰ অনুবাদো মানৱকৃত আছিল। মানৱকৃত অনুবাদ তিনি ধৰণৰ— মৌখিক অনুবাদ, ব্যক্তিগত বা একক অনুবাদ আৰু দলবদ্ধ অনুবাদ। একক অনুবাদত এগৰাকী ব্যক্তিয়ে তেওঁৰ ৰুচি অনুসৰি অথবা ব্যৱসায়িক দৃষ্টিকোণেৰে অনুবাদ কৰে। আনহাতে দলৱদ্ধ অনুবাদ সাধাৰণতে কোনো সংস্থাৰ অধীনত বৃহৎ গ্ৰন্থৰ ক্ষেত্ৰত কৰা হয়। এনে অনুবাদত স্ৰোত ভাষাৰ বিশেষজ্ঞ, লক্ষ্য ভাষাৰ বিশেষজ্ঞ

আৰু বিষয়বস্তুৰ বিশেষজ্ঞক লৈ অনুবাদকৰ দল গঠন কৰা হয়।

যন্ত্ৰ অনুবাদ ঃ প্ৰকৃততে অনুবাদ কাৰ্য হ'ল এক জটিল মানসিক প্ৰক্ৰিয়া। কুৰি শতিকাৰ শেষৰ তিনিটা দশকত এই মানসিক প্ৰক্ৰিয়াও কৃত্ৰিম মেধা আশ্ৰিত যন্ত্ৰৰ দ্বাৰা সাধিত কৰাৰ উপায় উদ্ভাৱন হৈছে। মানুহৰ শ্ৰম আৰু সময় ৰাহি কৰিবলৈ যন্ত্ৰ অনুবাদৰ প্ৰচলন হ'বলৈ ধৰে। প্ৰাথমিক স্তৰত যন্ত্ৰ অনুবাদৰ বিকাশৰ বাবে প্ৰত্যক্ষ বিধিৰ আশ্ৰয় লোৱা হৈছিল অৰ্থাৎ স্ৰোত ভাষাৰ পাঠ দ্বিভাষিক অভিধানৰ সহায়ত বিশ্লেষণ কৰি লক্ষ্য ভাষা প্ৰতিস্থাপন কৰা হৈছিল। ষাঠীৰ দশকত কম্পিউটাৰে ইংৰাজী, ৰাচিয়ান ভাষাত অভিধা অৰ্থযুক্ত বিষয়ৰ অনুবাদ কৰিবলৈ সক্ষম হয়। ইউৰোপ-আমেৰিকাৰ বাহিৰেও জাপানতো যন্ত্ৰ অনুবাদে সফলতা লাভ কৰে। যন্ত্ৰই মানৱকৃত অনুবাদতকৈ এক-তৃতীয়াংশ কম সময়ৰ ভিতৰতে জাপানী অনুবাদ কৰিবলৈ সক্ষম হ'ল। আশীষ দশকত ইংৰাজীৰ লগতে ফৰাচী, স্পেনিছ, গ্ৰীক, ইটালীয়ান, জাপানী, জাৰ্মান আদি ভাষাৰ পা�ৰস্পৰিক যন্ত্ৰ অনুবাদ ব্যাপক ৰূপত হ'বলৈ ধৰিলে। নব্বে-কুৰি শতিকাত চীনা, মালয়, জাপানীজ আৰু কোৰিয়ান ভাষাত যন্ত্ৰ অনুবাদ কাৰ্যশীল হয়। আনহাতে ভাৰতবৰ্ষত যন্ত্ৰ অনুবাদে বিশেষ প্ৰগতি লাভ কৰিছে বুলি ক'ব নোৱাৰি।

অনুবাদ যিহেতু এক মানসিক প্ৰক্ৰিয়া সেয়ে মানৱে বিচাৰ বুদ্ধিৰ দ্বাৰা অনুবাদ কৰে। কিন্তু কৃত্ৰিম মেধাসম্পন্ন যন্ত্ৰই বহুক্ষেত্ৰত সমস্যাৰ সন্মুখীন হয়। উদাহৰণ স্বৰূপে— blue book বা green eyeৰ অন্তৰ্নিহিত অৰ্থ যন্ত্ৰই নুবুজিলে অৰ্থ অনৰ্থ হৈ পৰিব। সেয়ে যন্ত্ৰ অনুবাদত প্ৰাক সম্পাদন আৰু উত্তৰ সম্পাদনৰ প্ৰয়োজন হয়। যন্ত্ৰ অনুবাদৰ বাবে যি পাঠ যন্ত্ৰক দিয়া হয়, সেই পাঠ যন্ত্ৰৰ দ্বাৰাই গ্ৰহণযোগ্য কৰি তোলা হয়। মূল পাঠক যন্ত্ৰৰ দ্বাৰা গ্ৰহণযোগ্য কৰি তোলাই হ'ল প্ৰাক সম্পাদন। তাৰ পিচত যন্ত্ৰ অনুবাদ কৰা হয়। আনহাতে যন্ত্ৰৰ দ্বাৰা অনূদিত পাঠক মানৱৰ দ্বাৰা সম্পাদিত কৰা প্ৰক্ৰিয়াক উত্তৰ সম্পাদন বুলি কৰা হয়।

যন্ত্ৰ অনুবাদ প্ৰধানকৈ তিনি ধৰণে কৰা হয়।

ক) স্বয়ং সম্পূৰ্ণ যন্ত্ৰ অনুবাদ

খ) মানৱ সহযোগী যন্ত্ৰ অনুবাদ

গ) যন্ত্ৰ সহযোগী মানৱানুবাদ।

স্বয়ং সম্পূৰ্ণ যন্ত্ৰ অনুবাদত অনুবাদ কাৰ্য যন্ত্ৰৰ দ্বাৰা কৰা হয়; ইয়াত মানৱৰ কোনো ভূমিকা নাথাকে। যিবিলাক বিষয়ৰ অনুবাদৰ ক্ষেত্ৰত ক্ষিপ্ৰতা, একৰূপতা আদি গুণৰ আৱশ্যক আৰু তথ্য নিৰ্ভৰশীল তেনে বিষয়ৰ ক্ষেত্ৰত স্বয়ং সম্পূৰ্ণ যন্ত্ৰ অনুবাদ কিছু পৰিমাণে সফল যদিও অদ্যপি স্বয়ং সম্পূৰ্ণ যন্ত্ৰ অনুবাদ সম্ভৱ হৈ উঠা নাই।

মানৱ সহযোগী যন্ত্ৰ অনুবাদত বেছিভাগ কাম যন্ত্ৰই কৰে যদিও মানৱে

প্ৰাক সম্পাদন তথা উত্তৰ সম্পাদন কৰিব লগা হয়। বিশেষকৈ অনেকাৰ্থ থকা শব্দৰ ক্ষেত্ৰত যন্ত্ৰৰ সৈতে বহি মানৱে গ্ৰহণযোগ্য অৰ্থ নিৰ্ধাৰণ কৰে।

যন্ত্ৰ সহযোগী মানৱ অনুবাদত বেছিভাগ কাম মানৱে কৰে যদিও যন্ত্ৰৰ সহায় লোৱা হয়। সমতুল্য শব্দ, সৰল বাক্য আদিৰ ক্ষেত্ৰত এনে অনুবাদ কৰা হয়।

মানৱ অনুবাদতকৈ যন্ত্ৰ অনুবাদ ক্ষীপ্ৰ যদিও সাহিত্য ভিন্ন পাঠৰ ক্ষেত্ৰতহে ই বেছি কাৰ্যশীল। আনহাতে সাৱলীল, পঠনযোগ্য, সমতুল্য অনুবাদৰ ক্ষেত্ৰত মানৱ অনুবাদ উত্তম।

উপৰোক্ত বৰ্গীকৰণৰ উপৰিও অনুবাদৰ কিছু সংখ্যক গৌণ ভেদো পোৱা যায়। সেয়া হ'ল (ক) মূলনিষ্ঠ অনুবাদ আৰু (খ) মূলযুক্ত অনুবাদ। মূলনিষ্ঠ অনুবাদত মূলৰ কথন আৰু শৈলীক যথাসম্ভৱ মূলৰ দৰে অক্ষুণ্ণ বিচৰা হয়। মূলমুক্ত অনুবাদত পাঠকৰ ৰুচি অনুসৰি, অনুবাদত উদ্দেশ্য অনুসৰি বা পাঠকৰ যোগ্যতা অনুসৰি মূল ভাৱ তথা শৈলীক পৰিৱৰ্তন, পৰিবৰ্দ্ধন বা সংক্ষেপন কৰিব পাৰি। এনে অনুবাদত অনুবাদকৰ কিছু স্বাধীনতা থাকে। প্ৰয়োজনবোধে স্ৰোত ভাষাৰ উপমা, চিত্ৰকল্প, উদাহৰণ আদিত স্থানীয় ৰহণ সানি পুনঃ সৃজন কৰিব পাৰি।

গদ্যত্ব, পদ্যত্বৰ আধাৰত অনুবাদক তিনি ভাগত ভগোৱা হৈছে।


ক) গদ্যানুবাদ


খ) পদ্যানুবাদ

গ) মুক্তক ছন্দৰ অনুবাদ

গদ্যৰ পৰা গদ্যলৈ বা পদ্যৰ পৰা গদ্যলৈ কৰা অনুবাদ হ'ল গদ্যানুবাদ। মূল গদ্য পাঠক বা পদ্য পাঠক পদ্যলৈ অনুবাদ কৰা কাৰ্যই হ'ল পদ্যানুবাদ। অন্যহাতে পদ্যত থকা ছন্দক শিথিল কৰি মুক্ত ছন্দত কৰা অনুবাদেই মুক্তক ছন্দৰ অনুবাদ।

অনুবাদৰ গৌণ প্ৰকাৰবোৰ শ্ৰেণীভুক্ত নকৰিলে অনুবাদৰ বিভিন্ন প্ৰকাৰবোৰক তলত দিয়া ধৰণে ৰেখাংকিত কৰিব পাৰি—







অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অনুবাদৰ প্ৰকৃতি অনুসৰি অনুবাদক কেই ভাগত ভগাব পাৰি? প্ৰতিটো ভাগৰ বিষয়ে লিখক।

(১৫০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ২ ঃ মৌখিক অনুবাদ সম্পৰ্কে এটি টোকা লিখক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ৩ ঃ যন্ত্ৰ অনুবাদৰ বিকাশ সম্পৰ্কে এটি প্ৰৱন্ধ লিখক। (১০০টা শব্দৰ ভিতৰত)

.....



২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নৰ শেষত আমি অনুবাদৰ বিভিন্ন প্ৰকাৰ সম্পৰ্কে অৱগত হ'লো।
- অনুবাদৰ মুখ্য প্ৰকাৰৰ লগতে গৌণ প্ৰকাৰ সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিব পাৰিলো।
- যন্ত্ৰ অনুবাদ সম্পৰ্কে এটি পৰিচয় লাভ কৰিলো।



২.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কটকী, প্ৰফুল্ল (২০০৮); তুলনামূলক সাহিত্য আৰু অনুবাদ বিচাৰ, গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

২) ডেকা হাজৰিকা কৰবী (২০০৩); তুলনামূলক সাহিত্য আৰু অনুবাদ কলা, ডিব্ৰুগড় ঃ বনলতা।

৩) মহন্ত বেজবৰা নীৰাজনা (২০১১); অনুবাদ, তত্ত্ব আৰু প্ৰয়োগ, ডিব্ৰুগড় ঃ বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

৪) Bessnett. Sussan (2002); Translation Studies, London and NewYork, Methuen.

৫) Das, Bijoy Kumar (1998); The Horizon of Translation Studies, Delhi, Atlantic.

৬) Kalyani, P. K (2001); Translation studies, Delhi, Creative Books.

৭) Newmark, Petes (1991); About Translation Clevedon, Multilingual Matters.

৮) Wre, Jean (1964); Types of Translation and Transtability, Babel, 10:3-11.



২.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ অনুবাদৰ প্ৰকৃতি অনুসৰি অনুবাদক কেইবাটাও ভাগত ভগোৱা হৈছে.....সেয়া হ'ল শব্দানুবাদ ভাবানুবাদ.....আদিৰ বিষয়ে চমুকৈ উল্লেখ কৰিব লাগিব।

২নং প্ৰশ্নৰ উত্তৰ ঃ দুটা ভিন্ন ভাষা-ভাষীৰ মাজত মৌখিকভাৱে কৰা অনুবাদেই মৌখিক অনুবাদ.....এই বিষয়ে চমুকৈ উল্লেখ কৰিব।

৩নং প্ৰশ্নৰ উত্তৰ ঃ যন্ত্ৰ অনুবাদ বিংশ শতিকাৰ শেষৰ তিনিটা দশকৰ পৰা বিকশিত হ'বলৈ ধৰে.....ষাঠীৰ পৰা বৰ্তমানলৈ যন্ত্ৰ অনুবাদে কেনেদৰে বিকশিত হৈছে সেই বিষয়ে লিখিব লাগিব।



২.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অনুবাদক প্ৰধানকৈ কেইটা ভাগত ভাগ কৰা হৈছে? আলোচনা কৰক।

প্ৰশ্ন ২ ঃ অনুবাদ তত্ত্ববিদ কেটফোৰ্ডে অনুবাদক কেনেদৰে ভাগ কৰিছে? এটি টোকা লিখক।

প্ৰশ্ন ৩ ঃ যন্ত্ৰ অনুবাদ কেইধৰণে কৰা হয়। চমুকৈ বৰ্ণনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ অনুবাদৰ সমস্যাসমূহ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ অনুবাদ আৰু অনুবাদ-তত্ত্ব
৩.৪ অনুবাদৰ সমস্যা
৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৬ অধিক জানিবলৈ
৩.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৩.৮ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—


- অনুবাদ-অধ্যয়ন (Translation Studies)ৰ প্রয়োজনীয়তা সম্বন্ধে ব্যাখ্যা আগবঢ়াব পাৰিব
- অনুবাদৰ সৈতে সম্পৃক্ত হৈ থকা বিভিন্ন উপাদানৰ বিষয়ে আলোচনা কৰিব পাৰিব
- অনুবাদ-অধ্যয়নৰ পৰিসৰ, অনুবাদ-কার্যৰ বিভিন্ন স্তৰ আৰু দিশবোৰৰ বিষয়ে ফঁহিয়াই আলোচনা কৰিব পাৰিব
- অনুবাদৰ ক্ষেত্রত সততে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰাজি আৰু সিবোৰৰ নিৰাময়ৰ উপায়বোৰ তন্নতন্নকৈ ফঁহিয়াই দেখুৱাব পাৰিব
- অনুবাদ-অধ্যয়নৰ ক্রমবর্ধমান চাহিদাৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব।

৩.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া, চতুর্থ যাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা ষষ্ঠদশ পাঠ্যবিষয় 'অনুবাদ সাহিত্য আৰু নির্বাচিত সাহিত্যিকৰ সাহিত্য অধ্যয়ন'ৰ অন্তর্গত প্রথম খণ্ড 'অনুবাদ সাহিত্য'ৰ এইটো তৃতীয় অধ্যায়। অধ্যায়টোৰ শিৰোনাম 'অনুবাদৰ সমস্যাসমূহ'।

এই অধ্যায়টিত আমি অনুবাদ-কর্মৰ সৈতে পোনপটীয়া আৰু আওপকীয়া দুয়ো প্রকাৰে দেখা দিয়া সমস্যাবোৰৰ বিষয়ে আলোচনা কৰিম। এই দুয়ো ধৰণৰ কথা এই কাৰণেই আহি পৰিব যে দেখাত অনুবাদ কৰা কার্যটো ভাষাৰ পৰিৱর্তন যেন লাগিলেও ই দৰাচলতে এক অতিশয় জটিল কার্য। তুলনামূলক সাহিত্যৰ দৃষ্টিৰে কোৱা হৈছে যে অনুবাদ হ'ল সংস্কৃতিৰ পৰিবহন আৰু বিনিময়ৰ এক প্রচেষ্টা। সেই হেতুকে ইয়াক কেতিয়াও সৰলীকৃত কৰা উচিত

নহয়। এটা উদাহৰণ লোৱা যাওক। ধৰি লওক, এজন অনুবাদকে বিখ্যাত ইংৰাজ কবি জন্ মিল্টনৰ ১৬৬৭ চনত প্ৰকাশিত 'পেৰেডাইজ লষ্ট' (Paradise Lost) নামৰ মহাকাব্যিক কবিতাটিৰ অসমীয়া ভাষান্তৰ কৰিবলৈ হাতত তুলি লৈছে আৰু অনুবাদকজন সাম্প্ৰতিক অসমীয়া কাব্য জগতৰ এজন প্ৰসিদ্ধ কবি। যিহেতু হাতত তুলি লোৱা ইংৰাজী কবিতাটো তেওঁ অসমীয়ালৈ অনুবাদ কৰিব, গতিকে অসমীয়া হ'ল তেওঁৰ লক্ষ্য ভাষা (TTL– Target Text Language) আৰু একবিংশ শতিকাৰ অসমীয়া কবিতাৰ পাঠক তেওঁৰ লক্ষ্য পাঠক (TR– Target Reader)। অনুবাদকে হাতত তুলি লোৱা 'পেৰেডাইজ লষ্ট' নামৰ কবিতাটো হ'ল এই ক্ষেত্ৰত উৎস পাঠ (ST– Source Text)। তেওঁৰ উৎস পাঠৰ ভাষা (STL– Source Text Language) ইংৰাজী। তাৰ ভিতৰতো বিশেষভাৱে সপ্তদশ শতিকাৰ ইংৰাজী ভাষা তেওঁৰ উৎস পাঠৰ ভাষা। ধৰি লোৱা হ'ল ভাষান্তৰ কৰিবলৈ লোৱা পাঠৰ অসমীয়া ভাঙনিৰ নাম অনুবাদকে ঠিক কৰিলে 'সৰগ হেৰাল'। অনুবাদকজনৰ সাধনাৰ সফল সমাপ্তিত এটা সময়ত 'সৰগ হেৰাল' হৈ উঠিব তেওঁৰ লক্ষ্য পাঠ (Targer Text)। তলৰ কথাখিনিয়ে আপোনাক বিষয়টো সহজে বুজি পোৱাত সহায় কৰিব ঃ



অনুবাদক একোজনে অনুবাত-কাৰ্যত কায়িক, মানসিক আৰু বৌদ্ধিকভাৱে কেইবাটাও পদক্ষেপ পাৰ হ'বলগীয়া হয়। তলত পৰ্যায়ক্ৰমে সেইবোৰ দিশৰ প্ৰতিটোৱে একোটা চমু আলচ দাঙি ধৰা হৈছে যাতে অনুবাদ-কৰ্মৰ প্ৰতিটো দিশ আয়ত্ত কৰাত আপোনাৰ কোনো অসুবিধা নহয়।

প্ৰথম পদক্ষেপ ঃ ওপৰত উল্লেখ কৰা জন্ মিল্টনৰ 'পেৰেডাইজ লষ্ট' (Paradise Lost) নামৰ কবিতাটো অসমীয়া ভাষালৈ অনুবাদ কৰিবলৈ হ'লে অনুবাদকজনৰ সপ্তদশ শতিকাৰ ইংলণ্ডৰ প্ৰখ্যাত ইংৰাজী কবি জন্ মিল্টনৰ কবিতাৰ ৰসাস্বাদন কৰিব পৰাকৈ ইংৰাজী ভাষাৰ জ্ঞান থকাটো প্ৰাথমিক চৰ্ত হিচাপে পৰিগণিত হ'ব। তদুপৰি, উৎস ভাষাটোৰ জ্ঞানৰ সহায়ত এজন নিষ্ঠাবান পাঠক হিচাপে উল্লিখিত কবিতাটোৰ পৰিপূৰ্ণ সন্তুষ্টিৰে ৰসাস্বাদন কৰিবলৈ তেওঁক প্ৰয়োজন হ'ব সপ্তদশ শতিকাৰ ইংলেণ্ডৰ আৰ্থ-সামাজিক পৰিবেশ-পৰিস্থিতিৰ সম্যক পৰিচিতি; বিশেষকৈ সেই সময়ৰ চিভিল ৰাৰ, খ্ৰীষ্টান ধৰ্মৰ বিভিন্ন গোষ্ঠী বা ফৈদৰ মাজৰ দ্বন্দ্ব আৰু যুগটোৰ এজন নেতৃস্থানীয় চিন্তাবিদ আৰু প্ৰভাৱশালী কবি হিচাপে পিউৰিটান ফৈদৰ

সৈতে থকা মিল্টনৰ সম্পর্ক ইত্যাদি সম্বন্ধে তেওঁ যথোপযুক্ত জ্ঞান আহৰণ কৰি ল'ব লাগিব।

দ্বিতীয় পদক্ষেপ ঃ ইংৰাজী সাহিত্যৰ পাঠক মাত্রেই অৱগত যে 'পেৰেডাইজ লষ্ট' কবিতাটোৰ আধাৰ কাহিনী বাইবেলৰ পৰা অনা হৈছে। গতিকে খ্ৰীষ্টান ধৰ্মৰ মূল গ্ৰন্থ পবিত্ৰ বাইবেলৰ ওপৰত অনুবাদকজনৰ জ্ঞানৰ প্ৰয়োজন স্বাভাৱিকতে আহি পৰিব। বিশেষকৈ ধৰ্মগ্ৰন্থখনত প্ৰকাশিত কিছুমান মূল বিষয় যেনে— ঈশ্বৰ আৰু চাতানৰ দ্বন্দ্ব, প্ৰথম মানৱ আডম আৰু তেওঁৰ সংগী ইভৰ সৃষ্টিৰ পটভূমি, 'পেৰেডাইজ'ত তেওঁলোকৰ জীৱন-যাত্রা, ঈশ্বৰৰ দ্বাৰা চাতানৰ বহিষ্কাৰ, এসময়ৰ উজ্জ্বল দেৱসত্তা চাতানৰ মনোবল আৰু দৃঢ়তা ইত্যাদি বিষয়বোৰ অনুবাদকজনে পুংখানুপুংখভাৱে বুজিব লাগিব। তাৰ লগে লগে এগৰাকী তীক্ষ্ণধী পাঠক হিচাপে অনুবাদকজনে বুজিব লগীয়া আন এটা বিষয় হ'ল কবি মিল্টনে প্ৰকাশ কৰিব খোজা সেই সময়ৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক দৃষ্টিভংগী।

তৃতীয় পদক্ষেপ ঃ মূলতঃ ধৰ্মীয় চিন্তাৰে পৰিপুষ্ট হোৱা সত্ত্বেও 'পেৰেডাইজ লষ্ট' যে প্ৰকৃতাৰ্থত এটা ৰাজনৈতিক আৰু আৰ্থ-সামাজিক কৰ্মসূচীৰে অনুপ্ৰাণিত কবিতা সেই কথা অনুবাদকজনে অনুবাদ কৰিবলৈ লোৱাৰ পূৰ্বেই এজন সচেতন পাঠক হিচাপে বুজি পাব লাগিব। উৎস পাঠৰ বিষয়ে ইমানখিনি জ্ঞানে অনুবাদকজনক স্পষ্টভাৱে কৈ দিব, ইংলেণ্ডৰ তৎকালীন সমাজ-জীৱনৰ কেনে এক জটিল সন্ধিক্ষণত যুগটোৰ নেতৃস্থানীয় কবি মিল্টনে 'পেৰেডাইজ লষ্ট' নামৰ কালজয়ী মহাকাব্যিক কবিতাটি ৰচনা কৰিছিল। লগতে অনুবাদকগৰাকীয়ে বুজি পাব ইংৰাজী কাব্য জগতত কবি হিচাপে মিল্টনৰ স্থান আৰু খ্যাতি কেনে পৰ্যায়ৰ আৰু সপ্তদশ শতিকাৰ ইংলেণ্ডত সেই কবিতাটিৰ গুৰুত্ব আৰু প্ৰভাৱ কেনে আছিল।

চতুৰ্থ পদক্ষেপ ঃ অনুবাদকজনে অনুবাদৰ বাবে হাতত তুলি লোৱা কবিতাটো নিজৰ লক্ষ্য ভাষা অসমীয়ালৈ অনুবাদ কৰাৰ পূৰ্বে কিছুমান সিদ্ধান্ত ল'বলগীয়া হ'ব। এই ক্ষেত্রত অনুবাদকজনে বিশেষভাৱে গুৰুত্ব দিবলগীয়া বিষয়সমূহ হ'ল— সাম্প্রতিক অসমৰ আৰ্থ-সামাজিক পৰিস্থিতি; অসমৰ পাঠক সমাজত সাহিত্যৰ— বিশেষকৈ কবিতাৰ স্থান, গুৰুত্ব আৰু প্ৰভাৱ; অসমীয়া কবিতাৰ পাঠকৰ মনস্তত্ত্ব আৰু সবাতোকৈ ডাঙৰ কথা— অবিকল আৰ্থ-সামাজিক বাৰ্তা এটা কঢ়িয়াই আনিব পৰা অসমীয়া পাঠকৰ পৰিচিত আৰু জনজীৱনৰ সৈতে নিবিড়ভাৱে সম্পৰ্কিত ধ্রুপদী বা সেই পৰ্যায়ৰ লোক-কাহিনী এটা বিচাৰি উলিওৱা।

পঞ্চম পদক্ষেপ ঃ ইয়াৰ পৰৱৰ্তী পৰ্যায়ত অনুবাদকজন ভাষান্তৰৰ জৰিয়তে সাংস্কৃতিক বাৰ্তা কঢ়িয়াই অনাৰ সাধনালব্ধ প্রচেষ্টাত ব্রতী হ'ব লাগিব। এই ক্ষেত্রত অনুবাদকজন পাঠগত, সমাজ-সংস্কৃতিগত আৰু ভাষাগত ইত্যাদি বিবিধ প্রকাৰৰ সমস্যাৰ সন্মুখীন হ'ব আৰু তেওঁ সিবোৰৰ নিৰাময় কৰিব লাগিব। অনুবাদৰ এইবোৰেই ঘাই সমস্যা। এতিয়া আপোনাৰ অধ্যয়নৰ বাবে তলৰ শাখাটোত এই সমস্যাবোৰৰ বিষয়ে চমু আভাস দাঙি ধৰা হৈছে।

৩.৩ অনুবাদ আৰু অনুবাদ-তত্ত্ব

সম্প্রতি বিশ্বায়ন আৰু বিশ্বজোৰা মুক্ত অর্থনীতিৰ সময়ত কি ৰাজনৈতিক, কি সাংস্কৃতিক

সকলোবোৰ ধাৰণা অধিক গতিশীল হৈ পৰিছে। ধাৰণাৰ এনে তড়িৎ গতিৰ যুগত কোনো দেশ বা জাতিয়ে নিজৰ সংস্কৃতিৰ চৌকাষে গড় বান্ধি জাতীয় জীৱন যাপন কৰাৰ কথা কল্পনাও কৰিব নোৱাৰে। সেয়ে, বিশ্বজুৰি সাংস্কৃতিক সমন্বয় সাধন কৰাটো বৰ্তমান যুগৰ অতি প্ৰয়োজনীয় আৰু প্ৰাথমিক চৰ্ত। সম্প্ৰতি সাহিত্য তথা তাৰ এক অন্যতম বিভাগ তুলনামূলক সাহিত্যৰ এক বিশেষ অৱধাৰণা হ'ল বিভিন্ন দেশ তথা জাতিৰ মাজত সাংস্কৃতিক সমন্বয় সাধন। উল্লেখযোগ্য যে তুলনামূলক সাহিত্যৰ জৰিয়তে বিভিন্ন জাতিৰ ভাষা-সাহিত্যৰ মৌ-কোঁহ আহৰণ কৰিব পাৰি। অতিসম্প্ৰতি ক্ৰমাগতভাৱে পৃথিৱীজুৰি তুলনামূলক সাহিত্যৰ ওপৰত মানুহৰ আস্থা আৰু গুৰুত্ব বৃদ্ধি পাবলৈ ধৰিছে। বৰ্তমান সময়ত অনুবাদ সাহিত্যক তুলনামূলক সাহিত্যৰ মূল আধাৰ বুলি যে গণ্য কৰা হৈছে সেইটোৱে হ'ল এই প্ৰসংগত আমাৰ বাবে সবাতো প্ৰয়োজনীয় কথা। অন্য কথাত অনুবাদ অবিহনে তুলনামূলক সাহিত্য-চিন্তা একপ্ৰকাৰ অসম্ভৱ কথা। বৰ্তমানৰ প্ৰেক্ষাপটত এইটোৱে হ'ল অনুবাদ-চিন্তাৰ অন্যতম গুৰুত্ব।

এটা সময়ত এচাম মানুহে অনুবাদ অধ্যয়ন (Translation Studies)ৰ বিৰুদ্ধে নানান অভিযোগ উত্থাপন কৰিছিল। এনেকি এক সুকীয়া অধ্যয়নৰ বিষয় হিচাপে ইয়াৰ প্ৰয়োজনীয়তাক সিসকলে একে আষাৰে নস্যাৎ কৰিবলৈকো কুণ্ঠাবোধ কৰা নাছিল। তেওঁলোকে ক'ব খোজে যে অনুবাদ-কৰ্মৰ তাত্ত্বিকসকল অনুবাদ-তত্ত্বত মগ্ন হৈ থকাৰ সময়তে সেই তত্ত্বৰ ভূ নোপোৱাকৈয়ে অনুবাদকসকলে নিজৰ বুদ্ধিমত্তাৰে অনুবাদ-কাৰ্যত ব্ৰতী হৈ থাকিব পাৰে। কিন্তু আন এচাম লোকে তত্ত্ব আৰু প্ৰয়োগৰ মাজৰ এনে যোগসূত্ৰহীনতাক সাহিত্য জগতৰ বাবে অতিশয় দুৰ্ভাগ্যজনক বুলি মত পোষণ কৰিছে। এই প্ৰসংগত ৰাৰৰিক বিশ্ববিদ্যালয়ৰ তুলনামূলক তথা অনুবাদ সাহিত্যৰ প্ৰাধ্যাপক আৰু সাম্প্ৰতিক সময়ৰ তুলনামূলক সাহিত্য জগতৰ এগৰাকী বিশিষ্ট পণ্ডিত ছুছান বেছনেট (Susan Bassnett)ৰ নিম্নোক্ত কথাখিনি প্ৰণিধানযোগ্য। তেওঁৰ মতে, অনুবাদৰ তাত্ত্বিক দিশটোক অৱহেলা কৰা অনুবাদকজন এনে এজন গাড়ী চালকৰ দৰে যিয়ে নিজে চলোৱা গাড়ীখনৰ যান্ত্ৰিক দিশটোৰ বিষয়ে একো নাজানে। আনহাতে, অনুবাদৰ প্ৰায়োগিক দিশৰ পৰা দূৰত অৱস্থান গ্ৰহণ কৰি অনুবাদৰ তত্ত্বকথা কোৱা লোকজন এনে এজন মটৰ মেকানিকৰ দৰে যিয়ে কোনোদিনে নিজে গাড়ী চলাই পোৱা নাই। এই কথাৰ পৰা অনুমান কৰি ল'বলৈ টান নহয় যে গাড়ীৰ ক্ষেত্ৰত উল্লিখিত দুয়োজন ব্যক্তিৰ এজনৰো স্থিতি সুবিধাজনক নহয়। গতিকে তত্ত্ব নজনাকৈ অনুবাদ-কাৰ্যত ব্ৰতী হোৱা আৰু অকল তত্ত্বক আগস্থান দি তাৰ প্ৰায়োগিক দিশৰ প্ৰতি আওকণীয়া মনোভাৱ প্ৰদৰ্শন কৰা কোনোটোকে অনুবাদ-কৰ্মৰ বাবে উপযোগী বুলি বিবেচনা কৰিব নোৱাৰি।

আপুনি নিশ্চয় এই কথা জানে যে 'অনুবাদ' শব্দই থূলমূলকৈ এনে সাহিত্য-কৰ্মক বুজায় য'ত কোনো এটা ভাষাত থকা পাঠ ভিন্ন ভাষালৈ ভাষান্তৰ কৰা হয় আৰু সেই ভিন্ন ভাষাৰ পাঠৰূপে তাক পুনৰ্নিৰ্মাণ কৰি লোৱা হয়। এই প্ৰক্ৰিয়াটোত অনুবাদকজনৰ উপৰি দুটা ভিন্ন ভাষা তথা দুটা ভিন্ন পাঠ জড়িত হৈ থাকে। সি যি কি নহওক, অনুবাদৰ সমস্যাসমূহৰ বিস্তৃতি আৰু গভীৰতালৈ যোৱাৰ পূৰ্বে অনুবাদ-কৰ্মৰ লগত জড়িত দিশসমূহৰ বিষয়ে চমুকৈ

আলোচনা কৰি লোৱা উচিত হ'ব।

অসমীয়া ভাষাত 'অনুবাদ' শব্দটো ইংৰাজী 'Translate' শব্দৰ প্ৰতিশব্দ ৰূপে গ্ৰহণ কৰা হৈছে। ইংৰাজী শব্দটোৰ উৎস হ'ল মূল লেটিন 'Translat' আৰু 'Transferre' শব্দ দুটা। ব্যুৎপত্তিৰ দৃষ্টিৰে চালে এই কথা স্পষ্ট হয় যে 'Trans' অৰ্থাৎ 'এঠাইৰ পৰা আন এঠাইলৈ' আৰু 'Ferre' অৰ্থাৎ 'কঢ়িয়াই নিয়া' অৰ্থসূচক শব্দাংশৰ পৰা উদ্ভৱ হোৱা শব্দ হিচাপে 'Transferre' শব্দই কোনো এটা বস্তু এঠাইৰ পৰা আন এঠাইলৈ কঢ়িয়াই নিয়া কাৰ্য বুজোৱাৰ অৰ্থে আৰু ঠিক তেনেদৰে পৰৱৰ্তী পৰ্যায়ত 'Translate' শব্দই এটা ভাষাৰ পৰা আন এটা ভাষালৈ (পাঠ একোটা) 'কঢ়িয়াই নিয়া' অৰ্থত বুজাবৰ বাবেই ব্যৱহাৰ হৈ আহিছে। আনহাতে, সংস্কৃতৰ পৰা আহৰিত অসমীয়া 'অনুবাদ' শব্দটো 'অনু' উপসৰ্গৰ লগত 'বাদ' শব্দৰ সংযোগত সৃষ্টি হৈছে। ইয়াত 'অনু'ৰ অৰ্থ 'সদৃশ' বা 'পৰৱৰ্তী'; যথা— 'অনুসৰণ', 'অনুকৰণ' আদি। আনহাতে 'বাদ' শব্দৰ অৰ্থ হৈছে 'কথা'। অৰ্থাৎ 'অনুবাদ' শব্দই 'পৰৱৰ্তী' পৰ্যায়ত কোৱা সদৃশ বা অনুৰূপ কথা এনে এক অৰ্থ বহন কৰিছে। আপোনাক কৈ দিয়াৰ নিশ্চয় সকাম নাই যে 'পৰৱৰ্তী পৰ্যায়ত কোৱা'— এনে ধাৰণাই নিশ্চয়কৈ সেই 'কোৱা কথা'ৰ 'পূৰ্বৱৰ্তী' অস্তিত্ব থকাৰ ইংগিত বহন কৰে। অনুবাদৰ ক্ষেত্ৰত 'এঠাইৰ পৰা আন এঠাইলৈ পাঠ এটা কঢ়িয়াই লৈ যোৱা' বুলি যি অৰ্থ জ্ঞাপন কৰা হৈছে সেই প্ৰসংগত প্ৰখ্যাত বাংলা অনুবাদ-তত্ত্ববিদ সুজিত মুখাৰ্জীয়ে কোৱা এষাৰ কথা অতি অৰ্থৱহ। তেওঁৰ মতে অনুবাদ-কৰ্মত অনুবাদকে মূল পাঠ এটাৰ বাহ্যিক ৰূপৰহে ৰূপান্তৰ ঘটাব লাগে। মূল পাঠৰ যি আত্মা বা ভাববস্তু তাত তেওঁ হাত দিয়া সমূলি অযুগুত। মূল পাঠৰ আত্মা অক্ষত ৰূপত নতুন পাঠ বা আন কথাত লক্ষ্য পাঠত তুলি ধৰাটো অনুবাদকৰ প্ৰাথমিক দায়িত্ব। মুখাৰ্জী ডাঙৰীয়াৰ মতৰ আধাৰত এনে এক সিদ্ধান্তলৈ আহিব পাৰি যে কোনো এটা ভাষাৰ নিৰ্দিষ্ট পাঠ একোটা অন্য এটা ভাষালৈ মূল পাঠৰ ভাৱবস্তুৰ বা সাৰমৰ্মৰ কোনো বিশেষ হানি-বিঘিনি নঘটোৱাকৈ তাৰ বাহ্যিক ৰূপৰ ৰূপান্তৰ ঘটোৱা কাৰ্যকে 'অনুবাদ' বোলা হয়।

ওপৰৰ অনুবাদ সম্পৰ্কে যিখিনি কথা কোৱা হ'ল তাৰ পৰা অনুবাদ-কাৰ্য তথা অনুবাদগ সম্পৰ্কীয় ধাৰণা নিতান্তই সৰল যেন অনুমান হয়। কিন্তু, প্ৰকৃতপক্ষে কথাটো ইমান সৰল নহয়। এই ক্ষেত্ৰত ভালেমান জটিলতা বিদ্যমান। কাৰণ উৎস পাঠৰ ভাষা আৰু লক্ষ্য পাঠৰ ভাষা দুয়োটাই সুকীয়া আৰু দুয়োটা ভাষাৰে মৰ্যাদা আৰু সামাজিক-সাংস্কৃতিক পৃষ্ঠভূমি সুকীয়া সুকীয়া। সি যি কি নহওক, অনুবাদ বুজাবলৈ অসমীয়া ভাষাত সততে ব্যৱহাৰ হোৱা আন দুটা শব্দ হৈছে 'ৰূপান্তৰ' আৰু 'ভাষান্তৰ'।

এতিয়া আমি আহো বিবিধ প্ৰকাৰৰ অনুবাদৰ প্ৰসংগলৈ। জাৰ্মান পণ্ডিত ৰোমান জেক'বছনে (Roman Jakobson) তিনি ধৰণৰ অনুবাদৰ কথা উল্লেখ কৰিছে। সেইকেইটা হ'ল ঃ

ক) অন্তঃভাষিক অনুবাদ (Intra-lingual translation),

খ) আন্তৰ্ভাষিক অনুবাদ (Inter-lingual translation) আৰু

গ) আন্তঃসাংকেতিক অনুবাদ (Inter-semiotic translation)।

ক) **অন্তঃভাষিক অনুবাদ ঃ** অনুবাদ-কার্য যেতিয়া একেটা ভাষাৰ মাজতে সম্পন্ন হয়, তেনে অনুবাদক কোৱা হয় অন্তঃভাষিক অনুবাদ। উদাহৰণস্বৰূপে অসমীয়া কবিতা এটাৰ অসমীয়া গদ্যলৈ কৰা ৰূপান্তৰ বা অসমীয়া গল্প এটাক অসমীয়া নাটকলৈ কৰা ৰূপান্তৰ অন্তঃভাষিক অনুবাদৰ অন্তর্গত হ'ব। বিশিষ্ট অসমীয়া গল্পকাৰ ভবেন্দ্রনাথ শইকীয়াৰ 'বানপ্রস্থ' গল্পৰ বোলছবিলৈ কৰা ৰূপান্তৰ 'সন্ধ্যাৰাগ'ৰ কথালৈ এই প্রসংগত আঙুলিয়াব পাৰি।

খ) **আন্তর্ভাষিক অনুবাদ ঃ** কোনো এটা বিশেষ পাঠ এটা ভাষাৰ পৰা অন্য এটা ভাষালৈ ভাষান্তৰ কৰা অনুবাদ-কর্মৰ নাম আন্তর্ভাষিক অনুবাদ। অনুবাদ বুলিলে সততে এই প্রকাৰৰ অনুবাদকে বুজা যায় আৰু অনুবাদ সম্পর্কীয় ধ্যান-ধাৰণা তথা আলোচনা-বিলোচনা সাধাৰণতে ইয়াক কেন্দ্র কৰিয়েই কৰা হয়। পণ্ডিতসকলে এই ধৰণৰ অনুবাদ-কার্যকে প্রকৃত অনুবাদ বুলি কৈছে। ইংৰাজী 'Psalm of Life' কবিতাৰ আনন্দচন্দ্র আগৰৱালাই কৰা অসমীয়া অনুবাদ 'জীৱন সংগীত' কবিতাটোৰ কথা এই ক্ষেত্রত উদাহৰণ হিচাপে ল'ব পাৰি।


গ) **আন্তঃসাংকেতিক অনুবাদ ঃ** যোগাযোগৰ মাধ্যম বা আন কথাত গণ-সংযোগৰ মাধ্যমবোৰক একো একোটা সাংকেতিক ব্যৱস্থা বোলা হয়। মানুহৰ ভাষাও প্রকৃতপক্ষে তেনে এবিধ সাংকেতিক ব্যৱস্থাহে মাথোন। মানৱ-সমাজত প্রচলিত অন্যান্য গণসংযোগৰ মাধ্যম বা ব্যৱস্থা, যেনে— সংগীত, চিত্রকলা, নাটক, বোলছবি আদিকো একো একোবিধ সাংকেতিক ব্যৱস্থা বোলা হৈছে। এনে ধৰণৰ এক সাংকেতিক ব্যৱস্থাৰ পৰা অন্য এক সাংকেতিক ব্যৱস্থালৈ পাঠ এটাৰ ৰূপান্তৰ কৰা কার্যক আন্তঃসাংকেতিক অনুবাদ বোলা হয়। আপুনি তলৰ তালিকাখনলৈ লক্ষ্য কৰিলে কথাটো সহজে হৃদয়ংগম কৰিব পাৰিব ঃ

অনুবাদৰ প্রকাৰ	**পদ্ধতি**	**উৎসপাঠ**	**লক্ষ্যপাঠৰ উদাহৰণ**
অন্তঃভাষিক অনুবাদ।	একে ভাষাৰ ভিতৰতে নতুন ৰূপত লিখা হয়; কেতিয়াবা উৎস পাঠৰ বর্গৰ (genre) পৰিৱর্তন কৰা হয়।	জন্ মিল্টনৰ 'পেৰেডাইজ লষ্ট' (১৬৬৭ খ্রীঃ)।	ডেনিছ ডেনীয়েলছনৰ 'পেৰেডাইজ লষ্ট' ঃ সমান্তৰাল গদ্য সংস্কৰণ। (Paradise Lost : Parallel Prose Edition (2008) by Dennis Danielson.)
আন্তর্ভাষিক অনুবাদ বা প্রকৃত অনুবাদ।	উৎস ভাষাৰ পৰা লক্ষ্য ভাষালৈ ৰূপান্তৰ; সাহিত্য বর্গ হ'বও পাৰে, নহ'বও পাৰে।	টি. এছ. এলিয়টৰ 'দি ৱেষ্টলেণ্ড' (১৯২২ খ্রীঃ)।	কবি অজিৎ বৰুৱাই কৰা 'দি ৱেষ্টলেণ্ড'ৰ অসমীয়া ভাষান্তৰ 'ছনমাটি' (১৯৯৮ খ্রীঃ)।

আন্তঃসাংকেতিক অনুবাদ।	সাংকেতিক ব্যৱস্থা বা মাধ্যমৰ পৰিৱৰ্তন।	ইংৰাজী উপন্যাসৰ পিতৃ-পুৰুষ ডেনিয়েল ডিফুৰ 'ৰবিনছন ক্রুছো' (১৭১৯ খ্ৰীঃ)	ৰদ হার্ডি আৰু জর্জ টি. মিলাৰ পৰিচালিত আৰু পিয়েৰছ ব্ৰ'ছনান অভিনীত বোলছবি 'ৰবিনছন ক্রুছো'।

ওপৰত দেখুৱাই অহা ৰোমান জেক'বছনৰ অনুবাদ সম্পর্কীয় তিনিটা প্রকাৰ বা শ্রেণীৰ ধাৰণাই অনুবাদ বিষয়টোৰ এটা সম্যক ধাৰণা দিব পাৰিলেও, তাক স্বয়ংসম্পূর্ণ বা সর্বশেষ সিদ্ধান্ত বুলিব নোৱাৰি। কাৰণ এনে ধাৰণাৰ প্রতিটোৱে ইটোৰ সৈতে সিটো অংগাংগীভাৱে জড়িত। গতিকে, উল্লিখিত তিনিওটা ধাৰণা ওপৰা-উপৰি হোৱাৰ প্রবল সম্ভাৱনা থাকে। উদাহৰণ স্বৰূপে ইংৰাজী উপন্যাস *ৰবিনছন ক্রুছোৰ* কাহিনীভাগৰ আধাৰত এখন অসমীয়া বোলছবি নির্মিত হ'ব পাৰে বা আন কথাত সি বোলছবিলৈ ৰূপান্তৰিত হ'ব পাৰে। তেনেদৰে, টি. এছ. এলিয়টৰ *দি ওৱেষ্টলেণ্ড* কবিতাৰ অসমীয়া অনুবাদ *ছনমাটি*ৰ আধাৰত কোনোবা চিত্রকৰে এখন ছবি আঁকিব পাৰে। এতিয়া এনে ৰূপান্তৰক কি আখ্যা দিয়া যাব বা সেইবোৰ কি নামেৰে জনা যাব সেয়া এক মৌলিক প্রশ্ন। গতিকে এই কথা নিশ্চিতভাবে ক'ব পৰা যায় যে জেক'বছনে দেখুওৱা অনুবাদৰ তিনি প্রকাৰৰ শ্রেণীবিভাজন ইমান সৰল নহয়।

আন এগৰাকী তাত্ত্বিক গিডঁ ট'ৰী (Gideon Toury) য়ে *এনচাইক্লপেডিক ডিক্সনেৰী*-ত তলৰ ৰেখাচিত্রত দিয়াৰ দৰে অনুবাদৰ অন্য এক ধৰণৰ শ্রেণী বিভাজন দেখুৱাইছে ঃ



এই প্রসংগত আন এটা কথাও উল্লেখযোগ্য। সেয়া হ'ল, অনুবাদৰ বিবিধ প্রকাৰৰ মাজত থকা পার্থক্য তথা উৎস পাঠ আৰু লক্ষ্য পাঠৰ মাজৰ বহুধা বিভক্ত সম্পর্ক ইত্যাদিৰ ওপৰত ভিত্তি কৰি 'অনুবাদ'ৰ উপৰি 'অনুকৃতি' (Transcreation), 'পুনঃকৃতি' (Re-telling), 'অভিযোজনা' (Adaptation) আদি নানা প্রকাৰৰ সাহিত্য-কর্মৰ সৃষ্টি সম্ভৱ হৈ উঠিছে। প্রকৃতপক্ষে এনেবোৰ সৃষ্টিৰ আঁৰতো আছে অনুবাদ সম্পর্কীয় মৌলিক ধ্যান-ধাৰণাবোৰ। যিহেতু, এই শিতানৰ বিষয়বস্তু 'অনুবাদৰ সমস্যা'হে, এতেকে সিবোৰৰ বিস্তৃত আলোচনা ইয়াত পৰিহাৰ কৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৰোমান জেক'বছ্ন আৰু গিউঁ ট'ৰীয়ে অনুবাদ-কৰ্মক কেনেদৰে শ্ৰেণীবিভাজন কৰিছে লিখক।

(১০০টা শব্দৰ ভিতৰত)

.....

এইখিনিতে আপোনাৰ সুবিধাৰ বাবে অনুবাদ সম্বন্ধে আন কেইটিমান কথা উল্লেখ কৰাৰ প্ৰয়োজন আছে। তলত সেইবোৰৰ বিষয়ে চমুকৈ আলচ দাঙি ধৰা হৈছে।

১) **অনুবাদ স্থান আৰু কালভেদি কৰা এক বিৰাট পৰিভ্ৰমণ ঃ** অনুবাদ-কৰ্মত পাঠ এটাই এটা ভাষাৰ পৰা আন এটা ভাষালৈ বা এটা মাধ্যমৰ পৰা আন এটা মাধ্যমলৈ যে গতি কৰে সেই কথা আপুনি নিশ্চয় বুজিব পাৰিছে। এতিয়া অতিৰিক্তভাৱে আহি পৰা কথাটো হৈছে এয়ে যে, পাঠৰ এই গতি কেৱল ভাষা বা মাধ্যম অতিক্ৰমী কৰা গতি নহয়; বৰং ই সমান্তৰালভাৱে স্থান আৰু কাল অতিক্ৰমী কৰা যাত্ৰাও। পাঠ এটা স্ৰষ্টাই সৃষ্টি কৰি উলিওৱাৰ লগে লগে ই স্ৰষ্টাৰ সমাজ-সংস্কৃতিৰ অংগীভূত হয়। আন কথাত মানৱ-সৃষ্ট প্ৰতিটো পাঠ তাৰ পৃষ্ঠভূমিত থকা সংস্কৃতিৰ প্ৰভাৱেৰে পৰিপুষ্ট হয় আৰু পৰৱৰ্তী পৰ্যায়ত সেই পাঠে সেই সংস্কৃতিৰ বুকুতে ঠাই লয়। ইয়াৰ পৰা বুজিবলৈ টান নহয় যে পাঠ একোটাই সংশ্লিষ্ট সমাজ-সংস্কৃতিৰ নিৰ্দিষ্ট স্থান আৰু কালৰ স্বাক্ষৰ বহন কৰে। পৰৱৰ্তী কালত যেতিয়া অনুবাদকে সেই পাঠ অন্য এটা ভাষাৰ এক সুকীয়া সাংস্কৃতিক পৰিবেশত খাপ খাই পৰাকৈ অনুবাদ কৰিবলৈ লয় তেতিয়া তেওঁৰ অনুবাদ-কাৰ্য হৈ পৰে উৎস পাঠে খোপনি পুতি থকা স্থান আৰু কালৰ সীমা চেৰাই, সেই পাঠে কঢ়িয়াই লৈ ফুৰা সমাজ-সংস্কৃতিৰ পৰিধি ভাঙি কৰা এক পৰিবহন। এই পৰিবহনৰ সফল পৰিসমাপ্তিয়ে উৎস পাঠৰ 'আত্মা'ক তাৰ স্থান, কাল আৰু সাংস্কৃতিক পৰিসৰৰ পৰা তুলি আনি এক সুকীয়া স্থান, কাল আৰু সাংস্কৃতিক পৰিসৰত সংস্থাপন কৰে। অনুবাদকৰ এই পৰিভ্ৰমণক নিঃসন্দেহে এক মহৎ কাৰ্য আখ্যা দিব পাৰি। অনুবাদ-তত্ত্বৰ বিশিষ্ট প্ৰবক্তা সুজিত মুখাৰ্জীৰ ভাষাত 'প্ৰতি গৰাকী অনুবাদক উৎস বা মূল পাঠৰ স্ৰষ্টাজনৰ পৰা স্থান আৰু কালৰ ক্ষেত্ৰত বহু যোজন আঁতৰত।'

২) **অনুবাদ এক সাংস্কৃতিক বিনিময় ঃ** অনুবাদ মাথোঁ পাঠৰ ভাষান্তৰ বা ৰূপান্তৰেই নহয়, বৰং ই দুই ভিন্ন সংস্কৃতিৰ মাজৰ এক যোগসূত্ৰ বা সাংস্কৃতিক বিনিময়। অৰ্থাৎ অনুবাদ হ'ল এক সাংস্কৃতিক সেতুবন্ধন। অনুবাদৰ জৰিয়তে নিৰ্দিষ্ট পাঠ একোটা উৎস ভাষাৰ পৰা আহি লক্ষ্য ভাষালৈ ৰূপান্তৰিত হয় আৰু এনেদৰে লক্ষ্য ভাষাৰ পৃষ্ঠভূমিৰ সংস্কৃতিত উৎস ভাষাৰ আত্মাক, অৰ্থাৎ গূঢ়াৰ্থক সংৰোপণ কৰি এক সাংস্কৃতিক বিনিময় সাধন কৰে। এনে কাৰণতে লক্ষ্য পাঠবোৰক উৎস পাঠে বহন কৰা সংস্কৃতিৰ ধাৰক আৰু বাহক বুলি গণ্য কৰা হয়।

৩) **অনুবাদে পাঠ একোটাক পুনর্জীৱন দান কৰে ঃ** অনুবাদৰ জৰিয়তে একোটা পাঠে পুনর্জীৱন লাভ কৰে বুলি ভবাৰ মূল যুক্তিটো হ'ল— পাঠ এটা সৃষ্টি হোৱাৰ পাছত সেই পাঠ নিজৰ সংস্কৃতিৰ এৰাব নোৱাৰা অংগত পৰিণত হয়। ইয়াৰ পৰিণতিকল্পে নির্দিষ্ট সাংস্কৃতিক পৰিসৰ তথা নির্দিষ্ট ভাষাৰে নির্মিত তেনে পাঠ একোটা সেই ভাষা-সংস্কৃতিৰ পাঠকৰ বাবে এদনীয়া সম্পত্তি হৈ পৰে। ফলত পাঠৰ গতিশীলতা সেই সাংস্কৃতিক পৰিসৰ আৰু ভাষাৰ সীমাৰে বান্ধ খাই পৰে। অনুবাদকে তেনে পাঠ একোটা অনুবাদৰ জৰিয়তে মূল ভাষা-সংস্কৃতি আৰু সীমিত পাঠককুলৰ হাতৰ পৰা যেন মোকলাইহে দিয়ে। অর্থাৎ অনূদিত পাঠ এটা নতুন ভাষা-সংস্কৃতিৰ জগত এখনত পৰিভ্রমণৰ বাবে সাজু হৈ উঠে আৰু তাৰ পৰিণতি স্বৰূপে সি এক নতুন পৰিসৰ লাভ কৰে। উৎস ভাষা-সংস্কৃতিৰ পৰা নতুনকৈ লক্ষ্য ভাষা-সংস্কৃতিলৈ অহাৰ লগে লগে সেই পাঠটোক লক্ষ্য ভাষা-সংস্কৃতিৰ অন্তর্গত নতুন পাঠকে গ্রহণ কৰি লয়। পাঠকৰ সংখ্যা বৃদ্ধিয়েই হ'ল পাঠৰ বিচৰণ ভূমিৰ বিস্তৃতি। যিমানেই নতুন পাঠকৰ সৃষ্টি হয় সিমানেই পাঠৰ পৰিসৰো বৃদ্ধি পায়। এনে কাৰণতে অনুবাদ-কার্যই পাঠ একোটাক পুনর্জীৱন দান কৰে বুলি কোৱা হয়।

৪) **অনুবাদ-কর্ম এক গণতান্ত্রিকীকৰণৰ প্রক্রিয়া ঃ** প্রগতিশীল দৃষ্টিৰে বিচাৰ কৰিলে দেখা যায়, অনুবাদে নতুন নতুন পৰিসৰৰ একোচাম নতুন পাঠকৰ সৃষ্টি কৰে। ভিন্ন ভাষা-সংস্কৃতিৰ পাঠকৰ বাবে অনুবাদৰ জৰিয়তে এনেদৰে পাঠ একোটা মোকলাই দি সেই পাঠক সার্বজনীন ৰূপ দিয়াৰ যি চেষ্টা তাক সাহিত্য-সংস্কৃতিৰ গণতান্ত্রিকীকৰণ বোলা হৈছে। অর্থাৎ, অনুবাদ-কর্ম হ'ল পাঠৰ এক গণতান্ত্রিকীকৰণৰ প্রক্রিয়া। মন কৰিবলগীয়া যে একোটা পাঠত বিশেষ ভাষা আৰু সেই ভাষাই সংবহন কৰা সংস্কৃতি জড়িত হৈ থাকে। ফলত অনূদিত নোহোৱা পর্যন্ত অন্য ভাষা-সংস্কৃতিৰ পাঠকৰ বাবে সেই পাঠ কিছু পৰিমাণে দুর্বোধ্য আৰু অদর্কাৰী হৈ থাকিব পাৰে। অনুবাদে পাঠৰ তেনে হেঙাৰ আঁতৰাই তাক ভিন্ ভিন্ ভাষা-সংস্কৃতিৰ পাঠকৰ ওচৰলৈ লৈ যায়। সেইফালৰ পৰা চাবলৈ গ'লে অনুবাদ-কর্মক উদাৰীকৰণ আৰু গণতান্ত্রিকীকৰণৰেই নামান্তৰ বুলিব পাৰি। এই প্রসংগত মহাকবি বাল্মিকীকৃত সংস্কৃত মহাকাব্য *ৰামায়ণ*ৰ মাধৱ কন্দলিয়ে কৰা অসমীয়া ভাঙনি অথবা মহাকবি কালিদাসৰ *অভিজ্ঞান শাকুন্তলম*ৰ এম. আৰ. কালেই কৰা ইংৰাজী অনুবাদৰ কথালৈ আঙুলিয়াব পাৰি।

৫) **অনুবাদৰ অৱস্থিতি আৰু অনূদিত পাঠৰ অৱস্থান ঃ** উৎস ভাষা-সংস্কৃতি যদি পাঠ এটাৰ প্রথম পৰিসৰ হয় আৰু নিজস্ব ভাষা-সংস্কৃতিৰ ঐতিহ্যৰে অনূদিত নোহোৱা পর্যন্ত লক্ষ্য ভাষা আৰু সেই ভাষাই বহন কৰা সংস্কৃতিক যদি দ্বিতীয় পৰিসৰ বুলি ধৰা যায়, তেন্তে অনূদিত পাঠৰ স্থান ক'ত হ'ব ই এক গুৰুত্বপূর্ণ প্রশ্ন। এই ক্ষেত্রত দুটা কথা স্পষ্টভাৱে লক্ষ্য কৰা প্রয়োজন ঃ প্রথমতে, অনুবাদৰ জৰিয়তে লক্ষ্য ভাষালৈ অহা পাঠ উৎস ভাষাৰ পাঠ হৈ নাথাকে। দ্বিতীয়তে, উৎস ভাষাৰ পাঠ

এটা অনূদিত হোৱাৰ পূর্বাৱস্থাত নিজৰ ভাষা-সংস্কৃতিৰে মহিমামণ্ডিত হৈ থাকে। লক্ষ্য ভাষা-সংস্কৃতিৰো যিহেতু নিজস্ব ঐতিহ্য থাকে, তেনেস্থলত লক্ষ্য ভাষালৈ অনূদিত পাঠ এটাৰ স্থান ক'ত হ'ব সেয়া নিঃসন্দেহে এক বিচার্যৰ বিষয়। এই ক্ষেত্রত অনুবাদতত্ত্বৰ তাত্ত্বিকসকলৰ মত হ'ল অনূদিত পাঠৰ অৱস্থান বা পৰিসৰ হ'ল 'তৃতীয় সাহিত্যিক-সাংস্কৃতিক পৰিসৰ'।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ অনুবাদৰ সৈতে জড়িত বিভিন্ন দিশবোৰৰ বিষয়ে চমুকৈ আলোচনা কৰক। (১০০টা শব্দৰ ভিতৰত)

.....

৩.৪ অনুবাদৰ সমস্যা

অনুবাদৰ সমস্যাবোৰ সেই সম্পর্কীয় ভিন্ ভিন্ বিষয়ৰ পৰাই যে উদ্ভৱ হয় সেই সম্পর্কে সন্দেহৰ কোনো অৱকাশ নাই। সেইবাবে প্রথমতে ওপৰত আলোচনা কৰি অহা অনুবাদৰ সৈতে ওতঃপ্রোতভাৱে জড়িত হৈ থকা বিষয়বোৰ জানি লোৱা অতি প্রয়োজন। কাৰণ এনে বিষয়বোৰৰ সম্যক ধাৰণা অবিহনে অনুবাদ সম্পর্কীয় সমস্যাবোৰ বুজা অত্যন্ত কঠিন কাম। সেই হেতুকে ওপৰত আপোনাৰ অধ্যয়নৰ সুবিধাৰ বাবে অনুবাদৰ বিভিন্ন দিশ আৰু সিবোৰৰ সৈতে জড়িত বিভিন্ন বিষয়সমূহৰ চমু আভাস দাঙি ধৰা হৈছে। এতিয়া এইটো শিতানত আমি অনুবাদৰ ক্ষেত্রত দেখা দিয়া বা দিব পৰা বিভিন্ন সমস্যাৰ বিষয়ে আলোচনা কৰিম। এনে সমস্যাসমূহৰ কেতবোৰ হ'ল, যেনে— (১) পাঠৰ বিশ্বস্ততাৰ বিপৰিতে সৌন্দর্যৰ সমস্যা, (২) বিশুদ্ধ পঠন আৰু বিশ্লেষণৰ সমস্যা, (৩) অনুবাদকৰ সাংস্কৃতিক পৃষ্ঠভূমিৰ সমস্যা, (৪) ভাষাজনিত সমস্যা, (৫) সম্পর্কহীন ভাষা-সংস্কৃতিৰ মাজত হোৱা অনুবাদৰ সমস্যা, (৬) অনুবাদকৰ কাল আৰু স্থানৰ বিচ্ছিন্নতাৰ সমস্যা, (৭) পাঠৰ গণতান্ত্রিকীকৰণৰ সমস্যা ইত্যাদি। তলত একাদিক্রমে প্রতিটোৰে আভাস দাঙি ধৰা হ'ল।

১) **পাঠৰ বিশ্বস্ততাৰ বিপৰীতে সৌন্দর্যৰ সমস্যা ঃ** এই সমস্যাটোক এটা দুতৰপীয়া সমস্যা বুলিব পাৰি। অনুবাদকজনক যদি মূল উৎস পাঠৰ সৈতে বিশ্বস্ততা আৰু লক্ষ্য পাঠৰ নিজস্ব সৌন্দর্য— এই দুই প্রাপ্তিৰ মাজত কোনো এটাক বাছি ল'বলৈ দিয়া যায়, তেওঁ কোনটো বাছি লোৱা উচিত হ'ব সি এক মৌলিক প্রশ্ন। নির্বাচনৰ এই প্রশ্নটো আচহুৱা যেন লাগিলেও সি অবান্তৰ নহয়। অনুবাদ-তত্ত্বৰ প্রবক্তাসকলে বাৰে বাৰে দোহাৰি আহিছে যে লক্ষ্য পাঠে উল্লিখিত দুয়োটা গুণ একেলগে আয়ত্ত কৰাটো কোনো কাৰণতে সম্ভৱ নহয়। প্রথমতে, যদি এটা সুকীয়া পাঠ হিচাপে লক্ষ্য পাঠে তাৰ সৌন্দর্য অটুট ৰাখিব লাগে, তেন্তে সি উৎস পাঠৰ পৰা কিছু হ'লেও আঁতৰি আহিব লাগিব। অর্থাৎ,

উৎস পাঠক লক্ষ্য পাঠে অলপ হ'লেও 'প্রতাৰণা' কৰিব লাগিব। দ্বিতীয় কথাটো হ'ল যদি লক্ষ্য পাঠত উৎস পাঠৰ প্রতি বিশ্বাস অটুট ৰাখিব লাগে, তেন্তে লক্ষ্য পাঠে নিজৰ সৌন্দর্যৰ প্রতি কিছু আওকণীয়া মনোভাৱ প্রদর্শন কৰিব লাগিব। এনে কাৰণতে অনুবাদৰ ক্ষেত্রখনত এই সমস্যাটোক এক উভয় সংকট হিচাপে চিহ্নিত কৰা হৈছে।

কোনো কোনো তাত্ত্বিকে আলোচ্য সমস্যাটোৰ এক সমাধানৰ সূত্রও আৱিষ্কাৰ কৰিছে। তেওঁলোকৰ মতে যিহেতু লক্ষ্য পাঠৰ উদ্দেশ্যই হ'ল ভাষা-সংস্কৃতি, এতেকে নতুন সাংস্কৃতিক পটভূমিত খাপ খাব পৰাকৈ লক্ষ্য পাঠে উৎস পাঠক কিছু পৰিমাণে 'প্রবঞ্চনা' কৰি হ'লেও নতুন পটভূমিৰ এক নতুন পাঠ হিচাপে নিজৰ চিনাকি দিবলৈ সমর্থ হ'ব পাৰে।

২) **বিশুদ্ধ পঠন আৰু বিশ্লেষণৰ সমস্যা ঃ** উৎস পাঠৰ শুদ্ধ পঠন আৰু বিশ্লেষণৰ ক্ষেত্রত প্রথমতে অনুবাদকজনৰ পৰিচয় সম্পর্কে নিশ্চিত হোৱা আৱশ্যক। প্রকৃত বিচাৰত অনুবাদকজন এজন আগশাৰীৰ পাঠকৰ বাহিৰে আন একো নহয়। এগৰাকী ভাল পাঠক হিচাপে পাঠ এটাৰ শুদ্ধ পঠন আৰু বিশ্লেষণ কৰাটো তেওঁৰ অৱশ্যে কর্তব্য। বহু ক্ষেত্রত এনে হোৱাও দেখা যায় যে একোজন পাঠকে পাঠ একোটা হৃদয়ংগম নকৰাকৈয়ে বা পৰিপূর্ণভাৱে বিশ্লেষণ কৰিবলৈ সমর্থ নোহোৱাকৈয়ে পাঠটোৰ কোনো এটা বিশেষ অংশ অথবা কিবা বিশেষ তাৎপর্য বহন কৰা কথাৰ দ্বাৰা আকর্ষিত হৈ তাক অনুবাদৰ বাবে হাতত তুলি লয়। এনে কৰা সমূলি অযুগুত। উদাহৰণ স্বৰূপে, জন্ ড্রাইডেনৰ 'মেক্‌ফ্লেকনো' কবিতাটোত প্রাসংগিকভাৱে সপ্তদশ শতিকা তথা তাৰ পূর্বকালৰ বহু লেখক, নাট্যকাৰ, নাটক এনেকি নাটকসমূহৰ অন্তর্গত বিভিন্ন চৰিত্রৰ উল্লেখ আছে। এই কবিতাটো অনুবাদ কৰাৰ পূর্বে অনুবাদকে কবিতাটোত উল্লেখ থকা তেনে ধৰণৰ প্রসংগসমূহ পুংখানুপুংখ অধ্যয়নেৰে স্পষ্ট হৈ লোৱা প্রয়োজন। অন্যথা কবিতাটোৰ অনুবাদে সফলতা অর্জন কৰাৰ সম্ভাৱনা নিচেই ক্ষীণ।

দ্বিতীয়তে, অনুবাদকজন এগৰাকী ভাল পাঠক হোৱাৰ উপৰি একে সময়তে এজন ভাল সমালোচকো হোৱা প্রয়োজন। পাঠ একোটা পঢ়ি অটোৱাৰ পাছত তেওঁ এগৰাকী তীক্ষ্ণধী সমালোচকৰ দৰে সেই পাঠৰ প্রতিটো কথা, প্রতিটো প্রসংগ তন্ন তন্নকৈ বিচাৰ-বিশ্লেষণ কৰি পাঠটোৰ সৈতে জড়িত সকলো কথা নিশ্চিত আৰু স্পষ্ট হৈ ল'ব পাৰিব লাগিব। উৎস পাঠৰ অস্পষ্টতা অনুবাদ-কার্যৰ বিফলতাৰ এক প্রধান কাৰণ। গতিকে মূল পাঠৰ কোনো কথাতে তেওঁৰ অস্পষ্টতা থাকিব নালাগিব।

ওপৰত উল্লেখ কৰা স্তৰ দুটা অতিক্রম কৰাৰ পাছত পাঠক তথা সমালোচকজন (অনুবাদকজন) এজন লেখকৰ ৰূপত অৱতীর্ণ হয়। ভাষাৰ ওপৰত অবাধ দখল আৰু চিন্তাৰ স্বচ্ছতাৰ লগতে সৃষ্টিকার্যৰ প্রতি অদম্য স্পৃহা একো একোগৰাকী লেখকৰ এৰাব নোৱাৰা গুণ। সেয়ে অনুবাদকজন অন্যান্য গুণাৱলীৰ লগতে এইবোৰ গুণৰো অৱশ্যেই অধিকাৰী হ'ব লাগিব।

অনুবাদকজন পাঠক, সমালোচক আৰু লেখক এই তিনি প্ৰকাৰৰ দক্ষতাৰ প্ৰথম দুটা স্তৰ পাৰ হৈ অহাৰ পাছত তৃতীয়, অৰ্থাৎ চূড়ান্ত স্তৰত অনুবাদকজনৰ স্তৰত উপনীত হয়। এই তৃতীয় বা চূড়ান্ত স্তৰত, অৰ্থাৎ 'লেখক' হিচাপে দায়িত্ব পালন কৰিবলৈ যাওঁতে অনুবাদকজন আন কিছুমান সমস্যাৰ সন্মুখীন হয়। কাৰণ লেখক হ'লেও তেওঁ মূল লেখক নহয়, বৰং অনুবাদ লেখকহে। এজন লেখক হিচাপে নিজৰ পাঠকসকলৰ প্ৰতি তেওঁৰ দায়িত্ব থকাৰ উপৰি এজন পাঠক বা অনুবাদক হিচাপে উৎস পাঠ আৰু তাৰ লেখকৰ প্ৰতিও তেওঁৰ সমানে দায়বদ্ধতা থাকে। পাঠক হিচাপে উৎস পাঠৰ বেছ কিছু কথাত তেওঁৰ অস্পষ্টতা থাকিব পাৰে, নাইবা এজন সমালোচক হিচাপে বহু কথাত তেওঁ দ্বিধাগ্ৰস্তও হ'ব পাৰে, অথবা অন্তিম স্তৰত এজন লেখক হিচাপে উৎস পাঠৰ লেখকজনৰ লগত তেওঁৰ অনেক কথাত দ্বিমত থাকিবও পাৰে। এনে ক্ষেত্ৰত অনুবাদকজনৰ সমস্যা মূলতঃ চাৰিটা বিষয়ৰ পৰা উদ্ভৱ হ'ব পাৰে— পাঠক হিচাপে তেওঁৰ স্পষ্টতা, সমালোচক হিচাপে তেওঁৰ তীক্ষ্ণতা আৰু অনুবাদক হিচাপে উৎস পাঠ আৰু সেই পাঠৰ লেখকৰ প্ৰতি থকা তেওঁৰ দায়বদ্ধতা আৰু অৱশেষত লক্ষ্য পাঠ আৰু তাৰ সম্ভাব্য পাঠককুলৰ প্ৰতি থকা তেওঁৰ দায়িত্ব। সমালোচকসকলৰ মতে পাঠৰ কোনো প্ৰসংগ জটিল যেন লাগিলে তাক এৰাই চলিলেও যে লক্ষ্য পাঠৰ বিশেষ ক্ষতি নহয়, সেই কথা নিশ্চিত হ'বৰ বাবেই অনুবাদকে পাঠটোৰ প্ৰতিটো কথা খুটি-নাটি মাৰি বুজি লোৱা প্ৰয়োজন।

৩) **অনুবাদকৰ সাংস্কৃতিক পৃষ্ঠভূমিৰ সমস্যা ঃ** অনুবাদকজন উৎস বা লক্ষ্য কোনো এক বিশেষ ভাষা-সাহিত্য তথা সামাজিক-সাংস্কৃতিক পটভূমিৰ মূল ব্যক্তি হোৱাটো নিতান্ত বাঞ্ছনীয়। বিশেষকৈ লক্ষ্য ভাষা-সংস্কৃতিৰ অন্তৰ্গত ব্যক্তি হ'লে অধিক ভাল বুলি সমালোচকসকলে গণ্য কৰে কিয়নো তেনে ব্যক্তিয়ে উৎস ভাষা-সংস্কৃতিৰ জ্ঞান আয়ত্ত কৰি পৰৱৰ্তী পৰ্যায়ত নিজৰ ভাষা-সংস্কৃতিৰ সূক্ষ্ম জ্ঞান থকাৰ হেতু অন্য ভাষা-সংস্কৃতিৰ উপাদানসমূহক কেনেকৈ নিজৰ সাংস্কৃতিক পটভূমিত তুলি ধৰিব লাগে সেই সম্পৰ্কে তেওঁ সঠিক সিদ্ধান্ত ল'ব পাৰে। তাকে নকৰি অনুবাদকে অনুবাদ কাৰ্যত অন্তনিৰ্হিত হৈ থকা উৎস পাঠ আৰু লক্ষ্য পাঠ উভয়ৰে ভাষা-সংস্কৃতিক কৃত্ৰিম ৰূপত আয়ত্ত কৰাৰ যত্ন কৰিলে অনুবাদ-কৰ্মত দৃষ্টিকটুভাৱে কৃত্ৰিমতাৰ চাপ পৰে। ইয়াৰ ফলত উৎস পাঠৰ ক্ষেত্ৰত অন্যায় কৰা হয় আৰু তাৰ লগে লগে লক্ষ্য পাঠেও সৌন্দৰ্য হেৰুৱায়। ওপৰত মাধৱ কন্দলিকৃত বাল্মীকি ৰামায়ণৰ ভাঙনিৰ কথা কোৱা হৈছে। মন কৰিবলগীয়া কথা এইটোৱে যে মাধৱ কন্দলিৰ ৰামায়ণত কিন্তু অসমীয়া পৰিবেশ তথা অসমীয়া সংস্কৃতিহে বিধৃত হৈছে। বিশেষকৈ 'চিত্ৰকুটৰ চিত্ৰ' কাব্যাংশত অসমৰ প্ৰকৃতি— হাবি-বন, গছ-গছনি, ফল-মূল আদিৰ যি বিৱৰণ দিয়া হৈছে সেয়া অসমীয়া পাঠকৰ বাবে নিচেই চিনাকি।

৪) **ভাষাজনিত সমস্যা ঃ** সূর্যৱিনাতা (১৯৮২ খ্ৰীঃ)ৰ মতে অনুবাদকসকল সাধাৰণতে

ভাষা, সাহিত্য আৰু সৌন্দর্যতত্ত্ব সম্পর্কীয় তথা আর্থ-সামাজিক সমস্যাৰ সন্মুখীন হয়। ভাষাৰ ক্ষেত্রত সাধাৰণতে অনুবাদকজন ভাষাগত সমগোত্রীয় (Collocation) আৰু দ্ব্যর্থবোধক শব্দৰ সন্মুখীন হোৱাৰ সম্ভাৱনা অতি প্রবল। এই প্রসংগত মন কৰিবলগীয়া প্রথম কথাটো হ'ল অনুবাদ বুলিলে প্রকৃতপক্ষে অর্থৰ অনুবাদহে বুজা যায়। উৎস ভাষাৰ পৰা লক্ষ্য ভাষালৈ অর্থৰ যি গমন সেয়া শব্দৰ পিঠি আৰু বাক্যৰ বুকুৰে কৰা গমন। বাক্যত অভ্যন্তৰীণ আৰু আত্মিক সম্পর্ক থকা বচা বচা অর্থযুক্ত শব্দ পাৰস্পৰিক সাহচর্যৰে পাঠৰ বুকুত ভুমুকি মাৰে। কিন্তু বিভিন্ন ভাষাৰ মাজত থকা স্বাভাৱিক পার্থক্য আৰু প্রতিটো ভাষাৰ স্বকীয় বৈশিষ্ট্য বা কালিকাৰ হেতু উৎস ভাষাত শব্দৰ জোঁট-বন্ধনে সৃষ্টি কৰা একেখিনি কথাৰ অর্থ প্রকাশ কৰিবলৈ আৱশ্যক হোৱা শব্দসমূহ লক্ষ্য ভাষাত সমগোত্রীয় হৈ ধৰা নিদিবও পাৰে। এনে সমস্যাই অনুবাদকক যথেষ্ট বিপাঙত পেলায়।

সাহিত্য আৰু সৌন্দর্যতত্ত্বত শব্দ-শৃংখলৰ সমস্যা আৰু ধ্বনিগত সমস্যা জড়িত হৈ থাকে। পাঠ একোটাত ব্যৱহাৰ হোৱা শব্দ আৰু শব্দাংশৰ উচ্চাৰণে পাঠৰ সামগ্রিকতালৈ অৰিহণা যোগায়। নিজস্ব অর্থগত গুৰুত্ব নোহোৱাকৈও পাঠৰ যি উচ্চাৰণগত, শব্দ-চয়নগত আৰু বাক্যতাত্ত্বিক সৌন্দর্য থাকে, তালৈ শব্দ-সম্ভাৰে বিশেষ বৰঙণি যোগোৱাৰ বাবেই লক্ষ্য পাঠৰ বাবে শব্দ-নির্বাচন আৰু বাক্য-নির্মাণত অনুবাদকজন সচেতন আৰু সচেষ্ট হোৱা প্রয়োজন। অন্যথা উৎস পাঠৰ স্বাভাৱিক সৌন্দর্য লক্ষ্য পাঠত হেৰুৱাব লগা হয়। অকল সেয়ে নহয়, তাৰ লগে লগে উৎস পাঠ আৰু মূল লেখকৰ প্রতি অন্যায়ো কৰা হয়।

কেতিয়াবা উৎস পাঠৰ সমার্থক প্রতিশব্দ লক্ষ্য ভাষা-সংস্কৃতিত নাথাকিবও পাৰে; বা থাকিলেও লক্ষ্য ভাষাৰ পাঠকে উৎস ভাষাৰ শব্দ তথা প্রকাশভংগীৰ সৈতেহে অধিক আত্মীয়তা অনুভৱ কৰিব পাৰে। অনুবাদৰ ক্ষেত্রত এনেবোৰ সম্ভাৱনা অস্বীকাৰ কৰিবলৈ টান। এনে ক্ষেত্রত অর্থৰ পৰিবহন বেছি সুচল কৰাৰ স্বার্থতে উৎস পাঠৰ শব্দ আৰু প্রকাশভংগীকে লক্ষ্য পাঠতো ৰাখিবলগীয়া হয় বা হ'ব পাৰে। অৱশ্যে উৎস পাঠৰ শব্দ আৰু প্রকাশভংগীৰ এনে প্রয়োগৰ বিষয়ে লক্ষ্য ভাষাত একোটি টোকা সন্নিৰিষ্ট কৰা আৱশ্যক। অনুবাদকে যিহেতু অর্থৰ লক্ষ্যহে আগত ৰাখে, এতেকে যিবোৰ শব্দ বা প্রকাশভংগীৰ অনুবাদ নকৰিলেও লক্ষ্য পাঠৰ বিশেষ কোনো হীন-দেঢ়ি নঘটে আৰু তেনে প্রকাশৰ জৰিয়তে লক্ষ্য পাঠৰ পাঠকে উৎস পাঠৰ সোৱাদ আহৰণত কোনো অসুবিধা নাপায়, তেনেবোৰ শব্দ বা প্রকাশভংগী তেওঁ সহজে এৰাই চলিব পাৰে।

ৰূঢ় বাস্তৱৰ প্রকাশৰ বাবে আওপকীয়া শ্রুতিমধুৰ শব্দ আৰু প্রকাশভংগীৰ ব্যৱহাৰৰ বিধান প্রায়বোৰ ভাষাতে থাকে। মাথোঁ লক্ষ্য ভাষাত সেই ভাষাৰ সংস্কৃতিয়ে কেনে ধৰণৰ প্রকাশ দাবী কৰে, কেনে ধৰণৰ শব্দ-চয়ন ব্যৱহাৰ কৰিলে উৎস ভাষাৰ সৌন্দর্য

ৰক্ষিত হোৱাৰ লগে লগে লক্ষ্য ভাষা শুৱলা আৰু প্ৰকাশক্ষম হৈ উঠে তাৰ প্ৰতি অনুবাদকজন সকলো সময়তে সজাগ থাকিব লাগে। মনত ৰখা প্ৰয়োজন যে পৃথিৱীৰ প্ৰতিটো ভাষাই সুকীয়া। ভাষাৰ এই স্বকীয়ত্ব ফুটি ওলায় তাৰ জতুৱা প্ৰয়োগৰ মাজেদি। সকলো ভাষাৰে জতুৱা ঠাঁচৰ নিজস্বতা আছে। এনে ঠাঁচকে ভাষাৰ কালিকা বোলা হয়। অনুবাদক সচেষ্ট নহ'লে লক্ষ্য ভাষালৈ অনুবাদ কৰোঁতে ভাষাৰ এনে কালিকা বিনষ্ট হোৱাৰ উপৰি অর্থ-বিভ্রাটো ঘটিব পাৰে। সেই হেতুকে আলংকাৰিক প্ৰকাশ, জতুৱা ঠাঁচ, জতুৱা খণ্ডবাক্য আদিৰ অনুবাদৰ ক্ষেত্ৰত অনুবাদক অতিকৈ সাৱধান হোৱা প্ৰয়োজন। যিহেতু এনেবোৰ প্ৰকাশ আওপকীয়া আৰু আলংকাৰিক, সেয়ে সিবোৰে বহন কৰা অর্থৰ ভুল বিশ্লেষণৰ ফলত অনুবাদ হাস্যকৰ আৰু সংগতিবিহীন হৈ উঠাৰ সম্ভাৱনা থাকে। তদুপৰি, এনে অনুবাদজনিত অর্থ-বিভ্রাটে লক্ষ্য পাঠৰ বিস্তৰ ক্ষতিসাধন কৰাৰ লগতে উৎস পাঠৰো মর্যাদাহানি কৰিব পাৰে। গতিকে ভাষা একোটাৰ বিশেষ বিশেষ প্ৰকাশৰ তাৎপর্য, প্ৰসংগ আৰু অর্থ সঠিকভাৱে অনুধাৱন কৰি অনুবাদকে সিবিলাকৰ সমার্থক, প্ৰায় সমার্থক প্ৰতিশব্দ নাইবা বিকল্প প্ৰকাশভংগীৰ সন্ধান কৰি লোৱা আৱশ্যক। উদাহৰণ স্বৰূপে, অসমীয়া ভাষাৰ 'তেওঁ হাত দীঘল মানুহ' শীর্ষক জতুৱা খণ্ডবাক্যটি ইংৰাজীলৈ 'He is a man with long hands' বুলি অনুবাদ কৰিব নোৱাৰি। কৰিলে অর্থ-বিভ্রাট ঘটিব। গতিকে অনুবাদকজন পদে পদে সাৱধান হোৱা প্ৰয়োজন। তেওঁক সকলো সময়তে ভাষাগত জ্ঞান আৰু চাতুর্যৰ দৰকাৰ।

৫) **সম্পর্কহীন ভাষা-সংস্কৃতিৰ মাজত হোৱা অনুবাদৰ সমস্যা ঃ** ভাষা হৈছে সংস্কৃতিৰ অন্যতম ধাৰক আৰু বাহক। অনুবাদৰ ক্ষেত্ৰত উৎস আৰু লক্ষ্য ভাষাৰ মাজত যদি সাংস্কৃতিক নৈকট্য নাথাকে, তেন্তে অনুবাদৰ সমস্যা অধিক বৃদ্ধি পায়। সাহিত্যৰ মাধ্যমেৰে নির্দিষ্ট ভাষা একোটাৰ সাংস্কৃতিক পৰিৱেশৰ ছবি একোখন পাঠক সমাজে লাভ কৰে। অনুবাদ হৈছে সাংস্কৃতিক আদান-প্ৰদানৰেই অন্যতম প্ৰচেষ্টা। যদিহে উৎস পাঠ আৰু লক্ষ্য পাঠে বহন কৰা দুই ভিন্ন সংস্কৃতিৰ মাজৰ আত্মিক দূৰত্ব বহু বেছি হয় বা কোনো সম্পর্কই নাথাকে, তেন্তে উৎস পাঠৰ সঠিক অর্থ বহন কৰিব পৰা সদৃশ শব্দ আৰু প্ৰকাশভংগী লক্ষ্য ভাষাত বিচাৰি পোৱা কঠিন হয়। ইয়াৰ ফলত উৎস পাঠৰ প্ৰতি ন্যায় কৰিব পৰা নাযায় আৰু লগতে লক্ষ্য পাঠেও অপুষ্টিত ভুগিবলগীয়া হয়। এই ক্ষেত্ৰত বিশেষভাৱে মন কৰিবলগীয়া আন এটা কথা হৈছে কোনো সংস্কৃতিৰ অন্তর্গত বিশেষ পৰিস্থিতিত গ্ৰহণযোগ্য আচৰণ অন্য এক সংস্কৃতিত গ্ৰহণযোগ্য বুলি বিবেচিত নহ'বও পাৰে।

উৎস ভাষা-সংস্কৃতিৰ লগত আছুতীয়া আৰু এদনীয়া সম্পর্ক থকা ভাব আৰু প্ৰকাশভংগীৰ ক্ষেত্ৰত অনুবাদক অধিক জটিল ধৰণৰ সমস্যাৰ সন্মুখীন হয়। উৎস পাঠ আহৰণৰ বেলিকা এনে সমস্যা শব্দৰ পৰা বাক্যৰ গাঁথনিলৈকে সকলো স্তৰতে দেখা দিব পাৰে। বিদগ্ধ প্ৰাচ্যতত্ত্ববিদ এডৱার্ড ছেইডে চাৰি প্ৰকাৰৰ সম্ভাব্য জটিলতাৰ কথা

উনুকিয়াইছে। সেইবোৰ হ'ল—

ক) ভাবনা ঃ বিশ্বাস, মূল্যবোধ আৰু আনুষ্ঠানিকতা;

খ) আচৰণ ঃ অভ্যাস;

গ) ফচল ঃ কলা, সংগীত আৰু বিভিন্ন সাংস্কৃতিক উপাদান; আৰু

ঘ) পৰিবেশতন্ত্ৰ ঃ প্ৰাণীকুল আৰু উদ্ভিদ জগতকে ধৰি সমগ্ৰ জীৱ-জগত আৰু ভৌগোলিক পৰিবেশ।

এইখিনিতে আমি ড্ৰাইডেন (Dryden)ৰ 'Mac-Flecknoe' শীৰ্ষক কালজয়ী কবিতাটোৰ তলত উল্লেখ কৰা শাৰীকেইটাৰে কথাখিনিৰ যথাৰ্থতা বিচাৰ কৰি চাব পাৰো ঃ

Just at that point of time, if fame not lie,
On his left hand twelve reverend owls did fly.
So Romulus, 'tis sung, by Tiber's brook
Presage of sway from twice six vultures took.

কবিতাটোৰ শাৰীকেইটাই তিৰ্যক ৰূপত প্ৰকাশ কৰিব খোজাৰ অৰ্থটো হৈছে— চেডৰেলে ৰাজ-অভিষেকৰ সময়ত তেওঁৰ আশে-পাশে বাৰটা ফেঁচা দেখা পালে; যেনেকৈ— ৰাজধানী স্থাপনৰ বাবে স্থান নিৰ্বাচনক কেন্দ্ৰ কৰি দুই ভাতৃ ৰেমাছ আৰু ৰমুলাছৰ মাজত নিজৰ আশ-পাশত কোনে বেছি শগুণ দেখা পায়, সেই বাজিৰে মতানৈক্য দূৰীভূত হৈছিল। ৰেমাছে ছটা শগুণ দেখিছিল আৰু ৰমুলাছে দেখিছিল বাৰটা শগুণ। অৱশেষত বাজিৰ চর্ত মতেই ৰমুলাছৰ নিৰ্বাচনেৰে ৰোমান সাম্ৰাজ্যৰ ৰাজধানী হিচাপে ৰোম নগৰী স্থাপিত হৈছিল। কাৰণ ৰোমানসকলৰ বাবে শগুণ আছিল শুভংকৰৰ প্ৰতীক।

এতিয়া প্ৰশ্ন হ'ল উক্ত কবিতাটোৰ অসমীয়া অনুবাদৰ বেলিকা অসমীয়া পাঠকে শ ভক্ষণকাৰী শগুণক শুভংকৰৰ প্ৰতীক হিচাপে গ্ৰহণ কৰিব নে নকৰে। মৃত্যুদূত ফেঁচাৰ কথাতো আহিয়েই নপৰে। অনুবাদকে সম্মুখীন হোৱা ভাষা-সংস্কৃতিগত এনে সমস্যাৰ বেছ কিছু সমাধান এডোৱার্ড ছেইডে আগবঢ়াইছে। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য কেইটামান হ'ল, যেনে— আক্ষৰিক অনুবাদ, সমাৰ্থক সংস্কৃতিগত শব্দ আৰু প্ৰকাশভংগীৰ ব্যৱহাৰ, সমাৰ্থক ব্যাখ্যা, সমাৰ্থক শব্দ, টোকা, উহ্যিকৰণ ইত্যাদি।

সাংস্কৃতিক ভিন্নতাৰ হেতু বহু সময়ত উৎস ভাষা-সংস্কৃতিৰ কেতবোৰ শব্দ আৰু প্ৰকাশৰ কোনো সমাৰ্থক প্ৰতিশব্দ বা প্ৰকাশভংগী লক্ষ্য ভাষা-সংস্কৃতিত পোৱা নাযায়। এনে ক্ষেত্ৰত অনুবাদকে সততে মনত ৰাখিব লাগিব যে অনুবাদক হিচাপে তেওঁৰ মূল লক্ষ্য তথা উদ্দেশ্য হ'ল পাঠৰ অৰ্থৰ অনুবাদ, শব্দ বা বাক্যৰ নহয়।

৬) অনুবাদকৰ কাল আৰু স্থানৰ বিচ্ছিন্নতাৰ সমস্যা ঃ

And at a knight than wol I first bigynne.

A Knyght ther was, and a worthy man,
That fro the tyme that he first bigan
Triden out, he loved chivalrie,
Trouthe and honour, freedom and curteisie.
Ful worthy was he in his lordes were...

('General Prologue to the Cannterbury Tales' –Geoffrey Chaucer)

ওপৰত উল্লেখ কৰা কবিতাফাকিৰ ৰচক হৈছে আধুনিক ইংৰাজী কবিতাৰ পিতৃপুৰুষ জিঅ'ফ্ৰী ছ'চাৰ (চতুৰ্দশ শতিকা)। এই কবিতাটিত উল্লেখ হোৱা চৰিত্ৰসমূহৰ বৰ্ণনা যোদ্ধাজনৰ কথাৰে আৰম্ভ কৰিছে। ইয়াৰ ঘাই কাৰণ হ'ল— মধ্যযুগৰ ইংলেণ্ডত বিভিন্ন জাতি-উপজাতিৰ মাজত আৰু শত্ৰু দেশৰ লগত নিৰন্তৰ যুঁজ-বাগৰ হৈ আছিল। সেই হেতুকে সেই সময়ৰ আৰ্থ-সামাজিক পটভূমিত যোদ্ধাৰ সামাজিক গুৰুত্ব আছিল অপৰিসীম। সেয়েহে চতুৰ্দশ শতিকাৰ এই ইংৰাজী কবিতাটোত ধৰ্মযাজক, চিকিৎসক, ব্যৱসায়ী আদি বিভিন্ন বৃত্তিত জড়িত চৰিত্ৰৰ মাজত যোদ্ধাজনেই সৰ্বাধিক গুৰুত্ব লাভ কৰিছে। একবিংশ শতিকাৰ অসমীয়া পাঠকৰ বাবে কোনোবাই এইটো কবিতা অসমীয়া ভাষালৈ অনুবাদ কৰিলে লগত সেই সংক্ৰান্তীয় টোকা এটা সংযোগ কৰিব লাগিব। তাৰ বাহিৰে কবিতাটিৰ পটভূমি তথা তাত অন্তৰ্নিহিত হৈ থকা ভাব অসমীয়া ভাষাৰ মাধ্যমেৰে ধৰি ৰাখিবলৈ অনুবাদকজনৰ হাতত আন কিবা উপায় থাকিব বুলি ক'বলৈ টান।

ওপৰত কৰা আলোচনাত প্ৰাসংগিকভাৱে আমি পাই আহিছো যে উৎস পাঠ, তাৰ লেখক আৰু সেই পাঠৰ সাংস্কৃতিক পটভূমি ইত্যাদিৰ পৰা কাল আৰু স্থানৰ লেখেৰে অনুবাদকজনৰ অৱস্থিতি বহু যোজন নিলগত। সেয়ে হ'লেও, অনুবাদৰ বাবে হাতত তুলি লোৱা উৎস পাঠটোৰ সৈতে তেওঁ গভীৰভাৱে একাত্ম হ'ব পাৰিবই লাগিব। তাৰ বাহিৰে তেওঁৰ আন কোনো বিকল্প নাই। এই কাম কিন্তু সহজ নহয়। তাৰ বাবে অনুবাদকজনৰ গভীৰ অধ্যয়ন, অধ্যৱসায় আৰু মনন-ক্ষমতা থাকিব লাগিব। মুঠতে অনুবাদৰ ক্ষেত্ৰত উৎস পাঠৰ সৈতে অনুবাদকে বিশেষ একাত্মতা স্থাপন কৰাটো নিতান্তই প্ৰয়োজনীয় কথা। উৎস পাঠৰ সৈতে এনেদৰে একাত্ম হোৱাটো কিন্তু সহজ কথা নহয়। অনুবাদৰ ক্ষেত্ৰত নিঃসন্দেহে ই এক অতিশয় জটিল সমস্যা।

৭) **পাঠৰ গণতান্ত্ৰিকীকৰণৰ সমস্যা ঃ** অনুবাদ-কাৰ্যৰ এই সমস্যাটোক বহুতে উৎস পাঠ আৰু লক্ষ্য ভাষাৰ ৰাহি আৰু ঘাটি বা লাভ-লোকচানৰ লেখেৰেও আলোচনা কৰে। নিৰ্দিষ্ট ভাষা আৰু সংস্কৃতিৰ পৰিধি ভাঙি উদাৰতাৰে নিত্যনতুন পাঠকৰ মাজলৈ পাঠ এটাক লৈ যোৱাৰ হেতুকে অনুবাদ-কৰ্মক এক গণতান্ত্ৰিকীকৰণৰ প্ৰয়াস বোলা হয়। লাভ-লোকচানৰ দৃষ্টিৰে বিচাৰ কৰিলে অনুবাদ-কৰ্মৰ জৰিয়তে যিহেতু উৎস ভাষা-সংস্কৃতিৰ বিস্তৃতি বৃদ্ধি পায়, এতেকে এই সমগ্ৰ প্ৰক্ৰিয়াটো নিশ্চিতভাৱে লাভৰ ঘৰতে

থাকে বুলি সাধাৰণভাৱে অনুমান কৰি ল'ব পাৰি। কিন্তু কোনো কোনোৱে ইয়াৰ কেতবোৰ ঋণাত্মক দিশো লক্ষ্য কৰিছে। কেইগৰাকীমান প্ৰাচ্যতত্ত্ববিদ আৰু উপনিৱেশ কালৰ পিছৰ চিন্তাশীল ব্যক্তিয়ে অনুবাদ-কৰ্মত বিশেষকৈ প্ৰাচ্যৰ ভাষাসমূহলৈ হোৱা পশ্চিমীয়া সাহিত্যৰ অনুবাদত নব্য-সাংস্কৃতিক সাম্ৰাজ্যবাদৰ গোন্ধ স্পষ্টভাৱে লক্ষ্য কৰিছে। ক্ষুদ্ৰ ক্ষুদ্ৰ ভাষা-সাহিত্যৰ মৌলিকতা, ধাৰাবাহিকতা আৰু স্বকীয়তাত এনে অনুবাদ-কৰ্মই বিৰূপ প্ৰভাৱ পেলায় বুলি তেওঁলোকে আন্তৰিকতাৰে বিশ্বাস কৰে। এই ক্ষেত্ৰত পুৰ্বোল্লিখিত পণ্ডিত-গৱেষক এডোৱাৰ্ড ছেইডৰ নাম উল্লেখ কৰিব পাৰি। সম্ভৱতঃ তেৱেঁই যোৱা শতিকাৰ সত্তৰৰ দশকত পোন প্ৰথমবাৰৰ বাবে নব্য-সাংস্কৃতিক সাম্ৰাজ্যবাদৰ বিষয়টো উত্থাপন কৰিছিল। সি যি কি নহওক, অনুবাদৰ প্ৰসংগত হোৱা এনে বিতৰ্ক স্বাভাৱিকতে অনুবাদকৰ বাবে এক প্ৰধান সমস্যাৰূপে পৰিগণিত হৈছে। গতিকে অনুবাদক একোজনে অনুবাদ-কাৰ্যত ব্ৰতী হোৱাৰ পূৰ্বে অনুবাদ সম্পৰ্কীয় এই সকলোবোৰ দিশ ভালদৰে বিবেচনা কৰিহে লক্ষ্য ভাষাৰ বাবে কোন উৎস ভাষাৰ কেনে ধৰণৰ পাঠ অনুবাদৰ বাবে নিৰ্বাচন কৰা ভাল হ'ব তাক নিৰ্ণয় কৰিব লাগে। অন্যথা অনুবাদৰ 'গণতান্ত্ৰিকীকৰণ' প্ৰক্ৰিয়া তেওঁৰ হাতত পৰি নব্য সাম্ৰাজ্যবাদৰ আহিলাত পৰিণত হোৱাৰ সম্ভাৱনা থাকিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ অনুবাদক একোজন একে সময়তে ভাল পাঠক, সমালোচক আৰু লেখক হোৱা কিয় প্ৰয়োজন ফঁহিয়াই দেখুৱাওক। (১০০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ৪ ঃ অনুবাদৰ ক্ষেত্ৰত উদ্ভৱ হ'ব পৰা প্ৰধান সমস্যাসমূহ কি কি, আলোচনা কৰক। (১০০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ৫ ঃ নব্য সাম্ৰাজ্যবাদ কি? অনুবাদৰ প্ৰসংগত এডোৱাৰ্ড ছেইডে সম্পৰ্কহীন ভাষা-সংস্কৃতিগত সমস্যাৰ সমাধান কেনেদৰে আগবঢ়াইছে, বুজাই লিখক।

(১০০টা শব্দৰ ভিতৰত)

.....



অনুশীলনী

তলত উল্লেখ কৰা পাঠ দুটাৰ প্ৰথমটো অসমীয়ালৈ আৰু দ্বিতীয়টো ইংৰাজীলৈ অনুবাদ কৰক আৰু অনুবাদ কৰোঁতে আপুনি সন্মুখীন হোৱা

সমস্যাসমূহ চিহ্নিত কৰক।

১ নং পাঠ ঃ

ইংৰাজী ঃ (Thomas Hardy-ৰ *Tess of d'Urbervilles*-ৰ পৰা উদ্ধৃত)

'Songs were often resorted to in dairies herebout as an enticement to the cows when they showed signs of withholding their usual yield; and the band of milkers at this request burst into melody– in purely business-like tones, it is true, and with no great spontaneity; the result, according to their own belief, being a decided improvement during the song's continuance. When they had gone through fourteen or fifteen verses of a cheerful ballad about a murderer who was afraid to go to bed in the dark because he saw certain brimstone flames around him, one of the male milkers said–'

২ নং পাঠ ঃ

অসমীয়া পাঠ ঃ (সত্যনাথ বৰাৰ *সাৱথি*ৰ অন্তৰ্গত 'অন্যৰ প্ৰতি ব্যৱহাৰ'ৰ পৰা উদ্ধৃত)

'মিঠা মাত ব্যৱহাৰ প্ৰণালীৰ ঘাই মন্ত্ৰ। স্বভাৱত বহুত দোষ থাকিলেও মিঠা মাতৰ গুণত সৰবৰহী হ'ব পাৰি। তোমালৈ আনৰ মৰম ভক্তি জন্মোৱা সজ ব্যৱহাৰৰ মুখিয়াল উদ্দেশ্য। ব্যৱহাৰত মিঠা মাতৰ নাটনি হ'লে সেই উদ্দেশ্য সিদ্ধি নহয়। মিঠা মাত ব্যৱহাৰৰ কলপ বা ৰহণৰ নিচিনা। গঢ়ত প্ৰতিমা বিতোপন হ'লেও, ৰহণ নলগালে শুৱনি নহয়। সেইদৰে সজ ব্যৱহাৰত মিঠা মাতৰ ৰহণ নিদিলে সি মানুহৰ মনত সন্তোষ লগাব নোৱাৰে। মিঠা বস্তুৰ কলপ লগাইহে বেজেও অকটা দৰব ৰুগীয়াক দিয়ে।'



৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰাৰ অন্তত আমি—

- অনুবাদ-অধ্যয়নৰ এক সম্যক পৰিচয় লাভ কৰিবলৈ সমর্থ হ'লো।
- অনুবাদৰ পৰিসৰ সম্বন্ধে জানিবলৈ সমর্থ হ'লো।
- অনুবাদ-কর্মত থকা উৎস পাঠ আৰু লক্ষ্য পাঠৰ বিষয়ে বুজিব পাৰিলো।
- অনুবাদৰ বিভিন্ন দিশ আৰু পদক্ষেপৰ বিষয়ে অৱগত হ'লো।
- অনুবাদৰ প্ৰকাৰ সম্বন্ধে সম্যক জ্ঞান লাভ কৰিব পাৰিলো।
- পৰিশেষত অনুবাদ-কর্মৰ ক্ষেত্ৰত দেখা দিব পৰা সম্ভাব্য সমস্যা আৰু সিৰোৰৰ নিৰাময়ৰ উপায়বোৰৰ বিষয়ে বুজিব পাৰিলো।



৩.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) মেধি, ৰমেন (সম্পা.) (২০১২); *ভাষা সাহিত্য চিন্তা;* ডিব্ৰুগড়, গুৱাহাটী, বনলতা।

ইংৰাজী গ্ৰন্থ ঃ

২) Bessnett, Sussan (2002); *Translation Studies;* London and Newyork, Routledge.

৩) Konwar, Aparna (Ed.) (2004); *Journal of the Department of Assamese;* Dibrugarh University.

৪) Lawrence Venuti (Ed.) (2000); *The Translation Studies Reader;* London and New York, Routledge.

৫) Mukherjee, Sujit (1994); *Translation as Discovery; Hyderabad, Orient Longman.*



৩.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ ৰোমান জেক'বছনে অনুবাদ-কৰ্মক ....। আনহাতে গিডঁ ট'ৰী নামৰ পণ্ডিত এগৰাকীয়ে .... অনুবাদৰ শ্ৰেণীবিভাজন .... কৰিছে।

২নং প্ৰশ্নৰ উত্তৰ ঃ অনুবাদৰ সৈতে জড়িত দিশবোৰ হ'ল ....।

৩নং প্ৰশ্নৰ উত্তৰ ঃ অনুবাদক একোজন একে সময়তে .... ভাল পাঠক .... সমালোচক .... লেখক হোৱা প্ৰয়োজন।

৪নং প্ৰশ্নৰ উত্তৰ ঃ অনুবাদৰ ক্ষেত্ৰত উদ্ভৱ হ'ব পৰা প্ৰধান সমস্যাসমূহ হ'ল ....।

৫নং প্ৰশ্নৰ উত্তৰ ঃ নব্য সাম্ৰাজ্যবাদ হ'ল .... পৃথিৱীৰ সাম্ৰাজ্যবাদী দেশসমূহে .... থলুৱা ভাষা-সংস্কৃতিৰ .... কৰা আক্ৰমণ। .... এডোৱাৰ্ড ছেইডে সম্পৰ্কহীন ভাষা-সংস্কৃতিজনিত সমস্যাৰ সমাধানৰ ক্ষেত্ৰত .... আগবঢ়াইছে।



৩.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অনুবাদৰ পৰিসৰৰ বিষয়ে এটি বিশ্লেষণাত্মক টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ২ ঃ অনুবাদৰ লগত জড়িত সাংস্কৃতিক দিশবোৰৰ সৈতে সম্পৰ্কিত বিভিন্ন সমস্যাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ অনুবাদৰ ভাষাগত সমস্যাকেইটিমান উল্লেখ কৰি সিবোৰৰ সম্ভাব্য সমাধান সূত্ৰ নিৰ্ণয় কৰক।

প্ৰশ্ন ৪ ঃ আত্মিক সম্পৰ্কহীন ভাষা-সংস্কৃতিৰ মাজত অনুবাদ কাৰ্য সূচাৰুৰূপে সম্পন্ন কৰিবলৈ এডোৱাৰ্ড ছেইডে কেনে পৰামৰ্শ আগবঢ়াইছে বুজাই লিখক।

প্ৰশ্ন ৫ ঃ নব্য সাম্ৰাজ্যবাদ বুলিলে কি বুজা যায়? এই ক্ষেত্ৰত আপোনাৰ ধাৰণা ব্যক্ত কৰি অনুবাদৰ ক্ষেত্ৰত ই কেনে প্ৰভাৱ পেলাব পাৰে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ অসমীয়া অনুবাদ সাহিত্যৰ পৰম্পৰা

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ অসমীয়া অনুবাদ সাহিত্য
৪.৩.১ প্ৰাচীন যুগ
৪.৩.২ আধুনিক যুগ
৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৫ অধিক জানিবলৈ
৪.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৪.৭ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া অনুবাদ-সাহিত্যৰ পৰম্পৰা সম্পৰ্কে বিশদভাৱে আলোচনা কৰিব পাৰিব
- অসমীয়া ভাষা-সাহিত্যৰ বিকাশত অসমীয়া অনূদিত সাহিত্যৰ ভূমিকা সম্পৰ্কে বিশ্লেষণ কৰিব পাৰিব
- অসমীয়া সাহিত্যৰ বিশিষ্ট অনুবাদকসকলৰ অনুবাদ-কৃতি আৰু অনুবাদ-নীতি সম্পৰ্কে খৰচি মাৰি বিশ্লেষণ কৰিব পাৰিব
- অসমীয়া অনুবাদ-কৰ্মৰ পৃষ্ঠভূমিত ক্ৰীয়াশীল উপাদান— অনুবাদক, পৃষ্ঠপোষক আৰু সমকালীন সমাজ সম্পৰ্কে ব্যাখ্যা আগবঢ়াব পাৰিব
- পুৰণি আৰু আধুনিক যুগৰ অসমীয়া অনূদিত সাহিত্যৰ তুলনামূলক আলোচনা বিস্তৃতভাৱে দাঙি ধৰিব পাৰিব
- উৎস ভাষাৰ সাহিত্য-সমাজ সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।

৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া, চতুৰ্থ ষাণ্মাসিকৰ সাহিত্য শাখাৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা ষোড়শ পাঠ্যবিষয় 'অনুবাদ সাহিত্য আৰু নিৰ্বাচিত সাহিত্যিকৰ সাহিত্য অধ্যয়ন'ৰ প্ৰথম খণ্ড 'অনুবাদ সাহিত্য'ৰ এইটো তৃতীয় তথা শেষ অধ্যায়। ইয়াৰ শিৰোনাম 'অসমীয়া অনুবাদ সাহিত্যৰ পৰম্পৰা'। ইয়াত ধাৰাবাহিক ক্ৰমত অসমীয়া অনুবাদ সাহিত্যৰ উদ্ভৱ, বিকাশ আৰু শ্ৰীবৃদ্ধিৰ সম্পৰ্কে আলোচনা কৰা হৈছে।

খ্ৰীঃ দশম-একাদশ শতিকামানৰ পৰা অসমীয়া লিখিত সাহিত্যৰ ইতিহাস পোৱা যায়। কিন্তু প্ৰকৃত অসমীয়া লিখিত সাহিত্যৰ ইতিহাস আৰম্ভ হৈছে— ত্ৰয়োদশ শতিকাৰ শেষ বা চতুৰ্দশ শতিকাৰ আদি ভাগতহে। এই ইতিহাসৰ শুভাৰম্ভ হয় অনুবাদ সাহিত্যৰ যোগেদি। জনসাধাৰণৰ মাজত অনানুষ্ঠানিক শিক্ষাৰ প্ৰচাৰৰ উদ্দেশ্যে, কামৰূপ-কমতা ৰাজ্যৰ কিছুসংখ্যক ৰজাই অনুবাদ সাহিত্যৰ পৃষ্ঠপোষকতা কৰে আৰু এই প্ৰচেষ্টাই অসমীয়া সাহিত্যৰ সুদৃঢ় ভেটি নিৰ্মাণ কৰে। পৰৱৰ্তী কালত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক কেন্দ্ৰ কৰি গঢ় লোৱা বৈষ্ণৱ শাস্ত্ৰসমূহৰ অনুবাদ-চৰ্চাই অসমীয়া সাহিত্যক বিশালতা আৰু গভীৰতা দান কৰে। আহোম ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ পৃষ্ঠপোষকতাত ভিন্ন ৰুচি আৰু প্ৰকৃতিৰ যথেষ্ট সংখ্যক সাহিত্য অনূদিত হয়। ঐহিক জীৱনমুখী ব্যৱহাৰিক সাহিত্যৰ অনুবাদৰ সূচনাই এটি ভিন্ন সুঁতিৰ জন্ম দিয়ে। গতিকে, অসমীয়া সাহিত্যৰ পুৰণি যুগটো একপ্ৰকাৰ অনুবাদ সাহিত্যৰে যুগ। আধুনিক যুগত পাশ্চাত্য সাহিত্যৰ পঠন-পাঠনে অসমীয়া অনূদিত সাহিত্যত বিচিত্ৰতা দান কৰে। পাশ্চাত্যৰ বিভিন্ন ভাবধাৰা, মতবাদ আৰু ভিন্ন শৈলী বা আংগিকৰ প্ৰচাৰৰ বাবে যথেষ্ট সংখ্যক গ্ৰন্থ অনুবাদ কৰা হয়। অসমীয়া অনুবাদ সাহিত্যৰ গতি-প্ৰকৃতিৰ বিশদ আলোচনা এই অধ্যায়টিত আগবঢ়োৱা হ'ব।

৪.৩ অসমীয়া অনুবাদ সাহিত্য

খ্ৰীঃ দশম শতিকামানৰ পৰা স্বতন্ত্ৰ ৰূপ ল'বলৈ ধৰা অসমীয়া ভাষাই মৌখিক সাহিত্যৰ মাজেদি ক্ৰমবিকাশৰ পথত আগবাঢ়ে। আপুনি এই কথা নিশ্চয় জানিবলৈ পাইছে যে, পুৰণি অসমত নানা ভাষা-ভাষী জনগোষ্ঠীৰ মাজত অসমীয়া ভাষাই সংযোগী ভাষাৰ ভূমিকা গ্ৰহণ কৰিছিল। তৎকালীন সময়ছোৱাত অসমীয়া ভাষাক সাহিত্যিক ভাষা হিচাপে প্ৰতিষ্ঠিত কৰাৰ প্ৰয়াস আৰম্ভ হৈছিল। সেইখন সমাজত অধিকাংশ লোকেই আছিল নিৰক্ষৰ বা অল্পাক্ষৰী। তেওঁলোকক সুৰুচিপূৰ্ণ আৰু জ্ঞানী কৰি তুলিবৰ উদ্দেশ্যে প্ৰাচীন কামৰূপ-কমতাৰ ৰজা কিছুমানে সভা-কবি নিয়োগ কৰিছিল। ৰাজকবিসকলে আৰ্য-সংস্কৃতিৰ মহাকাব্য— 'ৰামায়ণ', 'মহাভাৰত'ৰ আখ্যান অসমীয়ালৈ অনুবাদ কৰি মহাভাৰতীয় সাংস্কৃতিক আদৰ্শ, মূল্যবোধ আদি জনগণৰ মাজত প্ৰচাৰ কৰিছিল। প্ৰাক্-শংকৰী যুগৰ এই অনূদিত সাহিত্যৰ ভূমিকা অসমীয়া ভাষা-সাহিত্য আৰু সমাজ-জীৱনত সুদূৰপ্ৰসাৰী। পৰৱৰ্তী সময়ত সৰ্বভাৰতীয় নৱ-বৈষ্ণৱ আন্দোলনৰ প্ৰচাৰেৰে অসমীয়া ভাষা-সাহিত্য, সমাজ-সংস্কৃতিত অভিনৱ ৰূপান্তৰ আনে মহাপুৰুষ শংকৰদেৱে। শংকৰদেৱৰ নেতৃত্বত বহু অনুগামীয়ে সৰ্বভাৰতীয় বৈষ্ণৱ-শাস্ত্ৰ, পুৰাণ আদি অসমীয়া ভাষালৈ বিপুলভাৱে অনুবাদ কৰে। ফলত অনুবাদ আৰু মৌলিক সাহিত্যৰ যোগেদি অসমীয়া সাহিত্যই পৰিপূৰ্ণতা লাভ কৰে আৰু স্বৰ্ণযুগ এটিৰ সৃষ্টি হয়। পৰৱৰ্তী শংকৰোত্তৰ যুগটো একপ্ৰকাৰ ৰামায়ণ, মহাভাৰত আৰু বিভিন্ন পুৰাণৰ অনুবাদৰ যুগ বুলিয়ে ক'ব পাৰি। সত্ৰীয়া আৰু ৰজাঘৰীয়া পৃষ্ঠপোষকতাত অসমীয়া অনুবাদ সাহিত্যৰ বৈচিত্ৰ্য বাঢ়ে। অৰুনোদই যুগত বেপ্টিষ্ট মিছনেৰীসকলে খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ অৰ্থে বাইবেলৰ বহু আখ্যান আৰু স্তুতিগীত অসমীয়ালৈ

অনুবাদ কৰে। লগতে সৃষ্টিধর্মী সাহিত্যৰ অনুবাদে অসমীয়া সাহিত্যলৈ পাশ্চাত্য সাহিত্যৰীতিৰ আগমন ঘটায়। ১৮৮৯ চনৰ পৰা প্রকাশিত *জোনাকী* আৰু পৰৱর্তী সংবাদ-পত্র তথা আলোচনী *বাঁহী* (১৯০৯), *উষা* (১৯০৭) আদিয়ে পাশ্চাত্য ভাবধাৰা আৰু সাহিত্যৰ শৈলী প্রচাৰ কৰি সকলো শাখাৰে সৈতে অসমীয়া সাহিত্যক সুপ্রতিষ্ঠিত কৰে। ইতিমধ্যে বিশ্বত ভিন্ন ৰাজনৈতিক, সামাজিক, অর্থনৈতিক পৰিস্থিতিয়ে নিত্যনতুন জ্ঞান-অভিজ্ঞতাৰ জন্ম দিয়ে। অভিজ্ঞতাৰ বৈবিধ্য আৰু বৈচিত্র্যই ভিন্ন শৈলী তথা প্রকৃতিৰে সাহিত্য জগতত অভিব্যক্তি লাভ কৰে। বিশ্বত 'বিশ্ব-সাহিত্য' ধাৰণাৰ উদ্ভৱ হ'ল। তুলনামূলক সাহিত্যৰ যোগেদি ক্রমাৎ অনুবাদৰ প্রাসংগিকতাও বাঢ়িল। অসমীয়া ভাষালৈ বিশ্বৰ ভিন্ন প্রান্তৰ ভিন্ন সাহিত্যৰ অনুবাদ হ'বলৈ ধৰিলে। তৎসত্ত্বেও বিশ্বৰ বিপুল সংখ্যক সাহিত্যৰ তুলনাত অসমীয়া ভাষাত অনূদিত সাহিত্যৰ পৰিমাণ তাকৰীয়া হৈ আছে। গতিকে, সাম্প্রতিক যুগত অসমীয়া সাহিত্যত অনুবাদৰ যথেষ্ট অৱকাশ আছে।

৪.৩.১ প্রাচীন যুগ

- **প্রাক্ শংকৰী যুগ ঃ** প্রাক্শংকৰী যুগৰ সময়ছোৱাত পুৰণি অসম বহুতো সৰু সৰু ৰাজ্যত বিভক্ত আছিল। বিভিন্ন জনগোষ্ঠীৰ ৰজা আৰু প্রজাই এই ৰাজ্যসমূহত বসবাস কৰিছিল। যদিও তেওঁলোকৰ নিজা নিজা জনগোষ্ঠীয় ভাষা আছিল, তথাপি অসমীয়া ভাষাই তেওঁলোকৰ মাজত সংযোগী ভাষাৰ ভূমিকা গ্রহণ কৰিছিল। এই সংযোগী অসমীয়া ভাষাই ইতিমধ্যে আদি বা বৌদ্ধ যুগত চর্যাপদ, মন্ত্রসাহিত্য আদি ৰচনাৰ যোগেদি সাহিত্যিক ভাষা হিচাপে গঢ় ল'বলৈ ধৰিছিল। গতিকে, অসমীয়া ভাষা-সাহিত্যক সুপ্রতিষ্ঠিত কৰিবলৈ ব্যাপক সাহিত্য ৰচনা কৰা বা অন্য ভাষাৰ পৰা অনুবাদ কৰাৰ যথেষ্ট প্রয়োজনীয়তাই দেখা দিছিল।

  প্রাক্ শংকৰী যুগত কামৰূপ-কমতা আৰু কছাৰী ৰাজ্যই আছিল সাহিত্য চর্চাৰ প্রধান কেন্দ্রস্থল। এই সময়ছোৱাত দুর্লভ নাৰায়ণ, ধর্মনাৰায়ণ, ইন্দ্রনাৰায়ণ, তাম্রধ্বজ, আৰিমত্ত আদি বহু ৰজাই ৰাজত্ব কৰিছিল। তেওঁলোকৰ মাজৰ কিছু সংখ্যক ৰজাৰ পৃষ্ঠপোষকতাত সংস্কৃত ৰামায়ণ আৰু মহাভাৰতৰ বহু আখ্যান অসমীয়ালৈ অনুবাদ কৰা হৈছিল। এই অনুবাদৰ মূল উদ্দেশ্য আছিল লোকশিক্ষা প্রচাৰ কৰা, কাৰণ সেইখন সমাজত আনুষ্ঠানিক শিক্ষাৰ বিশেষ প্রসাৰ ঘটা নাছিল। সংস্কৃত ভাষাৰ মাধ্যমত টোলসমূহত শিক্ষা প্রদান কৰা হৈছিল। টোল আৰু শিক্ষার্থীৰ সংখ্যা আছিল যথেষ্ট কম। সমাজৰ গৰিষ্ঠ সংখ্যক লোকেই নিৰক্ষৰ আছিল। মহাকাব্যৰ উচ্চ আদর্শ, নৈতিকতা, মূল্যবোধ আদি সমাজৰ নিৰক্ষৰ মানুহৰ মাজত প্রচাৰ কৰি তেওঁলোকক জ্ঞানী কৰি তুলিব বিচাৰিছিল। অপ্রমাদী কবি মাধৱ কন্দলীয়ে কৈছে—

  "কবিৰাজ কন্দলিয়ে আমাকেসে বুলিবয়
  কৰিলোহো সর্বজনবোধে।

ৰামায়ণ সুপয়াৰ শ্রীমহামাণিক্য যে
ৰৰাহ ৰাজাৰ অনুৰোধে।।"

তেনেদৰে শংকৰী যুগৰ কবি অনন্ত কন্দলীয়ে কৈছে—

"শ্লোক-সংস্কৃতে আমি লিখিবাক ভাল জানি
তথাপি কৰিবো পদবন্ধ।
স্ত্রী-শূদ্র আদি য'ত জানোক পৰম তত্ত্ব
শ্রৱণত মিলয় আনন্দ।।"

ইয়াৰ ফলশ্রুতিতে অসমীয়া সাহিত্যত প্রথমবাৰৰ বাবে অনুবাদ সাহিত্যৰ উন্মেষ ঘটে। প্রাক্ শংকৰী যুগৰ অনুবাদ কার্যক আমি এটি ত্রিভুজ চিত্রৰে এনেদৰে দেখুৱাব পাৰো—



পৃষ্ঠপোষক ৰজা বা ডা-ডাঙৰীয়া

গতিকে দেখা যায়, অনুবাদ কার্যৰ পশ্চাৎভূমিত বিভিন্ন কাৰক ক্রিয়াশীল হৈ আছে। তৎকালীন সমাজৰ অনুবাদ চর্চাৰ পৰম্পৰা অধ্যয়নৰ ক্ষেত্রত সেই কাৰকসমূহৰ বিচাৰ-বিশ্লেষণ এক অতি প্রয়োজনীয় কার্য। তেতিয়াহে সেই অনুবাদ কার্যৰ প্রকৃতি সহজবোধ্য হ'ব।

এই অনুবাদ কর্মৰ প্রকৃতিলৈ চকু দিলে স্বাভাৱিকতে প্রশ্ন হয়— অসমীয়া সাহিত্যৰ আদি যুগত (বৌদ্ধ যুগ) বৌদ্ধ ধর্মমূলক সাহিত্য ৰচনাৰ পৰম্পৰা থকাৰ পিছতো প্রাক্ শংকৰী যুগত কিয় ভাৰতীয় আর্য সংস্কৃতিৰ মহাকাব্যহে অনূদিত হৈছিল?

এই প্রশ্নৰ উত্তৰ বিচাৰিবলৈ আমি পূর্বকালীন অসমীয়া সমাজ-জীৱনলৈ চকু দিব লাগিব। আপুনি নিশ্চয় এই কথা ইতিমধ্যে জানিবলৈ পাইছে যে প্রাগ্ঐতিহাসিক কালৰ পৰা ভাৰতীয় সমাজৰ সৈতে অসমৰ এটি সুসম্পর্ক আছিল। নৰকাসুৰ-ভগদত্তৰ আখ্যান, সমুদ্রগুপ্তৰ এলাহাবাদ ফলি, ভাস্কৰ বর্মাৰ সৈতে হর্ষবর্দ্ধনৰ বন্ধুত্ব আদিৰ প্রসংগই সেই কথা প্রমাণ কৰে। সেইসূত্রে মহাভাৰতীয় সমাজৰ সংস্কৃতি, ৰাজনীতি, সাহিত্য-চেতনা আদি অসমীয়া সমাজত নিশ্চয় সম্প্রসাৰণ হৈছিল। নৰকাসুৰক প্রমুখ্য কৰি পৰৱর্তী বহুতো ৰজাই প্রাগ্জ্যোতিষ-কামৰূপত আর্য-সংস্কৃতিৰ প্রচাৰ কৰিছিল। অনার্য জনগোষ্ঠীৰ বাসভূমি কামৰূপত লাহে লাহে বিভিন্ন জনগোষ্ঠীৰ মাজত হিন্দুধর্ম আৰু সংস্কৃতিৰ প্রভাৱ সোমাবলৈ

ধৰিছিল। অর্থাৎ অনার্যৰ বাসভূমিত আর্যীকৰণ প্রক্রিয়া চলি আছিল। ইয়াৰ ফলস্বৰূপেই মধ্যকালীন অসমীয়া সমাজত আমি দুখন সমাজৰ অস্তিত্ব দেখিবলৈ পাওঁ— এখন হিন্দু ধর্মাৱলম্বী বা আর্য-সংস্কৃতিৰ সমাজ আৰু আনখন হিন্দুধর্মৰ বাহিৰৰ জনজাতীয় সমাজ। বহু জনগোষ্ঠীয়ে আনুষ্ঠানিকভাৱে হিন্দুধর্ম গ্রহণ নকৰিলেও হিন্দু ধর্মৰ দ্বাৰা প্রভাৱান্বিত হ'বলৈ ধৰিছিল। এইক্ষেত্রত হিন্দু সংস্কৃতিৰ দ্বাৰা প্রভাৱান্বিত ৰজাসকলৰ পৃষ্ঠপোষকতাই ইয়াৰ সম্প্রসাৰণত সহায় কৰিছিল। উদাহৰণস্বৰূপে, দুর্লভ নাৰায়ণ ৰজাৰ প্রসংগলৈ আঙুলিয়াব পাৰি। আপুনি কমতাপুৰ ৰাজ্যৰ ইতিহাস সম্পর্কীয় তথ্যৰ পৰা নিশ্চয় জানিবলৈ পাইছে যে, দুর্লভ নাৰায়ণ আৰু ধর্মনাৰায়ণ ৰজাৰ মাজত যি যুদ্ধ হৈছিল তাৰ পৰিণতিত ধর্মনাৰায়ণ ৰজাই দুর্লভ নাৰায়ণৰ ৰাজ্যলৈ চণ্ডীবৰক প্রমুখ্য কৰি সাতঘৰ ব্রাহ্মণ আৰু সাতঘৰ কায়স্থ পৰিয়াল পঠিয়াবলগীয়া হৈছিল। সেই কথাটোৱে প্রমাণ কৰে যে, সেই সময়ৰ কমতাৰ ৰজা দুর্লভনাৰায়ণ আর্য-সংস্কৃতিৰ প্রতি অনুৰাগী আছিল। আর্য-সংস্কৃতিৰ মহাকাব্য ৰামায়ণ, মহাভাৰত আদি গ্রন্থৰ আখ্যানে তেওঁলোকক প্রভাৱান্বিত কৰিছিল।

প্রাক্-শংকৰী যুগৰ অনূদিত সাহিত্যৰ ক্ষেত্রত হেম সৰস্বতীৰ নাম পোনতে ল'ব লাগিব। কমতাধিপতি দুর্লভনাৰায়ণৰ পৃষ্ঠপোষকতাত *বামন-পুৰাণ*ৰ পৰা আখ্যান লৈ হেম সৰস্বতীয়ে *প্রহ্লাদ-চৰিত্র* নামৰ কাব্য ৰচনা কৰে। ই মূলৰ আংশিক অনুবাদহে; কিয়নো *বামন-পুৰাণ*ৰ অন্তর্গত *প্রহ্লাদ-চৰিত্র* আখ্যানটোহে কেৱল কবিয়ে অনুবাদৰ বাবে নির্বাচন কৰিছে। কিন্তু মন কৰিবলগীয়া কথাটো হৈছে যে, 'হেম সৰস্বতীয়ে *বামন-পুৰাণ*ৰ পৰা প্রহ্লাদ চৰিতৰ ঘটনা লোৱা বুলি উল্লেখ কৰিছে যদিও বর্তমান প্রচলিত বামন পুৰাণত বিষ্ণুৰ নৰসিংহ অৱতাৰ গ্রহণ আৰু শিশু প্রহ্লাদৰ বিষ্ণুভক্তিৰ বিৱৰণ নাই। চতুর্দশ শতিকাত প্রচলিত *বামন পুৰাণ*ত হয়তো এই আখ্যান সংযুক্ত আছিল। কোনো কোনো পণ্ডিতৰ মতে *বামন পুৰাণ* নামে এখন মহাপুৰাণ আছিল। সেইখন সম্পূর্ণই লুপ্ত পালে। বর্তমান প্রচলিত *বামন পুৰাণ* এখন উপ-পুৰাণ মাত্র।' কাব্যখন অসমীয়া পাঠক আৰু অসমীয়া সংস্কৃতিৰ প্রতি চকু ৰাখি ৰচনা কৰিছে।

কমতাৰাজ দুর্লভনাৰায়ণৰ পুত্র ইন্দ্রনাৰায়ণৰ পৃষ্ঠপোষকতাত, কবিৰত্ন সৰস্বতীয়ে মহাভাৰতৰ *দ্রোণ পর্ব্ব* অন্তর্গত *জয়দ্রথ বধ*ৰ কাহিনীটো অসমীয়ালৈ ভাঙনি কৰে। তেনেদৰে কামৰূপৰ ৰজা তাম্রধ্বজৰ পৃষ্ঠপোষকতাত ৰুদ্র কন্দলীয়ে মহাভাৰতৰ *জয়দ্রথ* উপপর্বৰ অন্তর্গত *সাত্যকীৰ প্রৱেশ* ঘটনাটোক অসমীয়া ৰূপ প্রদান কৰে। কবিয়ে অনুবাদ-কার্যত মূল মহাভাৰতৰ বিৱৰণৰ বঢ়া-টুটা কৰিছে যদিও মূলৰ পৰা চকু আঁতৰাই নিয়া নাই। আন এগৰাকী কবি হৰিবৰ বিপ্রই দুর্লভ নাৰায়ণৰ পৃষ্ঠপোষকতাত, জৈমিনীয় মহাভাৰতৰ *অশ্বমেধিক পর্বত* থকা

দুটি আখ্যান অসমীয়ালৈ অনুবাদ কৰে। কাব্য দুখন হ'ল— *বভ্রুবাহনৰ যুদ্ধ* আৰু *লৱ-কুশৰ যুদ্ধ*। জৈমিনীয় ভাৰতৰ পৰা লোৱা কবিৰ আন এটি অনূদিত আখ্যান হ'ল *তাম্রধ্বজৰ যুদ্ধ*।

কবিয়ে জৈমিনীয় ভাৰতৰ আখ্যান যথাসম্ভৱ অবিকৃতকৈ ৰাখি অসমীয়া সমাজ-সংস্কৃতি আৰু পাঠকগোষ্ঠীৰ উপযোগীকৈ অনুবাদ কৰিছে। স্থানবিশেষে বর্ণনাৰ বঢ়া-টুটা কৰিছে, মূলত নথকা কথাও দুই-এটা সংযোগ কৰিছে, নতুবা মূলৰ কিছু কথা বাদ দিছে। একোটা পৰিবেশ-পৰিস্থিতি ঘৰুৱা কথাৰ যোগেদি দাঙি ধৰিছে। এই ক্ষেত্ৰত *বভ্রুবাহনৰ যুদ্ধ* কাব্যৰ অন্তর্গত মণিপুৰ নগৰৰ বিৱৰণৰ প্ৰসংগলৈ আঙুলিয়াব পাৰি।

প্ৰাক্-শংকৰী যুগৰ শ্ৰেষ্ঠ কবি মাধৱ কন্দলীয়ে, কছাৰী জাতিৰ বৰাহী শাখাৰ হিন্দু ভাবাপন্ন মহামাণিক্য ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। অসমীয়া সাহিত্যত কন্দলীয়ে পোন প্ৰথমবাৰৰ বাবে পূৰ্ণাংগ অনুবাদৰ পাতনি মেলে। বাল্মীকিৰ *ৰামায়ণখন* অসমীয়া ভাষালৈ অনুবাদ কৰি উত্তৰ ভাৰতৰ প্ৰান্তীয় ভাষাৰ ভিতৰতে প্ৰথম অনূদিত ৰামায়ণ হিচাপে স্বীকৃতি লাভ কৰে। ইয়াৰ পৰাই অসমীয়া অনূদিত সাহিত্যৰ চহকী পৰম্পৰাৰ বিষয়ে অৱগত হ'ব পাৰি। কন্দলীৰ অনুবাদ নীতি সম্পৰ্কে বিশিষ্ট সমালোচক শশী শর্মা কৈছে, 'তেওঁ আক্ষৰিক অনুবাদ কৰিছে খুব কম, মূল কাহিনী বাল্মীকিৰ পৰা গ্ৰহণ কৰি নিজস্ব ৰুচি আৰু অনুভূতি অনুসৰি, তেওঁ তেওঁৰ সমকালীন অসমীয়া সমাজৰ উপযোগীকৈ ৰামায়ণৰ পদ ৰচনা কৰিছিল। তেওঁৰ ৰামায়ণ ৰচনাৰ মূল নীতি হ'ল— 'লম্ভা পৰিহৰি সাৰোদ্ধৃতে'। এই ৰীতি তেওঁ প্ৰায়ে সযতনে ৰক্ষাও কৰিছে। কিন্তু আৱশ্যক বোধে ঠায়ে ঠায়ে তেওঁ এই ৰীতিৰ ব্যতিক্ৰম নঘটোৱাকৈ থকা নাই। অৱশ্যে তেওঁ এই কথাও ঘোষণা নকৰাকৈ থকা নাই— 'কতো নিজ কতো লম্ভা কথা অনুসাৰে।' কন্দলীৰ অনুবাদ-নীতিয়ে অসমীয়া অনুবাদ সাহিত্যৰ নীতি কেনে হোৱা উচিত তাৰ পথ প্ৰদর্শন কৰে। বিংশ শতিকাত প্ৰাধান্য লাভ কৰা যোগাযোগমূলক বা সৃষ্টিমূলক অনুবাদ নীতি সুদূৰ চতুর্দশ শতিকাতে প্ৰয়োগ কৰি কন্দলীয়ে অসমীয়া অনুবাদ সাহিত্যক গৌৰৱান্বিত কৰি থৈ গৈছে। এই অনুবাদ নীতিৰ প্ৰভাৱৰ পৰা পৰৱর্তী কালৰ কবিসকল মুক্ত হ'ব পৰা নাই।

প্ৰাক্-শংকৰী যুগৰ অসমীয়া অনূদিত সাহিত্যৰ ভূমিকা আৰু বৈশিষ্ট্যবোৰ হ'ল—

- অসমীয়া অনূদিত সাহিত্যৰ শুভাৰম্ভণি হয়।
- এই সময়ছোৱাত মহাভাৰতীয় সাহিত্য— *ৰামায়ণ, মহাভাৰত* আদিৰ পূৰ্ণাংগ বা আংশিক অনুবাদ হোৱা দেখা যায়। উত্তৰ ভাৰতৰ প্ৰাদেশিক ভাষাবোৰৰ ভিতৰত প্ৰথম অনূদিত ৰামায়ণ হিচাপে মাধৱ কন্দলীৰ *ৰামায়ণে* গৌৰৱ অর্জন কৰে।

- মহাভাৰতীয় সাহিত্য-সমাজ-সংস্কৃতিৰ সৈতে অসমৰ সম্পৰ্ক গভীৰ হয়।
- এই সময়ছোৱাৰ সাহিত্যত মুখ্যতঃ ভাবানুবাদ বা সাৰানুবাদ আৰু স্থানভেদে আক্ষৰিক অনুবাদ হোৱা দেখা যায়।
- এই যুগৰ অনূদিত সাহিত্যৰ উৎস ভাষা আছিল সংস্কৃত।
- অনূদিত সাহিত্যই প্ৰাক্‌শংকৰী যুগত কেন্দ্ৰীয় ভূমিকা গ্ৰহণ কৰিছিল।
- এই অনূদিত সাহিত্যৰ মূল উদ্দেশ্য আছিল লোকশিক্ষা পৃষ্ঠপোষক ৰজাই কেৱল চিত্ত-বিনোদনৰ ওপৰতে গুৰুত্ব নিদি সমসাময়িক সমাজৰ প্ৰয়োজনীয়তাৰ ফালে মনোযোগ দিছিল।
- মহাভাৰতীয় আৰ্য-সংস্কৃতিৰ উচ্চ মূল্যবোধ, নৈতিকতা, সাংস্কৃতিক চেতনাৰে অসমীয়া জনগণ জ্ঞানী হৈ উঠিছিল।
- প্ৰথম স্তৰৰ অনূদিত সাহিত্যই পৰৱৰ্তী কালৰ অনুবাদ সাহিত্যৰ অনুবাদ নীতি সম্পৰ্কে এটি পথৰ চানেকি দাঙি ধৰিছিল। স্থান-কাল-পাত্ৰৰ প্ৰতি লক্ষ্য ৰাখি অনুবাদ নীতি গ্ৰহণ কৰিছিল।
- এই অনুবাদ সৃষ্টিধৰ্মী গুণৰ বাবে মৌলিক সাহিত্যৰ নিচিনা আছিল।
- অসমীয়া ভাষাক নানা জনগোষ্ঠীৰ মাজত সংযোগী ভাষা আৰু সাহিত্যিক ভাষা হিচাপে মৰ্যাদা প্ৰদানত অনূদিত সাহিত্যই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।
- সংস্কৃত ভাষাৰ পৰা অনুবাদ কৰোঁতে অনুবাদকে মূল গ্ৰন্থৰ ৰচকৰ অনুমতি লোৱাৰ প্ৰয়োজন নাছিল। ইয়াৰ ফলত অনুবাদৰ সমস্যা নথকাত ব্যাপক অনুবাদ সাহিত্যৰ সৃষ্টিৰ যথেষ্ট অৱকাশ আছিল।
- মৌখিক ভাষা বা চালুকীয়া অৱস্থাৰ লিখিত ভাষা এটিক সাহিত্যিক ভাষা হিচাপে সুপ্ৰতিষ্ঠিত কৰিবলৈ অনুবাদ-সাহিত্যই বিশেষ ভূমিকা ল'ব পাৰে। এই ক্ষেত্ৰত প্ৰাক্‌-শংকৰী যুগৰ অনুবাদ সাহিত্যই যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ প্ৰাক্‌-শংকৰী যুগৰ অসমীয়া অনুবাদ সাহিত্যৰ বৈশিষ্ট্যসমূহ কি কি? (১৫০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন ২ ঃ প্ৰাক্‌-শংকৰী যুগৰ কেইগৰাকীমান উল্লেখযোগ্য অনুবাদকৰ নাম তেওঁলোকৰ অনুবাদ কৃতিসহ উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

- **শংকৰী যুগ ঃ** শংকৰদেৱৰ পূৰ্বকালীন সময়ছোৱা অসমীয়া ধৰ্মীয়, সামাজিক, সাংস্কৃতিক জীৱনৰ বাবে এক বিপন্ন সময়। ভগ্নস্বাস্থ্যৰ অসমীয়া সমাজত নতুন চেতনা, মূল্যবোধৰ প্ৰচাৰ কৰি, সমাজ জীৱনত নৱজাগৰণৰ অভ্যুত্থান ঘটাবলৈ শংকৰদেৱে সৰ্বভাৰতীয় নৱবৈষ্ণৱ ধৰ্ম অসমত প্ৰবৰ্তন কৰে। সেই সূত্ৰে বৈষ্ণৱ ধৰ্মৰ বেদস্বৰূপ মূল সংস্কৃত গ্ৰন্থসমূহ শংকৰদেৱৰ নেতৃত্বত তেওঁৰ শিষ্য-প্ৰশিষ্যসকলে অসমীয়ালৈ অনুবাদ কৰে। ফলশ্ৰুতিত অসমীয়া সাহিত্যত এক বিপুল পৰিমাণৰ অনুবাদ সাহিত্যৰ সৃষ্টি হয়।

  মূল সংস্কৃত গ্ৰন্থৰ বিষয়বস্তু লৈ অসমীয়াত মৌলিকসদৃশ বহু গ্ৰন্থ ৰচিত হয়। ইয়ে অসমীয়া সাহিত্যক বৈচিত্ৰ্য দান কৰি সাহিত্যৰ বিভিন্ন শাখাসমূহৰ প্ৰবৰ্তন কৰে। অনুবাদ, অভিযোজনা আৰু মৌলিক গ্ৰন্থই অসমীয়া সাহিত্যত 'স্বৰ্ণযুগ'ৰ সৃষ্টি কৰে।

  শংকৰী যুগত ব্যক্তিগত প্ৰচেষ্টাত, সত্ৰীয়া আৰু ৰজাঘৰীয়া পৃষ্ঠপোষকতাত সাহিত্য-চৰ্চা হোৱা দেখা যায়। অসমীয়া সাহিত্য-চৰ্চাৰ পূৰ্বত শংকৰী যুগটোৱে প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল। আনহাতে, ব্যক্তিগত প্ৰচেষ্টাত হোৱা অনুবাদৰ ক্ষেত্ৰত শংকৰদেৱৰ প্ৰসংগলৈ আঙুলিয়াব পাৰি।

  শংকৰদেৱে *ভাগৱত পু�ৰাণ, হৰিবংশ, বিষ্ণুপুৰাণ* আদিৰ আখ্যানক লৈ বহুতো অনুবাদমূলক সাহিত্য ৰচনা কৰিছিল। তথাপি মহাপুৰুষগৰাকীৰ প্ৰধান অনুবাদমূলক গ্ৰন্থ হৈছে দুখন— *ভাগৱত পুৰাণ* আৰু *উত্তৰকাণ্ড ৰামায়ণ*।

  ভাগৱতৰ প্ৰথম, দ্বিতীয়, ষষ্ঠ (অজামিল উপাখ্যান মাত্ৰ) অষ্টম, (বলিচলন, অমৃত মথন) দশম, একাদশ, দ্বাদশ স্কন্ধ শংকৰদেৱে অনুবাদ কৰে। শংকৰদেৱে মূল *ভাগৱতৰ* দশম স্কন্ধৰ ৯০টা অধ্যায়ৰ ভিতৰত ১মৰ পৰা ৪৯তম অধ্যায়লৈকেহে অনুবাদ কৰিছিল। এই খণ্ডক 'আদি দশম' বোলা হয়। মাধৱ কন্দলীয়ে যদিও সপ্তকাণ্ড *ৰামায়ণ* পদবন্ধে ৰচনা কৰা বুলি কৈছিল, শংকৰদেৱৰ দিনত পাঁচটা কাণ্ডহে পোৱা গৈছিল। সেয়ে, শংকৰদেৱ আৰু মাধৱদেৱে ক্ৰমে *উত্তৰকাণ্ড* আৰু *বালকাণ্ড* অনুবাদ কৰি কন্দলীৰ *ৰামায়ণ* পূৰ্ণাংগ কৰে। এই বিষয়ে চৰিতপুথিত বহল বৰ্ণনা পোৱা যায়।

  মহাপুৰুষগৰাকীয়ে অনুবাদ কৰোঁতে মাধৱ কন্দলীৰ অনুবাদ নীতিক উপেক্ষা কৰা নাই। অসমীয়া সমাজ জীৱন আৰু বৈষ্ণৱৰ উপযোগীকৈ বিষয়বস্তু গ্ৰহণ কৰি অসমীয়ালৈ ভাঙনি কৰিছিল।

  সেয়ে, *ভাগৱতৰ* অনুবাদত মূলৰ তাত্ত্বিক জটিলতা কোমলতালৈ পৰ্যবসিত হৈছে। তেনেদৰে মূল *ভাগৱতৰ* একাদশ স্কন্ধৰ যোগ, ধ্যান, সন্ন্যাস আৰু পাঞ্চৰাত্ৰ ধৰ্মৰ আলোচনাসমূহ অনুবাদত বাদ দিছে। *উত্তৰকাণ্ড ৰামায়ণৰ* অনুবাদ কৰোঁতে ৰাম-সীতাৰ প্ৰসংগ থকা মূল অধ্যায়খিনিলৈহে চকু ৰাখিছে। অপ্ৰয়োজনীয়

আখ্যান-উপাখ্যানবোৰ বাদ দিছে। এই প্ৰসংগত সত্যেন্দ্ৰনাথ শৰ্মাৰ মন্তব্য প্ৰণিধানযোগ্য— 'মহাপুৰুষে ৰচনা কৰা সকলোখিনি পদ ৰচনাই অনুবাদমূলক, তথাপি কেইখনমান অনুবাদ কৰোঁতে মূলৰ ফালে সততে দৃষ্টি ৰাখি কল্পনা সংযত কৰি ৰাখিছিল। এইকেইখনৰ ভিতৰত সৰ্বপ্ৰধান হ'ল *দশম*।' এজন সফল অনুবাদকৰ দৰে স্থান, কাল আৰু পাত্ৰৰ প্ৰতি তেওঁ আছিল যথেষ্ট সচেতন।

শংকৰদেৱৰ শ্ৰেষ্ঠ গ্ৰন্থ *কীৰ্ত্তন-ঘোষা* ভাগৱতৰে চমু সংস্কৰণ বুলি ক'ব পাৰি। ভাগৱতৰ আখ্যানবোৰ শ্ৰৱণ-কীৰ্ত্তনৰ বাবে অৰ্থাৎ নাম-প্ৰসংগৰ উপযোগীকৈ ৰূপান্তৰণ কৰা হয়। ৰূপান্তৰণো একপ্ৰকাৰ অনুবাদে। তেনেদৰে মূল সংস্কৃতৰ পৰা বিষয়বস্তু লৈ শংকৰদেৱে বহুতো কাব্য, নাট, গীত আদি ৰচনা কৰে।

শংকৰদেৱৰ অন্যতম সহযোগী আছিল মাধৱদেৱ। মাধৱ কন্দলীৰ *ৰামায়ণ*ৰ লুপ্ত হোৱা আদিকাণ্ড, মাধৱদেৱে অনুবাদ কৰি *ৰামায়ণ*ক পূৰ্ণাংগ ৰূপ প্ৰদানত সহায় কৰে। গুৰু শংকৰদেৱৰ আজ্ঞামতে বিষ্ণুপুৰী সন্ন্যাসীৰ *ভক্তি ৰত্নাৱলী* অসমীয়া পদলৈ ভাঙনি কৰে। কোচবেহাৰত বিৰূপাক্ষ কাজীৰ অনুৰোধমৰ্মে পুৰুষোত্তম গজপতি ৰচিত *নামমালিকা* গ্ৰন্থৰ অনুবাদ কৰে। মাধৱদেৱৰ অনুবাদ সাহিত্যৰ শ্ৰেষ্ঠ নিদৰ্শন হ'ল— *নামঘোষা*। *নামঘোষা*ৰ আধাতকৈ বেছি শ্লোকেই বিভিন্ন বৈষ্ণৱ শাস্ত্ৰৰ পৰা অনুবাদ কৰা। কিন্তু মন কৰিবলগীয়া কথা যে, বিভিন্ন শাস্ত্ৰৰ শ্লোকৰ অনুবাদ হ'লেও মহাপুৰুষজনাই সেইবোৰ আত্মস্থ কৰি হৃদয়ৰ ভক্তিৰসেৰে প্লাবিত কৰি একান্তই নিজৰ অভিজ্ঞতাৰ দৰে প্ৰকাশ কৰিছে। ফলস্বৰূপে, অনুবাদ সাহিত্যই পুনঃসৃজনৰ যোগেদি কেনেকৈ মৌলিক সদৃশ হৈ উঠে তাৰ স্পষ্ট আভাস *নামঘোষা* গ্ৰন্থই দাঙি ধৰে।

অনন্ত কন্দলীয়ে 'উচ্চিষ্ট ভীক্ষা বা ভক্ষণ' হিচাপে ভাগৱতৰ মধ্য (৫০-৮১ তম্ অধ্যায়) আৰু শেষ (৮২-৯০ তম্ অধ্যায়) অংশ অনুবাদ কৰে। *ভাগৱত*ৰ ৬ষ্ঠ স্কন্ধও তেওঁৰ অনুবাদ-কৃতিৰে পৰিচায়ক। মাধৱ কন্দলীৰ *ৰামায়ণ*ত ৰামৰ ভজনীয় গুণ প্ৰকাশ নোপোৱাৰ বাবে তেওঁ নতুনকৈ *ৰামায়ণ* অনুবাদ কৰে। সমালোচকৰ ভাষাত 'এইখন মাধৱ কন্দলীৰ *ৰামায়ণ*ৰ ভাগৱত বা বৈষ্ণৱ সংস্কৰণ' বুলিব পাৰি।

মহাৰাজ নৰনাৰায়ণে গৌড়-কামৰূপৰ পৰা পণ্ডিতসকলক আমন্ত্ৰণ কৰি আনি 'সত্ৰ-দেৱান' পাতি লোকশিক্ষাৰ উদ্দেশ্যে বিভিন্ন গ্ৰন্থ অসমীয়াত অনুবাদ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। মহাৰাজ নৰনাৰায়ণৰ আদেশক্ৰমে ৰামসৰস্বতীয়ে *মহাভাৰত*ৰ বিভিন্ন পৰ্বসমূহ অসমীয়ালৈ অনুবাদ কৰে। এই অনুবাদ কাৰ্যত এদল কবিয়ে ৰামসৰস্বতীক সহায় কৰিছিল। কংসাৰি কবি, বিদ্যাপঞ্চানন আৰু পুতেক গোপীনাথ পাঠকৰ নাম এইক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য। শংকৰদেৱ-মাধৱদেৱৰ হাতত শুভাৰম্ভ ঘটা দলীয় অনুবাদ কাৰ্যই (*ৰামায়ণ*ৰ *উত্তৰকাণ্ড* আৰু *বালকাণ্ড*ৰ অনুবাদ) এওঁলোকৰ হাতত বিকাশ লাভ কৰে।

ৰাম সৰস্বতীয়ে অনুবাদ কৰা *মহাভাৰতৰ* পর্বসমূহ হ'ল— আদিপর্ব, সভাপর্ব (অংশবিশেষ গোপীনাথ পাঠকে ৰচনা কৰা), বনপর্ব, বিৰাট পর্বৰ কীচক বধ পর্যন্ত, উদ্যোগ-পত্র, ভীষ্ম-পর্ব (বেছিভাগ অংশ), দ্রোণ-পর্ব (পুতেক গোপীনাথ পাঠকৰ সহযোগত), কর্ণ-পর্ব, গদা-পর্ব আৰু শান্তি-পর্বৰ সাবিত্রী আখ্যান। এই পর্বসমূহৰ অনুবাদ কৰোঁতে কবিয়ে মূল পর্বৰ সকলোবোৰ অধ্যায় অনুবাদ কৰা নাই। শৈৱ, শাক্ত আদি সম্প্রদায়ৰ বর্ণনা থকা কথা বাদ দি বৈষ্ণৱ আদর্শযুক্ত কথা অব্যাহত ৰাখিছে। তদুপৰি, পূর্বৱর্তী অধ্যায়ৰ কিছুমান কথা পৰৱর্তী অধ্যায়ত যোগ কৰি প্রত্যেক পর্বকে স্বয়ংসম্পূর্ণ কৰি গঢ় দিব বিচাৰিছিল. কবিয়ে মহাভাৰতৰ অনুবাদত মূলৰ কথাৰ মাজে মাজে নতুন কথা যোগ দি আখ্যানত ৰহণ চৰাইছিল। মাজে মাজে বর্ণনা বঢ়া-টুটা কৰি জটিল তত্ত্বৰ সৰল ব্যাখ্যা আগবঢ়াইছিল। উদাহৰণস্বৰূপে, সভা-পর্বৰ অনুবাদলৈ আঙুলিয়াব পাৰি। মুঠতে, সংস্কৃত *মহাভাৰতৰ* ই সাৰানুবাদ বুলিহে ক'ব পাৰি। তেনেদৰে ৰাম সৰস্বতীয়ে *গীত-গোবিন্দ* পুথিৰ পদানুবাদত *ভাগৱতৰ* ৰাস-ক্রীড়াৰ কথা সুমুৱাই দি বৈষ্ণৱৰ আকর্ষণীয় কৰিবলৈ চেষ্টা কৰিছিল।

গুৰু দামোদৰৰ আজ্ঞা লৈ ভট্টদেৱে গদ্যত *ভাগৱত কথা, গীতা কথা* আৰু *ৰত্নাৱলী কথা* ৰচনা কৰে। ইয়াৰ যোগেদি অসমীয়া সাহিত্যত প্রথমবাৰৰ বাবে বিশুদ্ধ গদ্য সাহিত্যৰ প্রৱেশ ঘটে। অসমীয়া অনুবাদ সাহিত্যত বিশিষ্ট আসন লাভ কৰা ভট্টদেৱৰ এই গ্রন্থ তিনিখন সমগ্র উত্তৰ ভাৰতৰ ভিতৰতে গদ্যত ৰচিত গ্রন্থ হিচাপে অদ্বিতীয়। মন কৰিবলগীয়া কথা যে, ভট্টদেৱৰ অনুবাদ-নীতি সাম্প্রতিক কালৰ যোগাযোগমূলক অনুবাদ নীতিৰ সৈতে সাদৃশ্যযুক্ত আছিল।

ধর্মীয় সাহিত্য-চর্চাৰ উপৰি ব্যৱহাৰিক সাহিত্যৰ ৰচনা আৰু অনুবাদ শংকৰী যুগৰ এটি বিশেষ বৈশিষ্ট্য। সূর্যখড়ী দৈৱজ্ঞৰ *দৰং ৰাজবংশাৱলীত* উল্লেখ আছে যে, মহাৰাজ নৰনাৰায়ণে ব্যৱহাৰিক জ্ঞানৰ পুথি ৰচনা কৰিবলৈ সভাকবিক আদেশ দিছিল—

"শুনিয়ো শ্রীধৰ তুমি মোৰ বাক্য ধৰা
জৌতিষক ভাঙি তুমি খণ্ডসাধ্য কৰা।
বকুল কায়স্থ তুমি ভাঙা লীলাৱতী
অল্পতে বুজয় যেন কায়স্থে সম্প্রতি।।" (পদ— ৬০৯)

আন এটি মন কৰিবলগীয়া ঘটনা হৈছে— আহোম ৰজাসকলৰ মাজত অসমীয়া ভাষা-সংস্কৃতি আৰু হিন্দু ধর্মৰ প্রভাৱ লাহে লাহে পৰিবলৈ ধৰিছিল। আহোম স্বর্গদেউ জয়ধ্বজ সিংহই (খ্রীঃ ১৬৪৮-১৬৬৩ খ্রীঃ) পোন প্রথমে আনুষ্ঠানিকভাৱে হিন্দু ধর্ম গ্রহণ কৰে। জয়ধ্বজ সিংহৰ ৰাজদৰবাৰতে বুৰঞ্জীৰ বাহিৰেও প্রথমবাৰৰ বাবে হিন্দু সংস্কৃতিৰ গ্রন্থ অনূদিত হয়। ৰাম মিশ্রই ৰজা শহুৰৰ পুতেক ভদ্রসেন

বৰুৱাৰ উৎসাহ-উদ্দীপনা লাভ কৰি *হিতোপদেশ* ভাঙনি কৰে। লগতে মূল সংস্কৃত *দ্বাত্রিংশৎপুত্তলিকা* গ্ৰন্থ *পুতলা-চৰিত্ৰ* নামেৰে অনুবাদ কৰে। আহোম ৰজাঘৰীয়া পৃষ্ঠপোষকতাত অসমীয়া অনুবাদ সাহিত্য-চৰ্চাৰ এয়ে প্ৰথম প্ৰয়াস। এই সাহিত্য ঐহিক জীৱনমুখী আছিল।

বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱৰ পৰা মুক্ত পাঁচালী কবিসকলে লৌকিকতাৰ ভেটিত আৰু জনসাধাৰণৰ ৰুচি-অভিৰুচিৰ প্ৰতি লক্ষ্য ৰাখি কাব্য ৰচনা কৰিছিল। পাঁচালী কবি পীতাম্বৰে ভাগৱতৰ ১০ম স্কন্ধ অনুবাদ কৰে। এই অনুবাদৰ প্ৰকৃতি বৈষ্ণৱ কবিসকলৰ অনুবাদৰ দৰে নহয়। মূলৰ কথাবস্তুক অসমীয়া লোকায়ত সমাজৰ উপযোগীকৈ অনুবাদ কৰোঁতে লৌকিকতাৰ প্ৰয়োগ বেছিকৈ কৰিছে। উদাহৰণস্বৰূপে, সাধাৰণ প্ৰেয়সীয়ে শাৰীৰিক ৰূপৰ বলেৰে প্ৰেমিকক লাভ কৰিবলৈ বিচৰাৰ দৰে ৰুক্মিণীয়েও শ্ৰীকৃষ্ণক পাবলৈ চেষ্টা কৰিছিল—

"বিলাপ কৰি কান্দে মাই ৰুক্মিণী।
কোন অংগে খুন দেখি নাইলা যদুমণি।।"

পীতাম্বৰ কবিৰ আন অনূদিত কাব্য হ'ল— *উষা-পৰিণয়* আৰু *মাৰ্কণ্ডেয় চণ্ডী*। কবিয়ে অনুবাদ নীতিত তৎকালীন অসমীয়া সমাজত প্ৰচলিত নীতিকে অনুসৰণ কৰিছে। মূলৰ কথাৰ যোগ-বিয়োগ কৰি দুই-এটা মৌলিক কথাৰ সংযোগ কৰিছে। কামসেনা, যক্ষিনী আৰু কোকিলা ধাইৰ কথা এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি। তেনেদৰে *মাৰ্কণ্ডেয় চণ্ডী* পুথিখনো মূলৰ মুকলি অনুবাদ।

পাঁচালী কবি দুৰ্গাবৰে মাধৱ কন্দলীৰ ৰামায়ণ *ওজাপালি তাণ্ডৱণ* হিচাপে অভিযোজনা কৰে। এই প্ৰসংগত সত্যেন্দ্ৰনাথ শৰ্মাই কৈছে, '*গীতি ৰামায়ণ* বাল্মীকিৰ অনুবাদ নহয়, ৰৱং অপ্ৰমাদী কবি মাধৱ কন্দলীৰ *ৰামায়ণৰ* জনপ্ৰিয় সংস্কৰণ। কিষ্কিন্ধ্যা, সুন্দৰা আৰু লংকাকাণ্ডৰ পদৰ বেছিভাগেই মাধৱ কন্দলীৰ *ৰামায়ণৰ* পৰা হৱণ কৰা।'

অনুবাদ সাহিত্যৰ ক্ষেত্ৰত অসমীয়াৰ পৰা অসমীয়া অভিযোজনাৰ বাট কাটি দিয়ে দুৰ্গাবৰে। শংকৰী যুগত অনূদিত সাহিত্যৰ বৈশিষ্ট্য আৰু ভূমিকাবোৰ হ'ল—

- নৱবৈষ্ণৱ আন্দোলনৰ প্ৰসাৰৰ যোগেদি অসমীয়া অনূদিত সাহিত্যই বিশালতা আৰু গভীৰতা লাভ কৰে।
- নৱবৈষ্ণৱ ধৰ্মৰ অনূদিত গ্ৰন্থই নতুন মূল্যবোধ চেতনা প্ৰচাৰ কৰি সমাজ ৰূপান্তৰ কৰে।
- সাহিত্যৰ বিভিন্ন শাখাৰ প্ৰবৰ্তনে অসমীয়া সাহিত্যক বৈচিত্ৰ্যময় ৰূপ দান কৰে।
- এই অনূদিত সাহিত্যই বিপুল জনপ্ৰিয়তা লাভ কৰে আৰু সুৰুচিপূৰ্ণ পাঠক বা শ্ৰোতামণ্ডলীৰ সৃষ্টি কৰে।

- কমতাৰ ৰজা নৰনাৰায়ণ আৰু আহোম ৰজা জয়ধ্বজ সিংহৰ দিনৰ পৰা ব্যৱহাৰিক বা ঐহিক জীৱনমুখী সাহিত্যৰ উন্মেষ ঘটে।
- ভট্টদেৱৰ হাতত বিশুদ্ধ অসমীয়া গদ্য সাহিত্যৰ সৃষ্টি হয়। উত্তৰ ভাৰতৰ প্ৰান্তীয় ভাষাত ইমান প্ৰাচীন গদ্যৰ নিদৰ্শন পোৱা নাযায়।
- ব্যক্তিগত অনুবাদৰ লগতে দলীয় অনুবাদে পোনপ্ৰথম বাৰৰ বাবে এই যুগত আত্মপ্ৰকাশ কৰে।
- অসমীয়াৰ পৰা অসমীয়ালৈ অভিযোজনাৰ প্ৰথম বাট কাটে দুৰ্গাবৰ কায়স্থই। অনন্ত কন্দলীয়েও এই ক্ষেত্ৰত অৱিহণা যোগায়।
- সৃষ্টিশীল লেখকসকলেই অনুবাদকৰ ভূমিকাতো অৱতীৰ্ণ হৈছে।
- *ভাগৱত-পুৰাণ, মদ্ভগৱদ-গীতা, ৰামায়ণ, মহাভাৰত, হৰিবংশ, বিষ্ণু পুৰাণ* আদিয়ে এই যুগৰ অনুবাদ সাহিত্যৰ প্ৰধান উৎস গ্ৰন্থ আছিল।
- ব্যক্তিগত প্ৰচেষ্টাৰ লগতে সত্ৰীয়া পৰিবেশ আৰু ৰজাঘৰীয়া পৃষ্ঠপোষকতাত সাহিত্য অনূদিত হৈছিল।
- বৃহত্তৰ কামৰূপৰ জনগোষ্ঠীক এই সাহিত্যই আবেগৰ ঐক্যতাৰ ডোলেৰে বান্ধি জাতীয় চেতনা তীব্ৰতৰ কৰে।
- শংকৰ যুগৰ সাহিত্য জাতীয় সাহিত্য হিচাপে প্ৰতিষ্ঠা লাভ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ অসমীয়া অনুবাদ সাহিত্যৰ বিকাশত পাঁচালী কবিসকলৰ বৰঙণি কেনেধৰণৰ? চমুকৈ উল্লেখ কৰক।

(২৫০টা শব্দৰ ভিতৰত)

.....

- **শংকৰোত্তৰ যুগ ঃ** অসমীয়া সাহিত্যৰ বুৰঞ্জী অধ্যয়নৰ পৰা আপুনি নিশ্চয় জ্ঞাত যে, সপ্তদশ শতিকাত কোচৰাজ্য ভাগি দুভাগ হয়। সংঘৰ্ষজৰ্জৰ কোচৰাজ্যত কোচসকলৰ উত্থান-পতনৰ ফলত, সাহিত্য-চৰ্চাৰ উপযুক্ত পৰিবেশ নথকাত লাহে লাহে মধ্য অসমৰ দৰঙী ৰাজদৰবাৰ আৰু উজনি খণ্ডৰ আহোম ৰাজদৰবাৰ সাহিত্য-চৰ্চাৰ কেন্দ্ৰস্বৰূপ হৈ পৰে। ৰুদ্ৰসিংহৰ (খ্ৰীঃ ১৬৯৬-১৭১৪) দিনৰ পৰা আহোম ৰাজদৰবাৰত অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা সংঢালনিকৈ হোৱা দেখা যায়। ৰুদ্ৰসিংহই কৃষ্ণৰাম ভট্টাচাৰ্যৰ ওচৰত আনুষ্ঠানিকভাবে শৰণ নল'লেও তেওঁৰ পুত্ৰসকলে পিতৃৰ আজ্ঞাত ভট্টাচাৰ্যৰ ওচৰত শৰণ লয়। আহোম ৰজাঘৰত এয়ে শাক্ত ধৰ্মৰ প্ৰথম প্ৰৱেশ। ফলস্বৰূপে, আহোম ৰাজদৰবাৰত শাক্ত-সাহিত্য অনূদিত হ'বলৈ ধৰে। অসমীয়া সাহিত্যৰ বুৰঞ্জীত এই অনুবাদখিনিৰ যথেষ্ট মূল্য আছে।

আন এটা উল্লেখযোগ্য কথা কৈছে— ৰুদ্রসিংহৰ ৰাজদৰবাৰত বংগদেশীয় সংকীর্তনীয়া দলে সংকীর্তন কৰি ৰাধা-কৃষ্ণৰ প্রেমৰ প্রতি ৰাজদৰবাৰৰ দৃষ্টি আকর্ষণ কৰিছিল। ফলস্বৰূপে, সূর্যকুমাৰ ভূঞাই কোৱাৰ দৰে শিৱসিংহ-ফুলেশ্বৰীয়ে সেই প্রেম-কাহিনীৰ চিত্রত নিজৰ প্রেমৰ ছবি সম্ভৱতঃ দেখিবলৈ পাই শৃংগাৰ ৰস প্রধান সাহিত্যৰ প্রতি অনুৰাগী হৈ পৰে। ৰাধা-কৃষ্ণৰ প্রেমৰ ইন্দ্রিয়ালু বর্ণনা থকা *ব্রহ্মবৈৱর্ত-পুৰাণ*, *গীত-গোবিন্দ*, *শকুন্তলা* আদি গ্রন্থ অসমীয়ালৈ অনুবাদ কৰা হয়। ইয়াৰ ফলত শৃংগাৰ ৰসপ্রধান সাহিত্যৰ অনুবাদ হোৱাৰ লগতে, *ভাগৱত পুৰাণ*ৰ বাহিৰে অন্যান্য পুৰাণৰো অনুবাদ হ'বলৈ ধৰে। পৃষ্ঠপোষক ৰজাৰ ৰুচিৰ পৰিৱর্তন আৰু চিত্ত-বিনোদনৰ বাবেহে এই শৃংগাৰাত্মক শ্রেণীৰ সাহিত্য অনূদিত হৈছিল। পূর্বকালীন যুগৰ দৰে ৰুচিসম্মত পাঠক বা শ্রোতা সৃষ্টি কৰা নতুবা লোকশিক্ষা প্রচাৰ কৰা তাৰ মূল লক্ষ্য নাছিল। আনহাতে, ৰাজদৰবাৰত *মহাভাৰত*, *ৰামায়ণ*ৰ নিচিনা আধ্যাত্মিক আদর্শাত্মক সাহিত্যৰ মূল্য তুলনামূলকভাৱে কমি গৈছিল। সেয়েহে, তুলনামূলকভাৱে কম সংখ্যক ৰামায়ণী আৰু মহাভাৰতীয় সাহিত্যহে আহোম ৰাজদৰবাৰত অনূদিত হৈছে। এই ক্ষেত্রত সত্যেন্দ্রনাথ শর্মাৰ মন্তব্য প্রণিধানযোগ্য— 'ৰাজদৰবাৰৰ বিলাসী জীৱনৰ লগত মহাভাৰতৰ কথা খাপ নাখায়। যি দুই-চাৰিখন মহাভাৰতীয় গ্রন্থ পোৱা যায়, সি ব্যক্তিবিশেষৰ গাইগুটীয়া প্রচেষ্টাৰ ফল।'

সত্রীয়া আৰু ৰজাঘৰীয়া পৰিৱেশত অনূদিত অসমীয়া সাহিত্যৰ এখন তালিকা তলত দাঙি ধৰা হ'ল ঃ

***মহাভাৰতৰ* অনুবাদকসকল**

কোচ ৰাজ্যৰ ৰাজদৰবাৰত	**দৰং বা দৰঙী ৰাজ্যৰ ৰাজদৰবাৰত**
কবীন্দ্র পাত্র ঃ কোচৰজা ৰঘুনাৰায়ণ আৰু পৰীক্ষিত নাৰায়ণৰ মন্ত্রী আছিল। তেওঁ অষ্টাদশ-পর্ব মহাভাৰত দেশী ভাষালৈ অনুবাদ কৰে। গৌড়ৰ নবাব হুচেন শ্বাহৰ সেনাপতি পৰাগল খাঁৰ অনুপ্রেৰণাত মহাভাৰত অনুবাদ কৰে। দামোদৰ দ্বিজ ঃ শল্য-পর্ব (পৃষ্ঠপোষক ঃ মকৰধ্বজ ৰজা) অনিৰুদ্ধ দাস ঃ সভা-পর্ব, আদি-পর্বৰ আংশিক (পৃষ্ঠপোষক ঃ নৰনাৰায়ণ) শ্রীনাথ দ্বিজ ঃ আদি-পর্ব, দ্রৌপদী-স্বয়ম্বৰ, দ্রোণ-পর্ব	গোপীনাথ পাঠক ঃ দৰংৰাজ ধর্মনাৰায়ণৰ পৃষ্ঠপোষকতাত ৰাম সৰস্বতীৰ পুতেক গোপীনাথ পাঠকে দ্রোণ-পর্ব সভা-পর্ব, স্বর্গাৰোহণ-পর্ব অনুবাদ কৰে। বিদ্যা পঞ্চানন ঃ ভীষ্ম-পর্ব, কর্ণ-পর্ব। (ধর্মনাৰায়ণ ৰজাৰ পৃষ্ঠপোষকতাত)

(পৃষ্ঠপোষক ঃ প্ৰাণনাৰায়ণ ৰজা)
কবি শেখৰ ঃ কীৰাট-পৰ্ব
(পৃষ্ঠপোষক ঃ বীৰনাৰায়ণ)
দ্বিজ কবিৰাজ ঃ দ্ৰোণ-পৰ্ব,
ভীষ্ম-পৰ্ব
দ্বিজ বৈদ্যনাথ, মহীনাথ ঃ বন-পৰ্ব
(পৃষ্ঠপোষক ঃ হৰেন্দ্ৰনাৰায়ণ)
দ্বিজ মহানাথ ঃ প্ৰাস্থানিক-পৰ্ব

আহোম ৰাজ্যৰ ৰাজদৰবাৰত	**সত্ৰীয়া পৰিবেশ বা পৃষ্ঠপোষকতাত**	**অন্যান্য (পৃষ্ঠপোষক অজ্ঞাত)**
ৰামমিশ্ৰ ঃ ভীষ্ম-পৰ্ব (জয়ধ্বজ সিংহৰ শহুৰেক ৰাজমন্ত্ৰী ৰজাশহুৰৰ আদেশত ৰচনা কৰে)	গোবিন্দ মিশ্ৰ ঃ 'পদগীতা' ভাঙনি কৰে।	মাধৱচন্দ্ৰ ঃ স্বৰ্গাৰোহণ পৰ্ব
লক্ষ্মীনাথ দ্বিজঃশান্তি-পৰ্বৰ ৰাজধৰ্ম, আপধৰ্ম খণ্ড দুটাৰ অনুবাদ।	ভাগৱত আচাৰ্য ঃমদ্ভাগৱদ্ গীতাৰ সাৰাংশ হিচাপে 'গীতাসাৰ' অনুবাদ কৰে।	জয়দেৱদ্বিজ, ব্ৰহ্মাসুন্দৰ ঃ সভা-পৰ্ব
শুভনাথ দ্বিজ ঃ অশ্বমেধ পৰ্বৰ বিষয়বস্তু লৈ ধৰ্ম সংবাদ ৰচনা কৰে।		দ্বিজ লক্ষ্মীৰাম ঃ কৰ্ণ-পৰ্ব
বিদ্যাচন্দ্ৰ কবিশেখৰ ঃ 'হৰিবংশ'ৰ অনুবাদ কৰে।		দ্বিজ ৰঘুৰাম ঃ ভীষ্ম-পৰ্ব শান্তি-পৰ্ব
পৃথুৰাম দ্বিজ ঃ মুষল-পৰ্ব		দ্বিজ কবিৰাজ ঃ ভীষ্ম-পৰ্ব
বিষ্ণুৰাম দ্বিজ ঃ দাতা-কৰ্ণ		দামোদৰ দাস ঃ শল্য-পৰ্ব
ভোলানাথ দ্বিজ আৰু আত্মাৰাম দ্বিজ ঃ শৈলপৰ্ব		আৰু দ্ৰোণ-পৰ্ব।

***ৰামায়ণৰ* অনুবাদকসকল**

আহোম ৰাজদৰবাৰত	**সত্ৰীয়া পৰিবেশত**	**কোজ ৰাজদৰবাৰত**
শ্ৰীকান্ত সূৰ্য বিপ্ৰ ঃ তুলসী দাসৰ 'ৰামচৰিত মানস'ৰ লংকাকাণ্ড আৰু উত্তৰকাণ্ড	ৰঘুনাথ মহন্ত ঃ 'কথা ৰামায়ণ, অদ্ভুত ৰামায়ণ, 'শত্ৰুঞ্জয়'।	ৰজা হৰেন্দ্ৰ নাৰায়ণ ঃ 'বৃহদ্ধৰ্ম-পুৰাণ' ঐষিক-পৰ্ব, ক্ৰিয়া যোগসাৰ, স্কন্দপুৰাণৰ

অনুবাদ কৰে। (কমলেশ্বৰ সিংহ আৰু মহামন্ত্রী পূর্ণানন্দ বুঢ়া-গোহাঁইৰ অনুপ্রেৰণাত)	গদ্যত ৰচিত ৰামায়ণ হিচাপে সমগ্র উত্তৰ ভাৰতীয় সাহিত্যতে কথা ৰামায়ণৰ বিশেষ স্থান আছে।	'ব্রহ্মোত্তৰ খণ্ড', সুন্দৰাকান্দ। ৰঘুৰাম দ্বিজ, দেৱী নন্দন ঃ 'কিষ্কিন্ধ্যা কাণ্ড' ৰুদ্রৰাম শর্মা ঃ অৰণ্য-কাণ্ড সাৰদানন্দ, সতানন্দ আৰু ৰঘুৰাম ঃ উত্তৰকাণ্ড।

ব্যৱহাৰিক সাহিত্য

আহোম ৰাজদৰবাৰত	ব্যক্তিগত প্রচেষ্টা	কোচ ৰাজদৰবাৰত
সুকুমাৰ বৰকাথ ঃ 'হস্তীবিদ্যার্ণৱ' (মূল ঃ শম্ভুনাথ প্রণীত গজেন্দ্র-চিন্তামণি) কবিৰাজ চক্রৱর্তীৰ 'ভাস্বতী' (জ্যোতিষ বিষয়ক) সুচান্দ ওজাৰ অনুবাদ ঃ শ্রীহস্তমুক্তাৱলী (সংগীত-শাস্ত্রৰ পুথি) 'কামৰত্ন-তন্ত্র'ৰ ভাঙনি বাগীশ দ্বিজ ঃ 'হিতোপদেশ 'নীতি-লতাঙ্কুৰ' ৰুদ্রৰাম দ্বিজ ঃ 'নীতিৰত্ন'ৰ ভাঙনি ইত্যাদি।	**(পৃষ্ঠপোষক অজ্ঞাত)** কবিৰত্ন দ্বিজ ঃ গণিতৰ পুথি 'লীলাৱতী' চূড়ামণি ঃ জ্যোতি, চূড়ামণি	শ্রীধৰ ঃ জ্যোতিষ বিষয়ক কাব্য 'খণ্ডসাধ্য'। (পৃষ্ঠপোষক ঃ নৰনাৰায়ণ) বকুল কায়স্থ ঃ লীলাৱতী, কিতাবৎ মঞ্জৰী (গণিতৰ পুথি)

***পুৰাণৰ* অনুবাদকসকল**

কোচ ৰাজদৰবাৰত	আহোম ৰাজদৰবাৰত
কলাপ চন্দ্র দ্বিজ ঃ ভাগৱতৰ ৪র্থ স্কন্ধৰ আংশিক ভাঙনি। (পৃষ্ঠপোষক ঃ নৰনাৰায়ণ) অনিৰুদ্ধ কায়স্থ ঃ ৫ম আৰু ২য় স্কন্ধ ভাগৱত। (পৃষ্ঠপোষক ঃ ৰঘুদেৱ)	কবিৰাজ চক্রৱর্তী ঃ ব্রহ্মবৈৱর্ত্ত পুৰাণ (কৃষ্ণ-জন্মখণ্ড) 'গীত গোবিন্দ' কাব্য (জয়দেৱৰ পদানুবাদ) বলৰাম দ্বিজ ঃ ব্রহ্মবৈৱর্ত্ত পুৰাণৰ কৃষ্ণ জন্ম খণ্ডৰ আংশিক অনুবাদ।

মাধৱ চন্দ্ৰ শৰ্মা ঃ সমগ্ৰ বিষ্ণুপুৰাণ।	দুৰ্গেশ্বৰ দ্বিজ ঃ ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ প্ৰকৃতি
দ্বিজ বৈদ্যনাথ ঃ শিৱ-পুৰাণ (আংশিক)	খণ্ডৰ অনুবাদ।
দ্বিজ নাৰায়ণ ঃ নাৰদীয় পুৰাণ	কবিচন্দ্ৰ দ্বিজ ঃ সংস্কৃত ধৰ্ম-পুৰাণৰ অনুবাদ। ৰুদ্ৰসিংহ ঃ শিৱপুৰাণ। ৰামগোবিন্দ ঃ 'ব্ৰহ্মাণ্ড-পুৰাণ'ৰ অংশ আৰু বিষ্ণু পুৰাণৰ অনুবাদ। পৰশুৰাম দ্বিজ ঃ 'বিষ্ণুপুৰাণ'ৰ সম্পূৰ্ণ অনুবাদ। ঘনশ্যাম খাৰঘৰীয়া ফুকন ঃ 'কল্কি-পুৰাণ' (আংশিক অনুবাদ) কালিদাসৰ বিষ্ণু পুৰাণৰ অন্তৰ্গত 'যমগীতা'ৰ অনুবাদ। হৰিৰাম ঃ 'অজামিল উপাখ্যান'।

দৰং ৰাজদৰবাৰত	**সত্ৰীয়া পৰিবেশত**	**অন্যান্য (পৃষ্ঠপোষক অজ্ঞাত)**
ৰতিকান্ত দ্বিজ, নন্দ্রেশ্বৰ দ্বিজ, নৰোত্তম দ্বিজ আৰু খৰ্গেশ্বৰ দ্বিজ ঃ ব্ৰহ্মবৈৱৰ্ত পুৰাণ (সমগ্ৰ) (পৃষ্ঠপোষক ঃ ৰজা হয়নাৰায়ণ)	অনিৰুদ্ধদেৱ ঃ চৰিতপুথি মতে ভাগৱতৰ ৪র্থ, ৫ম স্কন্ধৰ ভাঙনি। বিষ্ণু ভাৰতী ঃ ভাগৱতৰ ৪র্থ স্কন্ধৰ পৰা বিষয়বস্তু সংগ্ৰহ কৰি 'ধ্ৰুৱ চৰিত্ৰ' ৰচনা কৰে। 'ভাগৱত-ৰত্ন' (১২শ স্কন্ধৰ সাৰস্বৰূপ) গোপালচৰণ দ্বিজ ঃ ভাগৱতৰ ৩য়, ৭ম, ৮ম স্কন্ধৰ অনুবাদ, শংকৰদেৱৰ 'ভক্তি-ৰত্নাকৰ' কাব্যৰ অনুবাদ, হৰিবংশৰ (আংশিক) অনুবাদ। হৰিদাস পাঠক ঃ ৩য় আৰু ৫ম স্কন্ধৰ অনুবাদ। কেশৱ কায়স্থ ঃ ৭ম আৰু ৯ম স্কন্ধৰ অনুবাদ। বিষ্ণুদেৱ গোস্বামী ঃ পদ্ম-পুৰাণৰ উত্তৰ-খণ্ডৰ 'ক্ৰিয়া যোগসাৰ' খণ্ড অনুবাদ কৰে	চন্দ্ৰচূড় আদিত্য ঃ 'উৎকল খণ্ড' ধৰ্মদেৱ ভট্টাচাৰ্য ঃ 'গীত-গোবিন্দ'ৰ ভাঙনি। ৰত্নাকৰ মিশ্ৰ ঃ স্কন্ধ পুৰাণৰ অন্তৰ্গত ব্ৰহ্মগীতা, গীতা-কীৰ্ত্তন। যশোধৰ দ্বিজ ঃ ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ প্ৰকৃতিখণ্ডৰ মনসা আখ্যানৰ অনুবাদ।

শংকৰোত্তৰ যুগত আহোম ৰজাঘৰীয়া পৃষ্ঠপোষকতাত শাক্ত আৰু শৈৱ সাহিত্যৰ ধাৰা এটি গঢ় লৈ উঠে। শংকৰাচার্যৰ *সৌন্দর্য লহৰী* গ্ৰন্থখন, অনন্ত আচার্যই *আনন্দ লহৰী* নামেৰে অনুবাদ কৰে। ৰুচিনাথ কন্দলীয়ে ৰাজেশ্বৰ সিংহৰ দিনত *মার্কণ্ডেয় চণ্ডী* আৰু *কল্কি পুৰাণ* অসমীয়ালৈ ভাঙনি কৰে। ৰংগনাথ চক্ৰৱৰ্তী আৰু মধুসূদন মিশ্রই *মার্কণ্ডেয় চণ্ডী* অনুবাদ কৰে। ৰামচন্দ্র বৰপাত্রই সংস্কৃত *যোগিনী*-তন্ত্রক অসমীয়া ৰূপ প্রদান কৰে। শিৱসিংহই *শিৱ-পুৰাণ* অনুবাদ কৰে। অজ্ঞাত কবিৰ *কালিকা-পুৰাণ*, *গুপ্তমণি*, *গুপ্তসাৰ* আদি গ্ৰন্থও এই সময়ছোৱাতে ৰচিত হৈছিল।

কৃষ্ণ মিশ্রৰ *প্রবোধচন্দ্রোদয়ৰ* ভেটিত দ্বিজ মহীন্দ্রই *বোধোদয়* নামৰ নাটক ৰচনা কৰে। ৰূপকধর্মী নাটক হিচাপে অসমীয়াত ইয়ে প্রথম। আনহাতে, বহুতো নাট্যকাৰে *ৰামায়ণ*, *মহাভাৰত*, *হৰিবংশ* আদি বিভিন্ন সংস্কৃত গ্ৰন্থৰ বিষয়বস্তু লৈ অসমীয়াত নাট্যৰূপ প্রদান কৰিছে; যেনে— হৰেন্দ্র দাসৰ *দুর্বাসা ভোজন*; অজ্ঞাত নাট্যকাৰৰ *অভিমন্যু বধ*, *জয়দ্রথ বধ*; গোপীকান্তৰ *কর্ণ-বধ* ইত্যাদি।

এই সময়ছোৱাত চুফী কবি কুটবনৰ *মৃগাৱতী* আৰু মঞ্চনৰ *মধুমালতী*ৰ কাহিনীৰ ভেটিত, ৰাম দ্বিজে *মৃগাৱতী চৰিত* আৰু অজ্ঞাত কবিয়ে *মধুমালতী* নামৰ কাব্য ৰচনা কৰে।

শংকৰোত্তৰ যুগতে পোন প্রথমবাৰৰ বাবে বিদেশী ভাষা ইংৰাজীৰ পৰা অসমীয়ালৈ গ্ৰন্থ অনূদিত হয়। কলিকতাৰ শ্রীৰামপুৰৰ খ্রীষ্টান মিছনেৰী উইলিয়াম কেৰীৰ তত্ত্বাৱধানত আত্মাৰাম শর্মাই ১৮১৩ চনত বাইবেল অসমীয়ালৈ অনুবাদ কৰি ছপা কৰি উলিয়ায়। এইখনেই প্রথম অসমীয়া অনূদিত ছপা পুথি। শংকৰোত্তৰ যুগৰ অসমীয়া অনুবাদ সাহিত্যৰ বৈশিষ্ট্য আৰু ভূমিকাবোৰ হ'ল—

- অনুবাদে কেন্দ্রীয় অৱস্থান গ্রহণ কৰি সাহিত্যৰ সুঁতিটোক তীব্রতা দান কৰিছিল।
- ৰাজপৃষ্ঠপোষক আৰু সাহিত্য-চর্চাৰ পূর্বৰ কেন্দ্রৰ সলনি হৈ উজনি খণ্ড প্রধান কেন্দ্রস্থল হৈ পৰে।
- আহোম ৰাজদৰবাৰত ধর্মীয় দৃষ্টিভংগীৰ সলনি হৈ শাক্ত-শৈৱ সাহিত্যৰ অনুবাদ হ'বলৈ ধৰে।
- পৃষ্ঠপোষক আৰু লেখকৰ ৰুচিৰ পৰিবর্তন তথা নতুন উৎসৰ অন্বেষণ কৰাৰ ফলত শৃংগাৰ ৰসপ্রধান পৌৰাণিক সাহিত্যৰ অনুবাদ হ'বলৈ ধৰে।
- ব্যৱহাৰিক সাহিত্য অনুবাদৰ এটি সুকীয়া ধাৰাৰ সৃষ্টি হয়।
- প্রথমবাৰৰ বাবে ৰূপক-নাট অসমীয়ালৈ অনূদিত হয়।
- অসমীয়া সাহিত্যত চুফী আৰু হিন্দী কাব্যৰো অনুবাদৰ সূচনা হয়।

- বিদেশী ভাষাৰ গ্ৰন্থ প্ৰথমবাৰৰ বাবে অসমীয়ালৈ অনূদিত হয়।
- ভাগৱতৰ লগতে অন্যান্য পুৰাণৰো অনুবাদ হ'বলৈ ধৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ ঃ শংকৰোত্তৰ যুগৰ অসমীয়া অনুবাদ সাহিত্যৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক। (২৫০টা শব্দৰ ভিতৰত)

.....

৪.৩.২ আধুনিক যুগ

- **প্ৰাক্ অৰুনোদয় স্তৰ আৰু অৰুনোদয় যুগ ঃ** অসমীয়া সমাজ-জীৱনৰ ইতিহাসৰ পৰা আপুনি নিশ্চয় জানে যে, ১৭৭০ খ্ৰীষ্টাব্দমানৰ পৰা ১৮২৬ চনলৈ, অভ্যন্তৰীণ কন্দল (মায়ামৰীয়া বিদ্ৰোহ আৰু ৰাজ-ষড়যন্ত্ৰ) আৰু মানসেনাৰ উৎপীড়নত আহোম ৰাজদৰবাৰত সাহিত্য-চৰ্চাৰ পৰিবেশ নোহোৱা হৈছিল। সেয়েহে, উক্ত ৫০-৬০ বছৰ সামৰি অসমীয়া সাহিত্যত এক 'অন্ধকাৰ যুগ'ৰ সৃষ্টি হয়। তেনেকুৱা বিপন্ন সময়তে ভূতৰ ওপৰত দানহ পৰা দি 'ইষ্ট ইণ্ডিয়া কোম্পানীয়ে, অসমত ভুল ভাষা-নীতিৰে মাতৃভাষাৰ ঠাইত বঙলা ভাষা স্কুল-আদালতত প্ৰচলন কৰে। খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ বাবে অসমলৈ অহা খ্ৰীষ্টান মিছনেৰীসকল আৰু থলুৱা শিক্ষিত যুৱক এচামৰ প্ৰচেষ্টাত, অসমীয়া ভাষা পুনৰ ১৮৭৩ চনৰ পৰা স্কুল-আদালতত চলিবলৈ লয়। এই ভুল ভাষা-নীতিৰ ফলত উল্লিখিত সময়ছোৱাত, অসমীয়া সমাজত এক 'খিচিৰিস্বৰূপ' ভাষাৰ সৃষ্টি হয়।

ভাষাৰ এনে সংকট কালত অসমীয়া ভাষাক পুনৰ প্ৰতিষ্ঠিত কৰাৰ বাবে সংগ্ৰাম কৰিবলগীয়া হৈছিল। আদি আৰু প্ৰাক্শংকৰী যুগৰ সাহিত্যিকসকলৰ দৰে এই যুগৰ সাহিত্যিকেও অসমীয়া ভাষা-সাহিত্যক মৰ্যাদাসম্পন্ন কৰিবলৈ চেষ্টা কৰিবলগীয়া হৈছিল। আনহাতে, বাংলা ভাষা পুনৰ অসমত চলাবলৈ এটা ষড়যন্ত্ৰ তেতিয়াও ক্ৰিয়াশীল হৈ আছিল। গতিকে, অসমীয়া ভাষা আৰু পাশ্চাত্য ভাবধাৰাৰ সাহিত্যক প্ৰতিষ্ঠিত কৰিবলৈ সাহিত্যৰ ৰচনা বা অনুবাদ কৰা যথেষ্ট প্ৰয়োজনীয় হৈ পৰিছিল।

মিছনেৰীসকলে অসমত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে খ্ৰীষ্টধৰ্মীয় বিভিন্ন গ্ৰন্থ, স্তুতিগীত, কাহিনী আদি অসমীয়ালৈ অনুবাদ কৰিছিল। অৰ্থাৎ ধৰ্মীয় উদ্দেশ্যত এই সাহিত্য অনূদিত হৈছিল। তাৰ যোগেদি পাশ্চাত্য সাহিত্যৰ বিভিন্ন আংগিক অসমীয়া সাহিত্যত প্ৰৱেশ লাভ কৰে। উপন্যাস আৰু উপন্যাসধৰ্মী আখ্যানৰ অনুবাদে অসমীয়া সাহিত্যত সৃষ্টিমূলক সাহিত্যৰো পাতনি মেলে।

অখ্ৰীষ্টান লেখকগোষ্ঠীয়ে অনুবাদতকৈ মৌলিক সাহিত্য ৰচনাতহে বেছি চকু দিছিল। ইয়াৰ অন্যতম কাৰণ আছিল— অসমীয়া সমাজৰ পৰা কুসংস্কাৰ, অন্ধবিশ্বাস, দুৰ্নীতি, ভণ্ডামি আদি সমসাময়িক সমস্যাবোৰ দূৰ কৰি নৱ-সমাজ নিৰ্মাণ কৰা। তথাপি, সেই উদ্দেশ্যৰ লগত সংগতি ৰাখি সমাজৰ বাবে প্ৰয়োজনীয় কিছু পুথি অসমীয়ালৈ অনুবাদ কৰিছিল। উদাহৰণস্বৰূপে, হেমচন্দ্ৰ বৰুৱাৰ *Way to Health*ৰ অনুবাদ *স্বাস্থ্যৰক্ষাৰ নিয়ম* ইত্যাদি।

অৰুনোদয় যুগৰ পূৰ্বৱৰ্তী প্ৰাক্-অৰুনোদই স্তৰতো দুই-এখন গ্ৰন্থ অনূদিত হৈছে। শ্ৰীৰামপুৰৰ মিছনেৰীৰ পৃষ্ঠপোষকতাত আত্মাৰাম শৰ্মাৰ সমস্ত বাইবেলৰ অনুবাদ (Old & New Testament) ১৮৩৩ চনত প্ৰকাশিত হয়। জেমছ ৰে নামৰ প্ৰচাৰকৰ যোগেদি খ্ৰীষ্টধৰ্মীয় পুস্তিকা কিছুমান অসমীয়া ভাষাত প্ৰকাশ কৰা হয়।

মিছনেৰী গোষ্ঠীৰ অন্তৰ্গত অনুবাদকসকল ঃ ড° নাথান ব্ৰাউনে বাইবেলৰ *নিউ টেষ্টামেণ্ট* খণ্ড অসমীয়ালৈ ভাঙনি কৰে (১৮৪৯)। বাইবেলৰ মেথিউ, লিউক, মাৰ্ক আদি চাৰিটা খণ্ড ভাঙি *খ্ৰীষ্টৰ বিৱৰণ আৰু শুভবাৰ্ত্তা* নাম দি ১৮৫৪ চনত প্ৰকাশ কৰে। জন বানিয়ানৰ *Pilgrims Progress* উপন্যাসৰ অসমীয়া ভাঙনি *জাত্ৰিকৰ যাত্ৰা* নামেৰে প্ৰকাশ কৰে।

ড° মাইলছ ব্ৰন্সনে *বাইবেলৰ* ভালে সংখ্যক গুটীয়া অনুবাদ কৰে। কিছুমান স্তুতিও (Psalms) অসমীয়া অনুবাদ কৰিছিল। এ. কে. গাৰ্নিয়ে *প্ৰাচীন নিয়ম* (Old Testament), *ৰুথ আৰু যোচেফৰ কাহিনী*, *এলোকেশী বেশ্যাৰ কথা*, *কামিনীকান্তৰ চৰিত্ৰ* আদি ৰচনা কৰে। শ্ৰীমতী গাৰ্নিয়ে *ফুলমণি আৰু কৰুণাৰ কাহিনী* অনুবাদ কৰে। এইবোৰ বঙলা ভাষাৰ পৰা অনূদিত গ্ৰন্থ।

নিধিৰাম ফাৰৰেলে *ভাৰতীয় দণ্ডবিধি আইনৰ* অসমীয়া অনুবাদ কৰি ১৮৬৫ চনত প্ৰকাশ কৰে। অসমীয়া ভাষাত অনূদিত এইখনেই প্ৰথম আইন বিষয়ক গ্ৰন্থ। খ্ৰীষ্টিয়ান গটলন্ বাৰ্থৰ মূল ইংৰাজী গ্ৰন্থ *ধৰমপুথিৰ বিৱৰণ* আৰু *খ্ৰীষ্টিয়ান মণ্ডলৰী সংক্ষেপ বিৱৰণ* নামেৰে চি. এইচ. হেচেল মেয়াৰে অনুবাদ কৰে।

অমিছনেৰী গোষ্ঠীয়ে অসমীয়া অনুবাদ সাহিত্যলৈ বিশেষ বৰঙণি আগবঢ়োৱা নাই। হেমচন্দ্ৰ বৰুৱাৰ বাহিৰে আন কোনেও অনুবাদত গুৰুত্ব দিয়া দেখা নাযায়।

প্ৰাক্ ৰোমাণ্টিক স্তৰত লম্বোদৰ বৰাই কালিদাসৰ শকুন্তলা নাটখন অসমীয়ালৈ অনুবাদ কৰে। অৰুনোদয় যুগৰ অসমীয়া অনুবাদ সাহিত্যৰ বৈশিষ্ট্য আৰু ভূমিকাবোৰ হ'ল—

- অসমীয়া ভাষাক পুনৰ সংস্থাপিত কৰি মৰ্যাদাপূৰ্ণ আৰু শক্তিশালী ৰূপ দিয়াত অনূদিত সাহিত্যই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।
- এই যুগৰ অনূদিত সাহিত্যই প্ৰাচীন যুগৰ দৰে ধৰ্ম, সমাজ, সংস্কৃতি, মূল্যবোধ

আদিৰ পৰিৱৰ্তন কৰি সমাজত ব্যাপক প্ৰভাৱ পেলাব পৰা নাই।

- অনুবাদৰ যোগেদি পাশ্চাত্য-সাহিত্যৰ বিভিন্ন ৰূপ অসমীয়া সাহিত্যত প্ৰৱেশ কৰে।
- ধৰ্মমূলক সাহিত্যৰ লগতে ঐহিক জীৱনৰ বাস্তৱ সমস্যাকেন্দ্ৰিক সাহিত্যৰো উন্মেষ ঘটে।
- সাহিত্য বিষয়ক গ্ৰন্থৰ উপৰি 'আইন' বিষয়ক গ্ৰন্থৰ অনুবাদ হোৱাও এই সময়ছোৱাত দেখা যায়।
- মৃতকল্প অসমীয়া ভাষাত প্ৰাণ সঞ্চাৰ কৰাৰ ক্ষেত্ৰত অনুবাদে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।
- সংস্কৃত উৎসৰ বাহিৰে বাংলা আৰু বিদেশী ভাষাৰ পৰাও গ্ৰন্থ অনূদিত হ'বলৈ ধৰে।
- আত্মাৰাম শৰ্মাৰ *বাইবেলৰ* অনুবাদেই বিদেশী ভাষাৰ পৰা অসমীয়ালৈ অনূদিত প্ৰথম পুথি।
- প্ৰাচীন যুগৰ অনূদিত সাহিত্যৰ নিচিনা এই যুগৰ অনূদিত সাহিত্যৰ সৃষ্টিধৰ্মিতা গুণ নাছিল আৰু সেয়ে ইয়াৰ যোগাযোগমূলক গুণো কম আছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ অৰুনোদয় স্তৱৰ খ্ৰীষ্টিয়ান লেখকসকলে অসমীয়া অনুবাদ সাহিত্যলৈ কেনেধৰণৰ অৰিহণা আগবঢ়াইছিল?

(২০০টা শব্দৰ ভিতৰত)

.....

- **ৰোমাণ্টিক যুগ (খ্ৰীঃ ১৮৮৯-১৯৪০) ঃ** অৰুনোদয় যুগৰ অসমীয়া ভাষা-সাহিত্যৰ দুৰ্যোগক খ্ৰীষ্টান মিছনেৰী আৰু এদল অসমীয়া যুৱকে উদ্ধাৰৰ চেষ্টা কৰি মহৎ কাৰ্য সম্পাদন কৰি গৈছিল। তৎকালীন ভাষা-সাহিত্যক এক শক্তিশালী স্থিতি দিবলৈ পৰৱৰ্তী এচাম উচ্চ শিক্ষিত যুৱক আগবাঢ়ি আহিছিল। কলিকতাত অসমীয়া কলেজীয়া যুৱকে অ. ভা. উ. সা. নামৰ অনুষ্ঠানৰ জন্ম দিছিল। এই সভাৰ অন্যতম উদ্দেশ্য আছিল ভাষা-সাহিত্যক শক্তিশালী কৰিবলৈ অন্যান্য ভাষাৰ সাহিত্য অসমীয়ালৈ অনুবাদ কৰা। এই উদ্দেশ্যৰ বাবে পৰৱৰ্তী জোনাকীক প্ৰমুখ্য কৰি আন আলোচনীবোৰতো যথেষ্ট সংখ্যক অনূদিত সাহিত্য প্ৰকাশিত হৈছিল। ইংৰাজী, সংস্কৃত আৰু বাংলা সাহিত্যৰ অনুবাদে আছিল বেছি। তাৰ যোগেদি পাশ্চাত্য সাহিত্যৰ বিভিন্ন আংগিকে অসমীয়া সাহিত্যত প্ৰৱেশ লাভ কৰে।

ৰোমাণ্টিক যুগত অসমীয়া অনুবাদ সাহিত্যই এক বিশেষ গতি লাভ কৰে।

সেই সময়ছোৱাতে ভাঙনি কোঁৱৰ আনন্দ চন্দ্ৰ আগৰৱালাই *জীৱন-সংগীত* (লংফেলোৰ *Psalm of life*) *চহা আৰু পণ্ডিত* (টমাছ গ্ৰেৰ *The Shepherd and the Philosopher*), *সুখৰ ঠাই* (অনামী কবিৰ *Land the Belter*); যতীন্দ্ৰনাথ দুৱৰাই খায়ামৰ *ৰুবাইৰ* পৰা ফিটজাৰলেণ্ডে কৰা ইংৰাজী অনুবাদৰ পৰা *ওমৰ তীৰ্থ*, হাফিজৰ কবিতাৰ পৰা *মিলনৰ সুৰ*, পদ্মধৰ চলিহআই ৱাল্টাৰ স্কটৰ *পেট্ৰিয়টিজম* কবিতাৰ পৰা *স্বদেশপ্ৰেম*, দুৰ্গেশ্বৰ শৰ্মাই ৱৰ্ডছৱৰ্থৰ *লুচি* কবিতাকেইটি অসমীয়ালৈ অনুবাদ কৰি অসমীয়া অনূদিত কবিতাৰ ক্ষেত্ৰখন চহকী কৰি তোলে।

এই সময়ছোৱাত যথেষ্ট সংখ্যক কবিতা বিভিন্নজন কবিয়ে অসমীয়ালৈ অনুবাদ কৰিছে। তাৰে ভিতৰত উল্লেখযোগ্য কেইটিমান কবিতা আৰু কবিতাপুথি হ'ল—

অনুবাদক	উৎস	মূল লেখক বা কবিতাপুথি	অনূদিত কবিতা
লক্ষ্মীনাথ	There is a	Tomach	*প্ৰিয়তমা* (ছায়ানুবাদ)
বেজবৰুৱা	garden in her face, it is not beauty of demand	Champion (টমাচ চেম্পিয়ন)	*প্ৰিয়তমাৰ সৌন্দৰ্য* (ছায়ানুবাদ)
হেমচন্দ্ৰ গোস্বামী (ফুলৰ চাকি কবিতা পুথিৰ)	Universal Prayer ডেভিডৰ কবিতা	Alexander Pope (আলেকজেণ্ডাৰ পোপ) আৰ্থাৰ এলেন	*স্তুতি* *জাতীয় সংগীত*
হিতেশ্বৰ বৰবৰুৱা	Vicar of Wake field	Goldsmith (গ'ল্ডস্মিথ)	*অংগিলা*
যতীন্দ্ৰনাথ দুৱৰা	Twinkle Twinkle little star Mutability Crossing the bar Tears Idle Tears	 শ্বেলী টেনিচন টেনিচন	*চিকিমিকি চিকিমিকি সৰু তৰাটি* *সপোনসুৰ* নাওৰীয়া-গ *চকুলো*
দুৰ্গেশ্বৰ শৰ্মা	Lucy Gray Lover's Philo sophy	ৱৰ্ডছৱৰ্থ শ্বেলী	*সাদৰী* *প্ৰকৃতিলৈ*

পদ্মধৰ চলিহা	Patriotism	ছাৰ উইলিয়াম স্কট	*জনমভূমি*
ডিম্বেশ্বৰ নেওগ	The Brook The May Queen Stanzas for Music To Celia	লর্ড টেনিচন লর্ড টেনিচন জি বায়ৰন বেন জনচন	*তটিনী* *বিহুৰতী* *সৌন্দর্যমাধুৰী* *প্রিয়াৰ প্রেম*
ৰত্নকান্ত বৰকাকতী	Love's Philosophy	শ্ৱেলী	*প্রেমতত্ত্ব*
ড° সূর্যকুমাৰ ভূঞা	The Mours of Death	মিচেছ হিমেন্স	'নির্মালি'ৰ অন্তর্গত *মৰণ*
বিনন্দ চন্দ্র বৰুৱা	The Incident of the French camp After Blenheim	ৰবার্ট ছাথী	*আগিয়াঠুৰীৰ বীৰ* (ছায়ানুবাদ) *নজনা বীৰৰ মূৰ*
অতুলচন্দ্র হাজৰিকা	The Solitary Reaper		*বিদেশী দাৱনী*
আনন্দচন্দ্র বৰুৱা	If Love were that what the Rose is, The passionate Shepherd to His Love 'চামাম ব'নাম'	চুইনবার্ণ মার্লো ৰবার্ট ব্রাউনিং	*মিল* *গৰখীয়াৰ প্রেম* *সর্বমংগলা*
উমেশ চন্দ্র চৌধাৰী গোলাপচন্দ্র ভূঞা	A Dream of Fair Woman To The Cuckoo	লর্ড টেনিচন ৰর্ডছ্ৱর্থ	*তন্দ্রাবিহাৰ* (ছায়ানুবাদ) *কুলিৰ প্রতি*

ইয়াৰ বাহিৰেও ভগৱতী প্রসাদ বৰুৱাই ৰর্ডছ্ৱর্থৰ 'To The Cuckoo' আৰু শ্ৱেলীৰ 'To a Skylark'ৰ ভাঙনি কৰে। পার্বতিপ্রসাদ বৰুৱাই শ্ৱেলীৰ 'End of Love'ক মুখ্য কৰি 'A Dream of Fair Woman, In Memorium Come into garden– Maud' প্রভৃতি ভালেমান কবিতা অনুবাদ কৰে। অমলেন্দু গুহ, ৰমা দত্ত, প্রফুল্ল শইকীয়া আদিয়ে শ্ৱেইক্সপীয়েৰৰ বহু চনেট অসমীয়ালৈ অনুবাদ কৰে।

জোনাকী যুগত অনূদিত উপন্যাসসমূহৰ ভিতৰত উল্লেখযোগ্য উপন্যাসৰ

নাম কিছুমান তলত দাঙি ধৰা হ'ল—

অনুবাদক	উৎস	মূল লেখক	অনূদিত উপন্যাস
লক্ষেশ্বৰ শর্মা	Last Days of Pompeii	লিটন	পম্পিয়াইৰ প্রলয় কাহিনী
	মাদাৰ	গ্রেজিয়া ডালেজ	মাতৃ
শান্তিৰাম দাস	ইষ্ট-লিনি	শ্রীমতী হেনৰী উড	ছদ্মবেশী
	ক্লইষ্টাৰ এণ্ড জিহার্থ	চার্লচ ৰিড	মিলন মন্দিৰ
ৰোহিনীকান্ত বৰুৱা	গ্রেট হাংগাৰ	জন বোয়েৰ	পৰম ক্ষুধা
হৰেন্দ্র কলিতা	এ টেল অব টু চিটিজ	ডিকেন্স	নগৰ দুখনৰ কথা
	অল কুইট ইন দি ৱেষ্টার্ণ ফ্রণ্ট	মেৰিয়া ৰিমার্ক	পশ্চিম সীমান্ত পূর্ণ শান্তি স্থাপন
দীননাথ শর্মা	গ্রউথ অব দি চইল	কেনিউট হামচান	মাটি আৰু মানুহ

দয়ানন্দ বৰুৱা, হৰেন্দ্রনাথ কলিতা, নলিনীকান্ত বৰুৱা আদিয়ে মেক্সিম গর্কীৰ *মাদাৰ*, ডিকেন্সৰ *টেল অব্ টু চিটিজ*, আনটোলা ফ্রাঁচৰ *থেইজ* আৰু *অল কোৱায়েট ইন দি ৱেষ্টার্ণ ফ্রণ্ট* আদিৰ অনুবাদ কৰি *আৱাহন* আলোচনীত প্রকাশ কৰে।

এই সময়ছোৱাত *জীৱন চৰিত*ৰ অনুবাদেও অসমীয়া সাহিত্যত ভুমুকি মাৰে। মহাত্মা গান্ধীৰ *মাই এক্সপেৰিমেণ্টচ উইথ ট্রুথ (My Experiments with Truth)* অমিয় কুমাৰ দাসে অসমীয়ালৈ অনুবাদ কৰে *মোৰ সত্য অন্বেষণৰ কাহিনী* নামেৰে। নন্দনাথ গোস্বামীয়ে নেহৰুৰ আত্মজীৱনীৰ এছোৱা অনুবাদ কৰি প্রকাশ কৰে।

নাট্য-সাহিত্যৰ অনুবাদৰ পৰম্পৰা আৰম্ভ হৈছিল ১৮৮৮ চনত, *Comedy of Error's*ৰ অনুবাদ *ভ্রমৰংগৰ* যোগেদি। ৰত্নধৰ বৰুৱা, ৰমাকান্ত বৰকাকতি, গুঞ্জানন বৰুৱা আৰু ঘনশ্যাম বৰুৱাৰ সমপ্রচেষ্টাত এই অনুবাদকার্য সম্পন্ন হয়। শ্বেইক্সপীয়েৰৰ *As you like it* নাটখন দুর্গেশ্বৰ শর্মাই *চন্দ্রাৱলী* নামেৰে; *Cymbiline* নাটকখন *পদ্মাৱতী* নামেৰে অভিযোজনা কৰে। তেনেদৰে, দেৱানন্দ ভৰালীয়ে *Macbeth* নাটখন *ভীমদর্প* নামেৰে অভিযোজনা কৰে। পদ্মধৰ চলিহাই শ্বেক্সপীয়েৰৰ *Romeo and Juliet* *অমৰ লীলা* নামে প্রকাশ কৰে। অম্বিকা প্রসাদ গোস্বামীয়ে *Cymbeline* *তাৰা* নামেৰে প্রকাশ কৰে। তেনেদৰে শ্বেইক্সপীয়েৰৰ *Othello* নাটক শৈলধৰ ৰাজখোৱাই *ৰণজিৎসিং* নামেৰে অনুবাদ কৰে। একেজন নাট্যকাৰৰ *Twelvth Night* *মনৰ মানুহ* নামেৰে ভাঙনি কৰে। নবীন চন্দ্র বৰদলৈয়ে শ্বেইক্সপীয়েৰৰ *King Lear* নাটকৰ আধাৰত *বিষাদ কাহিনী*, *The Taming of the Shrewd*ৰ আধাৰত *ভ্রান্তি-বিনোদ* ৰচনা কৰে।

ৰোমাণ্টিক যুগৰ অসমীয়া অনুবাদ সাহিত্যৰ বৈশিষ্ট্য আৰু ভূমিকাবোৰ হ'ল—

- অৰুনোদয় যুগৰ মৃতকল্প অসমীয়া ভাষাই জোনাকী যুগত প্রাণশক্তি ঘূৰাই

পায়। এই ক্ষেত্ৰত অনুবাদৰ যথেষ্ট ভূমিকা আছে।

- অ. ভা. উ. সা. সভাৰ উদ্যোক্তাই অনুবাদৰ ক্ষেত্ৰত ডাঙৰ ভূমিকা গ্ৰহণ কৰিছিল।
- আধুনিক সাহিত্যৰ ভেটি নিৰ্মাণত এই যুগৰ অনুবাদ সাহিত্যৰ ভূমিকা গুৰুত্বপূৰ্ণ।
- অনুবাদ সাহিত্য প্ৰকাশৰ ক্ষেত্ৰত আলোচনী বা সংবাদ-পত্ৰই উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল।
- এই অনূদিত সাহিত্যই জাতীয়তাবোধ আৰু দেশপ্ৰেম গঢ় দিয়াত ভূমিকা গ্ৰহণ কৰিছিল।
- অনূদিত সাহিত্যৰ উৎস সংস্কৃতৰ উপৰি হিন্দী, বাংলা আৰু ইংৰাজীলৈ সম্প্ৰসাৰিত হয়।
- সৃষ্টিশীল লেখকে অনুবাদকৰ ভূমিকাতো অৱতীৰ্ণ হৈছিল।
- জীৱনী সাহিত্যৰ অনুবাদৰ ধাৰা এটি সৃষ্টি হয়।

- **সাম্প্ৰতিক যুগ (খ্ৰীঃ ১৯৪০ৰ পৰা বৰ্তমানলৈ) ঃ** ইতিমধ্যে বিশ্বত অনুবাদ সাহিত্যৰ যোগেদি বিশ্বসাহিত্যৰ ধাৰণা এটি গঢ় লৈ উঠিছে। বিশ্বত নিত্যনতুন আৰু নানা স্বাদৰ সাহিত্য বিভিন্ন ভাষাত অহৰহ ৰচিত হ'বলৈ ধৰিলে। তুলনামূলক সাহিত্য অধ্যয়ন বিষয়টোৰ যথেষ্ট সম্প্ৰসাৰণ ঘটিল। পৃথিৱীত নানা মতবাদ বা জীৱন দৰ্শনৰ উন্মেষ ঘটি সাহিত্যত প্ৰকাশ লাভ কৰিলে। সাহিত্যৰ উপৰি জ্ঞান-বিজ্ঞান, ৰাজনীতি, সমাজনীতি, অৰ্থনীতি, ব্যৱহাৰিক জ্ঞানৰ বহু গ্ৰন্থ ৰচিত হ'ল। তেনেকুৱা পৰিপ্ৰেক্ষিতত অসমীয়ালৈ যথেষ্ট সংখ্যক দেশী আৰু বিদেশী ভাষাৰ গ্ৰন্থ অনূদিত হ'বলৈ ধৰে। এই অনূদিত গ্ৰন্থই অসমীয়া সাহিত্যক সমৃদ্ধিশালী কৰাত সহায় কৰিছিল।

শিক্ষাৰ সম্প্ৰসাৰণ আৰু নগৰীকৰণ আদিৰ ফলত ইতিমধ্যে অসমত শিক্ষিত মধ্যবিত্ত শ্ৰেণী এটা গঢ় লৈ উঠে। অসমীয়া অনূদিত সাহিত্য বা সৃষ্টিধৰ্মী সাহিত্যৰ বিকাশত এই শ্ৰেণীটোৰ অৱদান যথেষ্ট। কিন্তু বিশ্বায়নৰ প্ৰভাৱত লাহে লাহে অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিলৈ ভাবুকিৰ সৃষ্টি হৈছে। ইংৰাজী ভাষাৰ আগ্ৰাসনে মাতৃভাষা অসমীয়াৰ প্ৰতি সংকটৰ সৃষ্টি কৰিছে। তদুপৰি, সাম্প্ৰতিক সময়ত পাঠক গোষ্ঠীৰ সংখ্যাও যথেষ্ট হ্ৰাস পাইছে। এনেবোৰ কাৰণতে অতিসম্প্ৰতি অনুবাদৰ সংখ্যা তাকৰীয়া হৈছে। অসমত বিশ্বৰ অন্যান্য ঠাইৰ দৰে অনুবাদক বৃত্তি (কেৰিয়াৰ) হিচাপে লোৱা লোকৰ সংখ্যা প্ৰায় নায়েই। অৱশ্যে, বিভিন্ন বাতৰিকাকত, আলোচনী, ৰঙালী বিহু আৰু শাৰদীয় সংখ্যাবোৰত বুজন পৰিমাণৰ অনূদিত সাহিত্য প্ৰকাশ পাই আছে।

স্বৰাজোত্তৰ কালত অনূদিত কবিতাৰ এটি আভাস তলত দাঙি ধৰা হ'ল—

নৰকান্ত বৰুৱাই হুইটমেনৰ এশটা কবিতা অনুবাদ কৰি গ্ৰন্থ ৰূপত প্ৰকাশ কৰে। নীলমণি ফুকনে জাপানী 'টানকা' আৰু 'হাইকু' কবিতাৰ অনুবাদ কৰি 'জাপানী কবিতা' নামেৰে প্ৰকাশ কৰে। তেওঁৰ আন এখন অনুবাদ পুথি হ'ল— *গাৰ্থিয়া লৰকাৰ কবিতা*। ৰবীন্দ্ৰ চৰকাৰে হো চি মিনৰ কবিতাৰ ভাঙনি গ্ৰন্থ আকাৰে প্ৰকাশ কৰে। দীনেশ গোস্বামীয়ে চীনা কবিতাৰ সংকলন প্ৰকাশ কৰে। দিলীপ তালুকদাৰ আৰু বিদ্যুৎ বিকাশ ভূঞাই *পেলেষ্টাইনৰ কবিতা* অনুবাদ কৰে। পৰেশ মল্ল বৰুৱাই *কুৰি শতিকাৰ ছোভিয়েট কবিতা* অনুবাদ কৰে।

পৃথিৱীৰ বিভিন্ন দেশৰ যেনে— আৰব, ইংলেণ্ড, আমেৰিকা, ফৰাচী, জার্মান, চীন, তুৰস্ক, ৰুছ, স্পেইন, বুলগেৰিয়া, জাপান, বাংলাদেশ, পাকিস্তান, নেপাল, সিংহল, থাইলেণ্ড, ব্ৰহ্মদেশ আদিৰ উল্লেখযোগ্য কবিসকলৰ কবিতাৰ অনুবাদ বিভিন্ন আলোচনীৰ পাততে সিঁচৰতি হৈ আছে। এই ক্ষেত্ৰত পাব্‌লো নেৰুদা (চিলি), চৰ্গেই এচেনিন (ৰুছিয়া) আন্দ্ৰমিডা (জর্জ চেফাৰিচ, গ্ৰীচ), মাও ট্ৰে আং (ব্ৰহ্মদেশ), ভাচকো পোপা (যুগোশ্লাভিয়া), হানচ মেগনাচ এনজেনচৰ বার্জাৰ (জার্মান), দিনো কম্পনা (ইটালি), নিকোলাচ গিলেন (কিউবা), বাথমেন (জার্মান), আলেকজেণ্ডাৰ পুস্কিন ইত্যাদি বিদেশী কবিসকলৰ কবিতালৈ আঙুলিয়াব পাৰি।

এই সময়ছোৱাত বহুতো একাংকিকা নাট অসমীয়ালৈ অনূদিত হয়। সুৰেন শইকীয়া, যোগেন চেতিয়া আৰু প্ৰফুল্ল বৰুৱাই ষ্টেনলি হটনৰ *Dear Departed* নাটকখনৰ তিনিটা ভিন্ন নামৰ অনুবাদ আগবঢ়ায়। সেইকেইখন হ'ল যথাক্ৰমে— *প্ৰেতাত্মাৰ পৰিদৰ্শন, চেনেহৰ সোঁতা, পিতৃ বিয়োগ*। আন কেইখনমান অনূদিত একাংকিকা হ'ল— প্ৰফুল্ল দত্ত গোস্বামীৰ *জোনৰ পোহৰত* (The Monkey's Paw) আদি।

পূৰ্ণাংগ নাটকৰ অনুবাদৰ ক্ষেত্ৰতো এই সময়ছোৱা অতি চহকী। তলত তাৰ এটি আভাস দাঙি ধৰা হ'ল—

অনুবাদক	মূল লেখক	মূল গ্ৰন্থ	অনূদিত গ্ৰন্থ
অতুলচন্দ্ৰ হাজৰিকা	শ্বেইক্সপীয়েৰ	মাৰচেণ্ট অব ভেনিচ কিং লিয়েৰ	বণিজ কোঁৱৰ অশ্ৰুতীর্থ
সর্বানন্দ পাঠক	শ্বেইক্সপীয়েৰ	মেকবেথ	বিপ্লৱী বীৰ
বোধনাথ পটংগিয়া	শ্বেইক্সপীয়েৰ	হেমলেট	চন্দ্ৰবীৰ
পদ্ম বৰকটকী	ইবচেন	এ ডলচ্ হাউছ	পুতলা ঘৰ
সত্যপ্ৰসাদ বৰুৱা	ইবচেন	ৱাইল্ড ডাক	বনহংসী
মহেন্দ্ৰ বৰা	ইবচেন	ঘোষ্ট	ভূত
সত্যপ্ৰসাদ বৰুৱা	চফ'ক্লিছ	ইডিপাছ টাইৰেন্নাচ	ৰজা ইডিপাছ

শৈলেন ভৰালী	বেকেট	ওৱেটিং ফৰ গডো	গডোৰ অপেক্ষাত
দুলাল ৰয়	মলিয়েৰ	দা মাইজাৰ	মাছৰ তেলেৰে মাছ
বীৰেন্দ্র কুমাৰ ভট্টাচার্য	মলিয়েৰ	টাৰটুফ	ব্রহ্মচাৰী
দুলাল ৰয় আৰু			
সতীশ ভট্টাচার্য	বার্ণার্ড শ্ব'	পিগমেলিয়ন	প্রেয়সী
দুলাল ৰয় আৰু			
চন্দা ৰয়	লৰকা	ইয়াৰমা	অফালা
অজিৎ বৰুৱা	এলবার্ট কেমু	লা জুষ্টচ্	ন্যায়নিষ্ঠা
তচদ্দুক ইউচুফ	লুইজি	ছিক্স কেৰেকটাৰচ্	নাট্যকাৰৰ সন্ধানত
	পিৰাণ্ডেলো	ইন চার্চ অব্ এন অথৰ	ছটা চৰিত্র

এই সময়ছোৱাত অনূদিত হোৱা সংস্কৃত নাটকবোৰ হ'ল— *ৰাজনটী, শকুন্তলা, মুদ্রাৰাক্ষস, স্বপ্ন বাসৱদত্তা, কর্পূৰমঞ্জৰী, উত্তৰ ৰাম চৰিত* আদি। ইয়াৰ অনুবাদক-কেইজন হ'ল যথাক্রমে— প্রভাত চন্দ্র শর্মা, অতুল চন্দ্র হাজৰিকা, ৰজনীকান্ত দেৱশর্মা, মুকুন্দ মাধৰ শর্মা আৰু পূর্ণানন্দ চৌধুৰী।

বাংলা আদি ভাৰতীয় ভাষাৰ নাটকো দুই-এখন অনুবাদ কৰা হৈছে। এই সময়ছোৱাত অনূদিত হোৱা ৰবীন্দ্রনাথৰ নাটককেইখন হৈছে— *বিসর্জন, চিত্রাংগদা, চিৰকুমাৰ সভা, ৰাজা, ডাকঘৰ, মুক্তধাৰা, ৰক্তকৰবী, নটীৰ পূজা* আদি। আৰু এই নাটকেইখনৰ অনুবাদককেইজন হ'ল যথাক্রমে— অতুলচন্দ্র হাজৰিকা, বিৰিঞ্চি কুমাৰ বৰুৱা, চৈয়দ আব্দুল মালিক, মহেন্দ্র বৰা, নির্মলপ্রভা বৰদলৈ, নৰকান্ত বৰুৱা, কেশৰ মহন্ত আৰু ৰাম গোস্বামী।

অনূদিত উপন্যাস ঃ এই সময়ছোৱাৰ উল্লেখযোগ্য অনূদিত বিদেশী উপন্যাসসমূহ হ'ল—

আবুল লেইচৰ *টমছায়াৰ, হাও গ্রীণ ৰাজ মাই ভেলী* আৰু *গুড বাই মিঃ চিন্স'*; বীৰেন বৰকটকীৰ *কুমাৰী পৃথিৰী* (টুর্গেনিভৰ *ভাৰজিন চইল)*; প্রণীতা দেৰীৰ *জীৱনৰ লালসা* (আৰভিং ষ্টোনৰ *লাষ্ট ফৰ লাইফ)*; মুস্তাফিজুৰ ৰহমানৰ *লা ৰোমানা*; তপন দাসৰ *পাহাৰী ছন্দ* (ছমাৰচেট মমৰ *আপ এটদি ভিল্লা)*; প্রফুল্ল কটকীৰ *ওপজা মাটিৰ টান* (টমাছ হার্ডিৰ *ৰি ৰিটার্ণ অব্ দি নেটিভ)*; বিমল নাথৰ *পাপ আৰু প্রায়শ্চিত্ত, পগলা ফাটেক, ডেভিড কপাৰফিল্ড*; সত্যেন্দ্র নাৰায়ণ গোস্বামীৰ *বিদায় যুদ্ধ বিদায়* (হেমিংওৱেৰ *ফেয়াৰ ওৱেল টু আর্মচ)*; বীৰেন্দ্র কুমাৰ ভট্টাচার্যৰ *দেৱ দুন্দুভি বাজে কাৰ বাবে* (হেমিংওৱেৰ *ফৰ হুম দি বেল ট'লচ')*; যতীন গোস্বামীৰ *বুঢ়া আৰু সাগৰ (দি ওল্ড মেন এণ্ড দি চি)*; ড° নগেন ঠাকুৰৰ *ধীৰে বৈ যায় ডন*

(মিখাইল চোলোকভৰ *এণ্ড কুৰাইট ফ্লজ ডন);* ৰোহিণীকান্ত বৰুৱাৰ *পৰম ক্ষুধা* (জন বোয়েৰৰ *গ্ৰেট হাংগাৰ);* সুৰেন্দ্ৰ মোহন দাসৰ *যুদ্ধ আৰু শান্তি* ইত্যাদি।

অসমীয়া ভাষালৈ অনূদিত ভাৰতীয় উপন্যাসসমূহৰ ভিতৰত উল্লেখযোগ্য উপন্যাসসমূহ হ'ল—

তৰুণ কুমাৰ ভাদুড়ীৰ *সন্ধ্যা বস্তিৰ শিখা, অভিশপ্ত চম্বল, আকৌ অভিশপ্ত চম্বল, বিলকিচ বেগম, দৃষ্টি দৃষ্টি;* সমৰেশ বসুৰ *তিনি ভুবনৰ পাৰত;* মীৰ মোছাৰফ হোছেনৰ *বিষাদ সিন্ধু* (উদ্ধাৰ আৰু এজিদ পৰ্ব) আৰু মহৰম পৰ্ব ইত্যাদি অসমীয়ালৈ অনূদিত হৈ প্ৰকাশ লাভ কৰে। মহেন্দ্ৰ বৰাই ৰবীন্দ্ৰ নাথৰ *চোখেৰ বালি, বিনোদিনী* নামেৰে অসমীয়ালৈ অনুবাদ কৰে। মনু সেনে মহাশ্বেতা দেৱীৰ *অৰণ্যৰ অধিকাৰ,* মৈত্ৰেয়ী দেৱীৰ *ন হন্যতে, প্ৰথম প্ৰতিশ্ৰুতি* আদি অসমীয়ালৈ অনুবাদ কৰে। মুক্তানন্দ শৰ্মাই জৰাসন্ধৰ *তিনি কন্যা;* আৰতি দাসে *ঘুণ পোক;* অতুলানন্দ গোস্বামীয়ে *বনহংসীৰ শ্বেতপদ্ম;* অৰুণ শৰ্মাই *নীলকণ্ঠি পখীৰ সন্ধান*ত আদি উপন্যাস অনুবাদ কৰে।

বাংলাৰ দৰে হিন্দী ভাষাৰ পৰাও বহু উপন্যাস অনূদিত হৈছে। দিলীপ তালুকদাৰে ফুটপাথৰ দেৱদূত (কৃষণচন্দ্ৰৰ *ফুটপাথ কী ফৰিস্তে);* নিৰ্মলপ্ৰভা বৰদলৈয়ে *বিন্দু আৰু সিন্ধু* (অমৃতলাল নাগৰ *বুন্দ ঔৰ সমুন্দৰ);* নৰদ্বীপ ৰঞ্জন পাটগিৰী আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্যই বাণভট্টৰ আত্মকথা (হাজাৰি এ দ্বিবেদীৰ *বাণভট্টকী আত্মকথা)* আদি হিন্দী ভাষাৰ পৰা অসমীয়া ৰূপ দান কৰে।

অনূদিত চুটিগল্প ঃ উল্লেখযোগ্য অনূদিত চুটিগল্পপুথিসমূহ হ'ল—

সুৰেন্দ্ৰ মোহন দাসৰ *টলষ্টয়ৰ সাধু;* অনুপমা দেৱীৰ *প্ৰত্যাৱৰ্তন; এনুৰা জোনালী নিশা;* অৰুণ কুমাৰ বৰুৱাৰ *মোপাঁচাঁৰ গল্প;* সত্যেন্দ্ৰনাথ বৰকটকীৰ *গ দ্য ম'পাচাঁৰ শ্ৰেষ্ঠ গল্প, ফৰাচী গল্প;* অনিল কুমাৰ শৰ্মাৰ *চেখভৰ গল্প;* প্ৰণৱজ্যোতি ডেকাৰ *ৰুছ গল্প;* ৰত্নেশ্বৰ মেধিৰ *মেক্সিম গৰ্কীৰ শ্ৰেষ্ঠ গল্প, গাইড, ধূৰ্তালি;* সত্যপ্ৰসাদ বৰুৱাৰ *বিশ্ববিখ্যাত চুটিগল্প ৯টা;* অনু বৰুৱাৰ *প্ৰথম প্ৰেম;* ড° অমিয়া দেৱীৰ *একুঁকি বিদেশী গল্প;* সৌৰভ কুমাৰ চলিহাৰ *আজি শুক্ৰবাৰ;* দিলীপ তালুকদাৰৰ *নানা ৰঙৰ গল্প;* ড° প্ৰফুল্ল দত্ত গোস্বামীৰ (সম্পা.) *'গল্প ঃ দেশী আৰু বিদেশী;* লক্ষহীৰা দাসৰ *ওস্কাৰ ৱাইল্ডৰ গল্প;* অমূল্য হাজৰিকাৰ *অ' হেনৰীৰ শ্ৰেষ্ঠ গল্প;* নিৰুপমা ফুকনৰ *বিশ্ব গল্প চয়নিকা;* বিমল নাথৰ *হথৰ্ণৰ শ্ৰেষ্ঠ গল্প;* প্ৰসন্ন গোস্বামীৰ *বিদেশী গল্পৰ সম্ভাৰ;* কনক মহন্তৰ *জাৰৰ দেশৰ গল্প;* দধি মহন্তৰ *অক্টোবৰৰ এৰাতি;* ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই কৰা ৰবীন্দ্ৰনাথৰ *একুৰি এটা চুটিগল্পৰ পুথি;* সুৰেশ শৰ্মাৰ সম্পাদনাত ভাৰতীয় বহু প্ৰাদেশিক ভাষাৰ চুটিগল্প *বৰফৰ ফুল* নামেৰে প্ৰকাশ

পাইছে। তেনেদৰে জয়কান্ত শর্মাৰ *ভাৰতীয় গল্প;* ইন্দিৰা দত্তৰ *প্ৰেমচন্দৰ শ্ৰেষ্ঠ গল্প;* বিনন্দ চন্দ্ৰ বৰুৱাৰ *ৰাজস্থানৰ গল্প* আদিৰ নাম এই ক্ষেত্ৰত উল্লেখযোগ্য।

যুদ্ধোত্তৰ যুগত বহুতো সংস্কৃত গল্প-আখ্যান শিশু উপযোগী কৰি অসমীয়া ৰূপ প্ৰদান কৰা হৈছে। *মহাভাৰত, ৰামায়ণ, পু�ৰাণ, দ্বাত্ৰিংশৎ-পুত্তলিকা, জাতক, হিতোপদেশ, পঞ্চতন্ত্ৰ, বেতাল পঞ্চবিংশতি, কথা-সৰিৎসাগৰ* আদিৰ আখ্যান অসমীয়ালৈ ভাবানুবাদ কৰা হৈছে। মহেশচন্দ্ৰ কটকীৰ *বেতাল-পঞ্চবিংশতি;* ইন্দ্ৰধৰ ৰাজখোৱাৰ *হিতোপদেশ;* অতুল চন্দ্ৰ হাজৰিকাৰ *জাতকৰ সাধু,* নিৰ্মলপ্ৰভা বৰদলৈৰ *সৰিৎসাগৰৰ গল্প* ইত্যাদি এই ক্ষেত্ৰত উল্লেখযোগ্য।

ইংৰাজী সাহিত্যৰ পৰাও যথেষ্টসংখ্যক শিশু উপযোগী গ্ৰন্থ অনূদিত হৈছে। বসন্ত বৰুৱাৰ *ৰেগনাৰৰ সাধু;* হৰেন্দ্ৰনাথ শর্মাৰ *ঈছপৰ সাধু;* মহেন্দ্ৰ বৰাৰ *গ্যালিভাৰৰ ভ্ৰমণ কাহিনী;* হাৰুণাৰ ৰচিদৰ *ৰত্নদ্বীপ;* বেণুধৰ শর্মাৰ *ৰবিন্সন ক্ৰুছ;* সুপ্ৰভা গোস্বামীৰ *ডন কুইকচোট;* আজলীতৰা নেওগৰ *আলাদ্দিন আলিবাবা* ইত্যাদি শিশুগ্ৰন্থৰ নাম এই ক্ষেত্ৰত উল্লেখযোগ্য।

সাম্প্ৰতিক যুগৰ অসমীয়া অনুবাদ সাহিত্যৰ বৈশিষ্ট্য আৰু ভূমিকাবোৰ হ'ল—

- অনূদিত সাহিত্যৰ পৰিমাণ তুলনামূলকভাৱে তাকৰ। অৱশ্যে সাহিত্যৰ বিভিন্ন শাখাৰ পৰিপুষ্টিত ইবোৰৰ ভূমিকা যথেষ্ট।
- অনুবাদে কেন্দ্ৰীয় অৱস্থান গ্ৰহণ নকৰি সীমান্তৱৰ্তী অৱস্থানহে এই স্তৰত লাভ কৰিছে।
- বহু সংখ্যক অনূদিত গ্ৰন্থৰ গুণগত উৎকৃষ্টতা কম।
- প্ৰাচীন যুগৰ নিচিনাকৈ এই যুগৰ অনূদিত সাহিত্যই জনসাধাৰণৰ মাজত ব্যাপক প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই।
- এই সময়ছোৱাত অসমীয়া অনূদিত সাহিত্যৰ পৰিমাণ পৰ্যাপ্ত নোহোৱাৰ উল্লেখযোগ্য কাৰণ কেইটামান হৈছে—
  - ক) অসমীয়া ভাষাৰ সংকট ঃ মাতৃভাষা মাধ্যমৰ বিদ্যালয়ৰ বিপৰীতে ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ আগ্ৰাসন।
  - খ) গ্ৰন্থস্বত্বৰ বাবে অনুমতি লাভৰ সমস্যা।
  - গ) গ্ৰন্থ অধ্যয়নৰ প্ৰতি কম সংখ্যক পাঠকৰ আগ্ৰহ।
  - ঘ) অসমত অনুবাদ শিল্পক কম গুৰুত্বৰ বুলি ভাবি তাক দ্বিতীয় শ্ৰেণীৰ সাহিত্য হিচাপে গণ্য কৰাৰ মনোভাৱ। যাৰ বাবে কালিৰাম মেধিয়েও কৈছিল, 'অনুবাদ বৰ্জন কৰাহে ভাল'।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ ঃ প্রশ্ন ৬ ঃ কি কি দেশৰ সাহিত্য কৃতি অসমীয়া ভাষালৈ অনূদিত হৈছে? (১৫০টা শব্দৰ ভিতৰত)

.....



৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া অনুবাদ সাহিত্যৰ শুভাৰম্ভণি কেনেকৈ হ'ল তাৰ লেখ পালো।
- এই অনুবাদ সাহিত্যৰ মূল উদ্দেশ্য আছিল লোকশিক্ষা।
- অনুবাদ সাহিত্যই প্রাক্‌শংকৰী যুগত কেন্দ্রীয় ভূমিকা গ্রহণ কৰিছিল।
- এই সময়চোৱাত মহাভাৰতীয় সাহিত্য— *ৰামায়ণ, মহাভাৰত* আদিৰ পূর্ণাংগ বা আংশিক অনুবাদ হোৱা দেখা যায়।
- এই অনুবাদ সৃষ্টিধর্মী গুণৰ বাবে মৌলিক সাহিত্যৰ নিচিনা আছিল।
- অসমীয়া ভাষাক নানা জনগোষ্ঠীৰ মাজত সংযোগী ভাষা আৰু সাহিত্যিক ভাষা হিচাপে মর্যাদা প্রদানত অনূদিত সাহিত্যই গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল।

শংকৰী যুগ ঃ

- নৱবৈষ্ণৱ আন্দোলনৰ প্রসাৰৰ যোগেদি অসমীয়া অনুবাদ সাহিত্যই বিশালতা আৰু গভীৰতা লাভ কৰে।
- ব্যৱহাৰিক বা ঐহিক জীৱনমুখী সাহিত্যৰ উন্মেষ ঘটে।
- ভট্টদেৱৰ হাতত বিশুদ্ধ অসমীয়া গদ্য সাহিত্যৰ সৃষ্টি হয়।
- ব্যক্তিগত অনুবাদৰ লগতে দলীয় অনুবাদে পোন প্রথমবাৰৰ বাবে এই যুগত আত্মপ্রকাশ কৰে।
- ব্যক্তিগত প্রচেষ্টাৰ লগতে সত্রীয়া পৰিবেশ আৰু ৰজাঘৰীয়া পৃষ্ঠপোষকতাত সাহিত্য অনূদিত হৈছিল।
- শংকৰী যুগৰ সাহিত্য জাতীয় সাহিত্য হিচাপে প্রতিষ্ঠা লাভ কৰে।

শংকৰোত্তৰ যুগ ঃ

- সাহিত্য-চর্চাৰ পূর্বৰ কেন্দ্রৰ সলনি হৈ উজনি খণ্ড প্রধান কেন্দ্রস্থল হৈ পৰে।
- আহোম ৰাজদৰবাৰত ধর্মীয় দৃষ্টিভংগীৰ সলনি হৈ শাক্ত-শৈৱ সাহিত্যৰ অনুবাদ হ'বলৈ ধৰে।
- পৃষ্ঠপোষক আৰু লেখকৰ ৰুচিৰ পৰিবর্তন তথা নতুন উৎসৰ অন্বেষণ কৰাৰ ফলত

শৃংগাৰ ৰসাত্মক পৌৰোণিক সাহিত্যৰ অনুবাদ হ'বলৈ ধৰে।

- ব্যৱহাৰিক সাহিত্য অনুবাদৰ এটি সুকীয়া ধাৰাৰ সৃষ্টি হয়।
- বিদেশী ভাষাৰ গ্ৰন্থ প্ৰথমবাৰৰ বাবে অসমীয়ালৈ অনূদিত হয়।

অৰুনোদয় যুগ ঃ

- অসমীয়া ভাষাক পুনৰ সংস্থাপিত কৰি মর্যাদাপূর্ণ আৰু শক্তিশালী ৰূপ দিয়াত অনূদিত সাহিত্যই গুৰুত্বপূর্ণ ভূমিকা গ্ৰহণ কৰিছিল।
- অনুবাদৰ যোগেদি পাশ্চাত্য সাহিত্যৰ বিভিন্ন ৰূপ অসমীয়া সাহিত্যত প্ৰবেশ কৰে।
- এই অনূদিত সাহিত্যৰ যোগাযোগমূলক গুণ কম আছিল।

ৰোমাণ্টিক যুগ ঃ

- অৰুনোদয় যুগৰ মৃতকল্প অসমীয়া ভাষাই জোনাকী যুগত প্ৰাণশক্তি ঘূৰাই পায়। এই ক্ষেত্ৰত অনুবাদৰ যথেষ্ট গুৰুত্বপূর্ণ ভূমিকা আছে।
- অ. ভা. উ. সা. সভাৰ উদ্যোক্তাই অনুবাদৰ ক্ষেত্ৰত ডাঙৰ ভূমিকা গ্ৰহণ কৰিছিল।
- আধুনিক সাহিত্যৰ ভেটি নির্মাণত এই যুগৰ অনুবাদ সাহিত্যৰ ভূমিকা গুৰুত্বপূর্ণ।

সাম্প্ৰতিক যুগ ঃ

- অনুবাদে কেন্দ্ৰীয় অৱস্থান গ্ৰহণ নকৰি সীমান্তৱর্তী অৱস্থানহে এই স্তৰত লাভ কৰিছে।
- বহুসংখ্যক অনূদিত গ্ৰন্থৰ গুণগত উৎকৃষ্টতা কম।
- অনূদিত সাহিত্যৰ পৰিমাণ তুলনামূলকভাৱে তাকৰ। অৱশ্যে সাহিত্যৰ বিভিন্ন শাখাৰ পৰিপুষ্টিত ইবোৰৰ ভূমিকা গুৰুত্বপূর্ণ।
- এই সময়ছোৱাত অসমীয়া অনূদিত সাহিত্যৰ পৰিমাণ তাকৰীয়া হোৱাৰ কিছুমান তাৎপর্যপূর্ণ কাৰণ আছে।



৪.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ডেকা হাজৰিকা, কৰবী (২০০৩); *তুলনামূলক সাহিত্য আৰু অনুবাদ-কলা;* ডিব্ৰুগড়, বনলতা।

২) দাস, নাৰায়ণ আৰু ৰাজবংশী, পৰমানন্দ (সম্পা.) (১৯৯৯); *অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ;* স্নাতকোত্তৰ অসমীয়া অধ্যয়ন কেন্দ্ৰ, অসমীয়া বিভাগ, প্ৰাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী।

৩) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী, চন্দ্ৰ প্ৰকাশ।

৪) পাঠক, দয়ানন্দ (২০০৮); *অসমীয়া নাটক আৰু পাশ্চাত্য প্ৰসংগ;* গুৱাহাটী, পাণবজাৰ, লয়ার্ছ বুক ষ্টল।

৫) মহন্ত বেজবৰা, নীৰাঞ্জনা (২০১১); *অনুবাদ ঃ তত্ত্ব আৰু প্ৰয়োগ;* ডিব্ৰুগড়, বনলতা।

৬) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৪); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী।

৪.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাক্‌শংকৰ যুগৰ পৰা... সাম্প্ৰতিক কাললৈ বিস্তৃত।

২নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া অনুবাদক, পৃষ্ঠপোষকৰ উদ্দেশ্য... সমাজ জীৱনৰ সৈতে তাৰ সম্পৰ্ক... ফঁহিয়াই দেখুৱাওক।

৩নং প্ৰশ্নৰ উত্তৰ ঃ সাম্প্ৰতিক যুগৰ অসমীয়া সাহিত্যত অনূদিত সাহিত্যৰ ভূমিকা সম্পৰ্কে এটি বিশ্লেষণ আগবঢ়াওক।

৪নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া সাহিত্যৰ বিভিন্ন শাখাত অনূদিত হোৱা সাহিত্যৰ বিষয়ে উল্লেখ কৰি তাৰ মূল বিশ্লেষণ কৰক।

৫নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া সাহিত্যৰ প্ৰাক্‌শংকৰ যুগৰ বিশিষ্ট অনুবাদকসকলৰ অনুবাদ নীতি কেনে আছিল সেই সম্পৰ্কে এটি নাতিদীৰ্ঘ প্ৰবন্ধ যুগুত কৰক।

৬নং প্ৰশ্নৰ উত্তৰ ঃ মাধৱ কন্দলী .... হৰিবৰ বিপ্ৰৰ অনুবাদ-নীতি ফঁহিয়াই দেখুৱাওক।

৪.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অসমীয়া ভাষা-সাহিত্যৰ বিকাশত অসমীয়া অনূদিত সাহিত্যৰ ভূমিকা সম্পৰ্কে এটি আলচ যুগুত কৰক।

প্ৰশ্ন ২ ঃ অসমীয়া অনুবাদ সাহিত্যৰ সৃষ্টিত কমতা কামৰূপ ৰাজ্যৰ ভূমিকা কেনে আছিল বিশ্লেষণ কৰি দেখুৱাওক।

প্ৰশ্ন ৩ ঃ অসমীয়া অনুবাদ সাহিত্যৰ বিকাশত নৱ-বৈষ্ণৱ আন্দোলনৰ ভূমিকা সম্পৰ্কে এটি আলোচনা দাঙি ধৰক।

প্ৰশ্ন ৪ ঃ শংকৰোত্তৰ যুগত শৃংগাৰাত্মক পৌৰাণিক কাব্য অসমীয়ালৈ অনূদিত হোৱাৰ কাৰণ কি আছিল ফঁহিয়াই দেখুৱাওক।

প্ৰশ্ন ৫ ঃ শংকৰোত্তৰ যুগত অনূদিত হোৱা পুৰাণ সাহিত্যৰ বিষয়ে এটি সমীক্ষা আগবঢ়াওক।

প্রশ্ন ৬ ঃ শংকৰোত্তৰ যুগত অনূদিত হোৱা ৰামায়ণ আৰু মহাভাৰতীয় সাহিত্যৰ বিষয়ে এটি সমীক্ষা আগবঢ়াওক।

প্রশ্ন ৭ ঃ শংকৰোত্তৰ যুগত অনূদিত হোৱা ব্যৱহাৰিক সাহিত্যৰ বিষয়ে এটি সমীক্ষা আগবঢ়াওক।

প্রশ্ন ৮ ঃ অৰুনোদয় যুগৰ অনুবাদ সাহিত্য সম্পর্কে এটি আলোচনা দাঙি ধৰক।

প্রশ্ন ৯ ঃ সাম্প্রতিক যুগৰ অনুবাদ সাহিত্যৰ বিকাশত সংবাদ-পত্র আৰু আলোচনীৰ ভূমিকা সম্পর্কে এটি বিশ্লেষণাত্মক প্রবন্ধ যুগত কৰক।

প্রশ্ন ১০ ঃ পুৰণি আৰু আধুনিক যুগৰ অসমীয়া অনূদিত সাহিত্যৰ তুলনামূলক আলোচনী এটি দাঙি ধৰক।

*** ***** ***

অধ্যায় ৫ ঃ অসমীয়া ভাষালৈ কবিতাৰ অনুবাদ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ অসমীয়া কবিতা আৰু অনুবাদ পৰম্পৰা
৫.৪ কবিতাৰ উৎস পাঠ আৰু লক্ষ্য পাঠ
৫.৫ সৃষ্টিশীল সাহিত্য ৰূপে কবিতাৰ অনুবাদ
৫.৬ কবিতাৰ অনুবাদ আৰু অনুবাদকে সন্মুখীন হোৱা সমস্যা
৫.৭ অনুবাদৰ সৌন্দর্য আৰু গ্রহণযোগ্যতা
৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৯ অধিক জানিবলৈ
৫.১০ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৫.১১ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কবিতাৰ অনুবাদ সম্পর্কে জানিবলৈ সক্ষম হ'ব
- কবিতা অনুবাদৰ বাবে প্রয়োজনীয় কৌশল বিশ্লেষণ কৰিবলৈ সক্ষম হ'ব
- মূলৰ সৌন্দর্য অটুত ৰাখি কবিতা কিদৰে অনুবাদ কৰা কৰা হয় তাক জানিব
- কবিতাৰ শব্দানুবাদতকৈ ভাবানুবাদ অথবা ছায়ানুবাদৰ যথোপযুক্ততা সম্পর্কে জানিবলৈ সক্ষম হ'ব
- কবিতাৰ মুক্ত ভাবানুবাদ সম্পর্কে অবগত হ'ব
- অনুবাদত বিশুদ্ধতা ৰক্ষাৰ বাবে সামগ্রিক অনুবাদৰ বিষয়ে ধাৰণা লাভ কৰিব
- কবিতাৰ মূল সৌন্দর্য অটুত ৰাখি কেনেদৰে অনুবাদ কৰিব পাৰি সেই বিষয়ে আলোচনা কৰিব পাৰিব।

৫.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ ষান্মাসিকৰ অন্তর্গত চতুর্থ পাঠ্যবিষয় 'অনুবাদ সাহিত্য আৰু নির্বাচিত সাহিত্যিক'ৰ অন্তর্গত প্রথম খণ্ড অনুবাদ সাহিত্যৰ অন্তর্গত পঞ্চম অধ্যায় 'অসমীয়া ভাষালৈ কবিতাৰ অনুবাদ'। এই অধ্যায়টোত কবিতাৰ অনুবাদ কর্মৰ ক্ষেত্রত দেখা দিয়া সমস্যা

আৰু উক্ত সমস্যা সমাধানৰ কাৰণে ল'বলগীয়া সাৱধানতা ইত্যাদি বিষয় সম্পর্কে আলোচনাৰ প্রয়াস কৰিম। দৰাচলতে কবিতাৰ অনুবাদ গদ্যৰ অনুবাদতকৈ জটিল। কবিৰ ভাব-অনুভূতি এক ৰাখি অন্য এটা ভাষালৈ অনুবাদ কৰা সিমান সহজ নহয়। এই অধ্যায়ত সেই সকলো বিষয় পুঙ্খানুপুঙ্খভাৱে আলোচনা কৰিবলৈ প্রয়াস কৰা হৈছে। সীমিত পৰিসৰৰ ভিতৰত দুই এটি উদ্ধৃতিৰ মাধ্যমেদি বিষয়বস্তু স্পষ্ট কৰিবলৈ প্রয়াস কৰা হ'ল।

৫.৩ অসমীয়া কবিতা আৰু অনুবাদ পৰম্পৰা

অসমীয়া কবিতাত অনুবাদ পৰম্পৰাৰ সূচনা হয় প্রাক-শঙ্কৰী যুগতেই। এই যুগৰ কবিসকলে মূলতঃ *ৰামায়ণ, মহাভাৰত* আৰু *পুৰাণৰ* কাহিনীক আধাৰ হিচাপে লৈ কাব্য ৰচনাত মনোনিৱেশ কৰিছিল আৰু তাৰ বাবে অনুবাদ কার্যকেই প্রধান আধাৰ হিচাপে গ্রহণ কৰিছিল। মাধৱ কন্দলি, হেম সৰস্বতী, হৰিবৰ বিপ্র, কবিৰত্ন সৰস্বতী, ৰুদ্র কন্দলি প্রভৃতি কবিসকলে সেই সময়ত অসমৰ বিভিন্ন প্রান্তত ৰাজত্ব কৰা জনজাতীয় মূলৰ ৰজাসকলৰ পৃষ্ঠপোষকতা লাভ কৰি কাব্য ৰচনাত মনোনিৱেশ কৰিছিল। মাধৱ কন্দলিয়ে *বাল্মিকী ৰামায়ণৰ* অসমীয়া ভাঙনি কৰিছিল। অৱশ্যে কন্দলিয়ে 'সপ্তকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো লম্ভা পৰিহৰি সাৰোদ্ধৃতে' বুলি উল্লেখ কৰিলেও শঙ্কৰদেৱৰ সময়ত তেওঁৰ দ্বাৰা অনূদিত পাচোঁটা কাণ্ডহে পোৱা যায়, যাৰ কাৰণে মহাপুৰুষ শঙ্কৰদেৱে আৰু মাধৱদেৱে যথাক্রমে আদি আৰু উত্তৰাকাণ্ড সংলগ্ন কৰিবলগীয়া হয়। হেম সৰস্বতীয়ে *প্রহ্লাদ চৰিত্র* আৰু *হৰগৌৰী সংবাদৰ* ভাঙনি কৰে। হেম সৰস্বতীয়ে *ৰামণ পুৰাণৰ* কাহিনীৰ আলমত কাব্যখনি অনুবাদ কৰা বুলি উল্লেখ কৰি গৈছে। হৰিবৰ বিপ্রই *বভ্রুবাহনৰ যুদ্ধ, তাম্রধ্বজৰ যুদ্ধ* আৰু *লৱকুশৰ যুদ্ধ* প্রভৃতি তিনিখনি যুদ্ধকাব্য ৰচনা কৰে। ইয়াৰে প্রথম দুখনৰ মূল *মহাভাৰত* আৰু দ্বিতীয়খনৰ মূল কাহিনী *ৰামায়ণৰ*। কবিৰত্ন সৰস্বতীয়ে *মহাভাৰতৰ* ভীষ্মপর্বৰ অন্তর্গত *জয়দ্রথ বধ* আৰু ৰুদ্র কন্দলিয়ে *জয়দ্রথ বধৰ* অন্তর্গত *সাত্যকি প্ররেশৰ* ভাঙনি কৰে। এনেদৰে প্রাক-শঙ্কৰী যুগতেই অসমীয়া সাহিত্যত অনুবাদৰ পৰম্পৰাৰ সূচনা হয়। শঙ্কৰী যুগৰ প্রধান কবিসকলৰ ভিতৰত শঙ্কৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলি, ৰাম সৰস্বতী আদি প্রধান। এই যুগৰ কবিসকলে মূলতঃ ৰামায়ণ, মহাভাৰতৰ লগতে বৈষ্ণৱ ধর্মীয় পুৰাণসমূহ, বিশেষকৈ ভাগৱত পুৰাণ, হৰিবংশ, বিষ্ণু পুৰাণ, বায়ু পুৰাণ, বামণ পুৰাণ প্রভৃতি বিভিন্ন পুৰাণৰ আধাৰত অসমীয়া অনুবাদ সাহিত্যক সমৃদ্ধ কৰে। মহাপুৰুষ শঙ্কৰদেৱে *ভাগৱত পুৰাণৰ* কাহিনীৰ আধাৰত সেইবাখনো সুকীয়া কাব্য ৰচনা কৰাৰ উপৰিও *ভাগৱত পুৰাণৰ* লগতে অন্যান্য পুৰাণৰ কাহিনীৰ আধাৰত *কীর্ত্তন-ঘোষা* ৰচনা কৰে। তেওঁ *ভাগৱত পুৰাণৰো* কেইবাটাও খণ্ড সম্পূর্ণভাৱে আৰু কেইটামান আংশিকভাৱে ভাঙনি কৰে। মাধৱদেৱৰ *নামঘোষা* মূলতঃ *ভাগৱত পুৰাণ, ভাগৱত গীতাকে* ধৰি ভালেমানে বৈষ্ণৱ ধর্মীয় *পুৰাণ* আৰু *উপনিষদৰ* শ্লোকৰ ভাঙনি। তেওঁ *ভক্তি-ৰত্নাৱলী* গ্রন্থৰ লগতে *ৰাজসূয় কাব্য* আদি ভাঙনি কৰি নৱবৈষ্ণৱ ভক্তিধর্মৰ প্রচাৰত মনোনিবেশ কৰাৰ লগে লগে সাহিত্য সৃষ্টিতো গুৰুত্ব প্রদান কৰিছিল।

অনন্ত কন্দলিয়ে ভাগৱতৰ *দশম স্কন্ধৰ* শেষছোৱাৰ লগতে *কুমৰ হৰণ কাব্য, ৰামায়ণৰ* কেইবাটাও স্কন্ধৰ অনুবাদেৰে অসমীয়া অনুবাদ কাব্যক সমৃদ্ধ কৰিছিল। ৰাম সৰস্বতীয়ে *মহাভাৰতৰ* কেইবাটাও স্কন্ধৰ ভাঙনি কৰাৰ লগে লগে জয়দেৱৰ *গীত-গোবিন্দৰো* ভাঙনি কৰিছিল। বধকাব্য ৰাম সৰস্বতীৰ অসমীয়া কাব্য সাহিত্যলৈ উল্লেখযোগ্য অৱদান। তেওঁ *মহাভাৰতৰ* বনপৰ্বক আধাৰ হিচাপে লৈ তাৰ সৈতে বিভিন্ন *পুৰাণ-উপনিষদ, বিশেষকৈ হংসকাকী, যামলসংহিতা, শিৱৰহস্য, শিৱসংহিতা, ধর্মোত্তৰ* আদি বিবিধ উৎসৰ পৰা সমল আহৰণ কৰি বধকাব্য শ্ৰেণীৰ সৃষ্টি কৰি পুৰণি অসমীয়া সাহিত্যক সমৃদ্ধ কৰে।

শঙ্কৰদেৱ-মাধৱদেৱৰ পদাঙ্ক অনুসৰণ কৰি তেওঁলোকৰ শিষ্য-প্ৰশিষ্যসকলে বিবিধ কাব্যাদিৰ অনুবাদেৰে মধ্যযুগৰ সাহিত্যক সমৃদ্ধ কৰে। শঙ্কৰোত্তৰ কালছোৱাতো অনুবাদৰ পৰম্পৰা অব্যাহত থাকে। এই কালছোৱাত ৰামায়ণ আৰু মহাভাৰতৰ লগতে বিবিধ পুৰাণ আদিৰ অনুবাদে অসমীয়া সাহিত্যক সমৃদ্ধ কৰে। ভট্টদেৱে গদ্যত ৰচনা কৰা *কথাগীতা, কথা-ভাগৱত* আৰু *কথা-ভক্তি-ৰত্নাৱলীৰ* লগতে ৰঘুনাথ মহন্তৰ *কথা-ৰামায়ণ* আৰু অন্যান্য কবিসকলৰ ৰচনা এই ক্ষেত্ৰত উল্লেখযোগ্য।

অৰুণোদয় যুগত আধুনিক অসমীয়া সাহিত্যৰ উন্মেষ হয় আৰু *যাত্ৰিকৰ যাত্ৰা, ফুলমণি আৰু কৰুণা, কামিনীকান্ত* প্ৰভৃতিৰ যোগেদি খ্ৰীষ্টিয়ান লেখকসকলে আধুনিক অনুবাদৰ দুৱাৰ মুকলি কৰে। জোনাকী যুগত শ্যেলী, কীটছ, বায়ৰণ, ৱৰ্ডছ্ৱৰ্থ, কল'ৰিজ আদি ভালেমান কবিৰ কবিতাৰ ভাঙনি কৰে ৰোমান্টিক যুগৰ লেখকসকলে। এই যুগতেই কবিতা, নাটক, উপন্যাস প্ৰভৃতি বিবিধ সাহিত্যিক ৰূপৰ ভাঙনিয়ে অসমীয়া সাহিত্যক সমৃদ্ধ কৰে। আৱাহন, বাঁহী, জয়ন্তী, ৰামধেনু আদিৰ যোগেদি বিভিন্ন সাহিত্যিক ৰূপৰ ভাঙনিয়ে অসমীয়া সাহিত্যক সমৃদ্ধ কৰে। সাম্প্ৰতিক কালছোৱাত দেশী-বিদেশী বিভিন্ন সাহিত্যৰূপৰ অসমীয়ালৈ ভাঙনি হৈছে আৰু এলিয়ট, অডেন, হুইটয়েন, পাবলো নেৰুদা, গার্ছিয়া লৰকা, মায়াকভস্কিকে ধৰি বিভিন্ন বিদেশী কবিতাৰ অনুবাদেও অসমীয়া কবিতাক সমৃদ্ধ কৰিছে।

গতিকে দেখা যায় যে প্ৰাকশঙ্কৰী যুগৰে পৰাই অসমীয়া সাহিত্যত অনুবাদৰ পৰম্পৰা আৰম্ভ হৈছে আৰু সেই ধাৰা আজিও অব্যাহত আছে।

৫.৪ কবিতাৰ উৎস পাঠ আৰু লক্ষ্য পাঠ

অনুবাদত সাধাৰণতে কোনো এটা পাঠক এটা ভাষাৰ পৰা অন্য এটা ভাষালৈ স্থানান্তৰ বা সলনি কৰা হয়। গতিকে এটা ভাষাৰ পৰা আন এটা ভাষালৈ কোনো পাঠৰ সালসলনিয়েই মূলতঃ অনুবাদ। অৰ্থাৎ স্ৰোত ভাষাৰ বক্তব্যক লক্ষ্য ভাষালৈ ৰূপান্তৰ কৰা প্ৰক্ৰিয়াকেই অনুবাদ আখ্যা দিব পাৰি। কিন্তু, এনে ৰূপান্তৰ সিমান সহজ নহয়। বিশেষকৈ কবিতাৰ অনুবাদ সাহিত্যৰ অন্যান্য শাখাৰ অনুবাদতকৈ যথেষ্ট জটিল।


কবিতাৰ অনুবাদ কাৰ্যৰ সৈতে সাধাৰণতে দুটা ভাষা জড়িত হৈ থাকে। ইয়াৰে প্ৰথম

ভাষণ হ'ল মূল ভাষা বা স্রোত ভাষা, যি ভাষাৰ বিষয়বস্তু অনুবাদৰ কাৰণে গ্রহণ কৰা হয়, সেই ভাষাক স্রোত ভাষা (Source Language) আখ্যা দিয়া হয়। আনহাতে মূল ভাষাৰ বিষয়বস্তু যিটো ভাষালৈ অনুবাদ কৰা হয় সেই ভাষাটোত লক্ষ্য ভাষা (Target Language) বা গ্রাহিনী ভাষণ (Receptor Language) আখ্যা দিয়া হয়।

কবিতাৰ অনুবাদৰ যোগেদি স্রোত ভাষাৰ অভিব্যক্ত বিষয়খিনি লক্ষ্য ভাষালৈ পৰিবর্তন কৰা কার্যই হ'ল অনুবাদ। প্রতিটো কবিতাই স্বকীয় পৰিৱেশত নিজস্ব ধ্বনি, ৰূপ, বাক্য, শব্দ আৰু জঁতুৱা ঠাচেৰে সুকীয়া বৈশিষ্ট্যৰে গঢ় লৈ উঠে যদিও প্রত্যেক ভাষণৰ বক্তব্যৰ মাজত কিছু বিষয়ত সাদৃশ্য বিদ্যমান। ভাৰতীয় ভাষণসমূহে যিহেতু সাহিত্যৰ মূল স্রোত হিচাপে উপনিষদীয় ঐতিহ্য, মহাকাব্যিক চেতনা, পৌৰাণিক চিন্তা-আদর্শ আদিকেই আধাৰ হিচাপে লৈ সাহিত্য ৰচনাত প্রাধান্য দিছে, সেয়ে বিভিন্ন ভাৰতীয় ভাষাসমূহত ৰচিত সাহিত্যৰাজিৰ মাজত কেতবোৰ বিষয়ত সাদৃশ্য দৃষ্টিগোচৰ হয়। কবিতাৰ ক্ষেত্রতো একে কথাই প্রযোজ্য।

স্রোত ভাষাৰ মূল পাঠ আৰু লক্ষ্য ভাষাৰ অনূদিত পাঠ কেতিয়াও একে হ'ব নোৱাৰে। কিয়নো স্রোত ভাষাৰ অভিব্যক্ত লক্ষ্য ভাষাৰ অর্থই কেতিয়াবা বিস্তৃত, কেতিয়াবা সংকুচিত আৰু কেতিয়াবা পৰিবর্তিত ৰূপ লাভ কৰিব পাৰে। সেইবাবেই লক্ষ্য ভাষালৈ অনুবাদ কৰোঁতে অনুবাদকে যথেষ্ট সাৱধানতা অৱলম্বন কৰিবলগীয়া হয়।

এটা ভাষাৰ মূল ভাব একে ৰাখি তাক অন্য ভাষাত উপস্থাপন কৰাই হ'ল অনুবাদ। এই ক্ষেত্রত মূল লেখকৰ বক্তব্যৰ যাতে কোনো সালসলনি নহয়, তাৰ প্রতি গুৰুত্ব দিব লাগিব। অনুবাদৰ যোগেদি দেশৰ সভ্যতা-সংস্কৃতি, শিক্ষা আদিৰ সৈতে পৰিচিত হোৱাৰ সুযোগ পোৱা যায়। ফলত আগ্রহী পাঠকে উপলব্ধ জ্ঞান ব্যৱহাৰিক জীৱনত প্রয়োগ কৰিবলৈ সক্ষম হয়। মুঠতে নিজৰ ভাষা সাহিত্য আৰু সংস্কৃতিক বহির্বিশ্বৰ সৈতে পৰিচয় কৰাই দিয়াৰ বাবেও অনুবাদৰ প্রয়োজন।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ স্রোত ভাষা কি? (২০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ লক্ষ্য ভাষা কি? (২০টা শব্দৰ ভিতৰত)

.....

৫.৫ সৃষ্টিশীল সাহিত্য ৰূপে কবিতাৰ অনুবাদ

প্রতি গৰাকী সাহিত্যিকৰে একো একোটা সুকীয়া ৰচনাশৈলী থাকে । সেই শৈলীৰ সকলো বৈশিষ্ট্য অটুত ৰাখি অনুবাদ কৰাটো যথেষ্ট কঠিন। বিশেষকৈ, সৃষ্টিমূলক সাহিত্যৰ অনুবাদ কেৱল সৃষ্টিশীল প্রতিভাৰ অনুবাদৰ বাবেহে সম্ভৱ বুলি ক'ব পাৰি।

অনুবাদ একপ্রকাৰ কঠিন কলা। এই কলা আয়ত্ব কৰিবলৈ হ'লে একাধিক ভাষাজ্ঞান, কঠোৰ মানসিক শ্ৰম, ধৈর্য, একাগ্রতা আৰু নিৰলস সাধনাৰ প্রয়োজন। মূলৰ সৌন্দর্য অটুত ৰাখি তাৰ যথাযথ ৰূপান্তৰ কৰাটো সিমান সহজ কথা নহয়। সৃষ্টিশীল ৰচনাৰ ক্ষেত্রত অনুবাদকে যিমানেই মূলানুগ হ'বলৈ চেষ্টা নকৰক কিয়, তেওঁৰ ব্যক্তিগত ভাব আৰু শৈলী পৰোক্ষভাৱে হ'লেও অনুবাদত প্রতিফলিত হ'বই।

মূল লেখকতকৈ অনুবাদকৰ দায়িত্ব বহুত বেছি। মূল লেখকৰ ভাব-অনুভূতি, চিন্তা আদিক অবিকৃত ৰাখি অন্য ভাষাৰ যোগেদি তাক পাঠকৰ বোধগম্য কৰি তুলিবলৈ হ'লে অনুবাদকৰ বিশেষ কলাত্মক প্রতিভা থকা বাঞ্ছনীয়। অন্যথা সি পাঠকৰ হৃদয় স্পর্শ কৰিব নোৱাৰিব। অনুবাদত ক্ষেত্রত মূল ভাষাৰ ৰচনাত প্রতিফলিত সাংস্কৃতিক পৰম্পৰা, সামাজিক ৰীতি-নীতি, আচাৰ-আচৰণ আদিৰ সমার্থক অনুৰূপতা অনুবাদত ৰক্ষা কৰা টান। মূল ভাষাৰ পাঠ যথাযথ আৰু অবিকৃত ৰূপত ৰাখি তাক সুখপাঠ্য কৰি তোলাৰ ওপৰতহে সাধাৰণতে অনুবাদৰ সার্থকতা নির্ভৰ কৰে।

যতীন্দ্র নাথ দুৱৰাৰ হাতত ওমৰ খৈয়ামৰ *ৰুবায়ৎ*-এ এনে ৰূপ ল'লে যিটো মূলৰ কথা আৰু ভাব অটুত ৰাখিও অনুবাদ বুলি চিনিব নোৱাৰাটো মৌলিক কবিতাৰ দৰে ৰসাল আৰু আবেদনশীল। মাধৱদেৱৰ *নামঘোষাৰ* প্রায়বোৰ ঘোষাৰে মূল *ভাগৱত পুৰাণ, ভগৱতগীতা, হৰিবংশ, বিষ্ণু পুৰাণ, পদ্মপুৰাণ, পাণ্ডৱ গীতা* ইত্যাদি বিভিন্ন শাস্ত্রৰ পৰা সংগৃহীত শ্লোকৰ ভাঙনি যদিও সেইবোৰ অনুবাদ যেন নালাগে। গতিকে, অনুবাদৰ সার্থকতা নির্ভৰ কৰে মূল পাঠৰ বক্তব্য বিষয় আৰু তাৰ প্রকাশভংগী উভয়কে মূল ভাষাৰ পৰা লক্ষ্য ভাষালৈ সার্থকভাবে কৰা ৰূপান্তৰৰ ওপৰতহে। মূল ভাষাৰ সামগ্রিক সত্তাতো লক্ষ্য ভাষাত যথার্থভাৱে ফুটাই তুলিব পৰাটোৱেই অনুবাদকৰ কৃতিত্ব নির্ভৰ কৰে। গতিকে, যিটো ভাষালৈ অনুবাদ কৰা হয়, সেই ভাষাটোৰ বৈশিষ্ট্য আৰু সম্পদশালিতা অনুবাদত ৰক্ষা কৰিব লাগে। মূল ৰচনা যদি সুখপাঠ্য হয়, তেন্তে উপযুক্ত অনুবাদো সুখপাঠ্য হোৱাটো নিশ্চিত। সেইবাবেই মূল ভাষাৰ পৰা লক্ষ্য ভাষালৈ অনুবাদ কৰোঁতে অনূদিত ভাষাটোৰ ভাষিক বৈশিষ্ট্য, তাৰ সম্পদশালিতা আৰু অন্তর্নিহিত কালিকাশক্তি অটুত ৰখাটো বাঞ্ছনীয়। চেমুৱেল বাটলাৰৰ মতেও—

'The genious of the language into which a translation is being made is the first thing to be considered, if the original is readable the translation must be so too.'

আন এগৰাকী সমালোচক এজৰা পাউণ্ডে 'সাহিত্যৰ অনুবাদক সাহিত্যৰ পুনৰজীৱন' আখ্যা দিছে। দৰাচলতে অনুবাদ সহজাত কলা নহয়, ববং ই কলা আৰু শিল্পৰ সমন্বিত ৰূপ বা ব্যৱহাৰিক কলাহে। গতিকে দেখা যায় যে অনুবাদ এক যৌগিক বিষয়, য'ত কলা, বিজ্ঞান আৰু শিল্পৰ উপাদান সন্নিবিষ্ট হৈ আছে।

৫.৬ কবিতাৰ অনুবাদ আৰু অনুবাদকে সন্মুখীন হোৱা সমস্যা

বহু সমালোচকে কবিতাৰ অনুবাদক অত্যন্ত কঠিন বুলি কৈছে। অৱশ্যে কবিতাৰ অনুবাদক সমালোচকসকলে অত্যন্ত কঠিন বুলি কোৱাৰ কাৰণো নোহোৱা নহয়। কবিতা এটাৰ সার্থক

কবিতাৰ অনুবাদকর্ম কেনেদৰে সম্পন্ন কৰিব পাৰি, সেই বিষয়ে তলত দুটিমান নিদর্শন দাঙি ধৰা হ'ল। শেৱালি কবি ৰত্নকান্ত বৰকাকতিয়ে ৰবীন্দ্রনাথৰ ভালেমান কবিতাৰ অনুবাদ কৰিছিল। তেনে এটি কবিতা হ'ল **'নির্ঝরের স্বপ্নভংগ'**।

'আজি এ প্রভাতে রবির কর
কেমনে পশিল প্রাণের পর
কেমন পশিল গুহার আঁধারে প্রভাতে পাখির গান।
নাজানি কেনরে এতদিন পরে জাগিয়া উঠিল প্রাণ,
ওরে উথলি উঠিছে বারি
ওরে প্রাণের বেদনা প্রাণের আবেগ রুধিয়া রাখিতে নারি।'
অসমীয়া ভাঙনি

নিজৰাৰ স্বপ্নভংগ

আজি ই পুৱাত বেলিৰ পোহৰ
পশি ই প্রাণত তুলিলে লহৰ
গুহা আন্ধাৰত পশিল কিদৰে
প্রভাত পখীৰ গান।
নাজানো কিয় যে অতদিন পিছে
জাগি উঠিল ই প্রাণ।
জাগি যে উঠিছে প্রাণ
আহা! প্রাণ মোৰ উথলি উঠি
প্রাণৰ বেদনা প্রাণৰ আবেগ
নোৱাৰি ৰাখিব ৰোধি।'

ওপৰৰ অনুবাদটো ভালদৰে মন কৰিলে দেখা যায় মূলৰ সৌন্দর্য আৰু মাধুর্য অনুবাদত ৰক্ষিত হোৱা নাই। তদুপৰি মূল পাঠত থকা ভাবানুভূতিৰ স্বাচ্ছন্দ্য আৰু সাৱলীলতাও অনুবাদত ৰক্ষিত হোৱা নাই।

এইবাৰ আন এটা কবিতা চোৱা যাওঁক। কবিতাটি হ'ল জীবনানন্দ দাসৰ 'বনলতা সেন' ঃ

মূল পাঠ ঃ **বনলতা সেন**
হাজার বছর ধরে আমি পাথ হাটিতেছি পৃথিৱীর পথে
সিংহল সমুদ্র থেকে নিশীথের অন্ধকারে মালয় সাগরে
অনেক ঘুরেছি আমি, বিম্বিসার অশোকের ধূসর জগতে

সেখানে ছিলাম আমি, আরো দূর অন্ধকারে বিদর্ভ নগরে,
আমি ক্লান্ত প্রাণ এক, চারিদিকে জীবনের সমুদ্র সফেন,
আমারে দুদণ্ড শান্তি দিয়েছিল নাটোরের বনলতা সেন।

অসমীয়া অনুবাদ ঃ

'হাজাৰ বছৰ ধৰি মই পৃথিৱীৰ পথে পথে পৰিভ্রমণ কৰিছোঁ।
সিংহল সমুদ্রৰ পৰা মালয় সাগৰ পর্যন্ত নিশাৰ অন্ধকাৰত মই
অনেক ঘূৰিছোঁ, বিম্বিসাৰ অশোকৰ ধূসৰ জগত,
তাতেই মই আছিলো আৰু দূৰ অন্ধকাৰত বিদর্ভ নগৰত
মই এটি ক্লান্ত প্রাণ, চৌদিশে জীৱনৰ সমুদ্রৰ উত্তাল তৰঙ্গৰ
মাজত মোক দুদণ্ড শান্তি দিছিল নাটোৰৰ বনলতা সেনে।'

দেখা যায় যে বাংলা কবিতাৰ মূল ভাব অনুবাদত ৰক্ষিত হৈছে যদিও মূল কবিতাৰ দৰে কাব্যিক সুষমা অক্ষত ৰূপত ৰক্ষা কৰিবলৈ সক্ষম হোৱা নাই। কবিতাৰ অন্তর্নিহিত মর্ম প্রকাশৰ বাবে কবিৰ চিত্ত আৰু সংযোজিত শব্দৰ মাজত সুসমন্বয় স্থাপিত নোহোৱাৰ বাবেই এনে হৈছে।

ৰবীন্দ্রনাথ এগৰাকী সফল কবি হোৱাৰ লগে লগে এগৰাকী সফল অনুবাদকো আছিল। তেওঁ নিজৰ কবিতাৰ নিজে কৰা অনুবাদৰ নমুনা চোৱা যাওঁক—

(ক) কোথায় আলো কোথায় ওরে আলো।
বিরহানলে জ্বালো রে তারে জ্বালো।
রয়েছে দীপ না আছে শিখা
এই কি ভালে ছিল রে লিখা,
ইহার চেয়ে মরণ সে যে ভালো।
বিরহানলে প্রদীপখানি জ্বালো।

অনুবাদ—

Light, oh where is the light ? Kindle it with the
burning fire of desire !
There is the Lamp but never a flicker of a flame
is such thy fate, My heart ? Ah, Death were better by
far for thee !

দেখা যায় যে কবিৰ নিজা অনুবাদ হ'লেও মূল কবিতাৰ অনুভূতিৰ গভীৰতা অনুবাদত ৰক্ষিত হোৱা নাই। গতিকে ইয়াৰ কেৱল ৰূপান্তৰেই নহয়, ভাবান্তৰো ঘটিছে। আন এটা কবিতা চোৱা যাওঁক—

(খ) আজি ঝড়ের রাতে তোমার অভিসার
পরাণ সখা বন্ধু হে আমার

আকাশ কাঁদে হতাশ সম।
নাই যে ঘুম নয়নে মম
দুৱার খুলি হে প্রিয়তম,
চাই যে বারে বার।

অনুবাদ—

Art thou abroad in this stormy night on the journey
of love, my friend ?
The sky groans like one in despair.
I have no sleep tonight.
Ever and again I open my door
and look out on the darkness,
my friend !

এই অনুবাদটোত কাব্যধর্মিতা কিছু লোপ পাই গদ্যধর্মী ৰূপ লাভ কৰিছে। এনে বহুতো উদাহৰণ দিব পাৰি।

গতিকে দেখা যায় যে কবিতাৰ অনুবাদত মূল পাঠৰ পৰা লক্ষ্য পাঠলৈ নিওতে পাঠক ভালেমান সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। মূলৰ সৌন্দর্য অটুত ৰাখি এটা ভাষাৰ কবিতা আন এটা ভাষালৈ অনুবাদ কৰোতে কাব্যধর্মিতা মূল কবিতাৰ অনুৰূপে ৰক্ষা কৰাটো সকলো ক্ষেত্রতে সম্ভৱ নহয়। কবিতাৰ অন্তর্নিহিত মর্ম অনুবাদটোত সঠিকভাৱে ৰক্ষা কৰাটো যথেষ্ট জটিল কাম। ৰবীন্দ্রনাথ ঠাকুৰৰ দৰে কাব্যিক অনুভূতিসম্পন্ন কবিয়েও এই দিশত মাজে-সময়ে সফলতাৰ মুখ দেখিবলৈ সক্ষম হোৱা নাই।

৫.৭ অনুবাদৰ সৌন্দর্য আৰু গ্রহণযোগ্যতা

কবিতাৰ অনুবাদত মূলৰ সৌন্দর্য অটুত ৰাখিবলৈ হ'লে অনুবাদকগৰাকী নিজে এক সংবেদনশীল মনৰ অধিকাৰী হ'ব লাগিব। মূলৰ ভাব আৰু ৰস হৃদয়েৰে উপলব্ধি কৰি তাক অন্য ভাষালৈ অনুবাদ কৰিবলৈ হ'লে মূল কবিতাৰ কাব্যিক অনুভূতিৰ কোনো হেৰফেৰ নোহোৱাকৈ অনুবাদ কৰাটো যথেষ্ট কঠিন। মূলৰ ভাব গভীৰভাৱে হৃদয়ঙ্গম কৰি নিজৰ ভাষাত নতুনকৈ প্রকাশ কৰিবৰ কাৰণে অনুবাদকে যথেষ্ট শব্দৰ কছৰৎ কৰিবলগীয়া হয়। কিয়নো উপযুক্ত শব্দৰ অবিহনে ভাষান্তৰত ভাবান্তৰো ঘটিব পাৰে।

মূলৰ সৌন্দর্য আৰু মাধুর্য অনুবাদত অটুত ৰাখিবৰ বাবে মূলৰ ভাবৰ স্বাভাৱিকতা আৰু সাৱলীলতাও ৰক্ষা কৰিব লাগিব। কিন্তু বহু ক্ষেত্রত সেৱণ সম্ভৱ নহয়। সেইবাবেই ইংৰাজ ৰোমান্টিক কবি শ্যেলীয়ে মত পোষণ কৰিছিল যে কবিতা এটাক অন্য ভাষালৈ ৰূপান্তৰ কৰা মানেই ভায়লেট ফুলৰ ৰং আৰু গঠনৰ সৌন্দর্য বিচাৰি ফুলপাহকে চিঙি-ভাঙি নষ্ট কৰাৰ দৰে

কথা। অন্যান্য সৌন্দর্যতাত্ত্বিকসকলেও কবিতাৰ অনুবাদ অসম্ভৱ বুলি মত প্ৰকাশ কৰিছে।

যতীন্দ্ৰনাথ দুৱৰাই ওমৰ খৈয়ামৰ *ৰুবায়ৎখন* অনুবাদ কৰোঁতে মৌলিক কবিতাৰ দৰেই আবেদনশীল কৰি তুলিছিল। যতীন্দ্ৰনাথ দুৱৰাই ফিটজাৰলেণ্ডৰ ভাঙনি কৰিছিল এনেদৰে—

'Dreaming when Dawn's left hand was in the Sky
I heard a voice within the tnaver cry
'Awake, my little ones, and fill the Cup
Before Life's Liquor in its Cup be dry.'
(ফিটজাৰলেণ্ডৰ ভাঙনি)
'মিচিকি হাঁহিৰে ঊষা দেবী আহে
নীলা আকাশৰ ওৰণি ল'ই
আলহী ঘৰৰ দুৱাৰ মুখত
কোনে যেন আহি মাতিছে অ'ই।

'কয় চেনেহেৰে পিয়লা তোমাৰ
থাকোঁতে সময় ভৰাই লোৱা
জীৱনৰ মধু শুকালে এবাৰ
আৰু জানো তাক দুনাই পোৱা?'— দুৱৰাৰ ভাঙনি।

অসমীয়া সাহিত্যত যতীন্দ্ৰনাথ দুৱৰাৰ বাহিৰেও পদ্মধৰ চলিহা, হেমচন্দ্ৰ গোস্বামী, আনন্দ চন্দ্ৰ আগৰৱালা, দুৰ্গেশ্বৰ শৰ্মা, লক্ষ্মীনাথ বেজবৰুৱা, ডিম্বেশ্বৰ নেওগ, সূৰ্যকুমাৰ ভূঞা, আনন্দ চন্দ্ৰ বৰুৱা, নৰকান্ত বৰুৱা, অজিৎ বৰুৱা, নীলমণি ফুকন, দিলীপ তালুকদাৰ, সমীৰ তাঁতী আদিয়ে ভালেমান দেশী-বিদেশী কবিতা অসমীয়ালৈ ভাঙনি কৰিছে। তলত তেনে কবিতাৰ এখনি তালিকা প্ৰস্তুত কৰা হ'ল।

কেইটামান কবিতাৰ মূল আৰু অসমীয়া অনুবাদ ঃ

ইংৰাজী কবিতাৰ শিৰোনাম অসমীয়া কবি— 'অসমীয়া শিৰোনাম

Sir Walter Scott 'Patriotism' পদ্মধৰ চলিহাৰ 'স্বদেশপ্ৰেম'।

Ivan Turgeniv The begger, যতীন্দ্ৰ নাথ দুৱৰা 'মগনিয়াৰ'

Edgar Allan Poe- A Dream within a Dream যতীন্দ্ৰনাথ দুৱৰা 'সোণোৱালী বালিৰ এমুঠি'

P.B. Shelley, Love's Philosophy বেজবৰুৱা — 'চুমা'

Long Fellow 'Psabm of life' আনন্দ চন্দ্ৰ আগৰৱালা 'জীৱন সঙ্গীত'

H.W. Charles Mackay *'Today and Tomorrow'* আনন্দ চন্দ্ৰ আগৰৱালা 'আজি আৰু কালি'

(Unknown poet) *Thou art O God* আনন্দচন্দ্ৰ আগৰৱালা 'ঈশ্বৰ'

(Unknown poet) *The better land* আনন্দচন্দ্ৰ আগৰৱালা 'সুখৰ ঠাই'

Thomas Gray, *The shepherd and the philosopher* আনন্দচন্দ্ৰ আগৰৱালা 'চহা আৰু পণ্ডিত'

Oliver Goldsmith, *The Hermit* আনন্দচন্দ্ৰ আগৰৱালা 'যোগী'

Sir William Scott, *'Patriotism'* পদ্মধৰ চলিহা 'জনমভূমি'

P.B. Shelley, *Love's Philophy* পদ্মধৰ চলিহা 'প্ৰেমতত্ত্ব'

P.B. Shelley, *'Lines to an Indian Air'* যতীন্দ্ৰনাথ দুৱৰা 'তোমালৈ'

P.B. Shelley, *'Mutability'* যতীন্দ্ৰনাথ দুৱৰা 'সপোনৰ সুৰ'

Lord Tennyson *'Crossing the bar'* যতীন্দ্ৰনাথ দুৱৰা 'নাৱৰীয়া-গ'

Lord Tennysem *'Tears Idle Tears'* যতীন্দ্ৰনাথ দুৱৰা 'চকুলো'

Thomas Gray, *'Elegy written in a country churchyard'* যতীন্দ্ৰনাথ দুৱৰা 'এখন মৰিশালি'

William Wordsworth, *'Lucy Gray'* দুৰ্গেশ্বৰ শৰ্মা 'সাদৰি'

P.B. Shelley, *'Love's philosophy'* দুৰ্গেশ্বৰ শৰ্মা 'প্ৰকৃতিলৈ'

Elizabeth Barrett Browning, *'Sonnets from the portuguese'* দুৰ্গেশ্বৰ শৰ্মা 'মোৰ প্ৰেম'

William Wordsworth, *The Daffodils* ডিম্বেশ্বৰ নেওগ 'ফুলা সৰিয়হ ডৰা'

Ben Johnson, *To Celia* ডিম্বেশ্বৰ নেওগ 'প্ৰিয়াৰ প্ৰেম'

ৰবাৰ্ট চাউথী *The incident of the French Camp* বিনন্দ চন্দ্ৰ বৰুৱা 'আগিয়াঠুৰীৰ বীৰ'

ৰবাৰ্ট চাউথী *After Blenheim* বিনন্দ চন্দ্ৰ বৰুৱা 'নজনা বীৰৰ মূৰ'

William Wordsworth, *To The Cuckoo* গোপাল চন্দ্ৰ ভূঞা, কুলিৰ প্ৰতি

Lord Tennyson *A dream of Fair Women* উমেশ চন্দ্ৰ চৌধুৰী 'তন্ত্ৰবিহাৰ'

W. Wordsworth, *To the Cockoo* গোলক চন্দ্ৰ ভূঞা 'কুলিৰ প্ৰতি'

হাফিজৰ কবিতা— অনুবাদক— আনন্দ চন্দ্ৰ বৰুৱা *'হাফিজৰ সুৰ'*, ১৯৩৩

যতীন্দ্ৰ নাথ দুৱৰা 'মৰমৰ সুৰ' ১৯৫৮

কেইখনমান অনূদিত কাব্যগ্ৰন্থ ঃ

মূল লেখক ঃ ওমৰ খৈয়াম

অনূদিত গ্ৰন্থৰ নাম ঃ *ওমৰ তীৰ্থ,* অনুবাদক ঃ যতীন্দ্ৰ নাথ দুৱৰা, ১৯২১

মূল লেখক ঃ কবীৰ

অনূদিত গ্ৰন্থ ঃ *কবীৰাই কয়,* অনুবাদক ঃ নৱকান্ত বৰুৱা

মূল লেখক ঃ আলেকজেণ্ডাৰ পুস্কিন

অনূদিত গ্ৰন্থ ঃ *আহত মৰল,* অনুবাদক ঃ নৱকান্ত বৰুৱা

মূল লেখক ঃ নাজিম হিকমত

অনূদিত গ্ৰন্থ ঃ *নাজিম হিকমতৰ নিৰ্বাচিত কবিতা,* অনুবাদক — ৰবীন্দ্ৰ সৰকাৰ

মূল লেখক ঃ ওমৰ খৈয়াম

অনূদিত গ্ৰন্থ ঃ *ওমৰৰ সুৰ,* অনুবাদক, যামিনী শর্মা

মূল লেখক ঃ টি. এছ. এলিয়ট

অনূদিত গ্ৰন্থ ঃ *ছন মাটি,* অনুবাদক অজিৎ বৰুৱা

মূল লেখক ঃ গ্যেটে

অনূদিত গ্ৰন্থ ঃ *গ্যেটেৰ কবিতা,* অনুবাদক নৱকান্ত বৰুৱা

মূল লেখক ঃ ফ্ৰেডেৰিক গার্ছিয়া লৰকা

অনূদিত গ্ৰন্থ ঃ *গাছিয়া লৰকাৰ কবিতা,* অনুবাদক— নীলমণি ফুকন



৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টোৰ আলোচনাৰ পৰা আমি কবিতাৰ অনুবাদ আৰু তাৰ সৈতে সম্পর্কিত বিভিন্ন কাৰিকৰী দিশ সম্পর্কে জানিবলৈ সক্ষম হ'লো।
- কবিতাৰ অনুবাদ যথেষ্ট জটিল।
- মূলৰ সৌন্দর্য অটুত ৰাখি কবিতাৰ অনুবাদ কৰা সহজ নহয়।
- কবিতাৰ শব্দানুবাদতকৈ ভাবানুবাদত গুৰুত্ব দিয়া উচিত।
- কবিতাৰ অনুবাদ বিশুদ্ধতা ৰক্ষা কৰিবৰ বাবে অনুবাদকে সততে চেষ্টা কৰা উচিত।
- অসমীয়া কবিতাৰ অনুবাদৰ সূচল হয় প্ৰাক শঙ্কৰী যুগতেই।
- হেম সৰস্বতীৰ *প্ৰহ্লাদ চৰিত্ৰ* অসমীয়া ভাষাত প্ৰকাশিত এখনি বিশিষ্ট অনূদিত কাব্যগ্ৰন্থ।
- শঙ্কৰী আৰু উত্তৰ শঙ্কৰী যুগৰ কবিসকলে অনুবাদ কর্মৰেই অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছিল।
- *অৰুণোদয়ৰ* যোগেদি আধুনিক অসমীয়া সাহিত্যৰ অনুবাদৰ সূচনা হয়।
- *জোনাকী, বাঁহী, জয়ন্তী, ৰামধেনু* আৰু পৰৱর্তী কালৰ আলোচনীসমূহে দেশী-বিদেশী কবিতাৰ অনুবাদৰ বিকাশত অগ্রণী ভূমিকা গ্রহণ কৰে।
- কবিতাৰ মূল পাঠ লক্ষ্য ভাষালৈ অনুবাদ কৰোঁতে যথেষ্ট সাৱধানতা অৱলম্বন কৰা বাঞ্ছনীয়।
- যতীন্দ্ৰ নাথ দুৱৰাৰ হাতত ওমৰ খৈয়ামৰ ৰুবায়ৎখনে সুকীয়া ৰূপ পৰিগ্রহ কৰে।

- মাধৱদেৱৰ *নামঘোষা* মৌলিক অনুবাদৰ অন্যতম নিদর্শন।



৫.৯ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) কটকী, প্রফুল্ল (২০১২) ঃ তুলনামূলক সাহিত্য আৰু অনুবাদ বিচাৰ, গুৱাহাটী ঃ জ্যোতি প্রকাশন।

২) নাথ, প্রফুল্ল কুমাৰ (২০০৫) ঃ তুলনামূলক ভাৰতীয় সাহিত্য, বিচাৰ আৰু বিশ্লেষণ, গুৱাহাটী ঃ বনলতা, ১ম সংস্কৰণ।

৩) নাথ, প্রফুল্ল কুমাৰ তুলনামূলক সাহিত্য (২০১৫) ঃ তত্ত্ব আৰু প্রয়োগ, গুৱাহাটী ঃ অসম বুক ডিপো।

৪) তামুলী, লক্ষ্মীনাথ (সম্পাদনা) (১৯৯৭) ঃ যতীন্দ্র নাথ দুৱৰা ৰচনাৱলী, গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৫) বেজবৰা, নীৰাজনা মহন্ত (২০১৭) ঃ অনুবাদ, তত্ব আৰু প্রয়োগ, গুৱাহাটী ঃ বনলতা।

৬) হাজৰিকা, কৰবী ডেকা (২০০৫) ঃ তুলনামূলক সাহিত্য আৰু অনুবাদ কাল, ডিব্রুগড় ঃ বনলতা।

ইংৰাজী গ্রন্থ ঃ

৭) Dev, Amiya : The Aesthetics of Translation.

৮) Wilson, W : The Translation Art, 1989

৯) Catford J.C. : A linguistic Theory of Translation, 1965



৫.১০ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ স্রোত ভাষাৰ চমু সংজ্ঞাটো লিখিব।

২নং প্রশ্নৰ উত্তৰ ঃ লক্ষ্য ভাষাৰ সংজ্ঞাটো লিখিব।



৫.১১ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অসমীয়া কবিতাৰ অনুবাদ পৰম্পৰা সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ২ ঃ কবিতাৰ উৎস পাঠ আৰু লক্ষ্য পাঠ সম্পৰ্কে এটি ধাৰণা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ কবিতাৰ অনুবাদত কেনে ধৰণৰ সমস্যাই দেখা দিয়ে, সেই সম্পৰ্কে চমুকৈ লিখক।

প্ৰশ্ন ৪ ঃ সৃষ্টিশীল সাহিত্যৰ অনুবাদত কি কি বিষয়ত সাৱধানতা অবলম্বন কৰা উচিত?

প্ৰশ্ন ৫ ঃ অনুবাদৰ সৌন্দৰ্য ৰক্ষাৰ বাবে অনুবাদকে কি কৰা উচিত?

চমুটোকা লিখক ঃ

(ক) উৎস ভাষা

(খ) লক্ষ্য ভাষা

(গ) অনুবাদৰ গ্ৰহণযোগ্যতা

*** ***** ***

অধ্যায় ৬ ঃ অসমীয়া ভাষালৈ গল্পৰ অনুবাদ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ অসমীয়া চুটি গল্প আৰু অনুবাদ পৰম্পৰা

৬.৪ গল্পৰ উৎস পাঠ আৰু লক্ষ্য পাঠ

৬.৫ গল্পৰ অনুবাদত অনুবাদকে সন্মুখীন হোৱা সমস্যা

- ৬.৫.১ গাঁথনিগত সমস্যা
- ৬.৫.২ পদ্ধতিগত সমস্যা
- ৬.৫.৩ বিশ্বস্ততা আৰু সৌন্দর্য্যৰ সমস্যা
- ৬.৫.৪ ভাষাজনিত সমস্যা
- ৬.৫.৫ সাংস্কৃতিক সমস্যা

৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৭ অধিক জানিবলৈ

৬.৮ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

৬.৯ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়ালৈ অনূদিত গল্পৰ ধাৰাটোৰ বিষয়ে জানিব পাৰিব
- গল্পৰ অনুবাদত সৃষ্টি হোৱা সমস্যাসমূহৰ বিষয়ে অৱগত হ'ব
- গল্পৰ সার্থক অনুবাদৰ বাবে গুৰুত্বপূর্ণ হিচাপে বিবেচিত হোৱা দিশবোৰৰ সম্পর্কে ধাৰণা লাভ কৰিব।

৬.২ পৰিচয়

সাহিত্যৰ বিভিন্ন সংৰূপৰ ভিতৰত গল্প অন্যতম। অসমীয়া সাহিত্যৰ ক্ষেত্রখনত গল্প সাহিত্যই এক গুৰুত্বপূর্ণ স্থান অধিগ্রহণ কৰি আছে। অসমীয়া গল্প সাহিত্যৰ ধাৰাটোক সমৃদ্ধ কৰাৰ ক্ষেত্রত অনূদিত গল্পৰ ভূমিকা অনস্বীকার্য। প্রস্তাৱিত এই অধ্যায়ত অসমীয়ালৈ অনূদিত গল্পৰ ধাৰাটোৰ বিষয়ে আলোচনা কৰাৰ লগতে গল্পৰ অনুবাদত অনুবাদকে সন্মুখীন হোৱা সমস্যাসমূহো বিচাৰ কৰি চাবলৈ প্রয়াস কৰা হ'ব।

৬.৩ অসমীয়া গল্প আৰু অনুবাদ পৰম্পৰা

উপন্যাসৰ দৰে অসমীয়া গল্পৰ ধাৰাটোৰ আৰম্ভ হৈছিল জোনাকী যুগ বা ৰোমাণ্টিক যুগত। চতুর্থ বছৰ চতুর্থ সংখ্যা 'জোনাকী'ত প্রকাশিত লক্ষ্মীনাথ বেজবৰুৱাৰ '*সেউতী*' নামৰ গল্পটোৱেই প্রথম অসমীয়া চুটিগল্প হিচাপে স্বীকৃত। এই গল্পটোৰ পূর্বেও বেজবৰুৱাৰ '*ঘৰপতা ককা*' আৰু '*মূলাখোৱা বুঢ়া*' নামৰ দুটা গল্প ৰচনা কৰিছিল যদিও এই দুটা গল্পক প্রকৃত গল্পৰ মর্যাদা প্রদান কৰা হোৱা নাই। গল্পত নিহিত থাকিবলগীয়া এটা গুৰুত্বপূর্ণ বৈশিষ্ট্য হ'ল— লক্ষ্যৰ একমুখিতা। লক্ষ্যৰ একমুখিতা নথকা বাবে '*ঘৰপতা ককা*' আৰু '*মূলাখোৱা বুঢ়া*'ক আধুনিক গল্পৰ ধাৰাত স্থান দিয়া নহয়।

ঊনবিংশ শতিকাৰ শেষ দশকত পাতনি মেলা অসমীয়া চুটিগল্পৰ ধাৰাটো পাশ্চাত্য সাহিত্যৰ প্রভাৱত সূত্রপাত হৈছিল। এই পাশ্চাত্য প্রভাৱৰ বাবেই অসমীয়া ভাষাত পাশ্চাত্য গল্পৰ অনুবাদৰ পৰম্পৰাও আৰম্ভ হৈছিল। ইংৰাজী ভাষাৰ উপৰিও আন বিভিন্ন পাশ্চাত্য ভাষাৰ বিভিন্ন গল্পকাৰৰ গল্প আৰু গল্পপুথি কেইবাজনো সাহিত্যিকে অসমীয়ালৈ অনুবাদ কৰি অনূদিত গল্পৰ ধাৰাটো সমৃদ্ধ কৰিছিল। যিকোনো অনুবাদ সাহিত্যই এটা সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰে। অনুবাদে বিশ্ব সাহিত্যৰ সোৱাদ সকলো পাঠকক প্রদান কৰে। অনুবাদে কেতিয়াও ভাষা এটাৰ সাহিত্যৰ ধাৰাটোৰ ক্ষতিসাধন নকৰে। উৎকৃষ্ট অনুবাদ সাহিত্য মৌলিক সাহিত্যৰ দৰে সুখপাঠ্য হয়। অসমীয়ালৈ কৰা গল্পৰ অনুবাদসমূহ কেতিয়াবা ছায়ানুবাদ, কেতিয়াবা ভাবানুবাদ আৰু কেতিয়াবা আক্ষৰিক হোৱা দেখা যায়। এই গল্পসমূহৰ বেছিভাগেই পাশ্চাত্য সাহিত্যৰ অনুবাদ যদিও অসমীয়া গল্প সাহিত্যৰ ক্ষেত্রখনক চহকী কৰাৰ ক্ষেত্রত ই গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে।

অসমীয়া গল্পৰ অনুবাদৰ পৰম্পৰা আৰম্ভ হোৱাৰ আগতে জোনাকী যুগৰ পাশ্চাত্য গল্পৰ আলমত অসমীয়া মৌলিক গল্প ৰচনা কৰাৰ পৰম্পৰা চলি আহিছিল। জোনাকী যুগৰ আগশাৰীৰ গল্পকাৰ শৰৎ চন্দ্র গোস্বামীৰ 'ৰক্তবীজ' গল্পটোৰ লগত টলষ্টয়ৰ 'A Spark Neglected Burns the House' গল্পটোৰ সাদৃশ্য পৰিলক্ষিত হয়। বীৰেন্দ্র কুমাৰ ভট্টাচার্যৰ 'মাকণৰ গোসাঁই' গল্পটোৰ লগত গ্রাহাম গ্রীণৰ গল্পৰ কিছু মিল থকা যেন অনুভৱ হয়। এই প্রসংগতে চন্দ্রপ্রসাদ শইকীয়াৰ 'এদিন' গল্পটোৰ কথা উল্লেখ কৰিব পাৰি। গল্পটোত জেম্চ জচৈ, ভার্জিনিয়া উলফ আৰু গোপাল হালদাৰৰ 'একদা' উপন্যাসৰ প্রভাৱ পৰিছে বুলি গল্পকাৰে নিজে উল্লেখ কৰিছে। মহিম বৰাৰ গল্প 'মাছ আৰু মানুহ'ত আর্ণেষ্ট হেমিৰেৰ 'The Old Man and the Sea'ৰ প্রভাৱ সুস্পষ্ট। সূর্যকুমাৰ ভূঞাৰ গল্পত এডগাৰ এলেন পোৰ গল্পৰ প্রভাৱ পৰিছে বুলি বহু সমালোচকে ক'বলৈ বিচাৰে।

অসমীয়ালৈ গল্পৰ অনুবাদৰ প্রকৃত পৰম্পৰা আৰম্ভ হৈছিল আবাহন যুগত। ইয়াৰ সমান্তৰালভাৱে 'নেচনেল বুক ট্রাষ্ট' (NBT) আৰু সাহিত্য অকাডেমিৰ উদ্যোগত অনূদিত অসমীয়া গল্প প্রকাশ হৈছিল। এই অনূদিত গল্পসমূহৰ অধিকাংশই বিভিন্ন বাতৰি কাকত আৰু

আলোচনীত প্রকাশ হোৱা বাবে অসমীয়ালৈ অনূদিত সকলো গল্পক তালিকাভুক্ত কৰাটো কঠিন। সেয়া হ'লেও বর্তমানলৈ প্রাপ্ত অসমীয়ালৈ অনূদিত উল্লেখযোগ্য পাশ্চাত্য গল্প তথা গল্পপুথিৰ নামসমূহ তলত উল্লেখ কৰা হ'ল।

বিশ্ব সাহিত্যৰ এক সন্মানীয় স্থানত অধিষ্ঠিত ইউৰোপীয় আৰু মার্কিন গল্প লেখক যেনে মোপাচা, অ'হেনৰিৰ গল্প অসমীয়ালৈ ব্যাপক ৰূপত অনুবাদ হৈছিল। অনুপমা দেৱীয়ে মোপাচাৰ কেইটিমান গল্প অসমীয়ালৈ অনুবাদ কৰি 'এনুৱা জোনালী নিশা' নামৰ গল্পপুথিত সন্নিবিষ্ট কৰিছিল। এই গল্পপুথিখন ১৯৫৫ চনত প্রকাশ হৈছিল। অনুপমা দেৱীৰ আন এখন অনূদিত গল্পৰ সংকলন হ'ল 'প্রত্যাৱর্তন'। ১৯৯১ চনত প্রকাশ পোৱা এইখনো মোপাচাঁৰ কেইটিমান গল্পৰ অসমীয়া অনূদিত সংকলন। বিখ্যাত কবি অজিৎ বৰুৱাইও ফৰাচী ভাষাৰ পৰা মোপাচাঁৰ গল্প অসমীয়ালৈ অনুবাদ কৰি প্রকাশ কৰিছে। সত্যেন্দ্রনাথ বৰকটকীৰ 'গী দ্য ম'পাচাৰ শ্রেষ্ঠ গল্প' (১৯৭৬) আৰু 'ফৰাচী গল্প' মোপাচাঁৰ গল্পৰ নাম দুটি অনূদিত সংকলন। ইয়াৰ লগতে অৰুণ কুমাৰ বৰুৱাৰ 'মোপাচাঁৰ গল্প' পুথিখনৰ কথা উল্লেখ কৰিব পাৰি। মান এগৰাকী বিশ্ব সাহিত্যৰ সমাজত গল্পকাৰ অ'হেনৰিৰ একাংশ গল্প অমূল্য হাজৰিকাই অনুবাদ কৰি 'অ' হেনৰিৰ শ্রেষ্ঠ গল্প' (১৯৮৮) পুনর্মূদ্রিত নামেৰে প্রকাৰ কৰিছে।

ৰাছিয়াৰ গণতান্ত্রিক, দার্শনিক, সাহিত্যিক আৰু সাম্যবাদী দার্শনিক লিও টলষ্টয়ৰ সু-গল্পকাৰ আৰু ঔপন্যাসিক হিচাপে বিশ্ব সাহিত্যত বিশেষ সমাদাৰ আছে। তেওঁৰ কেইটিমান বচা-বচা গল্প সুৰেন্দ্র মোহন দাসে 'টলষ্টয়ৰ সাধু' নাম দি অনুবাদ কৰিছে। হেম শর্মাইও লিও টলষ্টয়- গল্প আৰু উপন্যাস' নামৰ এখন অনুবাদমূলক গ্রন্থ প্রকাশ কৰিছে। ৰুচ সাহিত্যিক এন্টন চেখভৰ গল্প অসমীয়ালৈ কৰাৰ প্রয়াসো সমান্তৰালভাৱে আৰম্ভ হৈছিল। এই ক্ষেত্রত অনিল কুমাৰ শর্মাৰ 'চেখভৰ গল্প' আৰু প্রণৱজ্যোতি ডেকাৰ 'ৰুছ গল্প' পুথি দুখন উল্লেখযোগ্য।

ইয়াৰ বাহিৰেও তলত অসমীয়ালৈ অনূদিত চুটিগল্প তথা চুটিগল্প সংকলনৰ নাম আৰু অনুবাদক উল্লেখ কৰা হ'ল —

ৰত্নেশ্বৰ মেধি — 'মেক্সিম গর্কীৰ শ্রেষ্ঠ গল্প'
'গাইড'
'ধূর্ত্যলি'

সত্যপ্রসাদ বৰুৱা — 'বিশ্ববিখ্যাত চুটিগল্প' (৯ টা অনূদিত গল্পৰ সংকলন)

অনু বৰুৱা — 'প্রথম প্রেম' (যুগোশ্লাভ লেখক চিডমিৰ মিনভাৰ ভিছৰ কেইটামান অনূদিত গল্পৰ সংকলন)

ড° অমিয়া দেৱী — 'একুঁকি বিদেশী গল্প'

সৌৰভ কুমাৰ চলিহা — 'আজি শুক্রবাৰ' (১০ টা বিদেশী গল্পৰ অনুবাদৰ সংকলন)

দিলীপ তালুকদাৰ — 'নানা ৰঙৰ গল্প'

ড° প্রফুল্ল দত্ত গোস্বামী — 'গল্প ঃ দেশী আৰু বিদেশী' (বাৰটা দেশী আৰু সাতোটা

বিদেশী গল্পৰ অনুবাদ সম্বলিত সংকলন)

লক্ষ্যহীৰা দাস — 'অস্কাৰ ৱাইল্ডৰ গল্প'

নিৰুপমা ফুকন — 'বিশ্ব গল্প চয়নিকা'

বিমল নাথ —'হথৰ্নৰ গল্প'

প্রসন্ন গোস্বামী — 'বিদেশী গল্পৰ সম্ভাৰ'

কনক মহন্ত — 'জাৰৰ দেশৰ গল্প'

মহেন্দ্র বৰা — 'দেশে দেশে গল্প

বিনোদ শর্মা — 'পার্ল বাকৰ শ্রেষ্ঠ গল্প'

হৰেণ দাস — 'মোপাচাঁৰ গল্প সমগ্র'।

এই গল্প পুথিসমূহত পাশ্চাত্য গল্পকাৰৰ অনূদিত গল্প সন্নিবিষ্ট কৰা হৈছে। পাশ্চাত্য সাহিত্যৰ উপৰিও অসমৰ ওচৰ-চুবুৰীয়া তথা ভাৰতৰ বিভিন্ন প্রান্তত ৰচিত গল্পসমূহো অসমীয়ালৈ অনুবাদ কৰাৰ প্রক্রিয়া আৰম্ভ হৈছে। দেশীয় ভাষাৰপৰা অনূদিত এনে উল্লেখযোগ্য গল্প আৰু গল্প সংকলনসমূহ হ'ল —

ড° বীৰেন্দ্র কুমাৰ ভট্টাচার্য — 'একুৰি এটা চুটিগল্প' (ৰবীন্দ্রনাথ ঠাকুৰৰ গল্পৰ অনুবাদ)

সুৰেশ শর্মা — 'ৰৰফৰ ফুল' (ভাৰতৰ বিভিন্ন ভাষাৰ দহটা চুটিগল্পৰ অনুবাদ সন্নিৱিষ্ট কৰা হৈছে।

জয়কান্ত শর্ম — 'ভাৰতীয় গল্প'

বিনন্দ চন্দ্র বৰুৱা — 'ৰাজস্থানৰ গল্প' (শিশুৰ উপযোগী আঠেকুৰি অনূদিত গল্পৰ সংকলন)

ইন্দিৰা দত্ত — 'প্রেমচন্দৰ শ্রেষ্ঠ গল্প' (প্রেমচন্দৰ দহটা শ্রেষ্ঠ গল্পৰ অনুবাদ)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অনূদিত গল্পই অসমীয়া গল্পৰ ধাৰাটোক কিদৰে সমৃদ্ধ কৰিছে আলোচনা কৰক।

.....



জানি থোৱা ভাল

শৰাইঘাট প্রকাশন নামৰ অসমৰ এটা আগশাৰীৰ প্রকাশন গোষ্ঠীয়ে 'কালজীয় সাহিত্য' নামেৰে বিভিন্ন পাশ্চাত্য সাহিত্য অসমীয়ালৈ অনুবাদ কৰাৰ উদ্যোগ গ্রহণ কৰিছে। তেওঁলোকে মূলতঃ পাশ্চাত্য উপন্যাস অসমীয়ালৈ অনুবাদ কৰি প্রকাশ কৰি আহিছে যদিও উপন্যাসৰ সমান্তৰালকৈ

বিভিন্ন পাশ্চাত্য গল্পৰ অনুবাদো প্ৰকাশ কৰিছে। এনে গল্পপুথিসমূহ হ'ল —

লু ছুনৰ গল্প (দুটা খণ্ড)- মীৰা গোস্বামী
শ্বাৰলক হ'মছৰ ৰহস্য কাহিনী (প্ৰথম খণ্ড) — যোগেশ দাস
(দ্বিতীয় খণ্ড) — বন্দিতা ফুকন
(তৃতীয় খণ্ড) — যোগেশ দাস
সোণেশ্বৰ শৰ্মা
দীনেশ চন্দ্ৰ গোস্বামী
(চতুৰ্থ খণ্ড) — বন্দিতা ফুকন

৬.৪ গল্পৰ উৎস পাঠ আৰু লক্ষ্য পাঠ

সাধাৰণ ভাষাত অনুবাদ মানে হ'ল এটা ভাষাৰপৰা আন এটা ভাষলৈ অথবা এটা ভাষাৰ এটা ৰূপৰ পৰা সেই ভাষাটোৰ আন এটা ৰূপলৈ কৰা অৰ্থৰ অভিজ্ঞাপন। সজ্ঞাৰ পৰা এটা কথা সহজে অনুমান কৰিব পাৰি যে অনুবাদ এটা ভাষাৰ মাজতেই হওক বা দুটা ভাষাৰ মাজতেই হওক উভয় প্ৰক্ৰিয়াত দুই প্ৰকাৰৰ পাঠ নিহিত হৈ থাকে। সেই দুটা প্ৰকাৰ হ'ল — 'স্ৰোত পাঠ' (Source Text) আৰু 'লক্ষ্য পাঠ' (Target Text)। অনুবাদ কাৰ্যৰ বাবে যিটো পাঠক মূল পাঠ হিচাপে গ্ৰহণ কৰা হয়, সেইটোৱে হ'ল স্ৰোত পাঠ। অৰ্থাৎ যিটো পাঠৰপৰা অনুবাদ কৰা হয়, সেই পাঠটোক স্ৰোত পাঠ বা উৎস পাঠ বোলা হয়। আনহাতে অনুবাদ কালত অনূদিত পাঠটোক লক্ষ্য পাঠ আখ্যা দিয়া হয়। সেইদৰে 'স্ৰোত পাঠ'ৰ ভাষাক 'লক্ষ্য ভাষা' (Source Language বা চমুকৈ S.L.) আৰু 'লক্ষ্য পাঠৰ ভাষাক 'লক্ষ্য ভাষা' (Target Language বা চমুকৈ T.L.) বোলে। সকলো প্ৰকাৰৰ অনুবাদৰ দৰে গল্পৰ অনুবাদতো 'স্ৰোত পাঠ', 'লক্ষ্যপাঠ', স্ৰোত ভাষা' আৰু 'লক্ষ্য ভাষা'ৰ উপস্থিতি আছে। অসমীয়া অনূদিত পাশ্চাত্য গল্পৰ প্ৰসংগত ক'বলৈ গ'লে মূল পাশ্চাত্য গল্পটো হ'ল স্ৰোত পাঠৰ বিভিন্ন ভাষা যেনে ইংৰাজী, ফৰাচী, জাপানী, জাৰ্মান আদিক উৎস ভাষা আৰু লক্ষ্য আৰু লক্ষ্য পাঠৰ ভাষা অসমীয়াক লক্ষ্য ভাষা দিয়া হয়।

সাহিত্যৰ অন্যান্য সংৰূপ (genre) ৰ দৰে গল্পৰ অনুবাদৰ ক্ষেত্ৰতো অনুবাদকে বিভিন্ন দিশৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। সেইবোৰ হ'ল —

(ক) গল্প এটা অনুবাদ কৰোঁতে অনুবাদকে গল্পৰ বৈশিষ্ট্য যাতে অটুত থাকে সেই দিশৰ প্ৰতি সাৱধান হ'ব লাগে। চুটিগল্পৰ আৰম্ভণি আৰু সামৰণি সাধাৰণতে আকস্মিক হয়। জীৱনৰ এটি ক্ষুদ্ৰ দিশ গল্পত নিমিশৰ বাবে ফুটাই তোলা হয়। অনুবাদ হ'লেও চুটিগল্পত মূলৰ আকস্মিকতা অক্ষুন্ন থাকিব লাগে।

(খ) চুটিগল্পত উপন্যাসৰ দৰে বৰ্ণনাৰ পয়োভৰ নাথাকে। সেয়েহে মুকলি ভাবানুবাদ

কৰিলেও অনুবাদকে চুটিগল্পত বর্ণনাৰ বাহুল্য অন্তর্ভুক্ত কৰিব নালাগে। অন্যথা গল্পটোৰ শিক্ষা মূল্য বিনষ্ট হ'ব।

(গ) অন্যান সংৰূপৰ দৰে চুটিগল্পৰ অনুবাদৰ ক্ষেত্রতো অনুবাদকে মূল পাঠ বা স্রোত পাঠৰ মর্ম হৃদয়ংগম কৰিব লাগে। মূল পাঠৰ মর্ম হৃদয়ংগম নকৰাকৈ কৰা অনুবাদে ভাল অনুবাদ হিচাপে স্বীকৃত নহয়।

(ঘ) অনুবাদক এগৰাকীৰ স্রোত ভাষাৰ বিস্তৃত জ্ঞান থকা উচিত। স্রোত ভাষাৰ জ্ঞানৰ গভীৰতাৰ ওপৰতে অনুবাদৰ সার্থকতা নির্ভৰ কৰে।

(ঙ) স্রোত ভাষাৰ দৰে লক্ষ্য ভাষা সম্পর্কেও অনুবাদকৰ গভীৰ জ্ঞান থকা প্রয়োজনীয়। অনুবাদকে স্রোত ভাষা আৰু লক্ষ্য ভাষাৰ মাজত এক ভাৰসাম্যযুক্ত সম্পর্ক ৰক্ষা কৰা উচিত। দুটা পৃথক ভাষাৰ মাজত হোৱা আন্তঃভাষিক অনুবাদত বহু ক্ষেত্রত কোনো এটা শব্দৰ সম্পূর্ণ সমার্থক শব্দ বিচাৰি পোৱা নাযায়। তেতিয়া শব্দৰ সলনি শব্দ প্রতিষ্ঠাপনৰ সলনি উৎস ভাষাৰ এটা শব্দ বা বাক্যৰ অন্তর্নিহিত ভাব আনটো ভাষালৈ অভিজ্ঞাপন কৰা হয়। ইয়াৰ বাবে লক্ষ্য ভাষাৰ বিস্তৃত জ্ঞান অনুবাদকৰ থাকিব লাগে।

৬.৫ গল্পৰ অনুবাদত অনুবাদকে সন্মুখীন হোৱা সমস্যা

অনুবাদ কার্যত অনুবাদক এজনে সন্মুখীন হোৱা বিভিন্ন সমস্যাবোৰ অনুবাদ সম্পর্কীয় বিভিন্ন দিশৰ পৰাই সৃষ্টি হয়। অনুবাদৰ লগত জড়িত বিভিন্ন দিশ যেনে ভাষা, পদ্ধতি, সংস্কৃতি, সৌন্দর্য আদিক কেন্দ্র কৰিয়ে এনে সমস্যাসমূহৰ উদ্ভৱ হোৱা দেখা যায়। সাহিত্যৰ সংৰূপ ভেদে অৱশ্যে এনে সমস্যাৰ তাৰতম্যও হয়। তলত চুটিগল্পৰ অনুবাদত পৰিলক্ষিত হোৱা এনে ধৰণৰ সমস্যাসমূহক তলত দিয়া ধৰণে ভগাব পাৰি—

- গাঁথনিগত সমস্যা
- পদ্ধতিগত সমস্যা
- বিশ্বস্ততা আৰু সৌন্দর্যৰ সমস্যা
- ভাষাজনিত সমস্যা
- সাংস্কৃতিক সমস্যা

তলত একাদিক্রমে প্রতিটোৰে আভাস দাঙি ধৰা হ'ল—

৬.৫.১ গাঁথনিগত সমস্যা

অনুবাদ কৰোঁতে অনুবাদকে প্রায়ে গাঁথনিগত সমস্যাৰ সন্মুখীন হয়। সাহিত্যৰ বিভিন্ন সংৰূপ অনুসৰি গাঁথনিও পৃথক-পৃথক হয়। গতিকে অনুবাদকে অনুবাদত সেই গাঁথনি অক্ষুণ্ণ ৰাখিবলৈ যত্ন কৰিব লাগে। গল্পৰ ক্ষেত্রত চালে দেখা যায় গল্পসমূহৰ পৰিসৰ সাধাৰণতে চমু হয়। ইয়াৰ আৰম্ভণি আৰু সামৰণি আকস্মিক

হয়। উপন্যাসৰ দৰে গোটেই জীৱনৰ দৃশ্য ফুটাই নোতুলি জীৱনত এটা ক্ষুদ্র অংশহে গল্পত ফুটাই তোলা হয়। অনুবাদ হ'লেও অনুবাদকে গল্পত ইয়াৰ গাঁথনিগত বৈশিষ্ট্য বৰ্তাই ৰাখিব লাগে। মূলৰ গাঁথনিৰ হানি-বিঘিনি নোহোৱাকৈ অনুবাদত তাক অক্ষুন্ন ৰখাৰ ক্ষেত্রত অনুবাদকে সমস্যাৰ সন্মুখীন হয়।

৬.৫.২ পদ্ধতিগত সমস্যা

গল্প এটা অনুবাদ কৰোঁতে অনুবাদক এজন পদ্ধতিগত সমস্যাৰো সন্মুখীন হয়। উপন্যাসৰ দৰে গল্প এটাও বিভিন্ন পদ্ধতিত অনুবাদ কৰিব পাৰি। ই আক্ষৰিক অনুবাদ বা মুকলি ভাবানুবাদ হ'ব পাৰে। কেতিয়াবা এক নির্দিষ্ট শ্রেণীৰ পাঠকৰ প্রয়োজন আৰু মানসিকতাৰ প্রতি লক্ষ্য ৰাখি এটা গল্প অনুবাদ কৰা হয়। অনুবাদকে গল্পৰ অনুবাদত যি পদ্ধতিয়েই ব্যৱহাৰ নকৰক কিয়, ইয়াত গ্রহণ বর্জনৰ সুবিধা যথেষ্ট সীমিত। অর্থাৎ গল্পৰ অনুবাদে হানি আৰু প্রাপ্তিৰ সন্মুখীন হোৱাৰ সম্ভাৱনা নিচেই কম। গতিকে গল্পৰ অনুবাদত অনুবাদকে উপন্যাসৰ দৰে ব্যাপক স্বাধীনতা উপভোগ নকৰে। এনে ক্ষেত্রত অনুবাদকে সীমিত স্বাধীনতাৰ মাজাতে পদ্ধতি নির্ধাৰণ কৰি তাক বাস্তৱ ৰূপ দিবলগীয়া হয়।

৬.৫.৩ বিশ্বস্ততা আৰু সৌন্দর্যৰ সমস্যা

চুটিগল্পৰ পৰিসীমা উপন্যাসৰ তুলনাত যথেষ্ট সীমিত। ই পাঠকৰ আগত কোনো ঘটনা পোনপটীয়াকৈ উপস্থাপন কৰি তাক ক্ষিপ্র গতিত পৰিণতিৰ ফালে আগুৱাই নিয়ে। চুটিগল্পৰ এক স্বকীয় আবেদন আছে। এই আবেদন উপন্যাস বা কবিতাৰ আবেদনতকৈ পৃথক। চুটিগল্প এটি অনুবাদ কৰোঁতে চুটিগল্পৰ স্বাভাৱিক আবেদন যাতে বিনষ্ট নহয়, সেই দিশটোৰ প্রতি অনুবাদকে লক্ষ্য ৰাখিব লাগে। অর্থাৎ পাঠকে মূল গল্পটো পঢ়ি যি আনন্দ লাভ কৰে, সেই একেই আনন্দ অনুবাদ পঢ়িও লাভ কৰিব লাগে। অনুবাদত মূলৰ বিশ্বস্ততা আৰু সৌন্দর্য বৰ্তাই ৰখাটো অনুবাদকৰ বাবে এটি ডাঙৰ প্রত্যাহ্বান।


৬.৫.৪ ভাষাজনিত সমস্যা

অনুবাদত ভাষাজনিত সমস্যাৰ তেতিয়া উদ্ভৱ হয়, যেতিয়া অনুবাদক স্রোত লক্ষ্য ভাষাৰ জ্ঞান ভালদৰে নাথাকে। যিকোনো সফল অনুবাদৰ বাবে অনুবাদক স্রোত আৰু লক্ষ্য ভাষাৰ গভীৰ জ্ঞান থকাটোৱে হ'ল প্রথম চর্ত। অনুবাদকে উভয় ভাষাৰ কালিকাৰ লগত ভালদৰে পৰিচিত হ'ব লাগিব। সেইদৰে মূল পাঠৰ মর্ম হৃদয়ংগম

কৰাৰ বাবেও অনুবাদকৰ স্রোত ভাষাৰ বিস্তৃত জ্ঞান থকাটো প্রয়োজনীয়। ভাষাৰ গভীৰ জ্ঞান অবিহনে কৰা অনুবাদ বিশ্বাসযোগ্য অনুবাদ নহয়।

৬.৫.৫ সাংস্কৃতিক সমস্যা

এই কথা সকলোৰে জ্ঞাত যে এটা ভাষাৰ কিছুমান সাংস্কৃতিক উপাদান অন্য এটা ভাষাত উপস্থাপন কৰাৰ ক্ষেত্রত জটিলতাৰ সৃষ্টি হয়। কোনো বিশেষ সংস্কৃতিৰ লগত জড়িত ভাৱ বিচাৰক সেই একে সংস্কৃতিৰ সহচৰী ভাষাটোৰ জৰিয়তেহে প্রকাশ কৰিবলৈ সুবিধাজনক হয়। ই হ'ল অনুবাদৰ প্রক্রিয়াত উদ্ভৱ হোৱা সাংস্কৃতিক সমস্যা। এই সাংস্কৃতিক সমস্যাই 'সাংস্কৃতিক অ-অনুবাদযোগ্যতা'ৰ ধাৰণাটোৰ জন্ম দিছে। অনুবাদৰ প্রক্রিয়াত এনে সাংস্কৃতিক সমস্যাৰ সন্মুখীন অনুবাদক যিকোনো সংৰূপৰ অনুবাদৰ ক্ষেত্রতে হয়। গল্প, কবিতা, উপন্যাস, প্রৱন্ধ আদি সকলো সংৰূপৰ অনুবাদৰ ক্ষেত্রত সাংস্কৃতিক সমস্যাই অনুবাদ প্রক্রিয়া জটিল কৰি তোলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ গল্পৰ অনুবাদৰ ক্ষেত্রত অনুবাদকে সন্মুখীন হোৱা সমস্যাসমূহৰ বিষয়ে এটি আলোচনা দাঙি ধৰক।

.....



৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া অনূদিত গল্পৰ ধাৰাটোৰ বিষয়ে অৱগত হ'লো।
- গল্পৰ সার্থক অনুবাদৰ বাবে গুৰুত্বপূর্ণ হিচাপে বিবেচিত হোৱা দিশবোৰৰ বিষয়ে জানিলোঁ।
- স্রোত ভাষা আৰু লক্ষ্য ভাষা সম্পর্কে সম্যক ধাৰণা লাভ কৰিলোঁ।
- গল্পৰ অনুবাদত উদ্ভৱ হ'ব পৰা সমস্যাসমূহৰ বিষয়ে জানিলোঁ।



৬.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১। দাস, নাৰায়ণ, ৰাজবংশী, পৰমানন্দ (সম্পা) ঃ *অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ,*

চন্দ্র প্রকাশ, চতুর্থ সংস্কাৰণ, ২০১৪ চন।

২। বৰগোহাঞি, হোমেন (সম্পা) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ খণ্ড), আবিলাক, দ্বিতীয়, ২০১২ চন।

৩। বেজবৰা, নীৰাজনা মহন্ত ঃ *অনুবাদ ঃ তত্ত্ব আৰু প্রয়োগ*, বনলতা, দ্বিতীয় প্রকাশ, ২০১১ চন।

৪। শর্মা, মদন ঃ অনুবাদ অধ্যয়ন ঃ *তত্ত্ব আৰু প্রয়োগ*, বান্ধৱ, প্রথম প্রকাশ, ২০১৭ চন।

৬.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ আৰম্ভণি — অনুবাদৰ প্রয়োজনীয়তা — অসমীয়ালৈ অনূদিত গল্পৰ ধাৰা — সামৰণি।

২নং প্রশ্নৰ উত্তৰ ঃ আৰম্ভণি — গল্পৰ অনুবাদত অনুবাদকে সন্মুখীন হোৱা সমস্যাসমূহ — সামৰণি।

৬.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ লক্ষ্য ভাষা আৰু স্রোত ভাষা কাক বোলে উদাহৰণসহ আলোচনা কৰক।

প্রশ্ন ২ ঃ গল্পৰ সফল অনুবাদৰ বাবে গল্পকাৰে কোনবোৰ দিশত গুৰুত্ব আৰোপ কৰিব লাগে?

প্রশ্ন ৩ ঃ **চমুটোকা লিখক ঃ**

(ক) লক্ষ্য পাঠ আৰু স্রোত পাঠ

(খ) অসমীয়ালৈ মোপাচাঁৰ গল্পৰ অনুবাদ

(গ) অনুবাদৰ সাংস্কৃতিক সমস্যা।

*** ***** ***

অধ্যায় ৭ ঃ অসমীয়া ভাষালৈ উপন্যাসৰ অনুবাদ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ অসমীয়া উপন্যাস আৰু অনুবাদ পৰম্পৰা

৭.৪ উপন্যাসৰ উৎস পাঠ আৰু লক্ষ্য পাঠ

৭.৪.১ আন্তঃ ভাষাগত অনুবাদ

৭.৪.২ অন্তঃ ভাষাগত অনুবাদ

৭.৫ উপন্যাসৰ অনুবাদত অনুবাদকে সন্মুখীন হোৱা সমস্যা

৭.৫.১ ভাষা সম্পৰ্কীয় সমস্যা

৭.৫.২ পদ্ধতিগত সমস্যা

৭.৫.৩ অনুবাদৰ সাংস্কৃতিক সমস্যা

৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৭ অধিক জানিবলৈ (কেৱল ৰূপৰেখা)

৭.৮ অগ্রগতিৰ খতিয়ান

৭.৯ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়ালৈ অনূদিত উপন্যাসৰ ধাৰাটোৰ বিষয়ে জানিব পাৰিব
- উপন্যাসৰ অনুবাদত সৃষ্টি হোৱা সমস্যাসমূহৰ বিষয়ে অৱগত হ'ব।

৭.২ পৰিচয়

পূৰ্বৱৰ্তী অধ্যায়ত আপুনি অসমীয়ালৈ অনূদিত চুটিগল্পৰ ধাৰাটোৰ বিষয়ে অৱগত হ'ল। প্ৰস্তাৱিত এই অধ্যায়ত অসমীয়ালৈ অনূদিত উপন্যাসৰ ধাৰাটোৰ বিষয়ে জানিব পাৰিব। লগতে উপন্যাসৰ অনুবাদত অনুবাদকে সন্মুখীন হোৱা সমসাৰ ওপৰতো বিস্তৃত ৰূপত আলোকপাত কৰা হ'ব।

৭.৩ অসমীয়া উপন্যাস আৰু অনুবাদ পৰম্পৰা

অসমীয়া উপন্যাসৰ ধাৰাটোৰ আৰম্ভ হৈছিল ঊনবিংশ শতিকাৰ শেষৰ দশকত

পদ্মনাথ গোহাঞিবৰুৱাৰ হাতত। ১৮৯১ চনত 'বিজুলী'ত ধাৰাবাহিকভাৱে পদ্মনাথ গোহাঞিবৰুৱাৰ '*ভানুমতী*' ওলায়। এইখন আছিল প্ৰথম অসমীয়া উপন্যাস। সেই একে বছৰতে অৰ্থাৎ ১৮৯১ চনৰ জানুৱাৰী-ফেব্ৰুৱাৰীৰ সংখ্যাৰ '*জোনাকী*'ত (তৃতীয় বছৰ প্ৰথম সংখ্যা) লক্ষ্মীনাথ বেজবৰুৱাৰ '*পদ্মকুমাৰী*' উপন্যাসৰ প্ৰথমছোৱা প্ৰকাশিত হয় আৰু ইয়াৰ পিছত ধাৰাবাহিকভাৱে ওলায়। '*পদ্মকুমাৰী*' ১৯০৫ চনত '*পদুমকঁৱৰী*' নামত আৰু '*ভানুমতী*' ১৯০৮ চনত গ্ৰন্থাকাৰে প্ৰকাশিত হয়। গোহাঞিবৰুৱা আৰু বেজবৰুৱাৰ হাতত আৰম্ভ হোৱা এই ধাৰাটোক পৰৱৰ্তী কালত একাধিক ঔপন্যাসিকে সমৃদ্ধ কৰি তোলে।

অসমীয়া উপন্যাসৰ ক্ষেত্ৰখনক সমৃদ্ধ কৰাৰ ক্ষেত্ৰত অনূদিত উপন্যাসৰ ধাৰাটোৱেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। উপন্যাস বা উপন্যাসধৰ্মী ৰচনাৰ অনুবাদৰ পৰম্পৰাৰ আৰম্ভ হয় মিছনেৰী যুগত। এই সময়চোৱাক বহু সমালোচকে অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্বও আখ্যা দিছে। এই সময়ছোৱাত খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ বাবে অসমীয়া ভাষালৈ অনুবাদ কৰা উপন্যাসৰ লক্ষণ নিহিত থকা একাধিক উপন্যাসধৰ্মী ৰচনা প্ৰকাশিত হৈছিল। এইবোৰক প্ৰকৃতাৰ্থত উপন্যাস বুলিব নোৱাৰি যদিও দৰাচলতে উপন্যাসধৰ্মী ৰচনাৰ অনুবাদৰ পৰম্পৰা এই সময়চোৱাৰ পৰাই আৰম্ভ হৈছিল। 'অৰুণোদই'ত পঞ্চাশৰ দশকৰ প্ৰাৰম্ভতে ছোৱা-ছোৱাকৈ প্ৰকাশ পোৱা জন বুনিয়নৰ 'Pilgrim's Progress'ৰ অনুবাদ 'জাত্ৰিকৰ জাত্ৰা'ত উপন্যাসৰ বহুতো লক্ষণ ৰক্ষিত হৈছে। এই অনুবাদ কৰিছিল 'অৰুণোদই' আলোচনীৰ প্ৰথম গৰাকী সম্পাদক ড° নাথান ব্ৰাউনে। ১৮৭৭ চনত এ. কে. গাৰ্ণিৰ '*এলোকেশী ৰেশ্যাৰ বিষয়*' আৰু শ্ৰীমতী গাৰ্ণিৰ '*ফুলমনি আৰু কৰুনা*' অনূদিত উপন্যাসধৰ্মী ৰচনা দুখন প্ৰকাশ পায়। ইয়াৰ বাহিৰেও ১৮৭৮ চনত এ. কে. গাৰ্ণিৰ আন এখন উপন্যাসধৰ্মী অনূদিত পুথি '*কানি বেহেৰুৱাৰ কথা*' প্ৰকাশ হয়।

এইবোৰক প্ৰকৃতাৰ্থত আধুনিক অসমীয়া উপন্যাস বুলিব নোৱাৰি যদিও এই ৰচনাসমূহে অসমীয়া উপন্যাসৰ ভেঁটি নিৰ্মাণ কৰিছিল, যাৰ পৰিণতিত 'জোনাকী' যুগৰ প্ৰাৰম্ভতে অসমীয়া উপন্যাসৰ ধাৰাটোৰ আৰম্ভণি হৈছিল। ৰোমাণ্টিক যুগত বহুতো উপন্যাস ইংৰাজীৰ পৰা অসমীয়ালৈ অনূদিত হৈছিল। লক্ষেশ্বৰ শৰ্মাই এডৱাৰ্ড বুলৱাৰ লিটনৰ 'The Last Days of Pompenii আৰু গ্ৰেজিয়া ডালেভাৰৰ উপন্যাস দুখন ক্ৰমে 'পম্পিয়াইৰ প্ৰলয় কাহিনী' আৰু 'মাতৃ' নামেৰে অনুবাদ কৰিছিল। মিছ হেনৰি উডৰ 'East Lynne' আৰু চাৰ্লচ ৰীডৰ 'The Cloister and the Hearth' উপন্যাস দুখন ক্ৰমে 'সমাৰেশী' আৰু 'মিলন মন্দিৰ' নামেৰে অনুবাদ কৰা সাহিত্যিক গৰাকী হ'ল শান্তিৰাম দাস। পৰৱৰ্তী সময়ত ৰোহিনীকান্ত বৰুৱাই নৰৱেৰ লেখক Johan Bojerৰ 'The Great Hunger' উপন্যাসখন 'পৰম ক্ষুধা' নামেৰে অনুবাদ কৰি অসমীয়া অনূদিত উপন্যাসৰ ধাৰাটোক এক বিশেষ গতি প্ৰদান কৰে। ইয়াৰ উপৰিও দয়ানন্দ বৰুৱা আৰু নলিনীকান্ত বৰুৱাই কৰা মেক্সিম গৰ্কীৰ 'Mother', এনাৰ্টলে ফ্ৰান্সৰ 'Thais' আৰু এৰিক মাৰিয়া ৰোমাৰিকৰ 'All Quite in the Western Front' উপন্যাসকেইখনৰ অসমীয়া অনুবাদ *আবাহন*ৰ বিভিন্ন সংখ্যাত প্ৰকাশ হৈছিল।

অসমীয়া ভাষালৈ উপন্যাস অনুবাদৰ পৰম্পৰাই প্ৰসাৰ লাভ কৰিছিল যুদ্ধোত্তৰ যুগত। বিংশ শতিকাৰ পঞ্চম দশকত দীননাথ শৰ্মাই 'মাটি আৰু মানুহ' নামৰ উপন্যাসখন নৰৱেৰ নবেল বঁটা বিজয়ী লেখক 'Knut Hamsun ৰ "Growth of Soil' নামৰ উপন্যাসৰ ওপৰত ভিত্তি কৰি ৰচনা কৰিছিল। ১৯৫৬ চনত জৰ্জ অৰৱেলৰ "Animal Farm' নামৰ উপন্যাসখন অনু বৰুৱাই অনুবাদ কৰিছিল। আবুল লেইছৰ '*টম ছয়াৰ*' (মূল মাৰ্ক টোৱেইনৰ The Adventure of Tom Sawyer), *প্ৰণীতা দেৱীৰ জীৱনৰ লালসা* (১৯৬১), মহম্মদ পিয়াৰৰ '*হাইফেন*' (১৯৬১), বীৰেণ বৰকটকীৰ '*কুমাৰী পৃথিৰী*' (১৯৫৮), বীৰেশ্বৰ বৰুৱাৰ '*অন্যপৰ্ব*', ৰোহিনীকান্ত বৰুৱাৰ '*পমিলাৰ পৰিয়াল*' আদি অসমীয়া সাহিত্যৰ উল্লেখযোগ্য অনূদিত উপন্যাস। আৰ্ণেষ্ট হেমিংৱেৰ নবেল বিজয়ী বিখ্যাত উপন্যাস 'The Old Man and the Sea' যতীন্দ্ৰনাথ গোস্বামীয়ে '*বুঢ়া আৰু সাগৰ*' নামেৰে অনুবাদ কৰিছে। ১৯৬১ চনত খগেন্দ্ৰনাৰায়ণ দত্তবৰুৱাই তৰুণ কুমাৰ ভাদুৰীৰ বঙলা উপন্যাস '*অভিশপ্ত চম্বল*' একে নামেৰে অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশ কৰিছে। পৰৱৰ্তী সময়ত দত্তবৰুৱাৰ দ্বাৰা অনূদিত '*বন্তিৰ শিখা*', '*কাগজৰ নাও*', '*আকৌ অভিশপ্ত চম্বল*' আৰু '*কোমল গান্ধাৰ*' অসমীয়া ভাষাৰ গুৰুত্বপূৰ্ণ অনূদিত উপন্যাস হিচাপে স্বীকৃত। এই আটাইকেইখন উপন্যাসৰ মূল তৰুণ কুমাৰ ভাদুৰীৰ বঙলা উপন্যাস। ১৯৭০ চনত ৰায়হান শ্বাহে ছাৰ আৰ্থাৰ কনান ডয়লৰ বিশ্ববিখ্যাত 'The Last World' উপন্যাসখন '*বিলুপ্ত জগত*' নামেৰে অনুবাদ কৰি অসমীয়ালৈ অনুদিত উপন্যাসৰ ধাৰাটোক সমৃদ্ধ কৰিছে। ইয়াৰ বাহিৰেও বীৰেণ বৰকটকীৰ '*কুমাৰী পৃথিৰী*' (টুৰ্গেনিভৰ '*ভাৰ্জিন চইল*'), প্ৰণীতা দেৱীৰ '*জীৱনৰ লালসা*' (আৰভিংষ্টনৰ '*লাষ্ট ফৰ লাইফ*'), মুস্তাফিজুৰ ৰহমানৰ '*লা ৰোমানা*', প্ৰফুল্ল কটকীৰ '*ওপজা মাটিৰ টান*' (টমাছ হার্ডিৰ '*ৰিটার্ণ অৰ দি নেটিভ*'), বিমল নাথৰ '*পাপ আৰু প্ৰায়শ্চিত্ত*', '*পগলা ফাটেক*', '*ডেভিড কপাৰফিল্ড*', সত্যেন্দ্ৰনাৰায়ণ গোস্বামীৰ '*বিদায় যুদ্ধ বিদায়*' (হেমিংৱেৰ '*ফেয়াৰৱেল টু আৰ্মচ*'), বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ '*দেব দুন্দুভি বাজে কাৰ বাবে*' (হেমিংৱেৰ '*ফৰ হুম দি বেল টলচ্*), ড° নগেন ঠাকুৰৰ '*ধীৰেৰৈ যায় ডন*' (মিখাইল চোলোকডৰ '*এণ্ড কুৱাইট ফ্লচ'চ ডন*), সুৰেন্দ্ৰ মোহন দাসৰ '*যুদ্ধ আৰু শান্তি*' (টলষ্টয়ৰ '*ৰাৰ এণ্ড পিচ*') আদি উল্লেখযোগ্য অনূদিত উপন্যাস।

বিংশ শতিকাৰ নৱম দশকৰ পৰা অসমৰ এটা আগশাৰীৰ প্ৰকাশন গোষ্ঠী শৰাইঘাট প্ৰকাশনে কালজয়ী সাহিত্য নামৰ এটা 'ছিৰিজ' মুকলি কৰি বিশ্বৰ আগশাৰীৰ উপন্যাসসমূহৰ মুকলি ভাবানুবাদ কৰাৰ কাম আৰম্ভ কৰিছিল। বৰ্তমানলৈ শৰাইঘাট প্ৰকাশনৰ উদ্যোগত পঞ্চাশৰো অধিক উপন্যাস অনূদিত হৈছে। তলত প্ৰকাশন গোষ্ঠীটোৰ উদ্যোগত অনূদিত একাংশ উপন্যাসৰ এখন তালিকা প্ৰদান কৰা হ'ল—

অনূদিত	অনুবাদক
১। অলিভাৰ টুইষ্ট	বন্দিতা গোস্বামী
২। অঘৰী ল'ৰা	তৰুণ চন্দ্ৰ দুৱৰা

৩। মহাকাশচাৰী	দীনেশ চন্দ্ৰ গোস্বামী
৪। নগৰ দুখনৰ কথা	হৰেন্দ্ৰ নাথ কলিতা
৫। সাগৰৰ তলিয়েদি কুৰি হাজাৰ লিগ	দীনেশ চন্দ্ৰ গোস্বামী
৬। মবি ডিক	প্ৰশান্ত ৰাজগুৰু
৭। পৃথিৱীৰ কেন্দ্ৰকৈ অভিযান	দীনেশ চন্দ্ৰ গোস্বামী
৮। ৰবিন হুড	মৃদুস্মিতা ফুকন
৯। পিনক্কিঅ'	মহেন্দ্ৰ বৰা
১০। যাদুকৰ অ'জ	পাৰিজাত শৰ্মা ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমীয়ালৈ অনূদিত উপন্যাসৰ ধাৰাটোৰ এটা পৰিচয় আগবঢ়াওক।

.....

৭.৪ উপন্যাসৰ উৎস পাঠ আৰু লক্ষ্য পাঠ

এটা ভাষাৰ পৰা আন এটা ভাষালৈ অথবা এটা ভাষাৰ এটা ৰূপৰ পৰা সেই ভাষাটোৰ আন এটা ৰূপলৈ কোনো এটা পাঠৰ অৰ্থৰ অভিজ্ঞাপন কৰা কাৰ্যই হ'ল অনুবাদ। অনুবাদ একেটা ভাষাৰ মাজতো হ'ব পাৰে বা পৃথক-পৃথক ভাষাৰ মাজতো হ'ব পাৰে। সাধাৰণতে উপন্যাসৰ ক্ষেত্ৰত অনুবাদ শব্দটো প্ৰয়োগ কৰিলে দুটা পৃথক ভাষাৰ মাজত হোৱা অনুবাদক বুজা যায়। এই প্ৰক্ৰিয়াত ভাষা দুটাক বুজাবলৈ উৎস ভাষা বা স্ৰোতভাষা (Source Language চমুকৈ S.L) আৰু লক্ষ্য ভাষা (Target Language চমুকৈ T.L) এই দুটা শব্দৰ প্ৰয়োগ কৰা হয়। অনুবাদ কলাত মূল পাঠৰ ভাষা বুজাবলৈ স্ৰোতভাষা আৰু যি ভাষালৈ অনুবাদ কৰা হয় সেই ভাষাক বুজাবলৈ লক্ষ্য ভাষা শব্দকেইটা ব্যৱহাৰ কৰা হয়। সেইদৰে মূল পাঠটোক উৎস পাঠ বা স্ৰোত পাঠ আৰু অনূদিত পাঠটোক লক্ষ্য পাঠ আখ্যা দিয়া হয়। এখন উপন্যাস সাৰ্থকভাৱে অনুবাদ কৰিবলৈ অনুবাদক এগৰাকীয়ে তলত দিয়া দিশসমূহৰ প্ৰতি লক্ষ্য ৰাখিব লাগে—

ক) অনুবাদৰ প্ৰধান লক্ষ্য হৈছে মূল ভাষা বা স্ৰোত ভাষাৰ ভাব আৰু বিচাৰ লক্ষ্য ভাষালৈ মূলৰ অনুৰূপে অভিজ্ঞাপন কৰা। মূল উপন্যাসত প্ৰকাশিত ভাব অনূদিত উপন্যাসত কোনো বিঘিনি নোহোৱাকৈ প্ৰকাশ হোৱা উচিত। ভাবৰ অনুকূলে উপন্যাসত হোৱা হানি-প্ৰাপ্তিক অনুবাদৰ দোষ হিচাপে গণ্য কৰা নাযায়।

খ) অনুবাদৰ বাবে স্ৰোত ভাষাৰ ভাব অথবা বিচাৰক ব্যক্ত কৰিবৰ বাবে যি অভিব্যক্তিৰ প্ৰয়োগ কৰা হয়, তাৰ যথাসম্ভৱ সমান বা প্ৰায় সমান অভিব্যক্তিৰ প্ৰকাশ লক্ষ্য ভাষাতো হোৱা উচিত।

গ) অনুবাদক এগৰাকীৰ স্রোত ভাষাৰ বিষয়ে জ্ঞান থকা উচিত। অনুবাদকৰ স্রোত ভাষাৰ বিষয়ে জ্ঞানৰ গভীৰতাৰ ওপৰতেই অনুবাদৰ সার্থকতা বহু পৰিমাণে নির্ভৰ কৰে।

ঘ) স্রোত ভাষাৰ দৰে লক্ষ্যভাষা সম্পর্কেও অনুবাদকৰ গভীৰ জ্ঞান থকা প্রয়োজনীয়।

ঙ) উপন্যাস এখন অনুবাদ কৰিবলৈ লোৱাৰ আগতে অনুবাদকে উপন্যাসৰ বিষয়বস্তু সন্দর্ভত বিস্তৃত জ্ঞান আহৰণ কৰি ল'ব লাগে। বিষয়বস্তুৰ গভীৰ জ্ঞান অবিহনে যিকোনো বিষয় সার্থকভাৱে অনুবাদ কৰাটো সম্ভৰ নহয়।

উৎস ভাষা আৰু লক্ষ্য ভাষাৰ ওপৰত ভিত্তি কৰি উপন্যাসৰ অনুবাদ প্রক্রিয়াক দুটা ভাগত ভগাব পাৰি—

- আন্তঃভাষাগত অনুবাদ
- অন্তঃভাষাগত অনুবাদ

তলত এই দুটা প্রকাৰৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল—

৭.৪.১ আন্তঃভাষাগত অনুবাদ

বেলেগ বেলেগ ভাষাৰ মাজত হোৱা অনুবাদক আন্তঃভাষাগত অনুবাদ বোলে। ইয়াক ইংৰাজীত Interlingual Translation আখ্যা দিয়া হয়। অনুবাদৰ এই প্রকাৰটোত উৎস ভাষা আৰু লক্ষ্য ভাষা পৃথক হয়। অনুবাদকে উৎস ভাষাৰ ভাব লক্ষ্য ভাষাত প্রকাশ কৰে। ইয়াৰ বাবে অনুবাদকে উৎস পাঠৰ লক্ষ্য হৃদয়ংগম কৰিব লাগিব। মূল পাঠৰ মর্ম অনুভৱ নকৰাকৈ কৰা অনুবাদ কেতিয়াও ভাল অনুবাদ হিচাপে স্বীকৃত নহয়। এই প্রকাৰৰ অনুবাদে লেখক আৰু মূল পাঠ, লেখক আৰু পাঠক, লেখক আৰু অনুবাদকৰ মাজত এক ভাৱসাম্যযুক্ত সম্পর্ক ৰক্ষা কৰে। দুটা পৃথক ভাষাৰ মাজত হোৱা আন্তঃভাষিক অনুবাদত বহু ক্ষেত্রত কোনো এটা শব্দৰ সম্পূর্ণ সমার্থক শব্দ বিচাৰি পোৱা নাযায়। গতিকে এনে অনুবাদত শব্দৰ সলনি শব্দ প্রতিষ্ঠাপনৰ বিপৰীতে উৎস ভাষাৰ এটা শব্দ বা বাক্যৰ অন্তর্নিহিত ভাব আনটো ভাষালৈ অভিজ্ঞাপন কৰা হয়। গতিকে শব্দৰ প্রত্যক্ষ অনুবাদত গুৰুত্ব দিয়াৰ সলনি সামগ্রিক বার্তাটোহে অন্য এটা ভাষালৈ অনুবাদ কৰা হয়।

অসমীয়া উপন্যাসৰ অনুবাদ পৰম্পৰাত উল্লেখ কৰা অনূদিত উপন্যাসসমূহ আন্তঃভাষাগত অনুবাদৰ উদাহৰণ। আটাইকেইখন উপন্যাসৰে 'স্রোত ভাষা আৰু লক্ষ্য ভাষা পৃথক পৃথক। অৱশ্যে মন কৰিবলগীয়া যে এটা ভাষাৰ পৰা আন এটা ভাষালৈ অনুবাদ কৰোঁতে অনুবাদকে প্রতিখন উপন্যাসতে পৃথক পৃথক পদ্ধতি ব্যৱহাৰ কৰিছে।


৭.৪.২ অন্তঃভাষাগত অনুবাদ

একেটা ভাষাৰ বিভিন্ন ৰূপৰ মাজত হোৱা অনুবাদক অন্তঃভাষাগত অনুবাদ বোলে। এই শ্রেণীৰ অনুবাদক ইংৰাজীত Intralingual Translation আখ্যা দিয়া হয়। অন্তঃভাষাগত অনুবাদ এটা ভাষাৰ বিভিন্ন ৰূপৰ মাজত হয়। সাধাৰণতে এই শ্রেণীৰ অনুবাদত দেখা যায় যে এটা ভাষাৰ এটা ৰূপৰ কোনো শব্দ অনুবাদ কৰিলে শব্দটোৰ মোটামুটি এটা সমার্থক শব্দ ব্যৱহাৰ কৰা হয়। অৱশ্যে কেতিয়াবা এটা শব্দক বুজাবলৈ আন এটা শব্দ ব্যৱহাৰ কৰাৰ সলনি একাধিক শব্দৰ আশ্রয় গ্রহণ কৰা হয়। উদাহৰণস্বৰূপে আর্থাৰ কনান ডয়লৰ শ্বাৰ্লক হম্ছৰ কাহিনীবোৰ বর্তমান চিৰিয়েল (T.V. Series) হিচাপে নির্মাণ হৈছে। ইয়াত একে ভাষাৰ দুটা সাহিত্যিক ৰূপৰ মাজত অনুবাদ প্রক্রিয়াটো সম্পন্ন কৰা হৈছে। অর্থাৎ মূল পাঠটো যিটো সাহিত্যিক ৰূপত ৰচিত হৈছিল, সেই ৰূপৰ পৰিৱর্তন সাধন কৰি এটা নতুন ৰূপত সেই ভাষাতে পাঠৰ বিষয়বস্তু উপস্থাপন কৰা হৈছে।



জানি থোৱা ভাল

উপন্যাসৰ অনুবাদ প্রক্রিয়াত অনুসৃষ্টিয়ে (Transcreation) বিশেষ গুৰুত্ব বহন কৰি আহিছে। মূল লেখকৰ ৰচনাৰ সকলো ভাব-অনুভূতি আত্মস্থ কৰি সেইবোৰক পুনৰ সৃষ্টি কৰাই হৈছে অনুসৃষ্টি। উদাহৰণ স্বৰূপে ১৯৮৯ চনত প্রকাশ পোৱা শশী থাৰুৰৰ 'The Great Indian Novel', আমিশ ত্রিপাঠীৰ 'Ram Chandra Series' ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ আন্তঃভাষাগত আৰু অন্তঃভাষাগত অনুবাদ সম্পর্কে এটি টোকা প্রস্তুত কৰক।

.....

৭.৫ উপন্যাসৰ অনুবাদত অনুবাদকে সন্মুখীন হোৱা সমস্যা

অনুবাদ কার্যত অনুবাদক এজনে বিভিন্ন সমস্যাৰ সন্মুখীন হয়। আন কথাত ক'বলৈ গ'লে ভাল অনুবাদ কৰাৰ ক্ষেত্রত বিভিন্ন সমস্যাৰ সৃষ্টি হয়। উপন্যাস এখনৰ অনুবাদৰ ক্ষেত্রতো অনুবাদক এজনে বিভিন্ন সমস্যাৰ মুখামুখি হোৱা দেখা যায়। উপন্যাসৰ অনুবাদৰ সময়ত অনুবাদক এজনে সন্মুখীন হোৱা সমস্যাসমূহক মূলতঃ তিনি ভাগত ভগাব পাৰি—

- ভাষা সম্পর্কীয় সমস্যা

- পদ্ধতিগত সমস্যা
- অনুবাদৰ সাংস্কৃতিক সমস্যা

তলত এই সমস্যাকেইটাৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল—

৭.৫.১ ভাষা সম্পৰ্কীয় সমস্যা

অনুবাদ কার্যত অনুবাদক এজনে ভাষা সম্পৰ্কীয় বিভিন্ন সমস্যাৰ সন্মুখীন হোৱা দেখা যায়। উপন্যাস এখন অনুবাদ কৰোঁতে অনুবাদকে পোনপ্রথমে ঠিৰাং কৰি ল'ব লাগে যে তেওঁ শব্দানুবাদ কৰিব নে অর্থানুবাদ নে মুকলি ভাবানুবাদ কৰিব। অনুবাদকে উপন্যাসৰ অনুবাদৰ বাবে যি পদ্ধতিয়ে ব্যৱহাৰ নকৰক কিয় তেওঁৰ স্রোত ভাষা আৰু লক্ষ্য ভাষা সম্পৰ্কে গভীৰ জ্ঞান থাকিব লাগিব। অনুবাদক এজনে ভাষা এটা বুজিলে বা জানিলেই নহ'ব, ভাষাটোত ব্যৱহাৰ হোৱা কালিকা, বক্রোক্তি, অতিশয়োক্তি আদি সম্পৰ্কেও ভালদৰে অৱগত হ'ব লাগিব। বহু ক্ষেত্রত ভাষাত ব্যৱহৃত শব্দসমূহে আভিধানিক অর্থৰ সলনি যে একোটা পৃথক অর্থ বহন কৰে, সেই সম্পৰ্কে অনুবাদক গৰাকীয়ে ভালদৰে বুজি পাব লাগিব। অন্যথা অনুবাদকে শব্দানুবাদ বা শব্দৰ সলনি শব্দ প্রতিষ্ঠাপন পদ্ধতিৰ অনুবাদ (Ad-Verbating Translation) কৰি মূল উপন্যাসৰ সাহিত্যিক সৌন্দর্য তথা অর্থৰ বিঘিনি ঘটাব পাৰে। যি অনুবাদত মূলত বা স্রোত পাঠত থকা প্রতিটো শব্দৰ অনুবাদৰ প্রতি গুৰুত্ব দিয়া হয়, সেইবোৰ অনুবাদক শব্দৰ সলনি শব্দ প্রতিষ্ঠাপন পদ্ধতিৰ অনুবাদ বা চমুকৈ শব্দানুবাদ বোলে। এই অনুবাদ পদ্ধতিক যথেষ্ট নিম্নখাপৰ অনুবাদ হিচাপে গণ্য কৰা হয়। আনকি বিখ্যাত সমালোচক ড্রাইডেনেও শব্দানুবাদক নিকৃষ্ট বুলি কৈছে। অৱশ্যে এনেদৰে কোৱাৰ কাৰণো নোহোৱা নহয়। এইবিধ অনুবাদত স্রোত পাঠৰ বাক্যত ব্যৱহৃত প্রতিটো শব্দৰ ক্রম ৰক্ষা আৰু হুবহু অনুবাদৰ ওপৰত গুৰুত্ব দিয়া হয়। ফলত লক্ষ্য ভাষাৰ ব্যাকৰণগত দিশসমূহক এই অনুবাদত আওকাণ কৰা দেখা যায়। কেতিয়াবা মূলত কিছুমান শব্দ থাকে, যিবোৰ অনুবাদ কৰাৰ কোনো প্রয়োজনীয়তা নাথাকে। কিন্তু লক্ষ্য ভাষাৰ প্রয়োজনীয়তা আৰু বৈয়াকৰণিক দিশৰ প্রতি লক্ষ্য নাৰাখি এইবোৰ শব্দৰো অনুবাদ কৰা হয়। শব্দৰ সলনি শব্দ প্রতিষ্ঠাপন পদ্ধতিত অর্থ বিভ্রাতো ঘটিব পাৰে। যেনে—

গো-বাট — Cow road

বজাৰত টেঙা আম এবাৰহে বেচিব পাৰি — One can sell sour mango in the market only once

The child is father to the man — শিশুসকল মানুহৰ পিতৃ

Actions speak louder than words — কামে শব্দৰ তুলনাত ডাঙৰকৈ কথা কয়

স্রোত ভাষা আৰু লক্ষ্য ভাষাৰ বিস্তৃত আৰু গভীৰ জ্ঞানৰ অভাৱে উপন্যাস এখনৰ অনুবাদক শব্দানুগত কৰি তুলিব পাৰে। ফলত বহু সময়ত অনুবাদ কৃত্রিম তথা নিষ্প্রাণ হৈ পৰে। গতিকে উভয় ভাষাৰ বিস্তৃত জ্ঞানহীনতা কেবল উপন্যাসৰে নহয়, অনুবাদ প্রক্রিয়াটোৰে এটা গভীৰ সমস্যা।

৭.৫.২ পদ্ধতিগত সমস্যা

উপন্যাস এখন অনুবাদ কৰোঁতে অনুবাদক এজন পদ্ধতিগত সমসাৰো সন্মুখীন হয়। উপন্যাস এখন অনুবাদ কৰাৰ পূৰ্বে অনুবাদকজনে অনুবাদৰ ক্ষেত্রত কি পদ্ধতি অৱলম্বন কৰিব, সেই সম্পর্কে সিদ্ধান্ত গ্রহণ কৰিব লাগে। কেতিয়াবা অনুবাদকে কোনো উপন্যাস এক বিশেষ শ্রেণীৰ পাঠকৰ প্রতি লক্ষ্য ৰাখি অনুবাদ কৰে। বহু ক্ষেত্রত দেখা যায় বিশ্ব সাহিত্যৰ শীৰ্ষস্থানীয় উপন্যাসসমূহৰ সোৱাদ সৰু ল'ৰা-ছোৱালীক দিয়াৰ উদ্দেশ্যে সিহঁতৰ ৰুচি অনুসৰি অনুবাদ কৰা হয়। ডাঙৰ সাহিত্যানুৰাগীৰ বাবে ৰচিত কোনো উপন্যাসৰ সোৱাদ সৰু-ল'ৰা-ছোৱালীক দিবৰ বাবেও সিহঁতৰ উপযোগীকৈ মুকলি অনুবাদ কৰা হয়। যেনে—

Uncle Tom's Cabin — টম খুৰাৰ জুপুৰি

Magician Auge — অজান দেশত পাহি

উপন্যাসসমূহৰ এনে মুকলি ভাঙনি বা অভিযোজনা বিভিন্ন শিশু উপযোগী আলোচনীত প্রকাশ পায়। আকৌ কেতিয়াবা দেখা যায় এখন উপন্যাস অনুবাদ নকৰি অনুসৃষ্টিও কৰা হয়। এই পদ্ধতিত মূল লেখকৰ ৰচনাৰ সকলো ভাব আত্মস্থ কৰি সেইবোৰক নতুন ধৰণে উপস্থাপন কৰা হয়। অনুসৃষ্টি মৌলিক সৃষ্টিৰ সমপর্যায়ৰ। নতুনকৈ সৃষ্টি হোৱা পাঠটো পূৰ্বৰ সৃষ্টিৰ অনুকৰণহে। দৰাচলতে অনুসৃষ্টি বা অভিযোজনা উভয়ৰ বাবে অনুবাদকৰ ভাষাৰ জ্ঞানৰ লগতে সৃষ্টিশীলতাৰ প্রয়োজন। সৃষ্টিশীলতা অবিহনে এনে অনুবাদ কৰা সম্ভৱ নহয় আৰু অনুবাদ কার্যত সমস্যাৰ সৃষ্টি হয়।

আকৌ দেখা যায় কেতিয়াবা উপন্যাস এখনৰ ওপৰত ভিত্তি কৰি চলচ্চিত্র বা নাটক নির্মাণ হয়। ইয়ো অভিযোজনাৰ এটা প্রকাৰ। উদাহৰণস্বৰূপে ভবেন্দ্রনাথ শইকীয়াৰ '*অন্তৰীপ*' উপন্যাসৰ কাহিনীৰ আধাৰত '*অগ্নিস্নান*' চলচ্চিত্র নির্মাণ কৰা হৈছে। কিন্তু মন কৰিবলগীয়া দিশটো হ'ল উপন্যাসখনৰ গোটেই কাহিনীটো চলচ্চিত্রখনত ফুটাই তোলা নাই। উপন্যাসখনৰ প্রথম অংশৰ কাহিনীৰ ভিত্তিত চলচ্চিত্রখন নির্মাণ কৰা হৈছে। গতিকে ৰূপৰ পৰিৱর্তন সম্পর্কীয় এনে অনুবাদত অনুবাদকে উপন্যাসৰ কোনখিনি অংশ গ্রহণ কৰিব আৰু কোনখিনি বর্জন কৰিব তাৰ ওপৰত সিদ্ধান্ত ল'বলগীয়া হয়। গ্রহণ বর্জনৰ এই প্রতিক্রিয়াই অভিযোজনাত সমস্যাৰ সৃষ্টি কৰে।

৭.৫.৩ অনুবাদৰ সাংস্কৃতিক সমস্যা

ভাষা আৰু সংস্কৃতিৰ মাজৰ সম্পৰ্ক এৰাব নোৱাৰা। ভাষা আৰু সংস্কৃতি সহচৰীৰ দৰে থকাৰ বাবে এটা ভাষাৰ সাংস্কৃতিক উপাদান অন্য এটা ভাষাত উপস্থাপন কৰাৰ ক্ষেত্ৰত জটিলতাৰ সৃষ্টি হয়। কোনো বিশেষ সংস্কৃতিৰ লগত জড়িত ভাব-বিচাৰ সেই একে সংস্কৃতিৰ সহচৰী ভাষাটোৰ মাধ্যমেৰেহে উপযুক্তভাৱে প্ৰকাশ কৰিব পাৰি। ই হ'ল সংস্কৃতিক কেন্দ্ৰ কৰি সৃষ্টি হোৱা অনুবাদৰ সমস্যা। এনে সাংস্কৃতিক অসুবিধাৰ পৰা সাংস্কৃতিক অ-অনুবাদযোগ্যতা (Cultural Untranslability)ৰ ধাৰণাটো সৃষ্টি হৈছে। এই ধাৰণা অনুসৰি সাংস্কৃতিক কাৰণত কিছুমান প্ৰসংগৰ অনুবাদ বাস্তৱত সম্ভৱেই নহয়। সকলো ভাষা-সাহিত্যতে এনে অসংখ্য প্ৰকাশভংগী আছে, যিবোৰৰ ব্যঞ্জিত অৰ্থ সাংস্কৃতিকভাৱে পৃথক অন্য এটা ভাষাত পুনৰুক্তি কৰা অসম্ভৱ। যেনে অসমীয়াৰ '*ৰহাৰ ৰহদৈ টিপামৰ ভাদৈ*', '*মান ভগনৰ দিন*', 'হয় ৰঙামাটি নহয় গুৱাহাটী' আদি প্ৰকাশভংগীৰ কথা ক'ব পাৰি। প্ৰতিটো ভাষাতে সংস্কৃতিৰ লগত জড়িত বহুতো প্ৰকাশভংগী পোৱা যায়, যিবোৰ সেই নিৰ্দিষ্ট ভাষাতহে প্ৰকাশ কৰা সম্ভৱ। উপন্যাসৰ অনুবাদৰ সময়তো এনে সংস্কৃতিৰ লগত জড়িত সমস্যাৰ উদ্ভৱ হয়।



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়ালৈ অনূদিত উপন্যাসৰ ধাৰাটোৰ বিষয়ে অৱগত হ'লো।
- উপন্যাসৰ সাৰ্থক অনুবাদৰ বাবে গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হোৱা দিশবোৰৰ বিষয়ে জানিলোঁ।
- স্ৰোত ভাষা আৰু লক্ষ্য ভাষা সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিলোঁ।
- উপন্যাসৰ অনুবাদত উদ্ভৱ হ'ব পৰা সমস্যাসমূহৰ বিষয়ে জানিলোঁ।



৭.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। ঠাকুৰ, নগেন (সম্পা.) ঃ *এশ বছৰৰ অসমীয়া উপন্যাস*, জ্যোতি প্ৰকাশন, দ্বিতীয় প্ৰকাশন, ২০১২ চন।

২। বৰগোহাঞি, হোমেন ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ খণ্ড), আবিলাক, দ্বিতীয় প্রকাশ, ২০১২ চন।

৩। বেজবৰা, নীৰাজনা মহন্ত ঃ *অনুবাদ তত্ত্ব আৰু প্রয়োগ*, বনলতা, দ্বিতীয় প্রকাশ, ২০১১ চন।

৪। শর্মা, মদন ঃ *অনুবাদ অধ্যয়ন তত্ত্ব আৰু প্রয়োগ*, বান্ধৱ, প্রথম প্রকাশ, ২০১৭ চন।



৭.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ আৰম্ভণি — অনূদিত অসমীয়া উপন্যাসৰ ধাৰা অসমীয়া উপন্যাসৰ ধাৰাত ইয়াৰ গুৰুত্ব — সামৰণি।

২নং প্রশ্নৰ উত্তৰ ঃ আৰম্ভণি — স্রোত ভাষা আৰু লক্ষ্য ভাষা কি — অন্তঃ ভাষাগত আৰু আন্তঃ ভাষাগত অনুবাদ — সামৰণি।



৭.৯ আহিঁ প্রশ্ন

প্রশ্ন ১ ঃ অনুবাদ কাক বোলে? অনুবাদৰ উৎস ভাষা আৰু লক্ষ্য ভাষাৰ ওপৰত এটি টোকা যুগুত কৰক।

প্রশ্ন ২ ঃ উপন্যাসৰ অনুবাদত অনুবাদকে সন্মুখীন হোৱা সমস্যাসমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ ঃ উপন্যাস এখন অনুবাদ কৰোঁতে অনুবাদকে কোনবোৰ দিশৰ প্রতি লক্ষ্য ৰাখিব লাগে?

প্রশ্ন ৪ ঃ চমুটোকা লিখক ঃ

(ক) অভিযোজনা

(খ) অনুসৃষ্টি

(গ) লক্ষ্য ভাষা আৰু লক্ষ্য পাঠ

(ঘ) স্রোত ভাষা আৰু স্রোত পাঠ

*** ***** ***



প্রসঙ্গ পুথি

অসমীয়া গ্রন্থ ঃ

১) কটকী, প্রফুল্ল (২০০০) ঃ অনুবাদ পৰিক্রমা।

২) কটকী, প্রফুল্ল (২০০৮); তুলনামূলক সাহিত্য আৰু অনুবাদ বিচাৰ, গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৩) কটকী, প্রফুল্ল (২০১২) ঃ তুলনামূলক সাহিত্য আৰু অনুবাদ বিচাৰ, গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৪) ডেকা হাজৰিকা কৰবী (২০০৩); তুলনামূলক সাহিত্য আৰু অনুবাদ কলা, ডিব্রুগড় ঃ বনলতা।

৫) ঠাকুৰ, নগেন (সম্পা) (২০১২) ঃ এশ বছৰৰ অসমীয়া উপন্যাস, জ্যোতি প্রকাশন, দ্বিতীয় প্রকাশন,।

৬) তামুলী, লক্ষ্মীনাথ (সম্পাদনা) (১৯৯৭) ঃ যতীন্দ্র নাথ দুৱৰা ৰচনাৱলী, গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৭) দাস, নাৰায়ণ আৰু ৰাজবংশী, পৰমানন্দ (সম্পা.) (১৯৯৯); *অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ;* স্নাতকোত্তৰ অসমীয়া অধ্যয়ন কেন্দ্র, অসমীয়া বিভাগ, প্রাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী।

৮) দাস, নাৰায়ণ, ৰাজবংশী, পৰমানন্দ (সম্পা) ঃ অসমীয়া সাহিত্যত পাশ্চাত্য প্রভাৱ, চন্দ্র প্রকাশ, চতুর্থ সংস্কাৰণ, ২০১৪ চন।

৯) নাথ, প্রফুল্ল কুমাৰ (২০১৫) ঃ তুলনামূলক সাহিত্য, তত্ত্ব আৰু প্রয়োগ, গুৱাহাটী ঃ অসম বুক ডিপো, পাণবজাৰ।

১০) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী, চন্দ্র প্রকাশ।

১১) নাথ, প্রফুল্ল কুমাৰ (২০০৫) ঃ তুলনামূলক ভাৰতীয় সাহিত্য, বিচাৰ আৰু বিশ্লেষণ, গুৱাহাটী ঃ বনলতা, ১ম সংস্কৰণ।

১২) পাঠক, দয়ানন্দ (২০০৮); *অসমীয়া নাটক আৰু পাশ্চাত্য প্রসংগ;* গুৱাহাটী, পাণবজাৰ, লয়ার্ছ বুক ষ্টল।

১৩) বৰগোহাঞি, হোমেন (সম্পা) (২০১২) ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড), আবিলাক, দ্বিতীয়, ।

১৪) বেজবৰা, নীৰাজনা মহন্ত (, ২০১১) ঃ অনুবাদ তত্ত্ব আৰু প্রয়োগ, বনলতা, দ্বিতীয় প্রকাশ।

১৫) মহন্ত, বেজবৰা, নীৰাঞ্জনা (২০০৯) ঃ অনুবাদ আৰু প্রয়োগ, ডিব্রুগড় ঃ বনলতা

১৬) মহন্ত বেজবৰা, নীৰাঞ্জনা (২০১১); *অনুবাদ ঃ তত্ত্ব আৰু প্রয়োগ;* ডিব্রুগড়, বনলতা।

১৭) মহন্ত বেজবৰা নীৰাজনা (২০১১); অনুবাদ, তত্ত্ব আৰু প্রয়োগ, ডিব্রুগড় ঃ বনলতা।

১৮) মেধি, ৰমেন (সম্পা.) (২০১২); *ভাষা সাহিত্য চিন্তা;* ডিব্রুগড়, গুৱাহাটী, বনলতা।

১৯) শর্মা, সত্যেন্দ্রনাথ (২০০৪) ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, গুৱাহাটী

২০) শর্মা দলৈ, হৰিনাথ (২০০০) ঃ অসমীয়া সাহিত্যৰ পূর্ণ ইতিহাস, পদ্মপ্রিয়া লাইব্রেৰী

২১) শর্মা, সত্যেন্দ্রনাথ (২০০৪); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী।

২২) শর্মা, মদন (২০১৭) ঃ অনুবাদ অধ্যয়ন তত্ত্ব আৰু প্রয়োগ, বান্ধৱ, প্রথম প্রকাশ।

ইংৰাজী গ্রন্থ ঃ

1. Bassnett, Susan : Translation Studies, London and NewYork, 1980
2. Catford J.C. : A Lingustic Theory of Translation, Oxford University Press, 1965
3. Catford J.C. : A linguistic Theory of Translation, 1965
4. Das, Bijoy Kumar (1998); The Horizon of Translation Studies, Delhi, Atlantic.
5. Dev, Amiya : The Aesthetics of Translation.
6. Kalyani, P. K (2001); Translation studies, Delhi, Creative Books.
7. Konwar, Aparna (Ed.) (2004); *Journal of the Department of Assamese;* Dibrugarh University.
8. Lawrence Venuti (Ed.) (2000); *The Translation Studies Reader;* London and New York, Routledge.
9. Mukherjee, Sujit, 1994; *Translation as Discovery; Hyderabad, Orient Longman.*
10 New mark, P : Approaches of Translation, Oxford : Pergamon, Press, 1981
11. Nide E.A. : Towards A Science of Translating : Leiden : E. J. Bill, 1964
12. Newmark, Petes (1991); About Translation Clevedon, Multilingual Matters.
13. Trivedi H.C. : Cultural and Linguistic Problems of Translations The new Order Book Co. Ahmedabad, 1971
14. Wre, Jean (1964); Types of Translation and Transtability, Babel, 10:3-11.
15. Wilson, W : The Translation Art, 1989